# চিলাপথাৰ মহাবিদ্যালয় আলোচনী

## চিলাপথাৰ, ধেমাজি

## ২০১৬-১৭ বৰ্ষ

তত্ত্বাৱধায়ক
**প্ৰাঞ্জল দাস**

সম্পাদক
**মৰমী দিহিঙ্গীয়া**

# SILAPATHAR COLLEGE MAGAZINE

Annual Magazine of Students' Union, Silapathar College, Dhemaji

Edited by - Moromi Dihingia

Printed at : U.Dee. Compuprints, Main Road, Silapathar

**2016-2017 Academic Session**

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ

**ড° লক্ষীনাথ পেগু**

অধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

উপদেষ্টা ঃ

**শ্ৰীযুত ললিত চন্দ্ৰ দলে,** উপাধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

**ড° বেবী মৰাং দলে,** জ্যেষ্ঠ অধ্যাপক, অৰ্থনীতি বিজ্ঞান বিভাগ

**শ্ৰীযুত দীনেশ চন্দ্ৰ পেগু,** মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

তত্ত্বাৱধায়ক ঃ

**প্ৰাঞ্জল দাস,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

শিক্ষক সদস্য ঃ

**তুলতুল ফুকন,** মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**ৰাজু পেগু,** সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

**ড° মূৰ্চ্ছনা গগৈ,** সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ

**গীতিমা ডেকা,** সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

সম্পাদক ঃ

**মৰমী দিহিঙ্গীয়া**

ছাত্ৰ সদস্য ঃ

**সোনমনি নাওহলীয়া**

**জন পেগু**

**নিউটন পেগু**

**নিতুমণি পেগু**

বেটুপাত ঃ

**সূৰ্য বৰুৱা**

ডি.টি.পি. ঃ


**বিক্ৰম বাঢ়ৈ**

**পংকজ মেধি**

অলংকৰণ ঃ

**প্ৰাঞ্জল দাস, উৎপল বৰুৱা**






**প্ৰকাশক ঃ**

চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মূদ্ৰণ ঃ ইড. দী. কম্পিউপ্ৰিন্টচ্, চিলাপথাৰ

**Prof. A.K. Buragohain, Ph.D. (London), DIC**
**Vice-Chancellor**

**DIBRUGARH UNIVERSITY**
**DIBRUGARH - 786 004**
**ASSAM, INDIA**
**Phone : 0373-2370239**
**Fax : 0373-2370323**
emai. : alakkrburagohain@gmail.com

Ref. No. DU/VC/M/073/17/277

Date : 28.07.2017

# শুভেচ্ছা বাণী



প্ৰতি,

শ্ৰী মৰমী দিহিঙ্গীয়া

সম্পাদিকা, আলোচনী বিভাগ

চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মৰমৰ মৰমী দিহিঙ্গীয়া,

চিলাপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ২০১৬-২০১৭ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হলোঁ। মই আশা কৰিছো উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়খনৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

আলোচনীখন সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰে বাবে মোৰ ফালৰপৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অলক কুমাৰ বুঢ়াগোহাঁই

# কৃতজ্ঞতা জনাইছোঁ ...


- মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদনা সমিতিৰ মুখ্য উপদেষ্টা ড° লক্ষীনাথ পেগু ছাৰলৈ
- শুভেচ্ছা বাণীৰে আলোচনীখন সুন্দৰৰ পৰা সুন্দৰতৰ কৰি তোলাত সহায় কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য মহোদয় ড° অলক কুমাৰ বুঢ়াগোহাঁই ছাৰলৈ
- অসমৰে নহয় ভাৰতৰ উদ্ভাৱনী ক্ষেত্ৰখনত জড়িত, NASA ৰ দ্বাৰা পুৰস্কাৰ প্ৰাপ্ত, জাতীয় উদ্ভাৱনী সংস্থাৰ দ্বাৰা "সৃষ্টি সন্মান"(২০০৭), উদ্ভাৱনী ক্ষেত্ৰত কাম কৰাৰ বাবে "ৰাষ্ট্ৰপতি বটা" (২০০৯), বিজ্ঞান-প্ৰযুক্তিবিদ্যা মন্ত্ৰালয়ৰ দ্বাৰা "Meritorious Invention Award" (২০১১) আদি লাভ কৰা বিশিষ্ট বিজ্ঞানী আৰু সমাজ সেৱক শ্ৰীযুত উদ্ধাৱ ভড়ালী মহোদয়লৈ
- বেটুপাত অংকণকাৰী ধেমাজিৰ প্ৰখ্যাত চিত্ৰশিল্পী শ্ৰীযুত সূৰ্য্য বৰুৱা দেৱলৈ
- আলোচনীখন প্ৰকাশত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহযোগ আগবঢ়োৱা উপাধ্যক্ষ ললিত চন্দ্ৰ দলে ছাৰ, ড° বেবী মৰাং দলে বাইদেউ, ৰাজু পেগু ছাৰ, তুলতুল ফুকন বাইদেউ আৰু মহাবিদ্যালয়ৰ সন্মানীয় অন্যান্য শিক্ষাগুৰুসকললৈ
- আলোচনীখনৰ তত্বাবধায়ক প্ৰাঞ্জল দাস ছাৰলৈ
- সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টাবৃন্দ আৰু সমূহ সদস্য/সদস্যালৈ
- আলোচনীখনলৈ লেখনিৰে বৰঙণি আগবঢ়াই আলোচনীখন প্ৰকাশত সহায় কৰা শ্ৰদ্ধেয় শিক্ষা গুৰুসকলৰ লগতে জ্যেষ্ঠ, কণিষ্ঠ সকলো ছাত্ৰ-ছাত্ৰীলৈ
- মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক জন পেগু আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যালৈ
- আলোচনীখন প্ৰকাশত মোক বিশেষভাৱে সহায় কৰা কৃষ্ণদা, নিতুমণি, মৌচুমী, সোনমণি, নিৰৱলৈ
- আলোচনীখনৰ কাম-কাজৰ কথা সুধি উৎসাহিত কৰা মহাবিদ্যালয়ৰ সমাজতত্ব বিভাগৰ মুৰব্বী অধ্যাপক তোযেশ্বৰ গগৈ ছাৰ, বুৰঞ্জী বিভাগৰ শিৱনাথ পাইট ছাৰ, শিক্ষাতত্ব বিভাগৰ মিনুলতা নেৰাৰ বাইদেউ, মহাবিদ্যালয়ৰ কৰ্মচাৰী ৰজনী সোনোৱালদা, লক্ষ্যনাথ দলেদা, পৱিত্ৰ কোঁৱৰদালৈ
- ইউ. দী. কম্পিউপ্ৰিণ্টচ্‌ৰ স্বত্বাধিকাৰী আৰু কৰ্ম চাৰীবৃন্দলৈ
- চিলাপথাৰ মহাবিদ্যালয়ৰ পোহৰ প্ৰয়াসী প্ৰতিজন শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকলৈ

শেষত সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনাই বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিছাৰিলোঁ।



**মৰমী দিহিঙ্গীয়া**


আলোচনী সম্পাদক

চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



# শ্ৰদ্ধাঞ্জলি

কোনে কাক বিদায় জনাব পাৰে
হৃদয়ত খোদিত যাৰ সঠিক ঠিকনা ...



**প্ৰয়াত মতিৰাম টায়েং**

প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি

জন্ম ঃ ১৯২১

মৃত্যু ঃ ১৫/৭/২০১৭



**প্ৰয়াত পূণ্যেশ্বৰ বড়ি**

প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

জন্ম ঃ ২০/৩/১৯৫৭

মৃত্যু ঃ ২২/১/২০১৭



**প্ৰয়াত বীণা দেৱী**

প্ৰাক্তন সহকাৰী অধ্যাপক

জন্ম ঃ ১৮/১১/১৯৬৪

মৃত্যু ঃ ০৬/০৩/২০১৭

যিসকল ব্যক্তিৰ নেৰানেপেৰা প্ৰচেষ্টা, শ্ৰম আৰু ত্যাগৰ বিনিময়ত

চিলাপথাৰ মহাবিদ্যালয়ে ৩৮টা বসন্ত গৰকিবলৈ সক্ষম হ'ল

সেইসকল মহান ব্যক্তিৰ নামত

২০১৬-১৭ বৰ্ষৰ

চিলাপথাৰ মহাবিদ্যালয়ৰ আলোচনীখন

উছৰ্গা কৰিলোঁ।

**— সম্পাদনা সমিতি —**



# সম্পাদকীয়



বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ, ভাষা, সম্প্ৰদায়ৰ মিলনভূমিয়েই হৈছে অসম। ইয়াত বিভিন্ন জাতি- জনগোষ্ঠীৰ মানুহে উমৈহতীয়া সহিষ্ণুতা, পাৰস্পৰিক সহযোগিতা আৰু সৌহাদ্যৰে বৃহত্তৰ অসমীয়া জাতি গঢ় দিছে। অসমৰ জনগাঁথনিক বিভিন্ন দৃষ্টিকোণেদি আলোচনা কৰিব পাৰি। যথা নৃ-তাত্বিক দৃষ্টিভংগীৰে, ধৰ্মীয় পৰম্পৰাৰে, ভাষাতাত্বিক দৃষ্টিভংগীৰে। নৃ-তাত্বিক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে অসমীয়া জাতি গঠনত মংগোলীয়, অষ্ট্ৰেলীয়, ককেছীয় আদি নৃ-গোষ্ঠীসমূহৰ উপাদন দেখা যায়। একেদৰে ধৰ্মীয় পৰম্পৰাৰে দৃষ্টি নিক্ষেপ কৰিলে হিন্দু, বৌদ্ধ, খ্ৰীষ্টিয়ান, ইছলাম, জৈন আদি বিবিধ ধৰ্মীয় লোকে একতাৰ ডোলেৰে সমিল মিলেৰে বসবাস কৰা দেখা যায়। আকৌ ভাষিক দৃষ্টিভংগীৰে চালে ইন্দো-ইউৰোপীয়, চীন-তিব্বতীয়, অষ্ট্ৰিক আদি ভাষা পৰিয়ালৰ লোক পোৱা যায়। গতিকে বৈচিত্ৰ্যৰ মাজত ঐক্য বোলা কথাষাৰ অসমত এশ শতাংশই শুদ্ধ। কিন্তু, যোৱা কিছু বছৰৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-সম্প্ৰদায়সমূহৰ মাজত সেই পূৰ্বৰ মিলা-প্ৰীতি যেন কিছু পৰিমাণে হ্ৰাস পাইছে তেনে লাগে। বহুতে অসম আন্দোলনৰ পাছৰ পৰাই বিভিন্ন কাৰণৰ বাবে জাতি-জনগোষ্ঠীসমূহৰ মাজত অসন্তুষ্টিয়ে দেখা দিছিল বাবে এই ঐক্যৰ বান্ধোন শিথিল হৈছে বুলি ক'ব খোজে। সেয়া ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক যি কাৰণতে নহওক কিয়, ই কিন্তু সামগ্ৰিকভাৱে অসমৰ বাবে অতি ক্ষতিকাৰক।

এটা কথা সঁচা যে ভাষিক সচেতনতা বা সাংস্কৃতিক সচেতনতা কিন্তু এটা জাতি বা জনগোষ্ঠীৰ বাবে কেতিয়াও ভুল হ'ব নোৱাৰে। মই কোন এই প্ৰশ্নটোৰ উত্তৰ দিওঁতে যিদৰে আমি মা-দেউতাৰ প্ৰসংগ আনোঁ, ঠিক সেইদৰে এটা জাতি বা জনগোষ্ঠীয়ে নিজৰ পৰিচয়টো দিওঁতে সদায় তেওঁৰ নিজৰ ইতিহাসৰ কথা ক'বই লাগিব। সেই ইতিহাস যিমানেই ধূসৰ নহওক কিয়? এই কথাখিনিকে ভাৰতৰ প্ৰেক্ষাপটত ড° ভূপেন হাজৰিকাদেৱে সুন্দৰভাৱে কৈ গৈছে —

"মোৰ আইক ভালপাওঁ বুলিলে আনৰ আইক জানো ঘিণ কৰাটো বুজাব?"

সময় গতিশীল। গতিশীল সময়ৰ ব্যস্ততাৰ ফাঁকে ফাঁকে সলনি হয় মানুহৰ মন, মূল্যবোধ, সক্ষমতা, অক্ষমতাবোৰ। সৃষ্টিৰ পৰা বৰ্তমানলৈকে পৃথিৱীখনো বহুখিনি আগবাঢ়ি গ'ল। বহু উত্থান পতন হ'ল। কিন্তু এতিয়াও সম্পূৰ্ণভাৱে শেষ হোৱা নাই সাম্প্ৰদায়িকতা, শ্ৰেণী, বৰ্ণ, জাতি-ভেদ আদিৰ দৰে ঘৃণনীয় মানসিকতাবোৰ। এই সকলো বেয়া চিন্তা পৰিহাৰ কৰি একেলগ হৈ হাতে হাত ধৰি আমি আগুৱাই যাব লাগিব। তেতিয়াহে আমাৰ সপোনৰ সোণৰ অসমখন গঢ় লৈ উঠিব। অন্যথা, আমাৰ দুৰ্বলতাৰ সুযোগ কিন্তু আনে পূৰামাত্ৰাই গ্ৰহণ কৰিব।

**মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰসংগত ঃ**

এখন সুস্থ সৱল সমাজ গঢ়াত আলোচনীৰ ভূমিকা নুই কৰিব নোৱাৰি। আলোচনী এখনৰ যোগেদিয়েই এটা বৃহৎ আন্দোলনৰ নেতৃত্ব দিব পাৰি। ইতিহাসৰ পাতত এনে অনেক উদাহাৰণ পোৱা যায়। অসমীয়া সাহিত্যলৈয়ে যদি আমি চাওঁ তেন্তে অসমীয়া ভাষাটো পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত অৰুণোদই আলোচনীখনৰ ব্যাপক ভূমিকাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ঠিক একেদৰে মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখনৰো গুৰুত্ব বহুত। আলোচনীখনতে মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। ছাত্ৰ-ছাত্ৰীৰ বাবেও ই বৌদ্ধিক কৰ্ষণৰ কঠীয়াতলিস্বৰূপ হৈ পৰে। কিন্তু আলোচনীখনৰ কাম কৰি এনে অনুভৱ হৈছে, ছাত্ৰ-ছাত্ৰীৰ যেন কিতাপ আলোচনীৰ প্ৰতি ধাউতি একেবাৰে কমি গৈছে। কিয়নো তেওঁলোকক লিখনি বিচাৰি বাৰম্বাৰ যোগাযোগ কৰা সত্বেও এটা লিখনি দিবলৈ টান পায়। সময়ত আৰু পৰিপাটীকৈ লিখনি নোপোৱাৰ বাবে গোটেই কামখিনি কৰোতে আমি যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছোঁ। পৰৱৰ্তী সময়ত আলোচনীলৈ লিখনি পঠালে ছাত্ৰ-ছাত্ৰীসকলে পৰিপাটীকৈ আৰু নিৰ্দিষ্ট সময়ত দিবলৈ মই বিশেষভাৱে অনুৰোধ জনালোঁ।

আলোচনীখনৰ কাম কৰোতে মোৰ অভিজ্ঞতাৰ অভাৱৰ বাবেই হওক বা জ্ঞানৰ সীমাৱদ্ধতাৰ বাবেই হওক যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছিলোঁ। তথাপি যিমান পাৰোঁ ভাল কৰিবলৈ চেষ্টা কৰিছোঁ। ভুল নিশ্চয় ৰৈ যাব পাৰে। সেয়া মোৰ জ্ঞানৰ সীমাৱদ্ধতাৰ বাবেই বা অজানিতে ৰৈ গৈছে বুলি ধৰি লৈ সকলোৱে স-হৃদয়তাৰে আলোচনীখন আঁকোৱালি ল'লে কৃতাৰ্থ হ'ম।

আলোচনীখন সম্পাদনা কৰি উলিওৱা ক্ষেত্ৰত আমাক সহযোগ আগবঢ়োৱাৰ বাবে প্ৰথমেই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষীনাথ পেগু ছাৰলৈ যাচিছোঁ আন্তৰিক কৃতজ্ঞতা। লগতে আলোচনীখন প্ৰস্তুত কৰি উলিয়াওঁতে আৰম্ভণিৰ পৰা শেষলৈকে দিহা-পৰামৰ্শ তথা হাতে-কামে সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা আলোচনীখনৰ তত্বাৱধায়ক প্ৰাঞ্জল দাস ছাৰৰ লগতে উপদেষ্টা, অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° বেবী মৰাং দলে বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ।

আলোচনীখনৰ খা-খবৰ লৈ মোক উৎসাহ যোগোৱা মোৰ সন্মানীয় শিক্ষাগুৰু তুলতুল ফুকন বাইদেউ, শিৱনাথ পাইট ছাৰ, ৰাজু পেগু ছাৰ, মূৰ্চ্ছনা গগৈ বাইদেউ, মিনুলতা নেৱাৰ বাইদেউ, গীতিমা ডেকা বাইদেউ, য়াচিংফা বাইদেউৰ লগতে মোৰ সহপাঠী সোনমনি নাওহলীয়া, নিতুমণি পেগু, মৌচুমী সোনোৱাল আৰু মহাবিদ্যালয়ৰ প্ৰতিজন শুভাকাংক্ষীলৈ যাচিলোঁ আন্তৰিক কৃতজ্ঞতা ।

।। জয়তু চিলাপথাৰ মহাবিদ্যালয়।।

।। জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**মৰমী দিহিঙ্গীয়া**

আলোচনী বিভাগৰ সম্পাদক

# সূচীপত্ৰ

## চিন্তা বিচিত্ৰা




❍ **GLOBALISATION AND ECONOMIC DEVELOPMENT IN ASSAM**
  ⏩ Dr. Baby Morang Doley//১

❍ **অসমৰ নাৰী আৰু নৱ-বৈষ্ণৱবাদ**
  ⏩ য়াছিংফা গগৈ//৪

❍ **মোৰ মন আকাশত দোলা দি থকা কেইটামান বিক্ষিপ্ত চিন্তা**
  ⏩ নিউটন পেগু//৭

❍ **SHAKESPEAREAN TRAGEDY**
  ⏩ Dr. Jai Ram Jha//১১

❍ **বৈদ্যুতিন পাঠ্য পুথি**
  ⏩ সুনীল টাইদ//১৩

❍ **সামাজিক উশৃংখলতা আৰু শিক্ষাৰ ক্ষেত্ৰখনত ইয়াৰ প্ৰভাৱ**
  ⏩ প্ৰিয়ংকা পাল//১৫

❍ **EVALUATION IN HIGHER EDUCATION (A Critical Appraisal)**
  ⏩ Dr. Abdul Mutalib//২০

❍ **শিক্ষাৰ গোলকীকৰণ ঃ এক অৱলোকন**
  ⏩ পুণ্য প্ৰসাদ কাট্টেল//২৬

❍ **নৰেন্দ্ৰ মোডীৰ বিমুদ্ৰাকৰণ**
  ⏩ বেবী বৰুৱা//৩১

❍ **ভাষা মনোভংগী আৰু অসমত এই অধ্যনয়ৰ প্ৰয়োজনীয়তা**
  ⏩ প্ৰাঞ্জল দাস//৩২

❍ **অসমীয়া ভাষাৰ সংকটময় অৱস্থা**
  ⏩ সোনমনি নাওহলীয়া//৩৫

❍ **অসমীয়া ভাষাৰ দ্বিতীয় সংবাদ পত্ৰ "আসাম বিলাসিনী"**
  ⏩ নিতুমণি পেগু//৩৬

❍ **Global Terrorism**
  ⏩ Puja Mallah//৩৮

❍ **Tribal & Non-Tribal Politics of North-East India**
  ⏩ Attabulla Haque//৪১

❍ **Intolerance**
  ⏩ Memon Ahmed//৪৩

❍ **The 56th Annual Conference of Bodo Sahitya Sabha**
  ⏩ Manisha Wari//৪৫

❍ **সফল জীৱনৰ সন্ধানত**
  ⏩ টংকেশ্বৰ পেগু//৪৬




*It's not what you achieve,*
*it's what you overcome.*
*That's what defines your career.*
*–Carlton Fisk*

## কেৰিয়াৰ


❍ **কেইটামান কেৰিয়াৰ**
- বুলজিৎ বুঢ়াগোহাঁই//৪৭


## সংস্কৃতি




❍ **অসমৰ লোক-সংস্কৃতি**
- ৰেৰতী কুলি//৫১

❍ **অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰ**
- সংগীতা বড়া//৫৪

❍ **অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰৰ এটি চমু অৱলোকন**
- মধুমতী পেগু//৫৬

❍ **সোনোৱাল কছাৰীসকলৰ লোকসংস্কৃতি**
- মৌচুমী সোনোৱাল

❍ **দেউৰী জনগোষ্ঠীৰ সংস্কৃতি**//৫৮
- লক্ষীপ্ৰিয়া দেউৰী//৬৩

❍ **মিচিং জনগোষ্ঠীৰ ৰীতি নীতি, লোক নৃত্য আৰু বাদ্য**
- দিপ্তীৰাণী পাইত//৬৬


## ব্যক্তি আৰু ব্যক্তিত্ব


❍ **ড° ভূপেন হাজৰিকা**
**এক অপ্ৰতিৰোধ্য সত্ত্বা**
- সুভদ্ৰা পাএগং//৬৮

❍ **বুকাৰ বঁটা বিজয়ী অৰুন্ধতী ৰয়**
- বিনীতা দেৱী//৬৯

❍ **ত্ৰিৰংগা পতাকাৰ সৃষ্টিকৰ্তা পিংগালি ভেংকায়া গাৰু**
টংকেশ্বৰ পেগু//৭০

❍ **মহান ব্যক্তিসকলৰ ল'ৰালি কাল**
- সঞ্জীৱ ৰাজবংশী//৭২

❍ **বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্বলি উঠা চিলাপথাৰৰ কেইগৰাকীমান ব্যক্তি** —//৭৩




## গল্প




❍ শেষ উপহাৰ
⏩ মমী নৰহ//৭৯

❍ সংঘাত
⏩ কৃষ্ণ বৰগোহাঁই//৮১

❍ জীৱনৰ বিলৈ
⏩ সুভদ্ৰা পাএাং//৮৪

❍ বেদনা
⏩ মাধৰী বুঢ়াগোহাঁই//৮৫

❍ সফলতাৰ সন্ধানত
⏩ টিংকু গগৈ//৮৬


## অনুবাদ


❍ মালালা ইউছুফজাইৰ নবেল বক্তৃতাৰ অসমীয়া ভাঙনি
⏩ দুলুমণি পেগু//৮৭




## ক্ৰীড়াঙ্গণ


❍ THE UNTOLD STORY OF KAUR SINGH A forgotten Indian Boxer
⏩ Md. Asif Siddique//৯০


## ব্যক্তিত্ব


❍ THE FASTEST MAN TO TRAVEL MOST COUNTRIES: BENNY PRASAD
⏩ Bina Kardong//৯১




## নাটক


❍ জেওৰা
⏩ প্ৰাঞ্জল বুঢ়াগোহাঁই //৯২

কবিতা


- **বৰযুণ** ▸▸ সঞ্জীৱ ৰাজবংশী//৯৬
- **অভিলাসী মন** ▸▸ নয়ংকা দাস//৯৬
- **সময়ৰ লেখ** ▸▸ ৰজী বৰগোহাঁই//৯৭
- **কুঁৱলী** ▸▸ হলিমা বেগম//৯৭
- **বতাহ এটি মিঠা অনুভৱ** ▸▸ বিনীতা দেৱী//৯৮
- **নানৰঙী ফাগুন** ▸▸ ঝুমকি দে//৯৮
- **ফাগুন** ▸▸ কৰবী হাজং//৯৯
- **অনুভৱ** ▸▸ কৃষ্ণ ছেত্ৰী//৯৯
- **আহ্বান** ▸▸ সুশান্ত নেওগ//১০০
- **আশা** ▸▸ মঞ্জু দেৱী//১০০
- **Life is Cricket** ▸▸ Priyanka Prasad//১০১
- **Be Happy Not Perfect** ▸▸ Manisha Wary//১০১




বিশেষ লেখা


- **ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ**
  ▸▸ ৰবীন কুলি//১০২


ভ্ৰমণ


- **পাচিঘাট ব'ডাকৰ সেউজীয়াৰ মাজত এদিন**
  ▸▸ ডিপু হাজৰিকা//১০৬


সাক্ষাৎকাৰ


- **অসাধাৰণ হৈও সাধাৰণ জীৱন যাপন কৰা বিজ্ঞানী উদ্ধৱ ভৰালীৰ সৈতে**//১০৯
- **চিলাপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া হিতেশ টায়েৰ সৈতে অন্তৰংগ আলাপ**//১১৩


গ্ৰাম্য আলোক


**আমাৰ গাঁওবোৰৰ বিষয়ে যৎকিঞ্চিৎ**//১১৫




গ্ৰন্থ সমীক্ষা


- **ৰীতা চৌধুৰীৰ পপীয়া তৰাৰ সাধু**
  ▸▸ কাৰপুনপুলি টায়ে//১২০


দৃষ্টিকোণ




- **অসম চৰকাৰৰ বিনামূলীয়া নামভৰ্তিৰ সন্দৰ্ভত ছাত্ৰ- ছাত্ৰীৰ মতামত**//১২২
- **প্ৰতিবেদন** —————— //১২৩



# GLOBALISATION AND ECONOMIC DEVELOPMENT IN ASSAM

**Dr. Baby Morang Doley**

**1.0 : INTRODUCTION :**

A great deal of literature on globalization has appeared in our country during the last two decades. The impacts of the phenomenon are also emerging in the society gradually. It is, therefore, time to have an overview of what actually are going to happen in economic life of the society after emergence of market economy. This paper is, thus, a humble attempt at understanding the economic situations of the state of Assam as influenced by the wave of globalization and how the programmes for development are being implemented.

Globalisation is often defined associating with the integration of the world, with the market opening the barriers of nation states in terms of flow of trade and commerce, finance, technology, knowledge, culture and even movement of people. With the advancement of technology, especially, in the information and communication technology (ICT) sector, the entire world is expected virtually to be turned into a global village. Within this parameter, an attempt has been made to delve into Assam's economy and her progress in development.

**2.00 : ECONOMY OF ASSAM :**

**2.01 : AGRICULTURE :**

The economy of Assam largely depends on agricultural production. Nearly 86 per cent of state's population who usually live in 26312 villages subsist on agriculture and rice is the staple food for them. According to 2011 census agriculture sector contributes only 19.22 per cent to state's revenue, the sector cannot be said to have received proper attention. Traditional method of operating agriculture still continues to exist in the large majority of the villages although very little

is being done in the name of modernization in a few villages. Irrigation that is essentially associated with agriculture is likely to lose its existence itself not to speak of its service to peasants. As a result of indifference to rural development, the villages also contribute alarmingly to the growth of unemployment problems. Any development programme cannot be thought of without taking the ones of this large population into account. However, there have been instances of schemes being launched for rural employment.

**2.02 : EMPLOYMENT :**

Since the beginning of economic reforms in 1991, considering the increasing intensity of unemployment problem, a number of national schemes have, so far, been launched across the country, especially, for the development of rural areas – namely, Swarna Jayanti Gram Swarozgar Yojana (SJGSY), Jawahar Rojgar Yojana (JRY), Sampoorna Gramin Rojgar Yojana (SGRY), Employment Assurance Scheme (EAS), Rural Landless Employment Guarantee Programme (RLEGP), Pradhan Mantri Gram Sadak Yojana (PMGSY), National Rural Employment Guarantee Assurance (NREGA) etc. including Self Help Group (SHG). In addition to such national programmes, the Chief Minister of every state has initiated his rural employment schemes. The Chief Minister's Swanayojan Yojana in Assam is intended to impart job oriented training to the educated unemployed youth. Besides, the Gram Panchayats are supposed to implement their rural development schemes effectively and Assam can, by no means, stand apart from them.

It is to be noted here that the schemes mentioned above are found to have positive effects on the rural population in Assam in one way or another. A great majority of women population in rural areas of the state who used to confine themselves to kitchen only appear to be actively involved in economic activities, especially, in production and marketing through SHGs. However, the educated unemployed youths of rural areas generally migrate to urban areas for employment and thus, the strength of urban unemployed being reinforced in return. Despite several measures being taken up, the state of affairs in respect of employment in Assam is dismaying.

Although the employment scenario in the country has significantly improved since the economic liberalization policies in the 1990s, Assam has not shown remarkable success in this respect. Even BPO network has not reached the state which is bearing the burden of about 2000000 (twenty lakh) registered educated unemployed youths. The report of Economic Survey of Assam regrets that in the year 2006 registered a decrease of 1.78 per cent in employment (comprising both Public and Private Sectors) over the previous year. The situation has not changed in the subsequent years also. Besides, rampant corruption at all levels of governance has led to failure of schemes being implemented.

**2.03 : INDUSTRY :**

Considerable impacts of globalization are evident in industrial sector of Assam, but the number of large industry is insignificant. Barring tea, oil and coal industries, the industries of Assam may be termed as cottage industry in size and nature. However, such small industries are found have made an enormous extension both in rural and urban areas during the last decade. Traditional items of food, cloths, furniture, costumes etc. are being produced by many SHG and NGOs in a revolutionary manner and their produce are delivered in markets successfully. Even in the field of tea industry, there has emerged a group of small tea growers who have also revolutionized the tea industry from different dimension.

Despite such spectacular changes in small industries, Assam has witnessed considerable backwardness in industrialization. Industrialists of large industries, especially under Private Sector which could have generated employment in large scale are generally reluctant to establish units in the state owing to socio-political reasons. Insurgency problem is one of the many reasons.

**2.04 : DISPARITY :**

One of the negative impacts evident during the last two decades is disparity not only in terms of region

but also in terms of section of population within a particular region. As a matter of fact, Assam remains in a peripheral zone in globalised India in the sense that the Foreign Direct Investment (FDI) regime has not yet touched the state. The following table substantiates the point of regional disparity :

The table given above clearly indicates that except Assam, all the states in the table have had an increase both in GSDP (Gross State Domestic Product) and Per Capita GSDP during period from the year 1992-93 to 2005-06. In case of Assam, there is a decrease in GSDP although a slight increase has been seen in Per Capita GSDP.

| States | GSDP | | Per Capita GSDP | |
|---|---|---|---|---|
| | 1992-93 | 2005-06 | 1992-93 | 2005-06 |
| Andhra Pradesh | 5.72 | 6.53 | 3.50 | 5.41 |
| Assam | 3.98 | 3.54 | 1.75 | 2.14 |
| Bihar | 3.41 | 4.73 | 1.23 | 5.26 |
| Gujarat | 6.77 | 7.10 | 4.74 | 5.30 |
| Haryana | 5.75 | 6.98 | 3.24 | 4.81 |
| Karnataka | 5.57 | 6.88 | 3.59 | 5.50 |
| Kerala | 3.82 | 6.28 | 2.44 | 5.51 |
| Tamil Nadu | 5.46 | 6.12 | 4.03 | 5.16 |
| West Bengal | 4.57 | 6.61 | 2.35 | 5.23 |

Apart from such regional disparities, the gap between the poor and the rich and between the rural and the urban has also been widened during the period under the influence of globalization. The great majority of the rural mass does not have access to the basic amenities, such as, electricity, education, sanitation, drinking water and infrastructure. Wealth distribution pattern is also utterly uneven. Recent surveys have shown that top 10 per cent of the income groups share around 33% of the total income of the country.

**2.05 : DISINVESTMENT :**

The core elements of globalization are privatization and liberalization. Under the privatization scheme, bulk of the public sector undertakings have been/ and are being still sold to the private sector. Thus the concept of PPP (Public-Private Partnership) has emerged. But in Assam, the Assam State Transport Corporation presently being run under PPP scheme has also not shown significant achievement. Absence of connectivity still poses a big problem in the state.

**3.00 : CONCLUSION :**

Despite many evils of globalization, it is expected that consumers of Assam will also be able to share the fruits of the phenomenon. In order to make people competent to face emerging challenges, socio-political ideologies have a tremendous role to play.

---

Associate Professor
Department of Economics



# অসমৰ নাৰী আৰু নৱ-বৈষ্ণৱবাদ

য়াছিংফা গগৈ

**০.০০ অৱতৰণিকা ঃ**

অসমত নৱ- বৈষ্ণৱ ধৰ্মৰ আন্দোলনৰ সূচনা হৈছিল খৃষ্টীয় ষোড়শ শতিকাত। ভাৰতৰ অন্যান্য অঞ্চলবোৰত থকাৰ দৰে অসমতো বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ অতীজৰ পৰা আছিল। অসমত যিবোৰ ভূমিদান লিপি পোৱা গৈছে তাৰ পৰা অসমৰ বহুতো ৰজা বৈষ্ণৱ ধৰ্মাৱলম্বী আছিল বুলি জানিব পাৰি। শ্ৰীমন্ত শংকৰদেৱ আছিল অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ পুৰোধা। তেওঁৰ পাছত মাধৱদেৱ, দামোদৰ দেৱ, হৰিদেৱ, গোপাল আতা, বংশী গোপালদেৱ আদিৰ চেষ্টাত এই ধৰ্ম অসমৰ চুকে-কোণে বিয়পি পৰে।

পৃথিৱীৰ আন প্ৰায়বোৰ সমাজৰ নিচিনাকৈ আমাৰ অসমীয়া সমাজতো নাৰীৰ স্থান পুৰুষতকৈ নিম্ন আছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ দুৱাৰ নাৰীৰ বাবে মুকলি আছিল যদিও মনুসংহিতাৰ নাৰী বিদ্বেষী দৰ্শনৰ পৰা ভক্তি ধৰ্ম প্ৰচাৰক সকলক মুক্ত হ'ব পৰা নাছিল। তদানীন্তন উত্তৰ ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিয়েও তেওঁলোকক প্ৰভাৱিত কৰিছিল। কাৰণ সমকালীন উত্তৰ ভাৰতৰ সম্ভ্ৰান্ত শ্ৰেণীৰ নাৰীৰ মাজত পৰ্দা প্ৰথাৰ বহুল প্ৰচলন আছিল আৰু ই আভিজাত্যৰ এটা প্ৰতীক হৈ পৰিছিল। তদুপৰি ওপৰা-উপৰিকৈ মোগলৰ অসম আক্ৰমণে অসমৰ নাৰীসকলৰ নিৰাপত্তাৰ দিশটোও শংকিত কৰি তুলিছিল।

**১.০০ অসমৰ নাৰী আৰু নৱ-বৈষ্ণৱবাদ ঃ এটি আলোকপাত ঃ**

অসমত শ্ৰীমন্ত শংকৰদেৱে পাতনি মেলা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে যি এক অভিনৱ জাগৰণৰ সৃষ্টি কৰিছিল তাৰ মূলতে কেৱল ধৰ্মীয় অথবা আধ্যাত্মিক আকৰ্ষণেই নাছিল। তাৰ লগতে তীব্ৰ হৈ আছিল সাহিত্য আৰু সংস্কৃতিৰ সন্মোহনী আকৰ্ষণ। গুৰুজনাৰ ঘাই উদ্দেশ্য আছিল এক সৰল, অনাড়ম্বৰ আৰু সৎ ধৰ্মীয় নীতি প্ৰচাৰ কৰা। এই নীতিত জাতি-বৰ্ণ, উচ্চ-নীচ, বলি-বিধান আৰু পূজা পাতলৰ স্থান নাই। বিষ্ণু হ'ল একমাত্ৰ উপাস্য দেৱতা। ভগৱান বিষ্ণুক পাবৰ বাবে একান্ত ভক্তিৰে নিজকে সমৰ্পণ কৰাটো প্ৰতিজন ব্যক্তিৰে কৰণীয় কৰ্ম।

প্ৰাক-শংকৰী যুগত অসমীয়া সমাজত দেৱীৰ প্ৰাধান্য আছিল। কামৰূপৰ 'কামাখ্যা' আৰু শদিয়াৰ 'কেঁচাইখাতী' গোসানী প্ৰাক-শংকৰী যুগৰ অসমত দেৱী প্ৰাধ্যান্যৰ উল্লেখযোগ্য নিদৰ্শন।

বৈষ্ণৱ যুগৰ অসমীয়া সমাজখন আছিল পুৰুষ প্ৰধান সামন্তবাদী সমাজ। সামন্তবাদী সমাজত নাৰীৰ স্থান স্বভাৱতেই গৌণ। কাৰণ নাৰী আছিল যদিও কৃষিৰ উদ্ভাৱিকা, তথাপি সামন্তবাদৰ যিটো অৰ্থনৈতিক বৈশিষ্ট্য - হালৰ সহায়েৰে বিস্তৃত অঞ্চল জুৰি আৰ্দ্ৰ শস্যৰ খেতি-তাক কৰাৰ ক্ষমতা থাকে পুৰুষৰ হাততহে।১ ফলত এনে সমাজত নাৰী অৰ্থনৈতিক ক্ষমতাৰ পৰা চ্যুত হৈ পুৰুষৰ কৰ্তৃত্বাধীন হ'বলৈ বাধ্য হয়। গতিকে পুৰুষ প্ৰধান সামন্তবাদী সমাজৰ ভাৱাদৰ্শ স্বৰূপ নৱ-বৈষ্ণৱ

ধৰ্মত নাৰীৰ স্থান উচ্চ নোহোৱাটোৱেই স্বাভাৱিক আছিল। শংকৰদেৱে নিজেও লিখিছে --

স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।
পুৰুষক পুষিবা কৰিবা গৃহকৰ্ম।।১

*(দশম, ১১৮৯৩ কীৰ্তন, ৮২৪)*

পিতৃতান্ত্ৰিক সমাজত উৎপাদনৰ আহিলাসমূহ ন্যস্ত হয় পুৰুষৰ হাতত। ফলত নাৰীয়ে তেওঁৰ স্বতন্ত্ৰ কৰ্তৃত্ব হেৰুৱাই পেলায় আৰু পুৰুষৰ অধীন হৈ পৰে। অসমীয়া বৈষ্ণৱ কবিসকলৰ লিখনিত প্ৰতিফলন হৈছে নাৰীৰ প্ৰতি অৱজ্ঞাসূচক অনেক উক্তি --

পৰম অনৰ্থকাৰী নাৰী সমস্তয়।
নাৰী সঙ্গে বহু দুখ পুৰযে লভয়।।

*(ভক্তি ৰত্নাকৰ, ১০১৮)*

নাৰীত বিশ্বাসে নৰ হোৱে সৰ্বনাশ।
নাজানিয়া অগ্নিত ফৰিঙ্গা কৰে জাস।।

*(অনন্ত কন্দলী, ভাগৱত, ৬/৬১৮৮-১)*

মোক মাৰি লোক মাজে থাপিবা কুখ্যাতি।
বিশেষত গৰু আৰু তিৰী একেজাতি।।

*(বিষ্ণু ভাৰতী, ভাগৱত, ৪/৩১২৬)*

বৈষ্ণৱ সাহিত্যৰ আৰু এটি মন কৰিবলগা কথা হ'ল ইয়াত নাৰী প্ৰায়ে উল্লেখিতা হৈছে শূদ্ৰ, চণ্ডাল আদি নিম্ন শ্ৰেণীৰ সৈতে - 'স্ত্ৰী শূদ্ৰগণ অধম যবন আনো জাতি পাপী নৰে' -- (শংকৰদেৱ ভাগৱত ২/৬০২) 'স্ত্ৰী শূদ্ৰ বৈশ্য যত পাপ জাতি' (ভক্তি ৰত্নাকৰ, ৬৪৭) ইত্যাদি। ইও নাৰীৰ প্ৰতি বৈষ্ণৱ সকলৰ অৱজ্ঞাৰেই ইঙ্গিত।

বৈষ্ণৱ ধৰ্মত এই পুৰুষ প্ৰাধান্যৰ বাবেই বৰপেটাৰ কীৰ্তনঘৰত নাৰীৰ প্ৰৱেশ আজিও নিষিদ্ধ।

শংকৰ-মাধৱকে ধৰি কেইবাজনো ধৰ্মপ্ৰচাৰকৰ ৰচনাত নাৰী বিদ্বেষী অনেক কথা পোৱা যায়। ইয়াৰ সৰহভাগেই আছিল মূল সংস্কৃতৰ অনুবাদ। কিন্তু ধৰ্মাচাৰ্য সকলৰ ৰক্ষণশীল মনোভাৱে সাধাৰণ নাৰীসকলক প্ৰভাৱান্বিত কৰিব পৰা নাছিল। বৈষ্ণৱ যুগৰ নাৰীৰ জ্ঞান-স্পৃহা, ভক্তিৰ গাঢ়তা, বিষয় জঞ্জালৰ মাজত থাকিও আত্মিক মুক্তিৰ প্ৰচেষ্টাৰ উৎকৃষ্ট নিদৰ্শন স্বৰূপে নাৰায়ণ দাস ঠাকুৰ আতাৰ পত্নী বৰাবাহি আই, হাজৰা আতৈৰ পত্নী হৰিপৰ্ব্বা আই, চান্দৰী দাস, কনকলতা আই, চিলাৰায় দেৱানৰ পত্নী কমলাপ্ৰিয়াৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰিও বৈষ্ণৱ যুগত প্ৰত্যক্ষবাৰে ধৰ্ম প্ৰচাৰ কাৰ্যত আগবাগ লওঁতাসকলৰ ভিতৰত তেলীকৃষ্ণ আতৈৰ পত্নী আই দয়াল আৰু ভৱানী পুৰীয়া গোপাল আতাৰ কন্যা পদ্মাপ্ৰিয়াৰ নাম উল্লেখযোগ্য। পদ্মাপ্ৰিয়াই বহুতো ভক্তিগীত ৰচনা কৰিছিল। তেওঁ আছিল অসমৰ প্ৰথম মহিলা কবি। বৈদিক যুগত ঘোষা, বাক্, অপালা আদি বিদুষী নাৰীসকলে বেদৰ সূক্ত ৰচনা কৰাৰ দৰেই বৈষ্ণৱ যুগতো পদ্মপ্ৰিয়াই ভক্তিমূলক গীত ৰচনা কৰি বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰত যথেষ্ট অৰিহণা যোগাইছিল।

শংকৰদেৱৰ বুঢ়ীমাক খেৰসূতী আইৰ মাধ্যমত আমি মধ্যযুগৰ অসমীয়া নাৰীৰ বিদ্যুৎসাহিতাৰ নিদৰ্শন দেখা পাওঁ। গুৰুজনাক বৃন্দাৱনী বস্ত্ৰৰ খুঁত উলিয়াই দিয়া চান্দৰী দাসীৰ নামৰ বিশেষ উল্লেখযোগ্য। মাজে মাজে অৱশ্যে ধৰ্মাচাৰ্য সকলৰ নাৰীৰ শিক্ষা আৰু ধৰ্মীয় অধিকাৰৰ প্ৰতি উদাৰ দৃষ্টিভংগীৰ উল্লেখ পোৱা যায়। এই প্ৰসংগত শংকৰদেৱৰ পদ উল্লেখযোগ্য --

কাক বুলি হৰি কথা    হৰিৰ কীৰ্তন কিবা
যিটো সৱে একোৱে নজানে।
স্ত্ৰীশূদ্ৰ অন্ত্যজাতি    তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসৱে অহোপ্ৰাণে।।

*(নিমিনৱ সিদ্ধ সংবাদ - ৩৩০)*

অনন্ত কন্দলিয়েও লিখিছে -

শ্লোক সংস্কৃত আমি    লিখিবাক ভাল জানি
তথাপি কৰিলোঁ পদ বন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত    জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ।।

*(মধ্য দশম - ৩০৮৮)*

অসম বুৰঞ্জীৰ বৈষ্ণৱ যুগৰ কালছোৱা বহিৰাক্ৰমণ, অন্তৰ্বিদ্ৰোহ, বিষয়াসকলৰ অন্তৰ্দণ্ড আদি কাহিনীৰে ভৰপূৰ। এই বিলাকে সৃষ্টি কৰা পৰিৱেশত নাৰী বিভিন্ন প্ৰকাৰৰ নিৰ্যাতনৰ বলি হ'ব লগা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত বহুত নাৰী আৰু শিশুৱে প্ৰাণ হেৰুৱাব লগা হৈছিল। মানৰ আক্ৰমণৰ সময়ত নাৰীৰ নিৰাপত্তা হেৰাই গৈছিল। পুৰুষৰ লগতে তেওঁলোকে জোৰ-জুলুমকৈ তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীকো নিজ দেশলৈ ধৰি লৈ গৈছিল। তেওঁলোকৰ শাসন কালত যুৱতীসকলৰ কথা বাদেই গৰ্ভৱতী মাতৃও বৰ্বৰ অত্যাচাৰৰ পৰা হাত সাৰিব পৰা নাছিল।

তদুপৰি প্ৰায় সমগ্ৰ সোতৰ শতিকা জোৰা আহোম মোগল যুদ্ধৰ সময়ত অসমৰ নাৰী সমাজৰ নিৰাপত্তাও শংকিত হৈ পৰিছিল। এনে ঘটনা নাৰীৰ অবাধ চাল-চলনত অন্তৰায় ৰূপে থিয় দিছিল। তথাপিও এই সময়তে জয়মতী কুঁৱৰী, ফুলেশ্বৰী কুঁৱৰী, মূলা গাভৰু, কুৰঙ্গনয়নী, নাংবল্কা গাভৰু ইত্যাদিয়ে অসমৰ সামাজিক, ৰাজনৈতিক ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি গৈছে।

**উপসংহাৰ ঃ**

বৈদিক যুগৰ প্ৰথম পৰ্যায়ত কেৱল শাৰীৰিক ভিন্নতাৰ বাদে পুৰুষ আৰু স্ত্ৰীৰ মাজত কোনো ভিন্নতা নাছিল। সামাজিক শৈক্ষিক, ধৰ্মীয় আদি সকলো ক্ষেত্ৰতে নাৰীয়ে পুৰুষৰ দৰে একে ধৰণৰ সুবিধা

ভোগ কৰিছিল। মহাকাব্যৰ আৰু পুৰাণৰ যুগতো নাৰীৰ মেধা আৰু পাণ্ডিত্য গুণতকৈ নাৰীৰ পতিব্ৰতা আৰু সতীত্ব গুণৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছিল। ভক্তি ধৰ্ম প্ৰচাৰকসকলে নাৰীক কিছু আবুৰত ৰাখিবলৈ বিচাৰিছিল। ভাগৱত পুৰাণতে নাৰীক পুৰুষৰ মুক্তি লাভৰ পথৰ অন্তৰায় হিচাপে গণ্য কৰা হৈছে। স্বামীৰ ধৰ্মই স্ত্ৰীৰ ধৰ্ম। স্বামীৰ বিপৰীত ধৰ্ম স্ত্ৰীয়ে গ্ৰহণ কৰিলে পৰিবাৰিক অশান্তি হোৱাৰ সম্ভাৱনা। ব্যক্তিগতভাৱে অৱশ্যে নাৰীৰ প্ৰতি শংকৰদেৱ শ্ৰদ্ধাশীল আছিল। 'ৰুক্মিণীহৰণ' আৰু 'ৰামবিজয়' নাটত শংকৰদেৱে নাৰীৰ প্ৰতি যথোচিত সন্মান দেখুৱাইছে। অসমৰ নৱ-বৈষ্ণৱ আন্দোলনত বহু ধৰ্ম সেৱাকিনী নাৰী জড়িত আছিল। এই নাৰীসকলৰ কোনোৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰিছিল আৰু কোনোৱে ধৰ্ম প্ৰচাৰৰ কামত ব্ৰতী হ'ব খোজাজনক বিষয় জঞ্জালৰ পৰা সম্পূৰ্ণৰূপে মুক্তি দি ধৰ্মক্ষেত্ৰত বা ধৰ্ম চৰ্চাত একান্তভাৱে আত্মনিয়োগ কৰিবলৈ সাহস আৰু প্ৰেৰমা যোগাই ছিল। অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত নাৰীসকলৰ এই অৱদান কিমান ফলপ্ৰসূ আছিল সেই কথাৰ প্ৰমাণ গুৰু চৰিতৰ পাতে পাতে জিলিকি আছে।


**মুখ্য সহায়ক গ্ৰন্থ ঃ**

- শংকৰদেৱ ঃ *কীৰ্তন (নামঘোষা সহ),* বৰকটকী কোম্পানী, যোৰহাট, মহেশ্বৰ নেওগ সম্পাদিত, দত্ত বৰুৱা এণ্ড কোম্পানী, গুৱাহাটী, ১৯৭৮
- শংকৰদেৱ ঃ *নিমি-নৱসিদ্ধ সংবাদ,* হৰি নাৰায়ণ দত্তবৰুৱা সম্পাদিত, নলবাৰী
- শ্ৰী চন্দ্ৰ ভাৰতী ঃ *কুমাৰ হৰণ কাব্য,* নবীন চন্দ্ৰ শৰ্মা সম্পাদিত, গুৱাহাটী, ১৯৮৬

**গৌণ সহায়ক গ্ৰন্থ ঃ**

- গোস্বামী, কেশৱানন্দদেৱ (সম্পা.) ঃ *শ্ৰীমদ্ভাগৱত,* দ্বাদশ স্কন্ধ সম্পূৰ্ণ, বনলতা, ২য় প্ৰকাশ, ১৯৮৪
- দেৱী, অৰ্চনা ঃ *অসমীয়া বৈষ্ণৱ সাহিত্যত নাৰী চৰিত্ৰ,* আমগুৰি, শিৱসাগৰ, ১ম প্ৰকাশ, ২০০৪
- নেওগ, মহেশ্বৰ ঃ *গুৰু চৰিতৰ ইতিকথা,* অসম সাহিত্য সভা, ১৯৮৩
- বৰ্মন, শিৱনাথ ঃ *শ্ৰীমন্ত শংকৰদেৱৰ কৃতি আৰু কৃতিত্ব,* জাগৰণ সাহিত্য প্ৰকাশন, ২০০৪


---


সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



# মোৰ  মন আকাশত দোলা দি থকা কেইটামান বিক্ষিপ্ত চিন্তা

নিউটন পেগু

(১)

## উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় সংস্কৃতি

উত্তৰ-পূৰ্বাঞ্চল আঠ (৮) খন ৰাজ্যৰে আগুৰি আছে। অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰা। অৰুণাচল প্ৰদেশৰ আদি বড়ো, কছাৰী, ৰাভা, কাৰ্বি, মিচিং, সোনোৱাল কছাৰী আদি, মণিপুৰৰ অনাল, আইমোল, গাণ্টে, কুকী, কাবুই আদি; মেঘালয়ৰ খাচী, জয়ন্তীয়া, গাৰো, ৰাভা, হাজং আদি; মিজোৰামৰ লুচাই, ত্ৰিপুৰী, লাখেৰ, পাৰি আদি; ত্ৰিপুৰাৰ ত্ৰিপুৰী, ৰিয়াং, জামাটিয়া, হালাম, কুকী আদি নানা জনগোষ্ঠীৰ মিলনভূমি হৈছে উত্তৰ-পূৰ্বাঞ্চল। যিদৰে উত্তৰ-পূৰ্বাঞ্চলখন নানা জনগোষ্ঠীৰে পৰিপূৰ্ণ ঠিক সেইদৰে ভাষা, ধৰ্ম, সংস্কৃতি আদিৰ ক্ষেত্ৰটো বিভিন্নতা পৰিলক্ষিত হয়। ধৰ্মৰ ক্ষেত্ৰত ক'বলৈ হ'লে হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ আদি বিভিন্ন ধৰণৰ ধৰ্মালম্বীৰ লোক উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰে। কেতিয়াবা প্ৰশ্ন হয়- ইমান বিভিন্নতা থকা সত্বেও কেনেকৈ অনৈক্যৰ মাজত ঐক্য স্থাপন কৰিব পাৰিছে? সেয়াই হৈছে- "জনগোষ্ঠীয় সমন্বয়"।

উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ সংস্কৃতিয়ে দেশৰ উন্নতিত যথেষ্ট অৰিহণা যোগাইছে। জনগোষ্ঠীসমূহে পালন কৰা উৎসৱ-পাৰ্বণসমূহ আৰু ঐতিহাসিক কীৰ্তিস্তম্ভবোৰে দেশক অধিক উজ্জ্বল কৰি তুলিছে। বড়োসকলৰ বৈশাগু, মণিপুৰৰ লাই হাৰওৱা নৃত্য, মিচিঙৰ আলি-আই-লিগাং আদি জনগোষ্ঠীয় সংস্কৃতিসমূহে কিছু নহয় কিছু দেশক অৰিহণা যোগায়। উত্তৰ-পূৰ্বাঞ্চলত বহুতো ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্য আছে। এই ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্যসমূহে দেশক সৌন্দৰ্য্য কৰি তোলাৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনে।

বিভিন্ন পাৰ্থক্য থকা সত্বেও বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰি বিভিন্ন জনগোষ্ঠীয়ে উত্তৰ-পূৰ্বাঞ্চলত প্ৰাচীন কালৰে পৰা বসবাস কৰি আহিছে। কেতিয়াবা প্ৰশ্ন হয় জনগোষ্ঠীয় সংস্কৃতিবোৰ জীয়াই থাকিবনে, নে পাহৰণিৰ গৰ্ভত লুপ্ত হৈ যাব? আমি জনগোষ্ঠীয় সংস্কৃতিবোৰক লুপ্ত হ'বলৈ দিব নালাগিব। কাৰণ জনগোষ্ঠীয় সংস্কৃতিবোৰ দেশৰ আপুৰুগীয়া সম্পদ। সেয়ে জনগোষ্ঠীয় সংস্কতিবোৰক চিৰযুগমীয়া কৰি ৰাখিবৰ কাৰণে প্ৰত্যেক জন ব্যক্তি সচেতন হ'ব লাগিব। নহ'লে জনগোষ্ঠীয় সংস্কৃতিবোৰ কালৰ সোঁতত হেৰাই যাব।

(২)

## হিংসাই জানো সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পাৰে?

কেতিয়াবা মোৰ মনত বিস্ময়ৰ সৃষ্টি হয়, পৃথিৱীত ঘটি থকা ঘটনাবোৰ দেখি বা শুনি। পৃথিৱীৰ সকলো মানৱ সমাজে কামনা কৰে শান্তি আৰু প্ৰগতি। যিখন সমাজত প্ৰগতি হয়ো শান্তি নাথাকে তেনে সমাজৰ প্ৰগতিৰ অৰ্থ নাই। য'ত শান্তি নাথাকে তাত প্ৰগতিৰ অৰ্থ নাথাকে। অৰ্থাৎ শান্তিহীন প্ৰগতি অৰ্থহীন। গতিকে, সমাজৰ আটাইতকৈ মহা মূল্যৱান আৰু প্ৰয়োজনীয় উপাদানটোৱে হৈছে - 'শান্তি'। যাৰ অবিহনে মানৱ সমাজ ৰাক্ষসৰ সমাজলৈ ৰূপান্তৰিত হ'ব।

সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ আধ্যাত্মিক মূল্যবোধ (প্ৰমূল্যবোধ) অপৰিহাৰ্য। আধ্যাত্মিক মূল্যবোধৰ বিষয়ে ক'বলৈ যাওঁতে ধৰ্মৰ কথাও ক'ব লাগিব। ধৰ্ম কি? ধৰ্মই সমাজক ধ্বংস কাৰণে স্থাপন কৰে আদি প্ৰশ্নসমূহক আলোচনা কৰিবলৈ যোৱাৰ আগতে প্ৰতিজন সচেতন ব্যক্তিয়ে আত্ম বিশ্লেষণ কৰিব লাগিব।

মোৰ দৃষ্টিত ধৰ্ম দুই প্ৰকাৰৰ। প্ৰথমটো হ'ল - হিন্দু, খ্ৰীষ্টান, ইছলাম, শিখ, বৌদ্ধ, জৈন আদি নিৰ্দিষ্ট ধৰ্মীয় সম্প্ৰদায়। এনে ধৰ্মসমূহত এজন বা একাধিক প্ৰৱৰ্ত্তক বা প্ৰচাৰক থাকে। যেনে - খ্ৰীষ্টান ধৰ্মৰ মূল প্ৰৱৰ্ত্তক বা প্ৰচাৰক আছিল যীশুখ্ৰীষ্ট। ইছলাম ধৰ্মৰ মূল প্ৰৱৰ্ত্তক বা প্ৰচাৰক আছিল হজৰত মহম্মদ। তেনেদৰে বৌদ্ধ ধৰ্মৰ গৌতম বুদ্ধ, জৈন ধৰ্মৰ মহাবীৰ, শীখ ধৰ্মৰ গুৰু নানক আদি। অৱশ্যে হিন্দু ধৰ্মৰ নিৰ্দিষ্ট মূল প্ৰৱৰ্ত্তক বা প্ৰচাৰক জনৰ নাম জানিব পৰা নাযায়। তথাপিও হিন্দু ধৰ্মৰ মহিমা প্ৰচাৰক কেইজনমান ব্যক্তিৰ বিষয়ে উল্লেখ কৰা হ'ল। শংকৰাচাৰ্য, শংকৰদেৱ, মাধৱদেৱ, স্বামী বিবেকানন্দ, ৰামানন্দ আদিৰ নাম উল্লেখ কৰিব  পাৰি।

দ্বিতীয়টো ধৰ্ম হ'ল - প্ৰেম, অহিংসা, দয়া, ন্যায়, সত্য, ক্ষমা, মানৱতা, একতা আদি। যিবোৰৰ অবিহনে এখন সমাজ বৰ্তি থাকিব নোৱাৰে। সেয়ে ক'ব পাৰি প্ৰেমেই ভগৱান আৰু মানুহে মানুহক প্ৰেম কৰিব জনাটোৱে আধ্যাত্মিক মূল্যবোধ। অহিংসাই ভগৱান, আনক হিংসা নকৰাটোৱে আধ্যাত্মিক মূল্যবোধ। সত্যই ভগৱান, সত্যপৰায়ণতাই

আধ্যাত্মিক মূল্যবোধ। ন্যায়ে ভগৱান, ন্যায়পৰায়ণতাই আধ্যাত্মিক মূল্যবোধ।

উদ্ধৃত প্ৰথমটো ধৰ্ম নাথাকিলেও হয়, কিন্তু দ্বিতীয়টো ধৰ্ম নাথাকিলে সমাজত শান্তি প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। উদ্ধৃত দ্বিতীয় ধৰ্মটোৱে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধৰ্ম।

ধৰ্মক প্ৰকৃত বা মানৱীয় ধৰ্ম আৰু অপ্ৰকৃত বা অমানৱীয় ধৰ্ম হিচাপেও শ্ৰেণীবিভাজন কৰিব পাৰি।

প্ৰকৃত ধৰ্ম বা মানৱীয় ধৰ্ম ঃ

প্ৰকৃত ধৰ্ম ফুলি থকা ফুলৰ দৰে ধুনীয়া। এই সময়ৰ গংগা নদীৰ দৰে পৱিত্ৰ। এ.চি. ৰুমৰ দৰে নাতিশীতুষ্ণ। অৰ্থাৎ ব্যক্তিৰ যিবোৰ কৰ্ম বা গুণে সমাজক একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰে তাকে প্ৰকৃত ধৰ্ম বা মানৱীয় ধৰ্ম বোলে। যেনে- অহিংসা, প্ৰেম, দয়া, ন্যায়, সত্য আদি। এই ধৰ্মৰ অবিহনে এখন সুস্থ সমাজৰ কথা কল্পনাই কৰিব নোৱাৰি।

**অপ্ৰকৃত বা অমানৱীয় ধৰ্ম ঃ**

অপ্ৰকৃত ধৰ্ম ব্যৱহাৰ নকৰা দা-কটাৰীৰ নিছিনা। ইছলাম ধৰ্মৰ মূল প্ৰৱৰ্ত্তক আৰু প্ৰচাৰক হজৰত মহম্মদে কৈছিল, "তুমি ঈশ্বৰক ভাল পাব খোজানে? যদি খোজা, তেনেহ'লে প্ৰথমে মানুহক ভালপোৱা।" এতিয়া মই সন্ত্ৰাসবাদী সকলক সুধিব খোজো হজৰত মহম্মদ আপোনালোকৰ গুৰু নহয় নেকি? আপোনালোকে কিয় জগতৰ মানুহক হিংসা কৰি গুৰু হজৰত মহম্মদক অপমান কৰিছা? আপোনালোকে ইছলাম ধৰ্মক ভাল পায়ো কিয় হজৰত মহম্মদ আৰু ইছলাম ধৰ্মৰ পৰিপন্থী কাম কৰিছা? কিন্তু আজি মই কাকনো সুধিম। তেওঁলোক মোৰ ওচৰত নাই। তেওঁলোকৰ ওচৰলৈ গৈ সুধিলেও মোকে গুলিয়াই হত্যা কৰিব।

এতিয়া মই মোৰ শ্ৰদ্ধাৰ, পূজনীয়, প্ৰিয় পাঠক সমাজক সুধিব খোজো, "এখন ঘৰত জুই লাগিলে আপোনালোকে কি কৰিব? ঘিউ ঢালিব নে পানী ঢালিব? নিশ্চয় সকলোৱে পানীয়ে ঢালিবলৈ চেষ্টা কৰিব। মুৰ্খ মানুহেহে ঘিউ ঢালিব বা জুই নুমুৱাবলৈ অক্সিজেন ব্যৱহাৰ কৰিব। ইয়াৰ দ্বাৰা মই ইয়াকে ক'ব বিচাৰিছো যে সন্ত্ৰাসবাদীসকলে জগতত তেওঁলোকৰ ধৰ্ম স্থাপন কৰিব বিচাৰে কিন্তু অহিংসা, ন্যায়, প্ৰেম আদিৰ বিপৰীতে হিংসা, অন্যায়, অত্যাচাৰ আদিৰ সহায়েৰে। কিন্তু অধৰ্মৰ জৰিয়তে কেতিয়াও জগতত শান্তি আৰু প্ৰকৃত ধৰ্ম স্থাপন কৰিব নোৱাৰে। জ্বলা জুই নুমুৱাবৰ কাৰণে মুৰ্খজনে ঘিউ আৰু অক্সিজেন ব্যৱহাৰ কৰিলে যেনেকৈ জুই বেচিহে জ্বলিব তেনেকৈ অধৰ্ম নাইকিয়া কৰিবৰ কাৰণে হিংসা, অত্যাচাৰ কৰিলে অধৰ্ম দুগুণে বৃদ্ধি পাব। প্ৰকৃত ধৰ্ম স্থাপন কৰিব পাৰি হজৰত মহম্মদৰ দৰে, শংকৰ-মাধৱৰ দৰে, যীশুখ্ৰীষ্টা দৰে, গৌতম বুদ্ধৰ দৰে, মহাবীৰৰ দৰে, গুৰু নানকৰ দৰে। হিংসা, অন্যায়, অত্যাচাৰ আদি কেতিয়াও ধৰ্ম হ'ব নোৱাৰে।

নিজৰ ভাষা প্ৰতিষ্ঠা কবিৰৱ কাৰণে আনৰ ভাষা ধ্বংস কৰা, নিজৰ জাতি প্ৰতিষ্ঠা কৰিবৰ কাৰণে আনৰ জাতি ধ্বংস কৰা আৰু নিজৰ ধৰ্ম প্ৰতিষ্ঠা কৰিবৰ কাৰণে আনৰ ধৰ্ম ধ্বংস কৰাটো মই সমূলি সহ্য কৰিব নোৱাৰোঁ। কিয়নো পৃথিৱীখন আমাৰ একমাত্ৰ ঘৰ। যিখন পৃথিৱীত শান্তিৰে থাকিবলৈ হ'লে ইজনে-সিজনক প্ৰেম কৰিব জানিব লাগিব, কাকো হিংসা কৰিব নালাগিব। প্ৰত্যেকে প্ৰত্যেকৰ ভাষা, জাতি, সংস্কৃতি, ধৰ্ম আদিৰ প্ৰতি সহানুভূতিশীল হ'ব লাগিব।

(৩)

## মোৰ পিতা মোৰ ভগৱান

কেতিয়াবা মই নিজে নিজক কিছুমান ৰহস্যজনক প্ৰশ্ন সুধি ভালপাওঁ আৰু এই প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি পাবলৈ যত্ন কৰোঁ। যেতিয়া প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি পাওঁ তেতিয়া মোৰ মন আনন্দৰে উপচি পৰে। মোৰ মনত সৃষ্টি হোৱা কিছুমান ৰহস্যজনক প্ৰশ্ন হ'ল- ভগৱান আছেনে? আছে যদি ক'ত আছে? নাই যদি মানুহে কিয় ভগৱানক উপাসনা কৰে? ইত্যাদি।

ভগৱান...। মোৰ ভগৱান কোন? যিজনে এইখন ধুনীয়া পৃথিৱীক সুন্দৰকৈ দেখুৱাই দিয়ে, যিজনে মোক ডাঙৰ-দীঘল কৰে, যিজনে মোৰ ভৱিষ্যত জীৱনক সুন্দৰকৈ গঢ়িব পাৰে, যিজনে বিপদৰ সময়ত সহায় কৰে আৰু উদ্ধাৰ কৰে, সেইজনেই মোৰ ভগৱান।

কুমাৰৰ কাৰণে যেনেদৰে
মাটিয়ে ভগৱান
মোৰ জীৱনৰ কাৰণে তেনেদৰে
পিতাই মোৰ ভগৱান
ৰিক্সাৱালাৰ যেনেদৰে
চকাত জীৱন বন্দী
দেউতাৰ অবিহনে
মোৰ জীৱন বন্দী
মোৰ পিতৃ স্বৰ্গতকৈ ওখ
মোৰ পিতা প্ৰশান্ত মহাসাগৰৰ গভীৰতাতকৈ
বহু গুণে গভীৰ
পিতাৰ অবিহনে মোৰ জীৱন অৰ্থহীন
মোৰ জীৱন মূল্যহীন
মোৰ জীৱন পিঞ্জৰাবদ্ধ।
দেউতা মোৰ জীৱনৰ
এজন সুদক্ষ মিস্ত্ৰী
যিজনে মোৰ জীৱনত
তাজমহল আঁকিবলৈ
আপ্ৰাণ চেষ্টা কৰে
সেয়ে............
পিতা মোৰ দেৱতা
পিতা মোৰ ভগৱান
পিতা মোৰ তপস্যাৰ থলী।

যদি কোনোবাই মোক প্ৰশ্ন সুধে এই পৃথিৱীৰ ভিতৰত তুমি আটাইতকৈ কাক ভাল পোৱা? তেতিয়া মই বিনা দ্বিধাই উত্তৰ দিম মোৰ পূজনীয় দেউতাক। মই দেউতাক কিমান ভাল পাওঁ ভাষাৰে প্ৰকাশ কৰি শেষ কৰিব নোৱাৰোঁ। দেউতাৰ অবিহনে যে মোৰ জীৱন অন্ধকাৰ তাক মই বাৰে বাৰে অনুভৱ কৰোঁ। যেতিয়া মই অকলশৰীয়া অনুভৱ কৰো তেতিয়া দেউতাৰ মাত শুনিলেই মোৰ অনুভৱ হয় যে মই অকলশৰীয়া নহয়। মোৰ জীৱন যুদ্ধত সহায় কৰিবলৈ দেউতা সদায় প্ৰস্তুত। "তেজ দিলে দিম কিন্তু তোমালোকক মানুহ বনাম" বুলি দেউতা প্ৰতিশ্ৰুতিৱদ্ধ। দেউতাৰ উপস্থিতিত মই কেতিয়াও নিঃসংগ অনুভৱ নকৰোঁ।

সৰু কালৰ কথা মনত পৰে। সৰু কালৰ কথাবোৰ ৰোমন্থন কৰিলে মই কেতিয়াবা হাঁহি উঠোঁ, কেতিয়াবা আচৰিত হওঁ। মোৰ সৰু কালৰ কাহিনীবোৰ সাধু কথাৰ নিচিনা, কিন্তু সঁচা। ককাদেউতাহঁতে কয়- তুমি সৰু কালত বহুত চোকা আছিলা। মোৰো অলপ মনত আছে। কিন্তু মই তৃতীয় শ্ৰেণীত পঢ়ি থাকোতে মোৰ জীৱনত এটা ডাঙৰ ঘটনা (বেমাৰ) ঘটিল। সেই ঘটনাৰ পিছৰে পৰা মোৰ স্মৃতি শক্তি হ্ৰাস হ'ল। দিনৰ দিনটো পঢ়িলেও একো মনত নৰয়। মোৰ নিজৰ ওপৰত কেতিয়াবা বহুত খং উঠিছিল। যেতিয়া পঞ্চম শ্ৰেণী পালোঁ তেতিয়া পঢ়া-শুনাত আৰু জোৰ দিলোঁ। পৰীক্ষাৰ ফলাফল দিলেই মোৰ মনত বৰ ভয় হয়। কিয়নো দেউতাই পৰীক্ষাৰ ফলাফলৰ কথা সুধিয়ে থাকে। "তুমি শ্ৰেণীৰ ভিতৰত প্ৰথম পালানে?" "তুমি শ্ৰেণীৰ ভিতৰত কিমান নম্বৰৰ হ'লা?" "তোমালোকৰ শ্ৰেণীৰ ভিতৰত কোনে প্ৰথম পালে?" ইত্যাদি।

লাজৰ কথাটো হ'ল মই পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে এবাৰো শ্ৰেণীৰ ভিতৰত প্ৰথম হোৱা নাছিলোঁ। কিন্তু মই পঞ্চম শ্ৰেণীৰ পৰাই শ্ৰেণীৰ ভিতৰত প্ৰথম পোৱাৰ সপোন দেখি আহিছোঁ। সেই কাৰণে মই বহুত অধ্যয়ন কৰিছিলোঁ। তথাপিও শ্ৰেণীৰ ভিতৰত প্ৰথম পাবলৈ সক্ষম নহ'লোঁ। যেতিয়া অষ্টম শ্ৰেণীত পালোঁ তেতিয়া মই পঢ়া-শুনা কৰাটো আৰু বঢ়াই দিলোঁ। অষ্টম শ্ৰেণীত মই Unit Test ত গণিতত ২৫ ৰ ভিতৰত ২৫ পাবলৈ সক্ষম হ'লোঁ। সেই দিনাই আছিল এম.ই. স্কুলত শ্ৰেণীৰ ভিতৰত প্ৰথম পোৱা মোৰ কাৰণে শুভ দিন। এই দিনাই মই অনুভৱ কৰিছিলোঁ কিবা এটা নতুন বস্তু পোৱাৰ আনন্দ। কিয়নো ইমান তপস্যাৰ পিছত সেই দিনাই মই মোৰ জীৱনৰ সপোনক পূৰণ কৰিবলৈ সক্ষম হ'লোঁ। মই শ্ৰেণীৰ ভিতৰত প্ৰথম পোৱাত দেউতাৰ যথেষ্ট ভূমিকা আছে। কিয়নোঁ মোৰ সাপোন আছিল যে- কেতিয়া দেউতাক শ্ৰেণীৰ ভিতৰত মই প্ৰথম পালো বুলি ক'ব পাৰিম? আৰু মোৰ আত্মবিশ্বাস আছিল এদিন সেই সপোন পূৰণ কৰিমেই। সেই দিনা মই ভগৱানক মনেৰে বহুত ধন্যবাদ দিলোঁ।

(৪)

## সাম্প্ৰদায়িকতাবাদ

সম্প্ৰদায় হ'ল ব্যক্তিৰ সমষ্টি। কিন্তু কেৱল ব্যক্তিৰ সমষ্টিকে সম্প্ৰদায় বুলিব নোৱাৰি। সম্প্ৰদায় হ'বলৈ ব্যক্তিৰ মাজত সামাজিক সম্বন্ধ থাকিব লাগিব আৰু তেওঁলোকে নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত বসবাস কৰিব লাগিব। লগতে ব্যক্তিৰ মাজত 'আমি' ভাৱ থাকিব লাগিব। যেতিয়া কোনো সম্প্ৰদায়ে নিজৰ সম্প্ৰদায়ক সৰ্বাংগীন উন্নতিৰ কাৰণে প্ৰচেষ্টা চলায়, তেতিয়া সাম্প্ৰদায়িকতাৰ সৃষ্টি হয়। চমু অৰ্থত সাম্প্ৰদায়িকতা হ'ল কোনো সম্প্ৰদায়ে নিজৰ সম্প্ৰদায়ক ভালপোৱা আৰু নিজৰ সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে কৰা প্ৰচেষ্টা।

সাম্প্ৰদায়িকতাবাদে কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ উন্নতিত অৰিহণা যোগায় যদিও সাম্প্ৰদায়িকতাবাদে দেশৰ উন্নতি আৰু সংহতি ৰক্ষা কৰাত প্ৰতিবন্ধক হিচাপে থিয় দিয়ে। সাম্প্ৰদায়িকতাৰ ফলত গোষ্ঠীগত সংঘৰ্ষৰো সূত্ৰপাত হয়। ১৯৪৭ চনত ভাৰত স্বাধীন হৈয়ে ভাৰতীয় লোকৰ মাজত ধৰ্মীয় সাম্প্ৰদায়িক মনোভাৱ থকাৰ কাৰণে ভাৰত আৰু পাকিস্তানৰ সৃষ্টি হৈছিল। অৰ্থাৎ ধৰ্মৰ ভিত্তিত ভাৰত পাকিস্তান বিভাজন ঘটে।

**সাম্প্ৰদায়িকতাবাদ সৃষ্টিৰ কাৰণ আৰু সাম্প্ৰদায়িক ভাবধাৰা নিৰ্মূল কৰাৰ উপায় ঃ-**

সাম্প্ৰদায়িকতাবাদৰ সৃষ্টিৰ বহুটো কাৰণ আছে।

**ৰাজনৈতিক শোষণ ঃ-**

যদি কোনো সম্প্ৰদায়ে তেওঁলোকক ৰাজনৈতিকভাৱে শোষণ কৰা হৈছে বুলি ভাৱে তেন্তে সাম্প্ৰদায়িকতাবাদৰ জন্ম হ'ব পাৰে। কোনো সম্প্ৰদায়ে সকলোৰে সৈতে সমান ৰাজনৈতিক সুবিধা নাপালে আত্ম পৰিচয় দাঙি ধৰাৰ সুবিধা নাপালে সাম্প্ৰদায়িকতাবাদৰ সৃষ্টি কৰিব পাৰে। যদি কোনো সম্প্ৰদায়ক কেৱল ৰাজনৈতিক হাথিয়াৰ হিচাপে বিবেচনা কৰে আৰু তেওঁলোকক শূণ্যতম সুবিধাবিলাক দিয়া নহয়, তেওঁলোকৰ মাজত সাম্প্ৰদায়িকতাবাদে গঢ় লৈ উঠে।

সেয়ে সাম্প্ৰদায়িকতাবাদ নিৰ্মূলৰ বাবে সকলো সম্প্ৰদায়কে সমান ৰাজনৈতিক সুবিধা প্ৰদান কৰিব লাগে। ৰাজনৈতিক ব্যৱস্থাৰ পৰা যাতে কোনো সম্প্ৰদায় বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। দেশৰ ৰাজনীতিত অংশ গ্ৰহণ কৰিবৰ কাৰণে সকলো সম্প্ৰদায়কেই সুবিধা দিব লাগে। কোনো সম্প্ৰদায়কেই ৰাজনৈতিক শোষণৰ বলি হ'বলৈ দিব নালাগে।

**মনস্তাত্ত্বিক দিশ ঃ-**

কোনো সম্প্ৰদায়ে নিজকে আন সম্প্ৰদায়তকৈ পিছপৰা বা আন সম্প্ৰদায়তকৈ পৃথক বুলি ভাবিলে সাম্প্ৰদায়িক মনোভাৱে গঢ় ল'ব পাৰে। এটা সম্প্ৰদায়ে নিজেই বসবাস কৰা অঞ্চলটো কাৰোবাৰ দ্বাৰা

শোষিত হৈছে বুলি ভাবিলে অথবা অঞ্চলটো আন অঞ্চলতকৈ পৃথক বুলি ভাবিলে সাম্প্ৰদায়িক ভাবৰ জন্ম হ'ব পাৰে।

সেয়ে কোনো সম্প্ৰদায়ে যাতে নিজকে পিছপৰা আৰু অন্য গোষ্ঠীৰ পৰা পৃথক বুলি ভাবিবলৈ সুবিধা নাপায় তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে।

**যাতায়াত আৰু পৰিবহণৰ সুবিধা ঃ-**

ভাৰতৰ বহুতো অঞ্চলত যাতায়ত আৰু পৰিবহণৰ বিশেষ সুবিধা নাই। সেই অঞ্চলত বাস কৰা সম্প্ৰদায়সমূহ সহজে অন্য সমাজৰ লগত মিলামিছা কৰিব নোৱাৰে। দুৰ্গম অঞ্চলত বাস কৰাৰ বাবে তেওঁলোকে নিজকে অন্য সম্প্ৰদায়তকৈ পৃথক বুলি ভাবে। এনে মনোভাৱে সাম্প্ৰদায়িকতাবাদৰ জন্ম দিয়ে।

গতিকে, সাম্প্ৰদায়িকতাবাদ নিৰ্মূল কৰিবলৈ হ'লে দেশৰ প্ৰতিটো অঞ্চললৈ যাতায়াত আৰু পৰিবহন ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগে। যিকোনো সম্প্ৰদায়ে বসবাস কৰা এলেকাক বিচ্ছিন্ন কৰি ৰাখিব নালাগে। যোগাযোগৰ ক্ষেত্ৰত কোনো সম্প্ৰদায়ে যাতে নিজকে পিছপৰা বুলি ভাবিবলৈ সুবিধা নাপায় তাৰপ্ৰতি লক্ষ্য ৰাখিব লাগে।

**ধৰ্ম ঃ-**

যেতিয়া কোনো সম্প্ৰদায়ে নিজৰ ধৰ্ম শেষ হৈছে বা হেৰাই যাব ধৰিছে বুলি অনুভৱ কৰে আৰু নিজৰ ধৰ্মক উদ্ধাৰ কৰিবলৈ কৰা প্ৰচেষ্টাৰ ফলতো সাম্প্ৰদায়িকতাবাদৰ সৃষ্টি হ'ব পাৰে।

গতিকে সাম্প্ৰদায়িকতাবাদ নিৰ্মূল কৰিবলৈ হ'লে সকলোৰে, সকলো সম্প্ৰদায়ৰে ধৰ্মক সমানে শ্ৰদ্ধা কৰা উচিত। ভাৰতৰ প্ৰায়বোৰ সম্প্ৰদায়েই ধৰ্মভীৰু। গতিকে প্ৰতিটো ধৰ্মৰ ধৰ্ম প্ৰচাৰকৰ দ্বাৰা সকলো সম্প্ৰদায়ৰ মাজত একতা আৰু ভ্ৰাতৃত্বৰ ভাৱ সুমুৱাই দিব লাগে। ধৰ্ম বেলেগ হ'লেও যে মানুহ হিচাপে সকলো একে এই ধাৰণাৰ প্ৰচাৰ কৰিব লাগে। ধৰ্মানুষ্ঠানবিলাক সকলোৰে বাবে মুক্ত হোৱা উচিত। পৰম্পৰাগত ধৰ্মবিশ্বাস যাতে সুচাৰুৰূপে পালন কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এনে হ'লে সাম্প্ৰদায়িকতাবাদ বিকাশত বাধা দিব পৰা যায়।

(৫)

## শান্তিৰ দূত কৈলাস সত্যাৰ্থী

মানৱ সেৱাই ভগৱান সেৱা। কাৰণ সকলো মানুহৰ হৃদয়তে ভগৱান বিৰাজমান। যিজনে মানুহক প্ৰেম কৰিব নাজানে তেওঁক ভগৱানেও প্ৰেম নকৰে। যিজনে অসহায়জনক সহায় কৰে তেওঁক ভগৱানেও সহায় কৰে। এই কথা নিশ্চয় সকলোৰে জ্ঞাত। কিন্তু কিমান জনেনো ব্যক্তিগত স্বাৰ্থক বাদ দি মানৱ সেৱা কৰিবলৈ আগবাঢ়ি আহে? তেনে ব্যক্তি পৃথিৱীত অতি কম। তেওঁলোকে অসত্যৰ বিপৰীতে সত্য, অন্যায়ৰ বিপৰীতে ন্যায়, হিংসাৰ বিপৰীতে অহিংসা আৰু অশান্তিৰ বিপৰীতে শান্তি প্ৰতিষ্ঠা কৰি পৃথিৱীক উজ্জ্বল মুকুতা স্বৰূপ কৰিবলৈ প্ৰতিদিনে চেষ্টাৰ পথত অগ্ৰসৰ হয়। তেওঁলোকে পৃথিৱীক নতুন গতি দিব পাৰে। তেনে এজন ব্যক্তি হ'ল কৈলাস সত্যাৰ্থী।


১৯৫৪ চনৰ ১১ জানুৱাৰীত ভাৰতৰ মধ্য প্ৰদেশৰ বিদিশাত কৈলাস সত্যাৰ্থীয়ে জন্ম গ্ৰহণ কৰে। তেওঁ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং বিষয়ৰ স্নাতক। তেওঁ বিদিশাৰ "সম্ৰাট অশোক অভিযান্ত্ৰিক প্ৰতিষ্ঠান"ত অধ্যয়ন কৰি "High Voltage Engineering" ডিগ্ৰী লাভ কৰে। তাৰপাছত এখন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে কাম কৰিছিল। পিছত Îî ÃÒÂMÃ äÂÁ ÂõÃ Bonded Labour Liberation Front'ৰ সচিবৰ দায়িত্ব লৈ শিশু শ্ৰমিকৰ বিৰুদ্ধে আন্দোলনত নামে। সত্যাৰ্থী হ'ল ভাৰতত জন্ম গ্ৰহণ কৰা প্ৰথমগৰাকী শান্তিৰ ন'বেল বঁটা প্ৰাপক।

১৯০১ চনৰ পৰা প্ৰদান কৰি অহা শান্তিৰ ন'বেল বঁটা ২০১৪ চনত ভাৰতৰ কৈলাস সত্যাৰ্থী আৰু পাকিস্তানৰ শান্তিকৰ্মী মালালা ইউছুফজাইক প্ৰদান কৰা হয়। মালালাই হৈছে এই বঁটা লাভ কৰা কনিষ্ঠতম ব্যক্তি।

কৈলাস সত্যাৰ্থীয়ে ২০০১ চনত তেওঁৰ সংস্থা 'বচপন বচাও আন্দোলন'ৰ অধীনত জয়পুৰৰ শিলৰ কুৱেৰীত কাম কৰা বহুতো শিশু শ্ৰমিকক উদ্ধাৰ কৰিছিল। ১৯৮০ চনত তেওঁ 'বচপন বচাও আন্দোলন' আৰম্ভ কৰিছিল। তেওঁ পৃথিৱীৰ প্ৰায় ১৪৪ খন দেশৰ প্ৰায় ৮৩ হাজাৰ শিশুৰ অধিকাৰৰ হ'কে সংগ্ৰাম চলাই আছে। তেওঁ Global March Against Child Labour আৰু Global Campaign for Educationৰ সৈতেও জড়িত। ১৯৯৪ চনত Rugmark নামৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম দি দলিচা তৈয়াৰী কাৰখানাত নিয়োজিত শিশু শ্ৰমিকসকলক উদ্ধাৰৰ ব্যৱস্থা কৰে। তেওঁ বৰ্তমানো মানৱ সেৱাতেই ব্ৰতী হৈ আছে। তেওঁৰ কৰ্মময় জীৱন উজ্জ্বল হওঁক আৰু তেওঁৰ জীৱন দীৰ্ঘজীৱী হৈ উঠি নৱ প্ৰজন্মক আলোক পথৰ সন্ধান দিয়ক তাৰে কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

# SHAKESPEAREAN TRAGEDY



**Dr. Jai Ram Jha**

It is clear enough that when a reader studies the works of Shakespeare especially the five best tragedies which made him the hero in the field of drama. The dramatist's view regarding the tragedy completely seems to be a misguiding force which could not give a chance to any one of the characters so that they could solve their inner problems. While dealing the tragedy he is not fair at all, it is my personal opinion as I observed on the basis of my reading of the Shakespearean tragedy. Although he was a master of human passion which can be realised not only in dramas but in the Shakespearean sonnet too and that is why he is considered that he was a poet before a dramatist. Undoubtedly, the myth regarding tragedy is displayed by Shakespeare in the different dramas looks mature but so far my observation is concerned it needs more and more attention regarding the contradiction of human mind and soul as depicted especially in King Lear while Lear was under the abnormal situation at the time of storm and he was bound to curse even his too elder daughters. Therefore, the curse or the two daughters as he stated in the drama: "O Carbuncle." It means it is a kind of bitter touching disease which doesn't give any kind of relax in the life a person who is suffering from carbuncle disease.

As we know Shakespeare was a matured writer and his writing generally attracts the mind of the lovers of the language and literature as a whole because it is seen that he has used the old and tumultuous English in his dramas and sonnets. In spite of that he is accepted and his writings are read throughout the world without any hesitation. It is only because his practical dedication towards the literature. Notwithstanding, he has reached the high stamp of his writing especially his tragedies which is based on Greek mythology. As we know Greek mythology is one of the oldest classical mythologies and the meaning is very critical that everybody cannot digest in an easy way. But the series of murders in the different tragedies as we have explained the best five tragedies is the beautiful incarnation of literature. Therefore, being a cogent writer he attempted to create a new atmosphere in the field of language and literature although his writings are calculated according to English grammar but it has become the torch bearer for the coming generation and people generally consider him as the best writer of the century. While talking to tragic scene which is related to the different aspect that may be superstition, confusion, the reality of man's jealousy only because of women and wealth have become the bone of contention among the characters.

While constructing the drama or other piece of literary works the dramatist cum poet maintained the aptness and appropriateness of the literature. As I observed this is the basic quality we could learn, although the present language and literature does not tally or it may be wrong in the eye of the post modern literarian and grammarian because it lacks the fundamental rules of the sentence framing system.

Shakespeare seems to have observed no set rule in his tragedy as it is clear from *Hamlet*, *Macbeth*, *Othello*, *King Lear* and *Julius Caesar*. They are not based on the classical theory. He has blended elements from the medieval mysteries and moralities and plays. The most important thing is his creative imagination that presents his vision of life that shows his understanding of the mysteries of human life. Good and evil are present side by side. Shakespeare is not blind to potential greatness of a noble personality. Nevertheless, he also realises the importance of mischance that brings about tragedy, he has no readymade solution to this problem. However, we find certain common traits in all of them. Each tragedy introduces an external force they hastens

the sad end of the hero hamlet couldn't easily kill Claudius but he had to face a world that was full of corruption. Othello had to deal with not only wife but also with a world which had people like his innocent wife and short sighted Emilla. Macbeth is concerned not only with his poetic imagination but along with his ambitious to wife the forecast of the witches and the circumstances that bring the king to the castle. Thus, every tragedy shows that the hero is at the mercy of complex fate.

"Aristotle's Hamartia is found in every hero. This fatal flaw makes the protagonist blind to everything else. King Lear misreads the true sentiments of his favourite child Cordellia, Macbeth's ambition makes him blind to reality. Hamlet is a man of indecision. Othello is a victim to jealousy.

Circumstances also conspire with these weaknesses to bring about the tragic end of the hero. It seems that character is destiny. Every tragic hero thinks that he is a free agent but he becomes a victim to mysterious forces.

Every Shakespearean tragedy takes to mysterious atmosphere created by characters and circumstances. This tragic pattern expresses his vision of life. Shakespeare represents the inner workings of characters through the activities of both natural and supernatural agents. The former sows the seeds of tragedy and later wakes it.

Shakespeare has introduced comic scene and irrelevant characters also to lighten as well as deepen the tension. Thus his tragedies have ironic and comic moments also. This suggests the totality of his vision of the life. The tragic effect is made more terrible but the presence of comic elements here and there. He deals with fundamental question and life becomes a grand struggle of complex forces.

The beauty of the Shakespearean tragedies lies in the fact that he nowhere shows the victory of the evil over good. The hero dies with the realization of his mistake. Macbeth also realises the futility of life. Othello becomes conscious of the innocence of his wife. Hamlet does not die before killing Claudius.

Cathartic effect is clear in every tragedy of Shakespeare. We feel pity for a person like Macbeth also. The heroes seem to suffer more than they deserve. Their tragedy arouses pity and fear in us. Thus, Shakespeare has not neglected Aristotelian Catharsis. Every Shakespearean tragedy is poetic in appeal not only the plot but also the imagery expresses the theme of the play. In *Macbeth* images clearly suggest the theme of universal values. Unnatural nature of evil etc. and also create suitable mysterious atmosphere. Tragedies of Shakespeare generally deal with the universal problems of life, faith, evil, free will, human error, etc. They show a conflict between good and evil. *Macbeth* also presents this conflict in a very successful and poetic manner. However, different allies themes have been artistically woven in this larger theme. They are reversal of values unnatural deceitful appearance, which brings doubt, uncertainty, false choice. Some other minor themes like illusion, the equivocal nature of temptation etc. are also included. Shakespeare has beautifully presented all the themes in a single plot and expressed them through action as well as imagery on the whole *Macbeth* has become a poetic statement of evil.

However, the ultimate victory goes to the forces of goodness. Frankly speaking, Shakespearean tragedy is basically the story of one person, the hero or at most of two, the hero and the heroine. There are, no doubt, a number of other persons, but the attention is concentrated on the main figure. A typical Shakespearean tragedy is a single star. The story leads up to and includes the death of the hero; at the end the stage is often littered with corpses.

In Shakespearean tragedy the heroes are all conspicuous persons who hold a high position. They are either kings or princes, for instance, Hamlet is a prince, Lear is a King, Macbeth belongs to royal family and he is also a general, Othello is a great warrior and brave general the exalted persons suffer greatly. Their suffering and calamity is exceptional. The Macbeth after murder suffers the tortures of hell, as if there were scorpions in his brain.

Othello is on the crack with jealousy, Lear goes mad and raves, and hamlet is torn within. Their suffering is contrasted with their previous happiness. The hero is such an important personality that his fall affects the welfare to a whole nation or empire, and when he falls suddenly from the height of earthly greatness of the dust, his fall produces a sense of the powerlessness of man and the omnipotence of Fate.

---

Associate Professor
Department of English

# বৈদ্যুতিন পাঠ্য পুথি



সুনীল টাইদ

**আৰম্ভণি ঃ**

সাম্প্ৰতিক কালত প্ৰায় শুনা কিছুমান শব্দ হৈছে E-Book, E-Document, E-Journal, E-Information। ইয়াত আচলতে E আখৰটোৰ দ্বাৰা বৈদ্যুতিন ব্যৱস্থাপনাৰ কথা বুজুৱা হৈছে। E-Book মানে বৈদ্যুতিন কিতাপ, E-Document বৈদ্যুতিন দলিল, E-Journal নিয়মীয়া খবৰ, E-Information বৈদ্যুতিন তথ্য পাতি ।

বৰ্তমান দিনত Digital Library, Digital Document (Text, Audio, Visual) অতি গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক। আমি জানো যে তথ্য পাতিত আৰ্থিক আৰু প্ৰকৃত মূল্য নিহীত হৈ থাকে । যথোপযুক্ত তথ্য-পাতিয়ে কোনো ব্যক্তি, কোনো সমাজ আৰু কোনো এখন দেশক আৰ্থিক আৰু অন্যান্য দিশত উন্নতি সাধন কৰিব পাৰে। সেয়ে গুণীলোকে কয় বৰ্তমান দিনত যিখন দেশ তথ্য-পাতি আৰু কাৰিকৰী কৌশলত উন্নত সেইখন দেশকেই উন্নত দেশ বুলিব পাৰি।

**বৈদ্যুতিন গ্ৰন্থগাৰ (Digital Library)ঃ**

E-Book ৰ বিষয়ে বহল আলোচনা কৰাৰ আগতে Digital Library ৰ বিষয়ে আলোকপাত কৰা যুগুত হ'ব। Digital Library হ'ল বৈদ্যুতিন ব্যৱস্থাপনাৰ জৰিয়তে পৰিচালিত বিশেষ ধৰণৰ গ্ৰন্থাগাৰ, য'ত গ্ৰন্থাগাৰখনৰ সংগৃহিত Text, Audio, Visual আদি Digital From ত Ready হৈ থাকে। বৈদ্যুতিন বা Digital Document বোৰ কিছুমান Digital Group Device যেনে ঃ- Desktop, Computer, Laptop, Smart Phone, Tablets ইত্যাদিৰে লিখা আৰু পঢ়া কামটো কৰি ল'ব পাৰে। বৈদ্যুতিন গ্ৰন্থগাৰবোৰত অন্যান্য গ্ৰন্থগাৰৰ দৰে ডাঙৰ একোটা সংগ্ৰহালয় গৃহ আৰুপাঠ্য পুথিবোৰ ৰাখিবলৈ অসংখ্য আলমীৰাৰ দৰকাৰ নাথাকে । তাৰ পৰিবৰ্তে উচ্চ ক্ষমতা সম্পন্ন Storage Device যেনে ঃ Hard Disk, DVD, Pen Drive আদিহে প্ৰয়োজন । অৱশ্য প্ৰয়োজন সাপেক্ষে Digital Document বোৰ Printed আকাৰত আৰু Printed Document বোৰ Digital আকাৰত বনাই ল'ব পাৰি।

Digital Document বোৰ Printed আৰু Printed Document বোৰ Digital আকাৰত সলাই লোৱাটো আজিৰ দিনত তেনেই সহজ কথা হৈ পৰিছে। বৈদ্যুতিন উপকৰণ ইমানেই দ্ৰুত গতিত পৰিবৰ্তন আৰু বিকাশ ঘটিব ধৰিছে যে কেইমিনিটমান সময়ৰ ভিতৰত বৃহৎ মহাকাব্য, মহাভাৰত আদি Digitalised কৰি লব পাৰে। অৱশ্যে আমাৰ দৰে সঘন কাৰেণ্টে অহা-যোৱা কৰি থকা ঠাইৰ বাবে ই সহজ যদিও কিছু কিছু ক্ষেত্ৰত জটিলোঁ। কেইবাটাও Bit লগ লাগি এটা শব্দ লিখিব লগা হয়। Bit হ'ল Digital Texts লিখিবলৈ লোৱা একক। এক (1) Bit সমান বৈদ্যুতিক on বা off অৰ্থাৎ, এটা বৈদ্যুতিন পৰিবাহী বন্ধ আৰু খোলাৰ কাৰিকৰী গণনা আমি যদি বৈদ্যুতিক on নক 1 বুলি ধৰি লওঁ তেন্তে বৈদ্যুতিক off ক 0 (শূণ্য) বুলি ধৰি লব পাৰো। এনে দৰে on আৰু off প্ৰক্ৰিয়া 8 (আঁঠ) বাৰ হয় তেন্তে 1 Byte হ'ব। অৰ্থাৎ 8 (আঁঠ) Bit সমান 1 Byte। Computer যদি আমি a লিখো তেন্তে আমাক 8 Bit বা 1 Byte দৰকাৰ হ'ব। Bit ৰ পৰা Byte আৰু ইয়াতকৈ ডাঙৰ এককটো হ'ল KiloByte. 1,024 Byte সমান 1 kiloByte হ'ব । ইয়াৰ সম পৰিমাণৰ Texts লিখিবলৈ হ'লে প্ৰায় দুইৰ পৰা তিনি পেৰেগ্ৰাফ লিখিব পৰা হ'ব।

তেনেদৰে,1024 Kilobyte সমান এক Megabyte হয় । 1 Megabyte ৰ সমপৰিমাণে লিখিবলৈ হ'লে প্ৰায় ৮৭৩ পৃষ্ঠা লিখিব পৰা হ'ব। 1,024 Megabyte Gigabyte হয়। Gigabyte ৰপৰা Terabyte, Exabyte, Exitabyte আদি ডাঙৰ ডাঙৰ একক বোৰ ক্ৰমান্নয়ে পোৱা যায়। 1 Zettabyte ৰ সমান পৰিমাণৰ Texts লিখিবলৈ হ'লে "National Library of India" ত যিমান পুথি সংগ্ৰহ হৈ আছে, সেই সকলো লিখি শেষ কৰিব লাগিব। বৈদ্যুতিন ব্যৱস্থাৰে আজি কালি বহু সুবিধাজনকভাবে লিখা পঢ়া কামটো কৰিব পৰা হ'ল। সংগ্ৰহ আৰু সংৰক্ষণৰ ক্ষত্ৰটো বৈদ্যুতিক মাধ্যমত যথেষ্ট সুবিধা আছে। উচ্চ ক্ষমতা সম্পন্ন Hard Disk, DVD আৰু Pen Drive বোৰত সমূহ এখন গ্ৰন্থগাৰৰ Digital সংগ্ৰবোৰ সংৰক্ষণ কৰি থ'ব পাৰে। ৰ'দ-বৰষুণ, প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা হ'ব লগা ক্ষয়-ক্ষতিৰ পৰা এনে Digital Library সদায় সুৰক্ষিত । বৈদ্যুতিন কাৰিকৰী-কৌশলৰ উন্নয়নৰ ফলত যিকোনো ঠাইৰ পৰা, যিকোনো সময়ত পঢ়া আৰু সভ্য সকলক সেৱা আগবঢ়াব পৰাৰ সুবিধাই হ'ল Digital Library।

**বৈদ্যুতিন কিতাপ ঃ** বহু ঠাইত বৈদ্যুতিন কিতাপ পত্রক সুচাবলৈ বিভিন্ন ñ1Ëö ¿ùà±Î ðÃ±û±ûþ¼Î ûËö E-Book, ebook, eBook বা e-book। সেয়া যিয়েই নহওক ই বৈদ্যুতিন কিতাপকে, অৰ্থাৎ Electronic Book কেই সুচায়।

Cambridge.org মতে; "e-book, Noun, a book that is published in electronic form উদাহৰণ স্বৰূপ The Internet on a disk and not printed on Paper"।

**বৈদ্যুতিন কিতাপৰ সংৰক্ষণৰ সুবিধাসমূহ ঃ** যিদৰে এখন উচ্চ ক্ষমতা সম্পন্ন Hard Disk, Cd, DVD আৰু Pen Driveৰ দ্বাৰা গ্ৰন্থগাৰ এটা সংগ্ৰহ কৰি থ'ব পাৰে, ঠিক তেনেদৰে প্ৰয়োজন সাপেক্ষে cloud computing ব্যৱস্থাৰ জৰিয়তে সংগ্ৰহ সমূহ web pageত upload কৰি থব পৰা সুবিধাও আছে। এনেধৰণৰ সবিধা থকা বাবে আকস্মিক দূৰ্ঘটনা, প্ৰাকৃতিক দুৰ্যোগ বা তাৎক্ষণিক অগ্নিদাহৰ আদিৰপৰা হ'ব লগা ক্ষতি সমূহৰ পৰা অনায়াসে ৰক্ষা পাব পাৰি। এনে দূৰ্ঘটনাসমূহৰ পৰা বহুতো চহকী গ্ৰন্থাগাৰ ধ্বংস হোৱা, মূল্যৱান পাঠ্য পুথি, আপুৰুগীয়া তথ্য পাতি, অমূল্য দস্তাবেজ নষ্ট হোৱাৰ উদাহৰণ ইতিহাসৰ পাতত পোৱা যায়। এনে ঘটনাৰ পৰা পৰিত্ৰাণ পাবলৈ E-book ৰ প্ৰয়োজন সাপেক্ষে storage device বোৰৰ কেইবাখনো নকল copy ৰাখিব লাগে।

**বৃহৎ সংগ্ৰাহলয় ঃ** প্ৰতিদিনে পাঠ্য পুথি আৰু কিতাপ পত্ৰৰ সংখ্যা ইমানেই বৃদ্ধি পাব ধৰিছে যে, সকলোখিনি সংগ্ৰহ আৰু সংৰক্ষণ কৰাটো আপোনাৰ মোৰ কল্পনাতীত। Printed আকাৰত সেইবোৰৰ সংৰক্ষণ কিছু পৰিমাণে কৰাৰ ফলতো এটা কোঠাৰ পৰা এটা মহল, এটা মহলৰ পৰা কেইবাটাও Building ৰ সৈতে গ্ৰন্থাগাৰবোৰে বৃহতাকাৰ ৰূপ লৈছে। কিন্তু ইয়াৰ পাছতো মানুহৰ জ্ঞানৰ সন্ধানৰ অন্ত হোৱা নাই। অনুসন্ধান, জ্ঞান অন্বেষণ আৰু সেইবোৰৰ লিখা মেলা চলিয়ই আছে আৰু চলিয়েই থাকিব। এতিয়া মনলৈ প্ৰশ্ন আহে সেইবোৰৰ সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা কিদৰে হ'ব? এই ক্ষেত্ৰত বৈদ্যুতিন গ্ৰন্থাগাৰ ব্যৱস্থাই যথেষ্ট সহায় কৰিব পাৰে। ওপৰত বিভিন্ন ঠাইত উল্লেখ কৰি আহিছো যে, Digitalisation ৰ জৰিয়তে মাত্ৰ এখন উচ্চ ক্ষমতা সম্পন্ন Hard Disk এ এক বৃহৎ পৰিমাণৰ গ্ৰন্থ সংগ্ৰহ কৰি থ'ব পাৰি। গতিকে E-library বোৰে পৰম্পৰাগত গ্ৰন্থাগাৰৰ সমস্যা সমূহ সহজতে আৰু নিয়মীয়াকৈ সমাধান কৰিব পাৰিব।

**সময়ৰ মিতব্যয়ীঃ** দেখা যায় যে বিভিন্ন পঢ়ুৱৈৰ পঢ়াৰ চাহিদা ভিন ভিন ধৰণৰ। এজন বিশেষ পঢ়ুৱৈয়ে যিকোনো এখন কিতাপ পঢ়ি ভাল নাপাবও পাৰে, যিমাহে মহান গ্ৰন্থ নহওঁক কিয়? বিশেষ পঢ়ুৱৈজনৰ বাবে তেওঁৰ পছন্দৰ কিতাপখন সময়মতে যাতে পাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। অন্যথা সময় পাৰ হোৱাৰ লগে লগে কেতিয়াবা পঢ়ুৱৈজনৰ কিতাপখনৰ প্ৰতি থকা মোহ নোহোৱা হৈ যাব পাৰে। এনে ধৰণৰ পৰিস্থিতিত বৈদ্যুতিক গ্ৰন্থগাৰে E-book ৰ সহায়ত পঢ়ুৱৈজনক উক্ত কিতাপখনৰ যোগান ধৰিব পাৰে। গ্ৰন্থাগাৰ বিজ্ঞানৰ পাঁচটা বিখ্যাত সূত্ৰৰ সহায়েৰে সমস্যাটো বুজাবলৈ যত্ন কৰা হ'ল।

১) প্ৰথম সূত্ৰ ঃ পুথি বা কিতাপবোৰ পঢ়াৰ বাবে [Books are for Reading] অৰ্থাৎ গ্ৰন্থগাৰত থকা প্ৰত্যেক পুথিয়েই পঢ়াৰ বাবে সংৰক্ষণ কৰা থাকে। পাঠ্য পুথিবোৰ সুন্দৰকৈ সজাই থবলৈ নহয়।

২) দ্বিতীয় সূত্ৰ ঃ সকলো পঢ়ুৱৈয়ে তেওঁলোকৰ কিতাপ পত্ৰবোৰ পাব লাগিব [Every Reader get his/her book]। গ্ৰন্থগাৰ খনত যাতে প্ৰত্যেক পঢ়ুৱৈয়ে তেওঁ বা তেখেতৰ পঢ়িব বিচৰা কিতাপখন পাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

৩) তৃতীয় সূত্ৰ ঃ প্ৰতিখন পুথিয়েই ইয়াৰ পঢ়ুৱৈজনক লগ পাব লাগিব (Every Books get its Reader)। প্ৰতিখন কিতাপৰে পঢ়ুৱৈজন বেলেগ বেলেগ হয়। গতিকে প্ৰতিখন কিতাপ এনেদৰে ৰাখিব লাগে যাতে পঢ়ুৱৈজনে সহজে কিতাপখন দেখা পায়।

৪) চতুৰ্থ সূত্ৰ ঃ সময়ৰ মিতব্যয়ী (Saving the time for all)। এখন গ্ৰন্থগাৰত এনেধৰণৰ ব্যৱস্থা থাকিব লাগে বা থকা উচিত যাতে সকলোৰে বাবে, সভ্যজনেই হওঁক বা সেৱা আগবঢ়োৱা কৰ্মচাৰী জনেই হওক যাতে সময় বচাই ল'ব পাৰে। এই ক্ষেত্ৰত বৰ্তমান দিনত Library Automation System বা Digital Library এ যথেষ্ট সহায় কৰিব পাৰে।

৫) পঞ্চম সূত্ৰ ঃ গ্ৰন্থগাৰ এখন বৰ্দ্ধিত অনুষ্ঠান (Library is growing organisation)। গ্ৰন্থগাৰ এখন সদায় জীৱিত অনুষ্ঠান। জীৱিত হোৱাৰ লগে লগে ইয়াৰ বৃদ্ধি হোৱাটো আৱশ্যক। গ্ৰন্থগাৰ এটা সকলো দিশতে ইয়াৰ সংগ্ৰহই হওক, সংৰক্ষনেই হওঁক, অন্যান্য দিশতেই হওক ক্ৰমান্বয়ে বৃদ্ধি প্ৰাপ্ত হ'ব লাগে। বৈদ্যুতিন গ্ৰন্থগাৰ ব্যৱস্থাই এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিব পাৰে। যিহেতু বৰ্তমান দিনত Digital ব্যৱস্থাৰে যথেষ্ট লিখা মেলা কৰা হয়।

**সামৰণিঃ** ওপৰৰ উল্লেখিত কথাবোৰ অলপ লক্ষ্য কৰিলে পঢ়ুৱৈসকলে উপলদ্ধি কৰিব যে, বৈদ্যুতিন গ্ৰন্থগাৰে কিদৰে আমাক সহায় কৰিব পাৰে। বৰ্তমান দিনত E-book বৈদ্যুতিন ব্যৱস্থাপনাৰ texts, books, journal, information, Audio, Visual আদিয়ে মানৱ সমাজত জ্ঞান অন্বেষণ আৰু বিকাশত কিদৰে সহায় কৰিছে সেয়া সৰ্বজনবিদিত। নন তথ্য আদান-প্ৰদান ক্ষণিকতে সম্পাদন কৰিব পৰা হয় এই Digital ব্যৱস্থানাৰ জৰিয়তে। E-Document বোৰ সহজ লব্ধ আৰু Printed Documentৰ তুলনাত Digital Documentবোৰ কম মূল্যতেই পোৱা যায়। অৱশ্যে যিদৰে বৈদ্যুতিন গ্ৰন্থাগাৰ বা বৈদ্যুতিক পাঠ্য পুথিবোৰৰ সুবিধা আছে, তেনেদৰে কিছু অসুবিধাও নথকা নহয়। যদি সমগ্ৰ সংৰক্ষিত CD, DVD or Hard Disk খন কিবা কাৰণত নষ্ট হৈ গলে ইয়াৰ সমুদায় তথ্য পাতিবোৰ নষ্ট হৈ যোৱাৰ অৱকাশ থাকে। তেনেদৰে বৈদ্যুতিক উপকৰণবোৰ বিকল হৈ গ'লে এনে গ্ৰন্থাগাৰৰ ব্যৱহাৰৰ অন্য সুবিধা নাথাকিব বা সকলো সভ্যই বৈদ্যুতিক উপকৰণবোৰ ব্যৱহাৰ কৰিব নাজানিবও পাৰে বা সুবিধা কৰিব ল'ব নোৱাৰিবও পাৰে। তৎসত্বেও কিন্তু বৰ্তমান দিনত E-Library, E-Book ৰ গুৰুত্ব অপৰিসীম।

গ্ৰন্থাগাৰীক, চিলাপথাৰ মহাবিদ্যালয়

চিন্তা বিচিত্ৰা



# সামাজিক উশৃংখলতা আৰু শিক্ষাৰ ক্ষেত্ৰখনত ইয়াৰ প্ৰভাৱ

প্ৰিয়ংকা পাল

**আৰম্ভণি ঃ—**

সংঘাত, বিদ্ৰোহ, মাৰপিট, প্ৰতিবাদ, হত্যা, ধৰ্ষন, লুণ্ঠন আদিৰ দৰে অ-সামাজিক আচৰণৰ জৰিয়তে নিজৰ উশৃংখল কাৰ্যসমূহ প্ৰকাশ কৰা কাৰ্যই হৈছে উশৃংখলতা।

সামাজিক উশৃংখলতা বুলি ক'লে কোনো এখন সমাজ, সম্প্ৰদায় বা দলৰ সমূহীয়া অসন্তুষ্টি, নৈৰাশ্য আৰু বিভ্ৰান্তিৰ প্ৰকাশকে বুজা যায়। সামাজিক উশৃংখলতাই এখন সমাজৰ স্থিৰতা ৰক্ষাত সমস্যাৰ সৃষ্টি কৰে। সামাজিক উশৃংখলতাৰ প্ৰভাৱ আটাইতকৈ বেছি পৰে শিক্ষাৰ ওপৰত। কাৰণ শিশু তথা শিক্ষাৰ্থীয়ে সমাজৰ পৰাই জীৱনৰ আদিপাঠবোৰ গ্ৰহণ কৰে।

**উশৃংখলতাৰ অৰ্থ ঃ—**

সাধাৰণতে, সামাজিক ৰীতি-নীতি, পৰম্পৰা, আচাৰ-আদৰ্শৰ লগত খাপ নোখোৱা, সামাজিকভাৱে অগ্ৰহণীয় আৰু আইনমতে অগ্ৰহণীয় কাৰ্যকল্যপসমূহকে উশৃংখল বুলি ক'ব পাৰি। অৰ্থাৎ সমাজত প্ৰচলিত পৰম্পৰাগত নীতি-নিয়ম ভংগ কৰি ব্যক্তিয়ে যিবোৰ অসামাজিক আচাৰ-ব্যৱহাৰ, কাৰ্যকলাপ প্ৰদৰ্শন কৰি সমাজৰ শান্তিশৃংখলা বজাই ৰখাত ব্যাঘাত জন্মায় তথা সমাজলৈ অশান্তিৰ পৰিৱেশ কঢ়িয়াই আনে সেইবোৰেই হ'ল উশংখলতা।

**সামাজিক উশৃংখলতাৰ অৰ্থ ঃ—**

সমাজত প্ৰচলিত বিভিন্ন ৰীতি-নীতি, পৰম্পৰা আদি বিঘ্নিত হোৱাকৈ তথা সমাজৰ লোকসকলে প্ৰদৰ্শন কৰা সামাজিকভাৱে অগ্ৰহণীয় আৰু আইন মতে অগ্ৰহণীয় বিভিন্ন কাৰ্যকলাপসমূহে সমাজৰ শান্তি সম্প্ৰতি নষ্ট কৰি সমাজলৈ অশান্তিৰ পৰিৱেশ কঢ়িয়াই আনি সামাজিক ঐক্য বিনষ্ট কৰে। সেইবোৰক সামাজিক উচ্ছৃংখলতা বুলি ক'ব পাৰি।

সামাজিক উচ্ছৃংখলতাই সমাজৰ ব্যক্তিসকলে সমাজৰ প্ৰচলিত ৰীতি-নীতিৰ বিৰুদ্ধে গৈ প্ৰদৰ্শন কৰা অমানৱীয় বা অশালীন আচৰণ যেনে- চুৰি, ডকাইটি, মাৰপিট, মদ্যপান, জুৱাখেলা, যৌন অপৰাধ, নিচাযুক্ত দ্ৰব্য সেৱন, অন্যায়, অত্যাচাৰ, ৰাজনৈতিক শোষক, বিবাহ বিচ্ছেদ, বেশ্যাবৃত্তি, আত্মহত্যা, বলিয়ালি, সামাজিক প্ৰমূল্যক উপেক্ষা, ব্যক্তিবাদী মনোভাৱ ইত্যাদিৰ ফলত সমাজত সৃষ্টি হোৱা উশৃংখল পৰিস্থিতিকে বুজায়।

**সামাজিক উশৃংখলতাৰ কাৰণ ঃ—**

১। উচ্চ হাৰত জনসংখ্যাৰ বিস্ফোৰণ।
২। উচ্চ হাৰত বিবাহ বিচ্ছেদ।
৩। অপৰাধ প্ৰৱণতাৰ হাৰ বৃদ্ধি।
৪। পুৰুষ জনসংখ্যাৰ হাৰ বৃদ্ধি।
৫। চিন্তা আদৰ্শ তথা কাৰ্যৰ ক্ষেত্ৰত ব্যক্তিবাদী মনোভাৱ।
৬। সাংস্কৃতিক পাশ্চাৎ।
৭। দৃষ্টিভংগী আৰু মূল্যবোধৰ মাজত সংঘাত।
৮। সামাজিক সংঘাত।
৯। ব্যক্তিগত স্বাধীনতা আৰু অধিকাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান।
১০। ব্যক্তিৰ মাজত পাৰম্পৰিক অন্ধবিশ্বাস।

১১। দৰিদ্ৰতা।

১২। পৰিয়ালৰ মাজত দেখা দিয়া বিসংগতিমূলক আচৰণ।

১৩। নিবনুৱা সমস্যা।

১৪। সামাজিক অনুশাসন আৰু নিয়ন্ত্ৰণহীনতা।

১৫। সংকট।

১৬। ৰাজনৈতিক বশ্যতা আৰু ৰাজনৈতিক ব্যৰ্থতা।

১৭। নৈৰাশ্য আৰু অসন্তুষ্টি।

**শিক্ষাত সামাজিক উশৃংখলতাৰ প্ৰভাৱ ঃ—**

সামাজিক উশৃংখলতাই শিক্ষাত কেনে প্ৰভাৱ পেলাব পাৰে সেই সম্পৰ্কে তলত উল্লেখ কৰা হ'ল।

১। সামাজিক উশৃংখলতাই ছাত্ৰ সমাজকো উশৃংখল কৰি তোলে। ফলত যেনেধৰণৰ দেহ মানসিক, সামাজিক শৈক্ষিক, নৈতিক-আধ্যাত্মিক বিকাশ সাধন হ'ব লাগে সেইবোৰ বাধাপ্ৰাপ্ত হয়।

২। সামাজিক বিশৃংখলতাই শিক্ষানুষ্ঠানত শিক্ষাদান শিক্ষাগ্ৰহন প্ৰক্ৰিয়াত সমস্যাৰ সৃষ্টি কৰে। বিচ্ছংখল সমাজ এখনত সুস্থ পৰিৱেশ সৃষ্টি কৰি শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰাত শিক্ষকসকল ব্যৰ্থ হোৱাহে পৰিলক্ষিত হয়।

৩। সামাজিক বিশৃংখলতাই শিক্ষাৰ্থীক গঠনাত্মক আৰু সৃজনাত্মক চিন্তা তথা কৰ্ম সম্পাদন কৰাৰ প্ৰতি নিৰুৎসাহিত কৰি তোলে। বৰঞ্চ এনে অৱস্থাই শিক্ষাৰ্থীৰ মনত ধ্বংসাত্মক প্ৰৱণতাহে জগাই তোলাৰ সম্ভাৱনা অধিক।

৪। সামাজিক বিশৃংখলতাৰ ফলত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত একাংশ ছাত্ৰই জাতিৰ অস্তিত্ব ৰক্ষাৰ নামত কিছুমান আৱেগিক অবিবেচনীয় সিদ্ধান্তৰে জাতিটোক অন্ধকাৰৰ মাজলৈ ঠেলি দিয়াৰ প্ৰচেষ্টা চলায়।

৫। সামাজিক উশৃংখলতাৰ ফলত বিশ্ববিদ্যালয়, মহাবিদ্যালয়ত শিক্ষাৰে শিক্ষিত মেধাৱী ছাত্ৰই সমাজৰ কতা, দেশৰ মংগলৰ কথা চিন্তা কৰাৰ পৰিৱৰ্তে স্বাৰ্থপৰ, আত্মকেন্দ্ৰিক হৈ উঠাৰ সম্ভাৱনাই বেছি।

৬। উপযুক্ত আৰু পৰ্যান্ত শিক্ষা আৰু নিয়োগৰ সুবিধা প্ৰদানৰ ব্যৱস্থা গ্ৰহন কৰিব লাগিব।

৭। সকলোৰে বাবে সামাজিক সমতা, ন্যায় আৰু স্বাধীনতা প্ৰদান কৰি নিৰাপত্তা আৰু বিশ্বাসৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব।

৮। পৰিয়াল পৰিকল্পনা আৰু পৰিয়াল কল্যাণৰ বাবে উপযুক্ত আৰু আকৰ্ষণীয় পৰিকল্পনা আৰু প্ৰকল্প যুগত কৰিব লাগিব।

**ছাত্ৰ উশৃংখলতা ঃ** (Student Unrest)

ছাত্ৰ সমাজে সমাজত প্ৰচলিত ৰীতি-নীতিৰ বিৰুদ্ধে শৈক্ষিক ক্ষেত্ৰত হোৱা অন্যায় অবিচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ প্ৰদৰ্শন কৰা অমানৱীয় তথা অশালীন আচৰণকে ছাত্ৰ উচ্ছৃংখলতা বোলা হয়। ছাত্ৰ সমাজে গ্ৰহণ কৰা কাৰ্য পন্থা; যেনে চুৰি কৰা, মাৰপিট কৰা, জুৱা খেলা, মদ্যপান কৰা, যৌন অপৰাধ সংঘটিত কৰা, নিচাযুক্ত দ্ৰব্য সেৱন কৰা, সমাজৰ বিভিন্নজনৰ সৈতে মতানৈক্যত লিপ্ত হোৱা বাটে-ঘাটে চিগাৰেট খোৱা, ভাং খোৱা আদিৰ জৰিয়তে প্ৰদৰ্শন কৰা উশৃংখল আচৰণেই হৈছে ছাত্ৰ উশৃংখলতা। ইয়াৰোপৰি একাংশ ছাত্ৰই পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা, ৰেগিং কৰা আদি অসামাজিক কাৰ্যৰ জৰিয়তে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰে। বহু সময়ত আকৌ ছাত্ৰসকলে শৈক্ষিক বিষয়ৰ লগত জড়িত থকা বিভিন্ন কাৰণ; যেনে - শিক্ষক নিযুক্তি, পৰীক্ষাগাৰৰ সা-সঁজুলিৰ যোগান, পুথিভঁৰালৰ কিতাপ যোগান, পৰীক্ষা পদ্ধতিৰ পৰিৱৰ্তন, ছাত্ৰ একতা সভালৈ প্ৰদান, শিক্ষানুষ্ঠানৰ প্ৰশাসনীয় পৰিষদৰ ছাত্ৰৰ অংশগ্ৰহণ, মাচুল বৃদ্ধি আদি কাৰণত শিক্ষানুষ্ঠানৰ ছাত্ৰই প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে আন্দোলন কৰে। ফলত শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠে। এনে শৈক্ষিক উশৃংখলতাকো ছাত্ৰ উশৃংখলতা বুলিব পাৰি।

অম্বিকাগিৰি ৰায় চৌধুৰীয়ে কৈছিল, "যি ছাত্ৰই দেশ আৰু জন্মভূমিৰ সাৰ্বভৌমত্ব আৰু জাতীয় স্বাধীনতা ৰক্ষা কৰাৰ দায়িত্ব আৰু কৰ্তব্য পালনত জীৱন উচৰ্গা কৰা, নিৰ্ভীকতা, সাহসিকতা আৰু শৌৰ্য-বীৰ্য বীৰত্বৰে নিজকে অলংকৃত কৰি তোলাৰ দুৰ্দশনীয় মানসেৰে শিক্ষা লাভ নকৰে, সেই ছাত্ৰই বিশ্ববিদ্যালয়ৰ গতানুগৰিক সৰ্বোচ্চ উপাধি লাভ কৰিলেও দেশ আৰু জাতিৰ সম্পদ হৈ উঠাৰ পৰিৱৰ্তে জোকৰ সৰ্বগ্ৰামী শোষক হৈ দুৰ্নীতিৰে নিজক, সমাজক, দেশক আৰু জাতিক ধ্বংসহে কৰে।"

ছাত্ৰ উশৃংখলতা হৈছে ছাত্ৰৰ মনত জাগ্ৰত হোৱা এক অসুস্থ আৰু অসামাজিক ক্ৰিয়াৰ মনোভাৱ, যাৰ যোগেদি তেওঁলোকে সমাজৰ প্ৰচলিত নীতি-নিয়ম ভংগ কৰি বা বিৰুদ্ধাচৰণ কৰি অসামাজিক আৰু অনৈতিক জীৱন যাপন কৰে।

**ছাত্ৰ উশৃংখলতাৰ বৈশিষ্ট্য ঃ—**

উশৃংখল ছাত্ৰৰ মাজত কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়; যেনে-

১। সমাজৰ ৰীতি-নীতিবোৰ মানি চলিবলৈ অমান্তি হোৱা।

২। বিদ্যালয় বা ঘৰৰ অনুশাসনৰ পৰা মুক্ত হ'বৰ বাবে পলায়নবাদী মনোভাৱ গ্ৰহন কৰা।

৩। অসুস্থ আৰু অসামাজিক কাৰ্যৰ মাজেৰে নিজৰ অৱসৰ সময়খিনি অতিবাহিত কৰা।

৪। অগণতান্ত্ৰিক আৰু ধ্বংসাত্মক দৃষ্টিভংগী গ্ৰহণ আৰু তেনে কাৰ্যকলাপ প্ৰদৰ্শন।

৫। চিন্তাবিহীন, উন্মত্ত, গোড়া-প্ৰকৃতিৰ আৰু আত্মকেন্দ্ৰিক বিধৰ।

৬। সন্দেহবাদী আৰু প্ৰতিশোধ পৰায়ণ মনোভাৱ প্ৰৰ্দশন।

৭। অনুশাসনৰ প্ৰতি অমনোযোগী, অনুশাসনহীন আৰু ধ্বংসমুখী বিধৰ।

ছাত্ৰ উশৃংখলতাৰ কাৰণ ঃ—

ছাত্ৰ উশৃংখলতাৰ চাৰিটা প্ৰধান কাৰণ দেখিবলৈ পোৱা যায়। যেনে-

ক) বংশগতিমূলক কাৰণ (Hereditary Causes)

খ) পৰিৱেশীয় কাৰণ (Environmental Causes)

গ) সামাজিক কাৰণ (Social Causes)

ঘ) মনোবৈজ্ঞানিক কাৰণ (Psychological Causes)

**ক) বংশগতিমূলক কাৰণ ঃ** (Hereditary Causes)

ল'ৰা-ছোৱালী তথা ব্যক্তিয়ে ব্যক্তিত্বৰ কোনোৱা সংলক্ষন উত্তৰাধিকাৰীসূত্ৰে বা জন্মগতভাৱে লাভ কৰে। সেই দিশৰ পৰা উশৃংখল জীৱন ল'ৰা-ছোৱালী তথা ব্যক্তিয়ে জন্মসূত্ৰে পিতৃ-মাতৃৰ পৰা লাভ কৰিব পাৰে। বহু মনোবিজ্ঞানীয়ে অধ্যয়নৰ জৰিয়তে বুদ্ধিয়ক ল'ৰা-ছোৱালীৰ মাজত উচ্ছৃংখল মনোভাৱ বেছি থাকে বুলি মত পোষণ কৰে। কিয়নো ক্ষীণ বুদ্ধিৰ ল'ৰা-ছোৱালীয়ে সাধাৰণ মানুহৰ দৰে ন্যায় অন্যায় কৰিবলৈ ভয় কৰে। কিন্তু তেনেবোৰ কাম কৰিবলৈ বুদ্ধিয়ক ল'ৰা-ছোৱালীয়ে তেওঁলোকে কুণ্ঠাবোধ নকৰে। বুদ্ধি হ'ল এক সহজতে বৈশিষ্ট্য।

**খ) পৰিৱেশীয় কাৰণ ঃ**

বহু মনোবিদে অপৰাধ প্ৰৱণতা পৰিৱেশীয়ে কাৰণৰ ফলতহে উদ্ভৱ হয় বুলি বিশ্বাস কৰে। পৰিৱেশীয় কাৰণ সমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি।

১। পৰিস্থিতিগত কাৰক (Ecological Factor)

২। পৰিয়াল বা ঘৰ (Home)

৩। বিদ্যালয়গত কাৰক (School)

**১। পৰিস্থিতিগত কাৰক ঃ**

কিশোৰ কিশোৰীক উশৃংখল কৰি গঢ়ি তোলাত বিভিন্ন পৰিস্থিতিগত কাৰক যেনে; ভৌগোলিক, জলবায়ু, ৰাস্তা-পদুলি, দোকান-পোহাৰ, কৰ্ট-কাছাৰী, চিনেমা ঘৰ, চিকিৎসালয় আদিয়ে বিশেষ প্ৰভাৱ পেলায়। নগৰীয়া জীৱনৰ লগত গাৱলীয়া জীৱনৰ পৰিস্থিতিগত কাৰকবোৰ নিমিলে। উদ্যোগ প্ৰধান ঠাইৰ লগত সাধাৰণ কৃষি প্ৰধান ঠাইৰ বাতাবৰণ নিমিলে। এনেবোৰ বাতাবৰণৰ অসুস্থ প্ৰভাৱৰ ফলত কিশোৰ কিশোৰী উশৃংখল হৈ উঠিব পাৰে।

**২। পৰিয়াল বা ঘৰ ঃ** (Home)

ঘৰখন তথা পৰিয়ালৰ সদস্যসকলৰ প্ৰভাৱেই ল'ৰা-ছোৱালীৰ ওপৰত আটাইতকৈ বেছি পৰে। ঘৰুৱা বিভিন্ন কাৰণত ল'ৰা-ছোৱালী উশৃংখল হৈ উঠে। ইংৰাজ মনোবিদ ছাৰ চাইৰিল বাৰ্ট এ তেখেতৰ বিখ্যাত গ্ৰন্থ 'The young Delinquency' ত পৰিয়ালৰ অশুভ প্ৰভাৱবোৰ প্ৰণালীবদ্ধভাৱে বৰ্ণনা কৰিছে, যিবোৰে ল'ৰা-ছোৱালীক উচ্ছৃংখল কৰি তোলে। সেইবোৰৰ ভিতৰত তলত উল্লেখ কৰা কাৰণসমূহ বিশেষভাৱে উল্লেখযোগ্য যেনে ঃ—

১। শিশু যদি অৱহেলিত ও পৰিত্যক্ত হয়, অৰ্থাৎ পৰিয়ালৰ ভাই-ভনীৰ মাজৰ সকলোৱে যদি সমানে মনোযোগ আৰু পূৰ্ণ যত্ন নাপায়। তেন্তে তেওঁলোকে অৱহেলিত অনুভৱ কৰে। যাৰ ফলত উশৃংখলতাই গা কৰি উঠে।

২। যদিহে ল'ৰা-ছোৱালী ঘৰত অতি কঠোৰ নিয়ন্ত্ৰণ আৰু নিপীড়নৰ মাজত থাকিবলগীয়া হয়, তেতিয়াও তেওঁলোকে উশৃংখল হৈ উঠিব পাৰে।

৩। ল'ৰা-ছোৱালী যদি পৰিয়ালৰ সদস্য সকলৰ অতি আদৰ যত্নৰ মাজত ডাঙৰ-দীঘল হয়, তেতিয়াও উশৃংখলতাই ঠাই পায়।

৪। অতিমাত্ৰা দৰিদ্ৰতা বা আৰ্থিক অনাটনৰ বাবেও ল'ৰা-ছোৱালী উশৃংখল হৈ উঠে।

৫। ঘৰুৱা পৰিৱেশত অনুশাসনহীনতা তথা অপৰিকল্পিত আৰু উদ্দেশ্যহীন ল'ৰা-ছোৱালীক স্বাধীনতা প্ৰদানে উশৃংখল ৰূপে গঢ়ি তুলিব পাৰে।

৬। যদিহে ল'ৰা-ছোৱালীৰ ঘৰুৱা পৰিৱেশ অস্বাস্থ্যকৰ হয় আৰু ল'ৰা-ছোৱালী বা ঘৰৰ কোনো সদস্য যদি চিৰ ৰুগীয়া হয় তেতিয়াও উশৃংখলতাই গা কৰি উঠে।

**৩। বিদ্যালয় ঃ—**

বিদ্যালয়ৰ পৰিৱেশত ল'ৰা-ছোৱালী বিভিন্ন কাৰণৰ পৰিপ্ৰেক্ষিতত উশৃংখল হৈ উঠিব পাৰে। সেই কাৰণসমূহ হৈছে -

১। বিদ্যালয়ৰ অনুশাসনহীনতা।

২। বিদ্যালয় ঘৰ বা প্ৰাংগণৰ আকৰ্ষণহীনতা।

৩। শিক্ষকৰ কঠোৰ নিয়ন্ত্ৰণ।

৪। শিক্ষকৰ নেতৃত্বহীনতা।

৫। শিক্ষক-শিক্ষাৰ্থী আৰু অভিভাৱকৰ মাজত সহযোগীতাৰ অভাৱ।

৬। শিক্ষকৰ পক্ষপাতিতা।

৭। নিষ্ক্ৰিয় শিক্ষাদান পদ্ধতি।

৮। শিক্ষাৰ্থীক দায়িত্ব অৰ্পণৰ অভাৱ।

**গ) সামাজিক কাৰণ ঃ—**

সামাজিক জীৱনৰ বিভিন্ন উপাদানে উশৃংখলতাৰ মনোভাৱ গঢ়ি উঠাত বিশেষ বৰঙণি আগবঢ়ায়। সেইসমূহ হৈছে এনে ধৰণৰ-

১। সমাজত কোনো ব্যক্তি, দল বা গোষ্ঠীৰ প্ৰতি পক্ষপাতিত্ব কৰা দেখিলে বহু লোকৰ মন বিদ্ৰোহী হৈ উঠে আৰু তেওঁলোকে

অপৰাধমূলক কামৰ জৰিয়তে হ'লেও সেই অন্যায়ৰ পোতক তুলিবলৈ বিচাৰে।

২। অনিয়ন্ত্রিত আৰু অসংগঠিত সমাজ ব্যৱস্থাত উশৃংখলতাই গা কৰি উঠে। অর্থাৎ যি সমাজত নীতিগত কোনো আর্দশ সম্পর্কে কোনো সুনির্দিষ্ট বাধা নিষেধ নাই, তেনে সমাজত উশৃংখলতা বেছি হোৱা দেখা যায়।

৩। যেতিয়া সমাজ ব্যৱস্থা যুদ্ধ, বানপানী, প্রাকৃতিক দুর্যোগ আদিত বিধস্ত হৈ পৰে, তেতিয়া কিশোৰ কিশোৰীৰ মাজত উচ্ছৃংখলতা প্রচুৰ পৰিমাণে দেখিবলৈ পোৱা যায়।

৪। যেতিয়া সমাজৰ বিভিন্ন ধর্মীয়, ভাষিক, সাংস্কৃতিক আৰু প্রজাতীয় গোষ্ঠীৰ মাজত পার্থক্য বেছি হয়, তেতিয়া কিশোৰ কিশোৰীৰ মাজত উশৃংখলতাই গা কৰি উঠিব পাৰে।

৫। জনসংযোগৰ মাধ্যমবোৰৰ জৰিয়তে প্রদর্শিত ও প্রচাৰিত কিছুমান সমাজ বিৰোধী দিশেও কিশোৰ কিশোৰীক উশৃংখল কৰি তুলিব পাৰে।

**ঘ) মনোবৈজ্ঞানিক কাৰণ ঃ—**

১। যেতিয়া ল'ৰা-ছোৱালীয়ে নিজৰ মৌলিক চাহিদা সমূহ পূৰণ কৰিব নোৱাৰে, তেতিয়া তেওঁলোকৰ মাজত অপসংগতিয়ে দেখা দিয়ে। যেতিয়া এই অপসংগতিয়ে তীব্র ৰূপ ধাৰণ কৰে, তেতিয়া ই উশৃংখলতাৰ ৰূপ লয়। বহু সময়ত ল'ৰা ছোৱালীয়ে নিজৰ মানসিক চাহিদা তৃপ্তি কৰিবৰ বাবে চুৰি কৰা, মিছা কথা কোৱা, ধ্বংসমূলক কাম কাজ কৰে।

২। মানসিকভাৱে বাধাগ্রস্ত ল'ৰা-ছোৱালীয়ে নিজৰ জ্ঞাতে বা অজ্ঞাতে বহু অপৰাধমূলক কাম সংঘটিত কৰিব পাৰে। গতিকে মানসিক বাধাগ্রস্ততা উচ্ছৃংখলতাৰ আন এক কাৰণ।

৩। ল'ৰা-ছোৱালীয়ে উপযুক্ত মৰম চেনেহ, সহানুভূতি, আদৰ যত্নৰ পৰা বঞ্চিত হ'লে নিজকে অৱহেলিত, অকলশৰীয়া, অসহায় অনুভৱ কৰে আৰু পৰিৱেশৰ লগত সুস্থভাৱে সমাযোজন কৰিব নোৱাৰে। এনেবোৰ কাৰণৰ ফলত ল'ৰা-ছোৱালী বহু সহায়ত সহানুভূতিহীন, নির্দয়, অত্যাচাৰী হৈ উঠিব পাৰে আৰু সমাজ বিৰোধী কামত লিপ্ত হ'বলৈ কুণ্ঠাবোধ নকৰে। ফলত ল'ৰা-ছোৱালী অপৰাধী হৈ উঠাৰ সম্ভাৱনাই বেছি।

৪। যেতিয়া ল'ৰা-ছোৱালীয়ে শিকা কথাবিলাক অশুদ্ধ আৰু অসামাজিক বিধৰ হয়, সামাজিকভাৱে বঞ্চিত হয় তেতিয়াও তেওঁলোকৰ মনত উশৃংখলতাই গা কৰি উঠিব পাৰে।

**ছাত্র উশৃংখলতা প্রতিৰোধৰ উপায় ঃ—**

দেশ তথা সমাজৰ যুৱ উশৃংখলতা প্রতিৰোধ কৰিবৰ বাবে নিম্নোল্লিখিত ব্যৱস্থাৱলীৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

**ক) পৰিয়াল বা ঘৰখনে ল'ব পৰা ব্যৱস্থা ঃ**

১। ল'ৰা-ছোৱালীৰ ওপৰত অশুভ প্রভাৱ যাতে পৰিব নোৱাৰে তাৰ বাবে সমাজৰ সকলো ব্যক্তি সচেতন হোৱা উচিত।

২। ঘৰখনত পৰিয়ালৰ সদস্যসকলৰ কথা বতৰাৰ ভাষা, কার্যকলাপ আদি উচ্চ পর্যায়ৰ হোৱা উচিত, যাতে ল'ৰা-ছোৱালীৰ প্রবৃত্তিসমূহ উন্নীত হয়।

৩। পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ প্রতি সন্মানজনক আৰু আন্তৰিকতাপূর্ণ আচৰণ প্রদর্শন কৰিব লাগে আৰু ঘৰুৱা পৰিৱেশক আৱেগ মধুৰ কৰি গঢ়ি তুলিব লাগিব।

৪। নিজৰ ল'ৰা-ছোৱালীয়ে যাতে নিতাপত্তাহীন আৰু অকলশৰীয়া অনুভৱ নকৰে, তাৰ বাবে অধিক সময় তেওঁলোকৰ লগত অতিবাহিত কৰিব লাগে।

৫। ল'ৰা-ছোৱালীক স্বাভাৱিকতকৈ অধিক মৰম চেনেহ কৰিব নালাগে আৰু সাংসাৰিক অভাৱ অনাটন, পাৰিবাৰিক সমস্যা আদয়ে যাতে ল'ৰা-ছোৱালীৰ মনত আঘাত দিব নোৱাৰে তাৰ প্রতি বিশেষ দৃষ্টি ৰাখিব লাগে।

৬। ল'ৰা-ছোৱালীৰ খেলা-ধূলাৰ লগৰীয়াবোৰ যাতে উন্নত স্তৰৰ হয় আৰু খেলাবোৰ যাতে গঠনাত্মক হয়, তাৰ প্রতি সর্তক দৃষ্টি ৰাখিব লাগে।

**খ) বিদ্যালয়ে ল'ব পৰা ব্যৱস্থা ঃ**

১। বিদ্যালয়ৰ ঘৰ-দুৱাৰ, আচবাব, অনুশাসন, পৰিৱেশ আদি আকর্ষণীয় কৰি তুলিব লাগে।

২। বিদ্যালয়ৰ পাঠ্যক্রম, শিক্ষাদান আৰু মূল্যায়ন পদ্ধতি, শিক্ষন পদ্ধতি আদি প্রণালীবদ্ধ আৰু আধুনিক জীৱন নির্বাহ প্রণালীৰ লগত সংগতিপূর্ণ হ'ব লাগে।

৩। ল'ৰা-ছোৱালীক উপযুক্ত শৈক্ষিক আৰু বৃত্তিমূলক নির্দেশনা দিব লাগে যাতে ভৱিষ্যত জীৱনৰ বাবে নিজকে প্রস্তুত কৰি তুলিব পাৰে।

৪। বিদ্যালয়ত যথেষ্ট পৰিমাণৰ সহ পাঠ্যক্রমিক কার্য্যাৱলীৰ সুবিধা থাকিব লাগে।

৫। শিশুক অবাঞ্চিত পৰিৱেশৰ পৰা আঁতৰাই আনি বাঞ্চিত পৰিৱেশত ৰাখিব লাগে।

**গ) সমাজে ল'ব পৰা ব্যৱস্থা ঃ—**

১। ছাত্র উচ্ছৃংখলতা সৃষ্টি কৰিব পৰা উপাদানবোৰ নাইকিয়া কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগিব।

২। শিক্ষানুষ্ঠাসমূহত শিক্ষক অভিভাৱকৰ মাজৰ কার্যকৰী সম্পর্ক আৰু সহযোগিতা বৃদ্ধি কৰিব লাগিব।

৩। সৰুৰে পৰাই ল'ৰা-ছোৱালীক নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ লগতে উপযুক্ত কৌশল, মনোভাৱ আৰু অন্যান্য দক্ষতা আহৰণ কৰাৰ সুযোগ সুবিধা দিব লাগিব।

৪। দেশৰ প্ৰশাসন যন্ত্ৰৰ কাৰ্যকলাপ সুস্থ, নিকা আৰু জনহিতৈষী কৰি তুলিবৰ বাবে সমাজে চৰকাৰৰ ওপৰত প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰিব লাগিব।

৫। পৰিৱৰ্তনশীল সমাজৰ সদস্যসকলৰ প্ৰয়োজন আৰু চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি সমাজৰ আৰ্দশ আৰু মানদণ্ডৰ পৰিৱৰ্তন সাধন কৰিব লাগিব।

**বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ছাত্ৰ-উশৃংiÂখলতাৰ কাৰণ ঃ** (Causes of Student Unrest in Universities and colleges)

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ছাত্ৰ উশৃংখলতাৰ কাৰণবোৰক প্ৰধানকৈ চাৰিটা দিশত ভাগ কৰিব পাৰি। এইকেইটা তলত উল্লেখ কৰা হ'ল।

**ক) শৈক্ষিক দিশ ঃ** (Educational Aspects)

১। শিক্ষানুষ্ঠানৰ শৈক্ষিক অৱস্থাৰ অৱনতি।
২। ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা।
৩। ত্ৰুটিপূৰ্ণ শিক্ষাদান ব্যৱস্থা।
৪। ত্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থা আৰু মূল্যায়ণ পদ্ধতি।
৫। উচ্চ শিক্ষাত অভাৱনীয় হাৰত মাচুল বৃদ্ধি।

**খ) প্ৰশাসনীয় দিশ ঃ** (Administrative Aspects)

১। শিক্ষানুষ্ঠানৰ আসোঁৱাহপূৰ্ণ প্ৰশাসন ব্যৱস্থা আৰু কৰ্তৃপক্ষৰ শোষণ।
২। শিক্ষানুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীগৰাকীৰ অৱহেলা আৰু গুৰুত্বহীনতা।
৩। শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষৰ সৈতে পৰিচালনা সমিতিৰ সহযোগিতাৰ অভাৱ।
৪। নামভৰ্তিকৰণৰ ক্ষেত্ৰত গ্ৰহন কৰা ত্ৰুটিপূৰ্ণ ব্যৱস্থা।
৫। যথাসময়ত উত্তৰ বহী মূল্যায়ন কৰি ফলাফল ঘোষণা নকৰা।

**গ) ৰাজনৈতিক দিশ ঃ** (Political Aspects)

১। বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ নামভৰ্তি কৰণৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ।
২। ছাত্ৰ একতাসভা গঠনত ৰাজনৈতিক হস্তক্ষেপ।
৩। শিক্ষক নিযুক্তি বদলিকৰণ আদিৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ।
৪। শিক্ষানুষ্ঠানত ঠিকাভিত্তিক শিক্ষক নিযুক্তি আদি।

**ঘ) সামাজিক দিশ ঃ** (Social Aspects)

১। আধুনিকীকৰণ আৰু গোলকীকৰণৰ কু-প্ৰভাৱ।
২। মানৱীয় মূল্যবোধৰ অৱক্ষয়।
৩। নৈতিক, আধ্যাত্মিক আৰু মূল্যবোধৰ শিক্ষাৰ অভাৱ।
৪। শিক্ষক-শিক্ষাৰ্থী আৰু অভিভাৱকৰ মাজত সু-সম্পৰ্কৰ অভাৱ।
৫। উচ্চ শিক্ষানুষ্ঠানৰ প্ৰতি চৰকাৰৰ উদাসীন মনোভাৱ।
৬। বন্ধ সংস্কৃতিৰ কু-প্ৰভাৱ।
৭। যাতায়ত ব্যৱস্থাৰ অভাৱনীয় মাচুল বৃদ্ধি।
৮। শিক্ষিত নিবনুৱা সমস্যা বৃদ্ধি।
৯। অসম্পূৰ্ণ সামাজিকীৰণ প্ৰক্ৰিয়া।
১০। উদ্যোগীকৰণ আৰু নগৰীকৰণৰ কু-প্ৰভাৱ।

---

স্নাতক ষষ্ঠ ষান্মাসিক
শিক্ষাতত্ব বিভাগ

চিন্তা বিচিত্রা



# EVALUATION IN HIGHER EDUCATION

**(A Critical Appraisal)**

**Dr. Abdul Mutalib**

**Introduction:**

In teaching learning process evaluation plays an important role. Evaluation can be termed as pole star in the sea of learning. Evaluation is an aid to clarification of the significant objectives of education as well as a process of determining the extent to which students are developing in desired ways. Thus evaluation is a basic task of education and it aims at determining the extent to which educational objectives are attained. Education is a process of changing the behavior of children and in this process evaluation tries to determine to what extent desired changes has taken place. In practice evaluation is used to pass judgments about students' achievement, though it can be used for improving student's learning.

The word evaluation in place of the word 'Examination' is now being increasingly used in current educational literature. Evaluation is a broader term than 'Tests and Examination'. Evaluation may be considered as the last stage in the teaching-learning process. The learning experiences provided by the teachers are based on some criteria and thus these attempts to fulfill certain objectives; thereby the study of learning may remain incomplete if the teacher does not evaluate the outcome of learning experiences with the help of evaluation procedures. Evaluation is a means whereby systematically collected information's are analyzed to know about the results of a student's encounter with a learning experience, (Rowntee, 1974). Quillen and Hanna define evaluation as "a measurement of the all-round growth of a child, including his physical, social, and intellectual development, as well as his interests, aptitudes and abilities.

The higher education in India is undergoing rapid changes. The 11th plan recognized the need to introduce the academic reform in the university and college education system. The academic reform necessarily includes changes in admission procedure, modification of Assessment and examination methods, switch over from annual to semester system, acceptance of grade and credit system, CBCS, teachers' assessment and other related reforms. The students as well as the teacher community have different perception and attitude regarding this new form of curriculum as well as examination or evaluation system.

**Modern Concept of Evaluation:**

Evaluation is the process of determining the extent to which an objective is being attained. It measures the effectiveness of the learning experiences provided in the classroom and out-side the classroom

and finds out how well the goals of education have been accomplished. The new concept of evaluation involves the three things, i.e.

**1.** Objectives of education.

**2.** Learning experiences, and

**3.** Tools and devices of Evaluation

There is inter-relatedness among objectives, learning experiences and evaluation. In every educational system we find that there are some objectives through which it aims at bringing about some changes in the students. In order to bring about those changes, learning experiences are provided in the schools. The success of the learning experiences is judged on the basis of behavioral changes noticed in the pupil's in this regard different types of evaluation tools and devices are used.

Thus there is inter-relatedness with each other among objectives (ends), learning experiences (means) and evaluation (evidence). Evaluation comes in at primary stage when objectives are identified. Learning experiences are also planned in terms of objectives. At every point of learning, evaluation is an attempt to discover the extent of the effectiveness of the learning situation in evoking the desired changes in students. (Kalita, Ch.P, 2011)

Kothari Commission, 1964-66, has remarked, "It is now agreed that evaluation is a continuous process, forms an integral part of the total system of education and is intimately related to educational objectives. It exercises a great influence on the pupil's study habits and the teacher's method of instruction and this helps not only to measure educational achievement but also improve it."

*In this paper an attempt has been made to examine the following objectives: –*

**1.** To know the level of attitude of College Level Arts students towards Evaluation process.

**2.** To know the importance of evaluation process in new education system.

**Significance of Evaluation in Educational Process:**

1. Evaluation appraises the status of and changes in pupil behavior.
2. Evaluation discloses pupil's needs and possibilities.
3. Evaluation aids pupil-teacher planning
4. Evaluation leads to improvement f instruction.
5. Evaluation expands the concept of worthwhile goals beyond pure achievement.
6. Evaluation helps to clarify objectives of learning
7. Evaluation serves as means of improving school community relation.
8. Evaluation relates measurement to the goals of the instructional programme.
9. Evaluation familiarizes the teacher with the nature of pupils learning, development and progress.
10. Evaluation promotes better learning
11. Evaluation facilitates the selection and improvement of measuring instruments.
12. Evaluation serves as a guiding principle for the selection of supervisory techniques.
13. Evaluation appraises the teacher's competence.
14. Evaluation appraises the supervisor's competence
15. Evaluation leads to curriculum changes.

**Some Academic Reforms in Higher Education regarding Evaluation System:**

One of the important steps that the UGC has taken relates to Academic Reforms in the university and college system. The UGC had set up a Committee to study and suggest the best academic practices. The UGC has written to the universities and colleges to undertake academic reforms to achieve improvement in IV academic quality and excellence. These reforms mainly include introduction of semester system, grading system, choice-based credit-system, regular curriculum development, transparent admission procedures, reform of examination system with switch over to continuous internal evaluation and reducing the written examination component, credit transfer, and credit accumulation. This has been welcomed by universities, and many of them have initiated changes in their academic practices.

An action plan has been developed for the phase-wise introduction of substantive academic reforms in the institutions of higher education in the country. The

UGC has initiated several reforms in higher education regarding evaluation during the XI Plan period. Some of the important reforms in higher education are listed below:

**Examination Reforms**

Higher education in India has thus far been largely examination centered. Examination only at the end of academic session or year, more often than not, insulates students from the quest of knowledge, the excitement of discovery and joy of learning. Often the annual examination, along with marks, percentages and divisions, leads to insensitive cramming up of superficial information. It is surprising that, in several instances, university certified degree holders are subjected to fresh written examination, before they are accepted for jobs in public and private sectors. Most universities and institutions of higher education in Western Europe and North America base the assessment of their students wholly on "internal evaluation", following the principle, 'those who teach should evaluate'. However, looking to the prevailing conditions in India, an adoption of this approach would be too radical or abrupt. Given these considerations, it may be more prudent that the assessment of the student performance be carried out through a combination of internal and external evaluation.

**(A) Continuous Internal Evaluation**

Aiming to assess values, skills and knowledge imbibed by students, internal assessment is to be done by the concerned faculty member, Department, School or the Centre. It would comprise following steps:

- All the certificate, diploma, under-graduate, post-graduate, M.Phil, and Ph.D. courses offered by a university, college or institute are to have specified components for internal evaluation (e.g. essay, tutorials, term paper, seminar, laboratory work, workshop practice etc.).
- Components of internal evaluation are to have a time frame for completion (by students), and concurrent and continuous evaluation (by faculty members).
- The evaluation outcome may be expressed either by predetermined marks or by grades.
- The evaluation report submitted by all the faculty members are to be reviewed, from time to time, by the Department, School or Centre Committee, in order to ensure transparency, fair play and accountability.
- Following the review by the Department, School or Centre Committee, the outcome of the internal evaluation is to be announced and displayed on the notice board and /or website as per the time frame or academic calendar.

**(B) End-of-Semester Evaluation**

This is to be carried out at the end of each semester, and will aim to assess skills and knowledge acquired by students through class room, field work, and laboratory work and workshop practice. The evaluation can be in form of written examination, laboratory work and workshop assignment. Evaluation process should be verified and transparent. Towards this end, the following steps may be adopted:

- All the students pursuing certificate, diploma, undergraduate, postgraduate and research courses have to undergo external evaluation at the end of each semester as per syllabi or credit schedule.
- With regard to practical and workshop assignment, the internal faculty may associate themselves with external examiners in the examination process.
- In case of written examination, whatever the format (objective type, essay type etc.), test paper could be moderated by committees proficient in the subjects.
- Answer books or -sheets are to be 'encoded' (before being passed onto examiner/evaluator, and decoded before tabulation).

**(C) Integration of Continuous and End -of- Semester Evaluation**

The following points need to be considered for effecting the integration of continuous and end-of-semester evaluation:

- The integration procedure should be applicable to all the students pursuing certificate, diploma, undergraduate, postgraduate, M.Phil. And Ph.D. courses.

- University committees on the recommendations of Department committees and concerned faculty would discuss and decide on the relational Weight-age of continuous and end-of- semester evaluations. This Weight-age could be flexible and could vary from institution to institution.
- Relational Weightage assigned to internal evaluation may range from 25 to 40 percent.
- Following the integration of internal and external evaluations, the results may be expressed either in marks, grades or both, as per the policy of the university.
- It will be useful if universities try to go beyond 'marks' and 'divisions' and, in keeping with the global trend, give Cumulative Grade Point Score (CGPS) which would place students into overlapping broad bands.
- The CGPS may be based on a 5 point or 10-point scale and it could vary from institution to institution.
- As soon as the integration of internal and external evaluations has been completed, the result should be announced, in keeping with the academic calendar, to facilitate students' academic or occupational pursuits.

**Critical Appraisal of Existing Evaluation System:**

It has been above mentioned that the existing evaluation systems are of two types, i.e., Internal and external examination. Through these kinds of examinations, we evaluate the pupil's progress of learning, but it has been observed in the present study that these examination systems have some merits and demerits. These are described broadly in the following:

**Internal Examination:**

There are different authorities conducting examinations. When the teachers of an educational institution conduct an examination it is called an internal examination.

**External Examination:**

The external examination, which is conducted by an outside authority, is called external examination. This outside authority sets questions and examines educational achievements of the examinees.

**Importance of Internal Examination:**

The importance of the internal examination is great indeed. Its purpose is to reveal important facts about the school or the college and the progress of its pupils. It forms a part of the work and organisation of every educational institution. It is important because it takes stock of what the pupils have learnt. And it is based on intimate knowledge obtained from personal contact of the teachers and taught and go a long way towards indicating what a pupil can or cannot achieve.

**MAJOR FINDINGS OF THE STUDY:**

I would like to mention here some of the findings from my empirical study on "Evaluation in Higher Education". The study reveals that most of the students have not the positive attitudes towards present internal and external evaluation system. They are not satisfied with present evaluation system. In the present study it has been observed or found some problems, those are discussing below:

**Regarding Internal marking and its problems we have found:**

1. In the internal examination teacher can show favour to any particular student. Evaluation of answer scripts reflects teacher's personal bias.
2. The teacher may not have generally acceptable scale of values. A teacher's personal opinion, feeling or prejudices may enter into the assessment of a pupil's achievement.
3. In most cases we find that internal examinations are determined by external examinations. As a result of this they fail to serve their purpose.
4. Some teachers are found of using difficult words in the question papers and also try to find out how much the pupils do not know.

**In Respect of External Examination in Higher Education we have found some defects:**

**1. Moral degradation:**

External examination adversely affects the moral standard of the students. The aim of the students has become to pass the examination by hook and crook. Some students take books in the examination hall. These are really too much of moral degradation on the part of the students.

2. **Declining Education Standard:**

The traditional examination system is declining the educational standard day by day. The efficiency of a teacher is judged by the pass percentage of the result. The teacher adopts the tricks for the trade to improve their results. "Idea of Exam", the sole aim and 'Cram' the only method, dominates the entire educational system.

3. **Glorification of Memory:**

These types of examinations are a Glorification of Memory and fail to test their knowledge. Students are more interested in cheap notes and cribs than in text books and original works. They go in for cramming them rather for intelligent understanding.

4. **Ignore Quality of Character**

Originality, initiative, truthfulness, honesty, sociability of an individual etc. without these qualities of character, truth aim of education is never properly achieved. Examinations of today do not provide any measure to test these qualities. Due to limited scope of our examinations, it does not test the many important aspects of the pupils' development.

5. **Highly Subjective**

The prevailing examination system is highly subjective. Examiners mood and whim count much at the time of evaluation of the answer script. An examiner sitting in a happy mood may award more marks and one in bad mood gives quite less marks for the same answer. If another examiner is asked to mark the same answer scripts, a different result may be arrived at. Therefore, results are influenced greatly in essay-type test by moods, whims and fancies of the examiners.

6. **Frustration**

Failures in examinations lead to frustration and commit to suicide in some cases.

7. **Adverse Effect on Health and Heavy Mental Strain:**

The present system of examination is such that a student has to work very hard near the examination because the whole weight for success or failure is given to the external examination only. Thee many students who do not work much otherwise but as the examination approaches, they start burning midnight oil. It tells upon their health. Many students suffer from examination fever or they tend to have mental disturbances.

8. **One Sided Assessment**

The examination system of today is mostly of written type only; it lacks oral examinations. Of course, only some of the universities in some examinations do conduct oral examination. Moreover, the examination does not attempt to measure the all-round development of the students. Only the academics aspects are taken into consideration other aspects like physical growth, social development, characters building etc. are not given any weightages.

**Conclusion:**

Thus from the above study we can conclude that the examination of present day suffers very badly. It is not valid, not reliable and not free from biasness. Recently we have seen that a lot is being thought of and done to improve the examination system but practically it is not working properly. In Dibrugarh University the CBCS has been started in its PG and college level courses across the discipline since 2010. As this is the reformed structure of education system, so still this system has not been materialized in full form. The student as well as the teacher community has different perception and attitude regarding this new form of curriculum as well as examination system.

**Recommendation:**

We have already discussed about the problems of examinations. For better educational set up, these problems should be reformed. It is fact that they cannot be ended but can only mend. To lessen the shortcomings of the examinations, the following reforms are recommended:

- The objective of tests should be widely used to supplement the essay type question.
- One third of the marks allotted to each subject should be reserved for work done during the course of instruction.
- The internal examination cannot give a correct and complete picture of a student's all round progress at any particular stage of his education.

Yet it is important for us to assess this in order to determine his future course of study, or his future vocation. For this purpose, a proper system of college records as like attendance, punctuality, regularity, sincerity etc. should be maintained for every pupil indicating the work done by him or her in the college from day to day, month to month, term to term and year to year.

- Introduced monthly test in the colleges.
- The cumulative record of the student's performances should be maintained.
- The number of external examination should be reduced.
- Examiners should be selected carefully.
- Effort should be made to standardize the system of marking.
- Due consideration should be given to the regularity of the students in the class work.
- Questions should not be either too difficult or too easy. The question should be arranged in the question paper from easy to difficult.


Thus the defects of examination can be eliminated if we apply the above explained remedies. It requires full improvement of the behavior and attitude of the teacher. Then there is no reason that we may fail to have the best system, useful to one and all.

***References:***


1. *Brown, B. & Saks, D. (1986): Measuring the effects of instructional time on student learning: Evidence from the Beginning Teacher Evaluation study. American Journal of Education, 94(4), 480-500.*
2. *Government of India (1986): National Policy on Education (NPE), Department of Education, New Delhi*
3. *Higher Education in India Strategies and Schemes During Eleventh Plan Period (2007-2012) For Universities and Colleges*
4. *K.L. Sharma:" Secondary Education" pp 40-45, 67-68.*
5. *Kalita, Ch. Pramod, (2011): Issues of Secondary Education, Kalita Publication, Tihu, Nalbari, 781371*
6. *Kapur, J. N. (1993): Professional Development of Teachers in Higher Education in India and abroad, University News 31, 11, 8-11, March*
7. *Kirkpatrick, D. (1994): Evaluating training programs: The four levels. San Francisco, CA: Berrett-Koehler.*
8. *Mahanta. N.N, (1999): Secondary Education Issues and Problems, Kashyap Publishing Houses, Ghy-22.*
9. *Mahanty H. M: Higher Education in India p.p 34, 46, 77.*
10. *MHRD. (2007): Eleventh Five Year Plan. Ministry of Human Resource Development, Department of Higher Education. Government of India 40p.*
11. *New Education Policy 1986.*
12. *UGC (2007)., XIth Five Year Plan, University Grants Commission, GOI, 2007*
13. *UGC regulation Act. 2007-2012.*



Assistant Professor
Deptt. of Sociology



# শিক্ষাৰ গোলকীকৰণ ঃ এক অৱলোকন

পুণ্য প্ৰসাদ কাট্টেল

**প্ৰস্তাৱনা ঃ—**

গোলকীকৰণ বা বিশ্বায়ন বুলি ক'লৈ পৃথিৱীৰ ৰাষ্ট্ৰসমূহৰ মাজত মুকলি পৰিৱেশ সৃষ্টি হোৱা অৱস্থাকে বুজা যায়। যি ৰাষ্ট্ৰসমূহক ঐক্যবদ্ধভাৱে সকলো সমস্যা সমাধান কৰাত সহায় কৰে। বিশ্বায়নে পৃথিৱীৰ ধনী-দুখীয়া তথা উন্নত আৰু উন্নয়ণশীল দেশসমূহক উন্নতিৰ দিশত অগ্ৰসৰ হোৱাত সহায় কৰে। বিশ্বায়নৰ ফলতেই সমগ্ৰ বিশ্বখনক তথা বিশ্বৰ সকলোক দেশক একত্ৰীকৰণ কৰি এটা পৰিয়ালৰ সদস্য হিচাপে পৰিগণিত কৰাৰ পৰিকল্পনা কৰা হৈছে। এই চিন্তাধাৰা অনুসৰিয়েই সমগ্ৰ বিশ্বখনক এখন বিশ্বগাঁও বা 'Global Village' আখ্যা দিয়া হয়। গোলকীকৰণে শিক্ষা, সংস্কৃতি, ৰাজনীতি আদি সকলো দিশক সামৰি লয়। এই গোলকীকৰণ হৈছে বিশ্ব অৰ্থনীতি সম্পৰ্কীয় এক নতুন সূত্ৰ। বৰ্তমান সময়ত বিশ্বায়নে শিক্ষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আদি সকলো দিশকে সামৰি ল'বলৈ সক্ষম হৈছে।

বিশ্বায়ন হ'ল সমগ্ৰ বিশ্বজুৰি ঘটা অৰ্থনৈতিক, বৃত্তীয়, বাণিজ্যিক আৰু যোগাযোগৰ এক সংহতিপূৰ্ণ গতিধাৰা। গতিকে সাম্প্ৰদায়িক বিশ্বপুজিঁবাদে নিৰ্মাণ কৰি তোলা আন্তৰ্জাতিক আৰ্থ-ৰাজনৈতিক ব্যৱস্থাটোকে বিশ্বায়ণ বা গোলকীকৰণ বুলি কোৱা হয়।

**গোলকীকৰণৰ বৈশিষ্ট্য ঃ—**

গোলকীকৰণ বা বিশ্বায়নৰ বহুতো বৈশিষ্ট্য থকা দেখিবলৈ পোৱা যায়। সেইবোৰ তলত উল্লেখ কৰা হ'ল-

(i) গোলকীকৰণ হৈছে ৰাষ্ট্ৰসমূহৰ মাজত মুকলি পৰিবেশ সৃষ্টি হোৱা এক অৱস্থা।

(ii) গোলকীকৰণ মূলতঃ বিশ্ব অৰ্থনীতি সম্বন্ধীয় এটা নতুন বিশ্বসূত্ৰ।

(iii) গোলকীকৰণ হৈছে ৰাষ্ট্ৰীয় অৰ্থনীতি আৰু সমাজ ব্যৱস্থাৰ গোলকীয় সংহতি।

(iv) গোলকীকৰণ হৈছে ব্যৱসায় আৰু বাণিজ্য বিকাশৰ এক সতৰ্ক আৰু সক্ৰিয় পদক্ষেপ।

(v) গোলকীকৰণ হৈছে উন্নয়ণশীল দেশসমূহৰ পৰা শ্ৰমৰ মুক্ত চলালৰ বাবে অনুমতি প্ৰদান।

**গোলকীকৰণৰ সুবিধা ঃ—**

বিশ্বায়নৰ বহুতো সুবিধা থকা পৰিলক্ষিত হৈছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল-

(i) বিশ্বায়নে শিক্ষাৰ্থীক শিক্ষা, স্বাস্থ্য, বাণিজ্য, প্ৰযুক্তিবিদ্যাৰ বিকাশ আদিৰ দিশত সহায় কৰিছে।

(ii) বিশ্বায়নে জ্ঞান অৰ্থনীতিৰ বাবে উপযোগী পাঠ্যক্ৰমৰ লগতে প্ৰযুক্তি পাঠক্ৰমৰ বিকাশতো সহায় কৰিছে।

(iii) বিশ্বায়নৰ ফলত শিক্ষাৰ বিভিন্ন সেৱাসমূহৰ ক্ষেত্ৰত ব্যাপক গুণগত বিকাশত সহায় কৰিছে।

(iv) বিশ্বায়নৰ ফলত উচ্চ শিক্ষাত গৱেষণাৰ পথ প্ৰশস্ত হৈছে।

(v) বিশ্বায়নৰ ফলত পৃথিৱীৰ যিকোনো স্থানৰ অভাৱ গ্ৰস্থ, দুখীয়া জনসাধাৰণেও পৰ্যাপ্ত শিক্ষা, চিকিৎসা তথা প্ৰয়োজনীয় ঔষধ, বয়বস্তু আদি সহজে লাভ কৰিব পাৰিছে।

**গোলকীকৰণৰ অসুবিধা ঃ—**

বিশ্বায়দৰ সুবিধা থকা স্বত্বেত ইয়াৰ কিছুমান অসুবিধাও থকা দেখা যায়। সেইবোৰ হ'ল-

(i) বিশ্বায়দৰ ফলত উচ্চ শিক্ষাৰ ক্ষেত্ৰত ব্যাপক আৰ্থিক সংকট তথা ব্যাপক বৈষম্যৰ সৃষ্টি হৈছে।

(ii) বিশ্বায়দৰ ফলত উন্নয়ণশীল দেশত ধনী আৰু দুখীয়া দুটা শ্ৰেণীৰ সৃষ্টি হৈছে।

(iii) বিশ্বায়নৰ ফলত জনসাধাৰণৰ শিক্ষা লাভৰ মৌলিক অধিকাৰ খৰ্ব হৈছে।

(iv) বিশ্বায়নৰ ফলত দৰিদ্ৰ অথচ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ সুবিধা পোৱাৰ পৰা বঞ্চিত হৈছে।

(v) বিশ্বায়নৰ ফলত ৰাজহুৱা সম্পদ বুলি গণ্য কৰা বিশ্ববিদ্যালয়বোৰ মুনাফা লাভৰ ব্যৱসায়লৈ ৰূপান্তৰিত হৈছে।

GATS হৈছে 'বিশ্ব বাণিজ্য সংস্থা'ৰ বিধি বিধানৰ অধীনত স্বাক্ষৰিত হোৱা এখন চুক্তি। এই চুক্তিখন 1992 চনৰ পৰা কাৰ্যকৰীকৰণ কৰা হয়। ইয়াৰ মূল উদ্দেশ্য হৈছে পণ্য সামগ্ৰী আৰু পুজিঁৰ বিশ্বজোৰা মুক্ত বজাৰ সৃষ্টি কৰা। এই চুক্তি হৈছে "বিশ্ব বাণিজ্য সংস্থা"ৰ সদস্যভূক্ত ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ব্যৱসায়িক সেৱাৰ বাণিজ্যিক উদাৰীকৰণ কৰাৰ এক চুক্তি। এই চুক্তিত বৰ্তমানলৈ প্ৰদান কৰা বাৰটা বিশেষ পৰিসেৱামূলক খণ্ড অন্তৰ্ভূক্ত কৰা হৈছে। এইবোৰ ভিতৰত জনস্বাস্থ্য আৰু চিকিৎসা, শিশু আৰু মাতৃ পৰিচৰ্যা, ৰাজহুৱা শিক্ষাসেৱা, যাদুঘৰ, আইন, বিচাৰ ব্যৱস্থা, ডাক ব্যৱস্থা, সকলোধৰণৰ নিত্য প্ৰয়োজনীয় অন্তঃসেৱা আদি উল্লেখযোগ্য।

GATS ৰ সংবিধানত বাণিজ্যক সেৱা আগবঢ়োৱাৰ কথা উল্লেখ কৰিছে। GATS এ বাণিজ্যিক সেৱা আগবঢ়োৱাৰ নিৰ্দেশত চাৰি প্ৰকাৰৰ যোগানৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল-

(i) সীমাৰ বাহিৰত যোগান ঃ- এই যোগান অনুসৰি এখন ৰাষ্ট্ৰৰ শিক্ষণীয় সঁজুলি আন দেশলৈ প্ৰেৰণ কৰা হয়। এই যোগানে দূৰত্ব শিক্ষা, ইণ্টাৰনেটৰ দ্বাৰা পাঠ্যক্ৰমৰ যোগান আদিক অৰ্ন্তভূক্ত কৰে।

(ii) বিদেশত ব্যয় ঃ- এই যোগান হৈছে বিদেশী শিক্ষাৰ্থীৰ শিক্ষাৰ ক্ষেত্ৰত কৰা ব্যয়। ই হৈছে শিক্ষাসেৱা বাণিজ্যৰ উমৈহতীয়া নিয়ম।

(iii) সদাগৰৰ উপস্থিতি ঃ- এই যোগানে গৃহ ৰাষ্ট্ৰৰ বিদেশী বিনিযোগকাৰী সদাগৰৰ উপস্থিতিক বুজায়।

(iv) যথাৰ্থ ব্যক্তিৰ গতি বা চলন ঃ- এই যোগানে বিদেশৰ পৰা শিক্ষা সেৱা আগবঢ়াবৰ বাবে বা কাৰ্যকৰীকৰণৰ বাবে যথাৰ্থ তথা উপযুক্ত ব্যক্তিৰ গতি বা চলনক অন্তৰ্ভূক্ত কৰে।

GATS ৰ নিৰ্দেশনাত শিক্ষাসেৱাক পাঁচটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

(i) প্ৰাথমিক শিক্ষাসেৱা ঃ- এই সেৱা প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক শিক্ষাৰ লগত জড়িত। এই সেৱাই প্ৰাথমিক শিক্ষাৰ সকলোবোৰ দিশ অন্তৰ্ভূক্ত কৰে।

(ii) মাধ্যমিক শিক্ষাসেৱা ঃ- মাধ্যমিক শিক্ষাসেৱাই হাইস্কুল শিক্ষা, প্ৰথম পৰ্যায়ৰ কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা আৰু বিকলাংগসকলৰ কাৰণে শিক্ষাক সামৰি লৈছে।

(iii) উচ্চ শিক্ষা সেৱা ঃ- এই সেৱাই দুই ধৰণৰ কাৰ্যক সামৰি লয়। প্ৰথমটো কাৰ্য স্নাতক স্তৰৰ কাৰিকৰী আৰু বৃত্তিমূখী প্ৰশিক্ষণ প্ৰতিষ্ঠানত প্ৰশিক্ষণ প্ৰদান বা ব্যৱহাৰিক কৌশলৰ শিক্ষাদানৰ লগত জড়িত। দ্বিতীয়টো বিশ্ববিদ্যালয়, সংগবদ্ধ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰ্যায়ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বিশেষ ধৰ্মী ব্যৱহাৰিক অনুষ্ঠানবোৰে প্ৰদান কৰা পৰম্পৰাগত শিক্ষাৰ লগত জড়িত।

(iv) প্ৰাপ্তবয়স্ক আৰু অবিৰত শিক্ষা সেৱা ঃ- এই সেৱা প্ৰাপ্তবয়স্ক শিকাৰুসকলৰ শিক্ষা প্ৰদান, জীৱনজোৰা শিক্ষা আঁচনি, অতিৰিক্ত শিকন, বৃত্তিমূখী বিষয় আৰু পুনঃ প্ৰশিক্ষণ আঁচনিক সামৰি লয়।

(v) অন্যান্য শিক্ষাসেৱা ঃ- অন্যান্য শিক্ষাসেৱাৰ ভিতৰত ঔদ্যোগিক আৰু সংগঠিত কচিং (Coaching) বা ঘৰুৱা শিক্ষণ, শ্ৰেণীৰ দ্বাৰা পৰিচালিত বিশেষ প্ৰশিক্ষন কাৰ্যসূচীসমূহক অন্তৰ্ভূক্ত কৰা হয়।

**শিক্ষাৰ ব্যক্তিগতকৰণ ঃ—**

ব্যক্তিগতকৰণ বুলি ক'লে সম্পত্তি, কাৰ্যাৱলী আৰু দায়িত্ব চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত সংস্থা বা কোনো ব্যক্তিৰ হাতলৈ হস্তান্তৰ কৰাকে বুজা যায়। ব্যক্তিগতকৰণ সম্পৰ্কে Belfield আৰু Levin ৰ মতে, "চৰকাৰ আৰু ৰাজহুৱা প্ৰতিষ্ঠান আৰু সংগঠনৰ হাতৰ পৰা কাম, সম্পদ আৰু দায়িত্ব কোনো ব্যক্তি আৰু সংস্থাক প্ৰদান কৰাই হৈছে ব্যক্তিগতকৰণ।"

শিক্ষাৰ সমস্ত দায়িত্ব চৰকাৰে বহন নকৰি কোনো ব্যক্তিগত খণ্ডৰ যোগেদি বহন কৰা আৰু পৰিচালনা কৰা প্ৰক্ৰিয়াটোকে শিক্ষাৰ ব্যক্তিগতকৰণ বুলি কোৱা হয়। অৰ্থাৎ শিক্ষাত চৰকাৰৰ সহযোগিতা হ্ৰাস কৰি ব্যক্তিগত খণ্ডৰ সহযোগিতা বঢ়াই তোলা ব্যৱস্থাটোৱেই হৈছে শিক্ষাৰ ব্যক্তিগতকৰণ। এই ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ পৰিচালনা, প্ৰশিক্ষণ, প্ৰশাসন, পাঠক্ৰম, শিক্ষক নিযুক্তি, অৰ্থনীতি আদি সকলো দিশৰ দায়িত্ব চৰকাৰৰ পৰিবৰ্তে কোনো ব্যক্তি বা ব্যক্তিগত খণ্ডই নিয়ন্ত্ৰণ কৰে।

শিক্ষাৰ ক্ষেত্ৰত ব্যক্তিগতকৰণ ব্যৱস্থাই তিনিটা দিশক সামৰি লয়। সেইবোৰ হ'ল-

(i) শিক্ষাৰ ব্যক্তিগত সুবিধা প্ৰদান ঃ- শিক্ষাৰ ব্যক্তিগতকৰণৰ প্ৰথম দিশ হৈছে শিক্ষাত চৰকাৰী সা-সুবিধাৰ পৰিবৰ্তে ব্যক্তিগত খণ্ড আৰু সংগঠনে চৰকাৰৰ সাহাৰ্য্য নোলোৱাকৈ ব্যক্তিগতভাৱে শিক্ষাৰ সা-সুবিধা প্ৰদান কৰে।

(ii) শিক্ষাৰ ব্যক্তিগত পুজিঁৰ যোগান ঃ- ব্যক্তিগতকৰণৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থী তথা অভিভাৱকে শিক্ষাৰ বাবে প্ৰত্যেক্ষভাৱে ব্যয় কৰিব লাগে। ইয়াত শিক্ষাৰ সমগ্ৰ অংশৰ এক অংশ ব্যয় ব্যক্তিগত খণ্ডই কৰে।

(iii) ব্যক্তিগত নিয়ম-নীতি, সিদ্ধান্ত গ্ৰহণ আৰু দায়িত্বভাৰ ঃ- ব্যক্তিগতকৰণৰ ক্ষেত্ৰত শিক্ষাৰ সুবিধা প্ৰদানৰ নিয়ম-নীতি, সিদ্ধান্ত গ্ৰহণ আৰু দায়িত্বভাৰ গ্ৰহণ কৰে ব্যক্তিগত খণ্ডই।

**শিক্ষাৰ ব্যক্তিগতকৰণৰ উদ্দেশ্য ঃ—**

শিক্ষা ব্যৱস্থা ব্যক্তিগতকৰণৰ উদ্দেশ্যবোৰ তলত উল্লেখ কৰা হ'ল -

(i) শিক্ষানুষ্ঠানৰ প্ৰশাসনিক আৰু পৰিচালনাৰ দিশটোৰ উন্নতি সাধন কৰা।

(ii) শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ নিয়ন্ত্ৰণ হ্ৰাস কৰা।

(iii) শিক্ষাক বৃত্তিমূখী তথা কৰ্মমূখী কৰি তোলা।

(iv) শিক্ষাৰ বিভিন্ন স্তৰত প্ৰয়োজনীয় শিক্ষাৰ সা-সুজঁলিৰ যোগান ধৰা।

(v) সামাজিক আৰু ৰাষ্ট্ৰীয় দায়িত্ববোধসম্পন্ন মানৱ সম্পদ গঢ়ি তোলা।

**শিক্ষাৰ ব্যক্তিগতকৰণৰ সু-প্ৰভাৱ ঃ—**

প্ৰাথমিক শিক্ষাক ব্যক্তিগতকৰণ কৰাৰ ফলত শিক্ষাত কিছুমান সু-প্ৰভাৱৰ সৃষ্টি হৈছে। সেইবোৰ হ'ল-

(i) প্ৰাথমিক শিক্ষাৰ গুণগত মানৰ উন্নতি সাধন হ'ব।

(ii) প্ৰাথমিক শিক্ষাৰ শিক্ষানুষ্ঠানৰ প্ৰশাসন আৰু পৰিচালনা ব্যৱস্থা উন্নত হ'ব।

(iii) প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম ব্যক্তি, অঞ্চল, জাতি আৰু স্থানীয় প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ যুগুত কৰিব পাৰি।

(iv) প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ মাজত সুন্দৰ অনুশাসন বজাই ৰাখিব পাৰিব।

(v) শিক্ষকসকলক গুণগত শিক্ষা প্ৰদানৰ বাবে দায়িত্বশীল হিচাপে গঢ়ি তুলিব পাৰিব।

**শিক্ষাৰ ব্যক্তিগতকৰণৰ কু-প্ৰভাৱ ঃ—**

(i) প্ৰাথমিক শিক্ষা ব্যক্তিগতকৰণৰ ফলত দুখীয়া শ্ৰেণীৰ মাজত নিৰক্ষৰতাৰ হাৰ বৃদ্ধি পাব।

(ii) জাতি আৰু ধৰ্মীয় সম্প্ৰদায়ে শিক্ষাৰ ক্ষেত্ৰত বিশেষ প্ৰাধান্য বিস্তাৰ কৰিব।

(iii) প্ৰাথমিক শিক্ষা ব্যক্তিগতকৰণ ব্যৱস্থাই সমাজত ধনী আৰু দুখীয়াৰ মাজত বৈষম্য তথা অসমতাৰ সৃষ্টি কৰিব।

(iv) শিক্ষা ব্যক্তিগতকৰণ কৰাৰ ফলত শিক্ষা ব্যৱস্থা এক অৰ্থ উপাৰ্জনৰ ব্যৱসায়লৈ পৰিবৰ্তন হ'ব।

(v) ইয়াৰ ফলত শিক্ষাৰ্থীৰ মাজত জাতীয়তাবোধৰ ভাৱ নাইকিয়া হৈ আঞ্চলিকতাবাদী মনোভাৱে গা কৰি উঠিব।

**মাধ্যমিক শিক্ষাৰ ব্যক্তিগতকৰণৰ কাৰণ ঃ—**

(i) গুণগত আৰু উন্নতমানৰ শিক্ষা প্ৰদান কৰাৰ বাবে শিক্ষানুষ্ঠানৰ আভ্যন্তৰীণ কাঠামো গঠনৰ বিফলতা।

(ii) ব্যক্তিগত শিক্ষানুষ্ঠানত গুণগত আৰু উন্নত শিক্ষা প্ৰদান আৰু শিক্ষকৰ চাকৰিৰ অৱস্থা উন্নত কৰা।

(iii) মাধ্যমিক শিক্ষাৰ ব্যাপক প্ৰসাৰ সাধনৰ প্ৰয়োজনীয়তা পূৰণত ব্যৰ্থতা।

(iv) মাধ্যমিক শিক্ষাৰ বাবে যথোপযুক্ত পুজিঁৰ অভাৱৰ লগতে পুজিঁৰ অপব্যৱহাৰ হোৱা।

(v) মাধ্যমিক শিক্ষা ব্যৱস্থাই উৎপাদনমূখী কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণত ব্যৰ্থতা।

**মাধ্যমিক শিক্ষাৰ ব্যক্তিগতকৰণৰ সু-ফল ঃ—**

(i) মাধ্যমিক শিক্ষা ব্যক্তিগতকৰণ কৰাৰ ফলত শিক্ষাৰ্থীয়ে উন্নত মানৰ আৰু গুণগত শিক্ষা লাভ কৰিব পাৰে।

(ii) মাধ্যমিক শিক্ষা ব্যক্তিগতকৰণৰ ফলত শিক্ষাৰ্থীয়ে উপযুক্ত অনুশাসন আৰু জ্ঞান আহৰণ কৰিবলৈ সক্ষম হ'ব।

(iii) এনে ব্যৱস্থাই শিক্ষানুষ্ঠানৰ সুন্দৰ ব্যৱস্থাপনা আৰু পৰিচালনাত সহায় কৰিব।

(iv) ইয়াৰ ফলত শিক্ষাৰ্থীৰ শৈক্ষিক বৰ্ষৰ অপচয় নহ'ব।

(v) এনে কৰিলে চৰকাৰী ৰাজহৰ অপচয় আৰু অপব্যয় নহ'ব।

**মাধ্যমিক শিক্ষাৰ ব্যক্তিগতকৰণৰ কু-ফল ঃ—**

(i) মাধ্যমিক শিক্ষা ব্যক্তিগতকৰণৰ ফলত শিক্ষাৰ্থীয়ে শিক্ষা লাভৰ বাবে অধিক ফিজ বা মাচুল ভৰিব লাগিব।

(ii) ইয়াৰ ফলত শিক্ষা ব্যৱস্থা এক অৰ্থ উপাৰ্জনৰ ব্যৱসায়লৈ পৰিবৰ্তন হ'ব।

(iii) ইয়াৰ ফলত সমাজত ধনী আৰু দুখীয়াৰ মাজত বৈষম্যৰ সৃষ্টি হ'ব।

(iv) ইয়াৰ ফলত দুখীয়া শ্ৰেণীৰ মাজত নিৰক্ষতাৰ হাৰ বৃদ্ধি পাব।

(v) ইয়াৰ ফলত শিক্ষাৰ্থীৰ মাজত জাতীয়তাবোধৰ ভাৱ নাইকিয়া হৈ আঞ্চলিকতাবাদী মনোভাৱে গা কৰি উঠিব।

**উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ কাৰণ ঃ—**

(i) উচ্চ শিক্ষানুষ্ঠানত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি আৰু প্ৰয়োজনীয় সম্পদ আৰু সিদ্ধান্তৰ সমস্যা।

(ii) বৰ্তমানৰ উচ্চ শিক্ষানুষ্ঠানবোৰে বৃত্তিমুখী শিক্ষা প্ৰদানত ব্যৰ্থ হোৱা।

(iii) নিবনুৱা সমস্যা বৃদ্ধি আৰু মানৱ সম্পদৰ অপচয়।

(iv) বৰ্তমান উচ্চ শিক্ষা ব্যৱস্থাই উৎপাদনমুখী কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণত ব্যৰ্থ হোৱা।

(v) ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানবোৰৰ প্ৰশাসনীয় দুৰ্বলতা আৰু প্ৰণালীগত পৰিচালনাৰ অভাৱ।

**উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ সু-ফল ঃ—**

(i) বৰ্তমান উচ্চ শিক্ষাত দ্ৰুতভাৱে বৃদ্ধি পোৱা শিক্ষাৰ্থীৰ সমস্যা হ্ৰাস হ'ব।

(ii) ইয়াৰ ফলত শিক্ষানুষ্ঠানৰ পৰিচালনা আৰু প্ৰশাসনিক ব্যৱস্থাৰ বিশৃংখলতা নাথাকিব।

(iii) ইয়াৰ ফলত অপ্ৰয়োজনীয়ভাৱে হোৱা চৰকাৰী ৰাজহৰ অপব্যয় আৰু অপচয় ৰোধ হ'ব।

(iv) উচ্চ শিক্ষা ব্যক্তিগতকৰণ কৰিলে শিক্ষা অধিক প্ৰতিযোগিতামূলক হ'ব।

(v) উচ্চ শিক্ষা ব্যক্তিগতকৰণ কৰিলে উচ্চ শিক্ষানুষ্ঠানবোৰে স্ব-শাসন লাভ কৰিব।

**উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ কু-ফল ঃ—**

(i) উচ্চ শিক্ষা ব্যক্তিগতকৰণ কৰিলে শিক্ষা ব্যৱস্থাক গুণগত কৰি তোলাৰ পৰিবৰ্তে বিকৃতকৰণ কৰি তোলাৰ সম্ভাৱনা বেছি।

(ii) এনে কৰিলে শিক্ষাৰ্থীক সামাজিক কৰি তোলাৰ পৰিৱৰ্তে অধিক যান্ত্ৰিক কৰি তোলাৰ সম্ভাৱনা বেছি।

(iii) ইয়াৰ ফলত শিক্ষাৰ্থীৰ অভিভাৱকে অধিক মাচুল বহন কৰিব লাগিব।

(iv) এনে কৰিলে যোগাযোগ ব্যৱস্থাৰ দ্বাৰা শিক্ষা প্ৰদান কৰা ব্যৱস্থাই অধিক প্ৰাথান্য লাভ কৰিব।

(v) এনে কৰিলে শিক্ষাৰ গুণগত মানৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিবৰ্তে মুনাফা লাভৰ ব্যৱসায়লৈ পৰিৱৰ্তন হ'ব।

**শিক্ষাৰ বাণিজ্যিকীকৰণ ঃ—**

বাণিজ্যিকীকৰণ হ'ল বিশ্বৰ ধনতান্ত্ৰিক দেশৰ বহুৰাষ্ট্ৰীয় কোম্পানীৰ দৃষ্টিত শিক্ষা, সেৱাখণ্ডৰ অন্তৰ্গত এনে এক উদ্যোগ, যাৰ এক বিশ্বজোৰা বজাৰ আছে, যত শিক্ষাসেৱাৰ আমদানি-ৰপ্তানী কৰা হয়। শিক্ষা সেৱাৰ এনে আমদানি আৰু ৰপ্তানীকে বাণিজ্যিকীকৰণ বোলা হয়। ইয়াত শিক্ষাৰ্থী আৰু শিক্ষক কৰ্মচাৰী সকল হ'ল মুনাফা অৰ্জনৰ মূল উৎস। বাণিজ্যিকীকৰণৰ ফলত শিক্ষা এক উদ্যোগজাত পণ্য সামগ্ৰীলৈ পৰিৱৰ্তন হৈছে। এই ব্যৱস্থাত শিক্ষাৰ্থীসকল হ'ল ক্ৰেতা, শিক্ষক কৰ্মচাৰীসকল হ'ল শিক্ষাসেৱাৰ যোগান ধৰোঁতা আৰু উদ্যোগৰ মালিকসকল হ'ল ইয়াৰ আয়োজক।

শিক্ষাক বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণ কৰাৰ সম্পৰ্কত ভাৰতৰ দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰস্তাৱ গ্ৰহণ কৰি কিছুমান সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেইবোৰ হ'ল-

(i) শিক্ষা উন্নয়ন বেংক স্থাপন কৰা।

(ii) উচ্চ শিক্ষাৰ শিতানত আৰ্থিক ব্যয় হ্ৰাস কৰা।

(iii) মঞ্জুৰীপ্ৰাপ্ত বিশ্ববিদ্যালয়বোৰত শিক্ষাসেৱাৰ আমদানি আৰু ৰপ্তানী কোষ গঠন কৰা।

(iv) চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰক আভ্যন্তৰীণ সম্পদ বৃদ্ধিৰ যোগেদি নিয়মিত পুজিঁ সংগ্ৰহৰ নিৰ্দেশ দিয়া।

ভাৰত চৰকাৰে "NIEPA" ৰ দ্বাৰা ২০০০ চনত উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণ সম্পৰ্কত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰে। এই আলোচনাচক্ৰত উচ্চ শিক্ষাক বাণিজ্যিকীকৰণ কৰাৰ ক্ষেত্ৰত কিছুমান পৰামৰ্শ আগবঢ়োৱা হৈছিল। সেইবোৰ হ'ল-

(i) এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভাগ প্ৰতিষ্ঠা কৰি বিদেশী বাণিজ্যিক বিশ্বাবিদ্যালয়ৰ পঞ্জীয়ণ কৰা আৰু বিদেশলৈ শিক্ষাসেৱা ৰপ্তানী কৰা।

(ii) এক স্পষ্ট নীতি আৰু অহিন প্ৰণয়ন কৰি বিদেশী আৰু প্ৰবাসী শিক্ষাৰ্থীৰ ভিচা, বিদেশী শিক্ষাৰ্থীৰ বাবে ছাত্ৰাবাস আৰু অন্যান্য সা-সুবিধা নিশ্চিত কৰা।

(iii) বিদেশত বাণিজ্যিক কেন্দ্ৰ খুলিবৰ বাবে বিশ্ববিদ্যালয়বোৰক আদেশ জাৰি কৰা।

(iv) বিদেশী ছাত্ৰৰ বাবে বিশ্বাবিদ্যালয়বোৰত কমেও 15 ৰ পৰা 20 শতাংশ আসন সংৰক্ষণ কৰা।

(v) কৰ্ম সংস্থানমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি শিক্ষাৰ বাণিজ্যিকীকৰণৰ

গুৰুত্ব বৃদ্ধি কৰা।

(vi) ইণ্টাৰনেট, প্ৰিণ্টমিডিয়া আদিৰ মাধ্যমত শিক্ষাসেৱা ৰপ্তানীৰ বাবে ভাৰতীয় বিশ্ববিদ্যালয়বোৰক অনুমতি প্ৰদান কৰা।

**শিক্ষাৰ উদাৰীকৰণ ঃ—**

উদাৰীকৰণ GATS ৰ নীতি আৰু চৰ্তৰ আধাৰত গঢ়ি উঠা এক ধাৰণা। উদাৰীকৰণৰ সুবিধা নিৰ্ভৰ কৰে বিশেষ সেৱা মণ্ডৰ বৰ্তি থকা আঁচনি নিয়ন্ত্ৰিত পৰিৱেশ আৰু পৰ্যাপ্ত পৰিমাণৰ আন্তঃগাঁথনিৰ ওপৰত। উদাৰীকৰণে বিশ্বৰ এখন ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজত সহযোগিতা বৃদ্ধি কৰে। উদাৰীকৰণৰ ফলত বৰ্তমান বস্তুগত আৰু অৰ্থনৈতিক সম্পদ, শ্ৰমিক, প্ৰযুক্তিবিদ্যা, আৰ্দশ আদিৰ আদান প্ৰদানৰ সুবিধা বৃদ্ধি পাইছে। ফলত ভাৰতীয় অৰ্থনীতিত গোলকীকৰণে বিশেষ স্থান লাভ কৰিছে।

**সামৰণি ঃ—**

গতিকে ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে বিশ্বায়ণ হ'ল পৃথিৱীৰ অৰ্থাৎ সমগ্ৰ ৰাষ্ট্ৰসমূহৰ মাজত মুকলি পৰিৱেশ সৃষ্টি কৰা এক অৱস্থা। বিশ্বায়নে ৰাষ্ট্ৰসমূহক এক্যবদ্ধভাৱে সকলো সমস্যা সমাধান কৰাত সহায় কৰে। গোলকীকৰণ বা বিশ্বায়ণ হৈছে বিশ্ব অৰ্থনীতি সম্পৰ্কীয় এক নতুন সূত্ৰ, যিয়ে বৰ্তমান সময়ত শিক্ষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সমাজনীতি আদি সকলো দিশকে সামৰি লোৱাত সক্ষম হৈছে।

'GATS' হৈছে বিশ্ব বাণিজ্য সংস্থাৰ বিধি বিধানৰ অধীনত স্বাক্ষৰিত এখন চুক্তি। এই চুক্তিখন 1992 চনৰ পৰা কাৰ্যকৰী কৰা হয়। ইয়াৰ মূল উদ্দেশ্য হৈছে পণ্য সামগ্ৰী আৰু পুজিঁৰ বিশ্বজোৰা মুক্ত বজাৰ সৃষ্টি কৰা। এই চুক্তিত অন্তৰ্ভূক্ত কিছুমান দিশ হ'ল- জনস্বাস্থ্য আৰু চিকিৎসা, শিশু আৰু মাতৃ পৰিচৰ্যা, ৰাজহুৱা শিক্ষাসেৱা, যাদুঘৰ, আইন, বিচাৰ ব্যৱস্থা, ডাক ব্যৱস্থা, সকলোধৰণৰ নিত্য প্ৰয়োজনীয় অন্তঃসেৱা আদি।

ব্যক্তিগতকৰণ বুলিলে সম্পত্তি কাৰ্যাৱলী আৰু দায়িত্ব চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত সংস্থালৈ হস্তান্তৰ কৰাকে বুজা যায়। শিক্ষা ব্যক্তিগতকৰণ বুলিলে শিক্ষাৰ সমস্ত দায়িত্ব চৰকাৰে বহন নকৰি কোনো ব্যক্তিগত খণ্ডৰ যোগেদি বহন কৰা আৰু পৰিচালনা কৰা প্ৰকিৰয়াটোকে বুজা যায়। অৰ্থাৎ শিক্ষাত চৰকাৰৰ সহযোগিতা হ্ৰাস কৰি ব্যক্তিগত খণ্ডৰ সহযোগিতা বঢ়াই তোলা ব্যৱস্থাটোৱেই হৈছে শিক্ষাৰ ব্যক্তিগতকৰণ।

বাণিজ্যিকীকৰণ হ'ল বিশ্বৰ ধনতান্ত্ৰিক দেশৰ বহুৰাষ্ট্ৰীয় কোম্পানীৰ দৃষ্টিত শিক্ষা, সেৱাখণ্ডৰ অন্তৰ্গত এনে এক উদ্যোগ, যাৰ এক বিশ্বজোৰা বজাৰ আছে, যত শিক্ষাসেৱাৰ আমদানি আৰু ৰপ্তানী কৰা হয়। শিক্ষা সেৱাৰ এনে আমদানি আৰু ৰপ্তানীকে বাণিজ্যিকীকৰণ বোলা হয়। এই ব্যৱস্থাত শিক্ষাৰ্থীসকল হ'ল ক্ৰেতা, শিক্ষক কৰ্মচাৰীসকল হ'ল শিক্ষাসেৱাৰ যোগান ধৰোঁতা আৰু উদ্যোগৰ মালিকসকল হ'ল ইয়াৰ আয়োজক।

উদাৰীকৰণ হৈছে GATS ৰ নীতি তথা চৰ্তৰ আধাৰত গঢ়ি উঠা এক নতুন ধাৰণা। উদাৰীকৰণে বিশ্বৰ এখন ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ লগতে বিশ্বৰ বিদেশী ৰাষ্ট্ৰৰ মাজতো সহযোগিতা বৃদ্ধি কৰে। উদাৰীকৰণৰ সুবিধা নিৰ্ভৰ কৰে বিশেষ সেৱা খণ্ডৰ বৰ্তি থকা আঁচনি, নিয়ন্ত্ৰিত পৰিৱেশ আৰু পৰ্যাপ্ত পৰিমাণৰ আন্তঃগাঁথনিৰ ওপৰত।

***Reference Books :***


- খাৰঘৰীয়া, বন্দনা; শইকীয়া, যুতিমালি; শইকীয়া, তৰুণ; শইকীয়া বৰা ৰুণু - 'মহান শিক্ষাবিদ আৰু শৈক্ষিক চিন্তাধাৰা।'
- গগৈ হাজৰিকা, দুলুমণি; হাজৰিকা কলিতা, মামণি - 'মহান শিক্ষাবিদ আৰু শৈক্ষিক চিন্তাধাৰা'


---


স্নাতক চতুৰ্থ ষান্মাসিক
শিক্ষাতত্ত্ব বিভাগ

চিন্তা বিচিত্ৰা

# নৰেন্দ্ৰ মোডীৰ বিমুদ্ৰাকৰণ




বেবী বৰুৱা

দুৰ্নীতি আৰু ক'লা ধনৰ দৌৰাত্মৰ স'তে মোকাবিলা কৰাৰ স্বাৰ্থত ভাৰতৰ বৰ্তমানৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডীয়ে হঠাতে ৮ নৱেম্বৰৰ মাজ নিশাৰে পৰা কাৰ্যকৰী হোৱাকৈ নিষিদ্ধ কৰিছিল ৫০০ আৰু ১০০০ টকীয়া নোট। দেশবাসীক উদ্দেশ্যি দিয়া এক ভাষণত ৮ নৱেম্বৰ নিশা প্ৰধান মন্ত্ৰী মোডীয়ে পাঁচশ আৰু এহেজাৰ টকীয়া নোটৰ প্ৰচলন বন্ধ কৰাৰ কথা ঘোষণা কৰিছিল। ফলত ৮ নৱেম্বৰৰ নিশাৰে পৰা ৫০০ আৰু ১০০০ টকীয়া নোটৰ মূল্য নাইকিয়া হৈ গ'ল।

এই ঘোষণা শুনাৰ লগে লগে সমগ্ৰ দেশজুৰি ১০ নৱেম্বৰ পৰা লাখ লাখ গ্ৰাহক জনতাই বিভিন্ন বেংকৰ শাখাবোৰত পুৰণি ৫০০ আৰু ১০০০ টকীয়া নোটবোৰ সলনি কৰিবলৈ শাৰী পাতি থিয় দিব লগীয়া হৈছিল। সাপৰ দৰে একা বেকাকৈ হোৱা গ্ৰাহকৰ শাৰী বেংকৰ শাখা কাৰ্যালয়ৰ ভিতৰৰ পৰা বাহিৰৰ ৰাজপথলৈকে বিস্তৃত হোৱা দেখা গৈছিল। লগতে পুৰণি ৫০০ আৰু ১০০০ টকীয়া নোট সলনি কৰিবলৈ যাওঁতে বহু লোকে মৃত্যুক সাৱৰি ল'ব লগীয়াও হৈছিল।

নৰেন্দ্ৰ মোডীৰ এনে সিদ্ধান্তই ভাৰতীয় লোকৰ মাজত প্ৰথমে হাহাকাৰ লগাইছিল যদিও মোডীৰ এই সিদ্ধান্তৰ প্ৰধান উদ্দেশ্য আছিল দুৰ্নীতি, ক'লা ধন আৰু জালনোটৰ দৌৰাত্মক নিৰ্মূল কৰা। মোডীৰ বিমুদ্ৰাকৰণৰ এটা মন কৰিবলগীয়া কথা হ'ল যে যিসকল লোকৰ বেংকৰ একাউণ্টত এটকাও জমা ধন নাছিল, সেইসকল লোকৰ একাউণ্টত ৰাতিটোৰ ভিতৰতে লাখ লাখ টকা জমা হোৱা ঘটনাই সকলোৰে চকু কপালত তুলিছিল। ইয়াৰ উপৰিও জনধন যোজনাৰ অধীনত খোলা শূন্য জনৰাশিৰ ২৫.৫৮ কোটি বেংক একাউণ্টৰ অধিকাংশই দীৰ্ঘদিন নিষ্ক্ৰিয় হৈ আছিল যদিও ৮ নৱেম্বৰত প্ৰধান মন্ত্ৰীয়ে পুৰণি ৫০০ আৰু ১০০০ টকীয়া নোট বাতিল ঘোষণাৰ পিছতেই এই একাউণ্টসমূহত অস্বাভাৱিক ৰূপত ধন জমা হ'বলৈ ধৰিছিল।

মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিমুদ্ৰাকৰণৰ আন এটা উল্লেখযোগ্য দিশ আছিল যে, এই নীতিৰ ফলত প্ৰায় দুই তিনি মাহ দিন ভাৰতীয় ৰাইজৰ পানীৰ হাঁহ নচৰা অৱস্থা হৈছিল। ইয়াৰ প্ৰভাৱ এতিয়াও সম্পূৰ্ণভাৱে মাৰ যোৱা নাই। প্ৰধান মন্ত্ৰীৰ এই সিদ্ধান্ত ভাৰতৰ কাৰণে তাৎক্ষণিকভাবে হোৱা যুদ্ধ সদৃশ ভয়ংকৰ আছিল । এই নীতি অনুসৰি সমগ্ৰ ভাৰতীয় জনতাক ৯ নৱেম্বৰ দিনাখনৰ পৰা পুৰণি টকাসমূহ বেংকত ৩১ ডিচেম্বৰৰ ভিতৰত জমা দিবলৈ আহ্বান জনোৱা হয়। কিন্তু কিছুলোকৰ বাবে এনে আহ্বান এক ভয়ংকৰ স্বৰূপ হৈ পৰিছিল। কিয়নো অধিক পৰিমাণৰ টকা বেংকত জমা দিবলৈ কিছুমান নীতি-নিৰ্দেশনা মানি চলিব লগা হৈছিল। বিভিন্ন নথি পত্ৰৰ সহায়তহে মোটা অংকৰ টকা জমা কৰিব পাৰিছিল। আকৌ দুৰ্নীতি পৰায়ণ যিসকল লোকে দুখীয়া, নিবনুৱা ৰাইজৰ মূৰত টাঙোন দি দালাল কৰি ধন ঘটিছিল, তেওঁলোকে উপায়বিহীন হৈ টকা নদী, নলা নৰ্দমা, জাৱৰৰ ডাষ্টবিন আদিত পেলাবলৈও কুণ্ঠাৱোধ কৰা নাছিল। ক'লা ধন হিচাপেও বহু লক্ষাধিক টকাৰ বান্দোলে জাৱৰৰ ৰূপ ধাৰণা কৰিছিল। কোনো কোনো লোকে ক'লা ধনসমূহ মেচিনেৰে কাটি কাটি ৰাস্তাত পেলাহ দিছিল। এনে ক'লা ধনৰ নামত বহু ভাৰতীয় লোক প্ৰশাসনৰ হাতত ধৰা পৰিছিল।

আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল যে বৰ্তমান কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা ২০০০ টকীয়া নতুন নোটসমূহত জি.পি.এছ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে বুলি কোনো কোনোৱে কৈছে। এই ব্যৱস্থা এম.ডি.চি. অৰ্থাৎ নে'ন জি.পি.এছ.পি নামেৰে নামকৰণ কৰিছে। চৰকাৰে ক'লা ধন আৰু জাল নোটৰ ৰোধৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰিছে।

আমি সকলোৱে জ্ঞাত যে ভাৰতবৰ্ষ এখন উন্নয়ণশীল দেশ। গতিকে এনে দেশত হঠাতে এনে ব্যৱস্থা গ্ৰহণ কৰিলে কিছুমান কাম-কাজত পিছ-পৰি ৰ'ব লগীয়া হয়। প্ৰথম অৱস্থাত এই সিদ্ধান্তই অৰ্থনৈতিক দিশত কিছু অসুবিধানৰ সৃষ্টি কৰিছিল যদিও বৰ্তমানে জনসাধাৰণক কোনো অসুবিধা সৃষ্টি কৰা পৰিলক্ষিত হোৱা নাই। নৰেন্দ্ৰ মোডীৰ এই সিদ্ধান্তক ভাৰতীয় জনসাধাৰণে অতি সন্মান সহকাৰে গ্ৰহণ কৰিছে। আৰু মোডীৰ এই ব্যৱস্থাই যাতে ভাৰতবৰ্ষক উন্নতি পথত আগবঢ়াই লৈ যাব পাৰে, তাকে সকলো ভাৰতীয় নাগৰিকে আশা কৰিছে। সন্মানীয় নৰেন্দ্ৰ মোডীৰ বিমুদ্ৰাকৰণৰ পাছত যাতে ভাৰতবৰ্ষত পুনৰ ক'লা ধন আৰু জাল নোটৰ ব্যৱহাৰ নহয় তাৰ প্ৰতি চৰকাৰে প্ৰতি মুহূৰ্ততে কঠোৰ দৃষ্টি ৰাখিব লাগিব।

স্নাতক চতুৰ্থ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

চিন্তা বিচিত্ৰা

# ভাষা মনোভংগী আৰু অসমত এই অধ্যয়নৰ প্ৰয়োজনীয়তা

**প্ৰাঞ্জল দাস**

**প্ৰস্তাৱনা ঃ**'ভাষা মনোভংগী' সমাজ ভাষাবিজ্ঞানৰ অন্তৰ্গত বিষয়। সামাজিক প্ৰাণী হিচাপে মানুহে ভাষা সম্পৰ্কে যি মনোভাৱ পোষণ কৰে , তাকে সাধাৰণভাবে ভাষা মনোভংগী বোলা হয়। ভাষা মনোভংগীয়ে ব্যক্তিৰ ভাষা সম্পৰ্কীয় মনোগত (Mentalist) আৰু আচৰণাত্মক (Behaviourist) দিশসমূহৰ বিচাৰ-বিশ্লেষণ কৰে। এজন ব্যক্তিয়ে কোনো এটা ভাষাৰ সম্পৰ্কে কেনে ধৰণৰ ইতিবাচক আৰু নেতিবাচক মনোভংগী পোষণ কৰে, সেয়া ভাষা মনোভংগীৰ অন্তৰ্গত মনোগত অধ্যয়নৰ বিষয়। অন্যহাতে এজন ব্যক্তিয়ে সামাজিক যোগাযোগৰ ক্ষেত্ৰত কেনে পৰিৱেশত, কি প্ৰসংগত, কি ভাষাৰ ব্যৱহাৰ কৰে ;সেয়া ভাষা মনোভংগীৰ আচৰণাত্মক অধ্যয়নৰ বিষয়।

ভাষা মনোভংগী সম্পৰ্কত বিভিন্ন ভাষাবিদে বিভিন্ন সংজ্ঞা আগবঢ়োৱা দেখা যায়। তেওঁলোকৰ ভিতৰত ভাষাবিদ ডেভিদ ক্ৰিষ্টল (David Crystol)ৰ সংজ্ঞাটো বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ মতে ভাষা মনোভংগী হৈছে, কোনো জনসমষ্টিৰ নিজৰ ভাষাৰ প্ৰতি আৰু আন জনসমষ্টিৰ ভাষাৰ প্ৰতি থকা মনোভাৱ (Language attitude are actually the feelings people have about their own language or the language of other)

**ভাষা মনোভংগী পৰিৱৰ্তনৰ কাৰণ ঃ**

ভাষা সততে পৰিৱৰ্তনশীল। পৰিৱৰ্তনেই ভাষাৰ ধৰ্ম। পৰিৱৰ্তনৰ ফলস্বৰূপে এটা ভাষা আন এটা ভাষাৰ সৈতে শব্দ, বাক্য গাঁথনি, সুৰ আদি দিশবোৰত সংমিশ্ৰিত হোৱা দেখা যায়। বহুসময়ত এনে সংমিশ্ৰণে ভাষা এটাক সমৃদ্ধ কৰে আকৌ কেতিয়াবা ভাষাটোলৈ সংকট কঢ়িয়াই আনে। মূলতঃ সভ্যতা আৰু সংস্কৃতিৰ মান বা স্তৰৰ লগত একোটা ভাষাৰ মান বা স্তৰ নিৰ্ভৰ কৰে। সেয়ে ভাষালৈ অহা পৰিৱৰ্তনবোৰ সমাজ ভাষাবিজ্ঞানে বিভিন্ন পদ্ধতি অৱলম্বন কৰি বিভিন্ন দৃষ্টিভংগীৰে অধ্যয়ন, বিশ্লেষণ আগবঢ়ায়। কোনো এজন ব্যক্তিৰ অথবা একোটা অঞ্চলত বসবাস কৰা জনসমষ্টিৰ ভাষা-মনোভংগী পৰিৱৰ্তনত বহুতো কাৰণ অন্তৰ্নিহিত হৈ থাকে। সেই কাৰণবোৰক তলত উল্লেখ কৰাৰ দৰে দেখুৱাব পাৰি—

# বিশ্বায়নৰ প্ৰভাৱ
# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণ
# শিক্ষাৰ ব্যক্তিগত আৰু উদাৰীকৰণ
# ৰাজনৈতিক প্ৰেক্ষাপট
# অৰ্থনৈতিক পটভূমি
# সাংস্কৃতিক পটভূমি
# ভৌগোলিক অৱস্থিতি
# সচেতনতাৰ অভাৱ
# দায়বদ্ধহীনতা
# আন ভাষাৰ প্ৰতি দুৰ্বলতা
# ভাষিক সচেতনতা
# নিজকে অন্য ভাষাত পাৰ্গত বুলি দেখুওৱাৰ প্ৰৱণতা
# উপযুক্ত ভাষিক পৰিকল্পনাৰ অভাৱ
# চৰকাৰী ভাষা আইনৰ দুৰ্বলতা - ইত্যাদি

**অসমত বিষয়টো অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ**

সম্প্ৰতি অসমত ভাষাক কেন্দ্ৰ কৰি বিভিন্ন সময়ত বিভিন্ন ধৰণৰ আলোচনা-পৰ্যালোচনা হোৱা দেখা যায়। এনে আলোচনা-পৰ্যালোচনাবোৰত প্ৰায়ে অসমীয়া ভাষা অস্তিত্বৰ সংকটত পৰিছে বুলি শুনা যায়। তদুপৰি অসমত ক্ৰমশঃ বৃদ্ধি পোৱা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰেও বহুসময়ত ভাষাৰ দিশত সচেতন ব্যক্তিসকলক চিন্তিত কৰি তোলা পৰিলক্ষিত হয়। আকৌ সম্প্ৰতি অসমত এনে এচাম অভিভাৱকো দেখা যায়, যিসকলে নিজৰ সন্তানে অসমীয়া পঢ়িব আৰু লিখিব নাজানে বুলি কৈ গৌৰৱ অনুভৱ কৰে। এনে এক সন্ধিক্ষণত অসমৰ সমগ্ৰ ভাষিক পৰিৱেশটো ভালদৰে চলি-জাৰি চাই এটা উচিত পদক্ষেপ লোৱাৰ সময় সমাগত।

আমি ভাষাবিদ নহওঁ। কিন্তু অসমীয়া বিভাগৰ ছাত্ৰ হোৱাৰ হেতুকে ভাষা বিষয়ৰ ক্ষেত্ৰখনৰ সৈতে কম-বেছি পৰিমাণে জড়িত হৈ থাকোঁ। "ভাষা-মনোভংগী"ৰ বিষয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° সুবাসনা মPহন্ত চৌধুৰী বাইদেউৰ মুখত প্ৰথমবাৰৰ বাবে শুনিছিলোঁ। তেতিয়াৰপৰাই অসমত বিষয়টো অধ্যয়নৰ বিশেষভাৱে প্ৰয়োজন আছে বুলি অনুভৱ কৰিছিলোঁ। সাম্প্ৰতিক অসমৰ ভাষিক পৰিৱেশ বিশ্লেষণৰ ক্ষেত্ৰত 'ভাষা-মনোভংগী' বিষয়টোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ থল আছে। সেয়ে ভাষা মনোভংগী

সম্পৰ্কে চমু আভাস দি অসমত বিষয়টো অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু বিষয়টো অধ্যয়নে ভাষা সম্পৰ্কীয় কোনবিলাক দিশ পোহৰলৈ অনাৰ সম্ভাৱনা আছে, সেই সম্পৰ্কে লিখাৰ লোভ সামৰিব নোৱাৰিলোঁ।

অসম বিভিন্ন ভাষা-ভাষী লোকৰ আৱাসভূমি। অসমীয়া, বাংলা, উড়িয়া, হিন্দী, বড়ো, মিচিং, ৰাভা, কাৰ্বি, দেউৰী, ডিমাছা, টাইফাকে, টাই আইতন, টাই খাময়াং, টাই টুৰুং, চিংফৌ নেপালী, উৰ্দু আদি বিভিন্ন ভাষা-ভাষী লোকে অসমত বাস কৰে। কিন্তু সেয়ে হলেও অসমৰ লোকসকলৰ যোগাযোগৰ প্ৰধান মাধ্যম সংবিধান স্বীকৃত অসমীয়া ভাষা। অসমৰ লোকসকলে যোগাযোগৰ ক্ষেত্ৰখনত মূলত অসমীয়া ভাষা ব্যৱহাৰ কৰি আহিছে। কিন্তু, যোৱা কিছু বছৰৰ পৰা অসমৰ ভাষিক ক্ষেত্ৰখনলৈ মন কৰিলে দেখা যায় যে আসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰখন ক্ৰমশঃ কমি আহিছে। সম্প্ৰতি অসমৰ অধিক সংখ্যক শিক্ষিত অভিভাৱকে নিজৰ সন্তানক অসমীয়া মাধ্যমৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমত পঢ়ুৱাৰ প্ৰৱণতাই গা কৰি উঠিছে। চৰকাৰী-বেচৰকাৰী, অফিচ-আদালতৰ কাম-কাজত ইংৰাজী ভাষাৰ ব্যৱহাৰেই সৰ্বাধিক। তদুপৰি বিভিন্ন কাৰ্য্যালয়বোৰৰ বেনাৰ, হোটেল-ৰেষ্টোৰেন্ট, দোকান পোহাৰ ইত্যাদিৰ বেনাৰবোৰত মূলতঃ ইংৰাজী ভাষা ব্যৱহাৰ হয়। গতিকে অসমৰ মানুহৰ মনত স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হৈছে-অসমীয়া ভাষাৰ সচাঁকৈয়ে অস্তিত্বৰ সংকট হৈছে নেকি? এনে সন্ধিক্ষণত অসমৰ জনসাধাৰণৰ ভাষা সম্পৰ্কীয় বিভিন্ন দিশসমূহ পুংখা-নুপুংখভাৱে বিশ্লেষণ কৰি জনসাধাৰণৰ মতামতৰ ভিত্তিত এখন ভাষিক পৰিকল্পনাৰপ্ৰয়োজনীয়তা আহি পৰিছে। এই ক্ষেত্ৰত কাৰ্যকৰী ভূমিকা গ্ৰহণৰ বাবে ভাষা মনোভংগী অধ্যয়ন অত্যন্তই প্ৰাসংগিক। এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই তলত অসমত ভাষা মনোভংগী অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হৈছে।

ভাষা মনোভাংগী অধ্যয়নৰ যোগেদি অসমৰ বৈচিত্ৰ্যপূৰ্ণ জাতি-জনগোষ্ঠী-সম্প্ৰদায়ৰ মাজত ব্যৱহৃত ভাষা সম্পৰ্কে নমুনা সংগ্ৰহ কৰিব পাৰি। সামাজিক শ্ৰেণী অনুসৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে বিভিন্ন সময়ত যেনে-কেচুৱা কালত, বয়ঃসন্ধি কালত, কৈশোৰ কালত, প্ৰাপ্তবয়স্ক কালত ভাষা ব্যৱহাৰৰ বিভিন্ন স্থান অনুসৰি যেনে- ঘৰুৱা পৰিৱেশত, প্ৰতিবেশীৰ লগত, অফিচ-আদালত, শ্ৰেণীকোঠা, বিভাগীয় কোঠা, হোষ্টেল-লজ আদিত কি ভাষা ব্যৱহাৰ কৰে, সেই সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰিব পাৰি। এনে তথ্যসমূহে অসমত প্ৰচলিত বিভিন্ন ভাষাসমূহৰ প্ৰকৃত ভাষিক স্থিতিৰ প্ৰতিচ্ছবিখন স্পষ্ট কৰিব। লগতে অসমৰ ভাষাসমূহৰ ব্যৱহাৰিক দিশৰ ছবিখনো পোহৰলৈ আহিব।

সাম্প্ৰতিক সময়ত অসমৰ জনসাধাৰণৰ দৃষ্টিত নিয়োগৰ সুবিধা লাভৰ ক্ষেত্ৰত, বাণিজ্যিক ক্ষেত্ৰত, বৃত্তিগত জীৱনত সৰ্বাধিক চাহিদাযুক্ত ভাষা কি-সেই সম্পৰ্কে ভাষা মনোভংগী অধ্যয়নৰ যোগেদি জানিব পাৰি। লগতে ভাষাটো জনপ্ৰিয় হোৱাৰ কাৰণো জানিব পাৰি। ইয়াৰ ফলত অধিক চাহিদাযুক্ত ভাষাটোৰ বাবে বাস্তৱ সন্মতভাৱে সকলোৰে উপযোগী হোৱাকৈ কিছুমান বাস্তৱ কাৰ্যপন্থা হাতত লব পাৰি।

ভাষাৰ ক্ষেত্ৰত সততে দেখা যায় যে অধিক শক্তিশালী ভাষা এটাই কম শক্তিশালী ভাষা এটাক প্ৰায়ে অধীনত ৰাখে। অসমৰ অসমীয়া ভাষাকো সম্প্ৰতি কম বেছি পৰিমাণে ইংৰাজী ভাষাই প্ৰভাৱিত কৰা দেখা গৈছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ অসমৰ জনসাধাৰণৰ মাজত সচেতন ভাৱে আলোচনা পৰ্য্যালোচনা মাধ্যমেৰে অসমীয়া ভাষাক শক্তিশালী ৰূপত প্ৰকাশ কৰাৰ ক্ষেত্ৰত ভাষা মনোভংগীয়ে কাৰ্যকৰী ভূমিকা কৰি তাক ৰাস্তৱ ৰূপ দিব পাৰে।

সম্প্ৰতি অসমৰ সৰহ সংখ্যক গুণী-জ্ঞানী ব্যক্তিয়ে নিজৰ সন্তানক ইংৰাজী মাধ্যমত পঢ়োৱাৰ এটা বিৰাট প্ৰৱণতাই দেখা দিছে। ইংৰাজী ভাষাৰ প্ৰয়োগিক ক্ষেত্ৰখন বৃদ্ধি পোৱাটোৱেই ইয়াৰ মূল কাৰণ। ইংৰাজী ভাষাৰ প্ৰৱল চাহিদাৰ বাবে অসমীয়া ভাষাৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখিয়েই হয়তো যোৱা কিছুদিনৰ পূৰ্বে অষ্টম শ্ৰেণীলৈকে অসমৰ বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বিষয়টো বাধ্যতামূলকভাৱে পঢ়িব লাগিব বুলি নীতি নিৰ্দেশনাও জাৰি কৰিছে। আকৌ প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়বোৰত সংস্কৃত ভাষাৰ পাঠদান হ'ব লাগে বুলিও জনৰব উলাইছিল। অসমৰ দৰে এখন ৰাজ্যত ভাষাৰ দৰে আৱেগিক বিষয়বোৰক লৈ অতবোৰ বেমেজালি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি বিষয়টোৰ দীৰ্ঘম্যাদী সমাধানৰ বাবে অসমৰ জনসাধাৰণৰ ভাষিক মনোভংগী বিশ্লেষণ কৰাটো খুবেই প্ৰয়োজন। ভাষিক মনোভংগী বিশ্লেষণৰ যোগেদি বিষয়টো পুংখানুপুংখভাৱে বিশ্লেষণ কৰি উচিত সমাধানৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিব লাগে।

সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বিজ্ঞানৰ ন ন আৱিস্কাৰে মানুহক নতুন জীৱন দিছে বুলি ক'লেও বেছি কোৱা নহ'ব। মানুহৰ দৈনন্দিন জীৱনৰ প্ৰতিটো ঘটনা-পৰিঘটনা, কাৰ্যাৱলী আদি আজি বহু পৰিমাণে বিজ্ঞান নিৰ্ভৰ। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অৱদানসমূহৰ অবিহনে আজি মানুহৰ জীৱন যেন অচল। এনে পৰিস্থিতিত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনত সৰ্বাধিক ব্যৱহৃত ভাষাটোৱেই হৈছে ইংৰাজী ভাষা। গতিকে স্বাৱাৱিকতে ইংৰাজী ভাষাৰ প্ৰতি জনসাধাৰণ আকৃষ্ট হৈছে। তদুপৰি বিজ্ঞান বিষয়ক পাঠ্যপুথি প্ৰণয়নত, ছছিয়েল নেটৱৰ্কিং ক্ষেত্ৰ ইত্যাদিবোৰত সৰ্বাধিক ইংৰাজী ভাষা ব্যৱহাৰ হয়। এনে প্ৰেক্ষাপটত অসমত বিজ্ঞান বিষয়ত পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত নতু বা ছছিয়েল নেটৱৰ্কিং ক্ষেত্ৰসমূহত কি ভাষা অধিক ব্যৱহৃত হৈছে সেই সম্পৰ্কে আলোচনা কৰিলে বিষয়টো

অধিক স্পষ্ট হয়।

সম্প্ৰতি অসমত বহুল চৰ্চিত এটা বিষয় হৈছে অসম চৰকাৰী ভাষা আইন, ১৯৬০। এই আইন অনুসৰি অসম চৰকাৰৰ অধীনৰ সকলো আধ্যাদেশ, ৰাজ্যিক বিধান সভাৰ দ্বাৰা জাৰি কৰা সকলো আদেশ, সংবাদ বা উপবিধি, বিনিয়ম, ৰাজহুৱা আবেদন আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰিব লাগে। কিন্তু সম্প্ৰতি আইনখনটো কাৰ্যকৰী হোৱা নায়েই তদুপৰি, এনে এখন আইন আছে বুলি আমি অসমৰ সৰহ সংখ্যক মানুহেই নাজানো। গতিকে আইন খনৰ সন্দৰ্ভত পুনৰ আলোচনা পৰ্যালোচনাৰ থল আছে। প্ৰকৃততে অসমত আইনখন কাৰ্যকৰী হৈছে নে নাই, অসমত এনে এখন আইনৰ প্ৰয়োজনীয়তা আছেনে নাই অথবা আইনখনৰ সংশোধনীৰ প্ৰয়োজনীয়তা আছে নেকি ইত্যাদি বিষয়বোৰ জনমতৰ ভিত্তিত সুচলভাবে সমাধানৰ একমাত্ৰ উপায় ভাষা মনোভঙ্গী।

সম্প্ৰতি এটা অতি মন কৰিব লগা বিষয় হৈছে বিভিন্ন কাৰ্য-কাৰণত উৰ্দ্ধতম কৰ্তৃপক্ষলৈ লিখা আবেদনৰ ভাষা। আমাৰ মনত এতিয়া এনে এক ধাৰণা হৈছেগৈ যে কোনো অফিচ-আদালতলৈ আবেদন লিখিলে তাৰ ভাষা সদায় ইংৰাজীহে হ'ব লাগে। আমি নিজে ইংৰাজীত লিখিব নাজানিলেও আনৰ সহায়ত হ'লেও আবেদনখন ইংৰাজীত লিখাৰ প্ৰৱণতা গঢ়লৈ উঠিছে। এই ক্ষেত্ৰত উৰ্দ্ধতম কৰ্তৃপক্ষৰো মানসিকতা ইতিবাচক বুলি ক'ব নোৱাৰি। সম্প্ৰতি আমি বহুতেই অসমীয়া আৰু ইংৰাজী কোনো এটা ভাষাতে শুদ্ধকৈ এখন আবেদন লিখিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। সেয়েহে এই ক্ষেত্ৰতো মনোভংগী বিশ্লেষণৰ যোগেদি সময়োচিত পদক্ষেপ গ্ৰহণৰ সময় সমাগত।

ভাষাৰ ক্ষেত্ৰখনৰ সৈতে সাংস্কৃতিক ক্ষেত্ৰখনো ওতঃপ্ৰোতভাৱে জড়িত। সংস্কৃতিৰ পৰিৱৰ্তনৰ লগে লগে ভাষালৈও পৰিৱৰ্তন আহে। গতিকে ভাষা মনোভংগী অধ্যয়নে সাংস্কৃতিক ক্ষেত্ৰখনো সামৰি লয়। অসমৰ জনসাধাৰণে কি ভাষাৰ গীত শুনি ভাল পায়, কি ভাষাৰ বোলছবিৰ প্ৰতি অধিক আকৰ্ষিত হয়, সাহিত্যৰ বিভিন্ন বিধাসমূহ যেনে-গল্প, উপন্যাস, কবিতা, আলোচনী, বাতৰি কাকত আদি কি ভাষাত পঢ়ি ভাল পায়, সৃষ্টিশীল সাহিত্য কি ভাষাত লিখে, মনৰ কথা ব্যক্তি কৰিব লগা হলে কি ভাষাত প্ৰকাশ কৰি সন্তুষ্টি লাভ কৰে ইত্যাদি বিষয়বোৰ পুংখানুপুংখভাৱে বিচাৰ বিশ্লেষণ কৰি সকলোৰে হিতে ভাষাৰ প্ৰয়োগ ক্ষেত্ৰখন গঢ় দিব পাৰি ।

আজিৰ তাৰিখত অসমীয়া ভাষাৰ সম্পৰ্কে সঘন আলোচিত বিষয়টো হৈছে অসমীয়া ভাষাৰ সংকট সম্পৰ্কীয় বিষয়টো। ভাষিক লোক পিয়লৰ তথ্যইও অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা ক্ৰমানুসাৰে কমি অহাৰ উদ্বেগজক ছবি প্ৰকাশ কৰে। অসমত সম্প্ৰতিঃ ক্ৰমশ জনসংখ্যা বৃদ্ধি হৈ অহাৰ বিপৰীতে অসমীয়া ভাষা কোৱাৰ সংখ্যা কিন্তু তুলনামূলকভাৱে বঢ়া নাই। অকল অসমীয়া ভাষাই নহয়, অসমৰ অন্যান্য জনজাতীয় ভাষাও সম্প্ৰতি বিপদাপন্ন বুলি তথ্যই প্ৰমাণ কৰিছে। অসমৰ বিদ্বৎ মহলেও এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দি বিষয়টোৰ পুংখানুপুংখ বিশ্লেষণ আগবঢ়াইছে। এইক্ষেত্ৰত সকলোৱে সমিলমিলেৰে এটা সিদ্ধান্তত আহি বাস্তৱ পদক্ষেপ লোৱা উচিত বুলি মনে ধৰে। এইক্ষেত্ৰত ভাষা মনোভংগীয়ে বিশেষভাৱে সহায় কৰাৰ থল আছে। অসমীয়া ভাষা যদি সচাঁকৈয়ে অস্তিত্বৰ সংকটত তেন্তে তাৰ বাবে দায়ী কোন— অসমৰ ভাষা আইন, অসচেতনতা, সময়ৰ আহবান, ইংৰাজী ভাষাৰ আগ্ৰাসন, আন ভাষাৰ প্ৰতি অসমৰ জনসাধাৰণৰ দুৰ্বলতা, বিশ্বায়ন, দায়বদ্ধতাৰ অভাৱ নে উল্লেখিত আটাইবোৰ কাৰণেই, সেয়া সততাৰে বিচাৰ কৰাৰ সময় সমাগত।

তদুপৰি অসমৰ ভাষা সম্পৰ্কে জনগণৰ মতামত, অসমীয়া ভাষাৰ লগতে অন্যান্য জাতি-জনগোষ্ঠীৰ ভাষাক সবলীকৰণ আৰু যুগানুকূল কৰি তোলাৰ বাবে দিহা-পৰামৰ্শ ইত্যাদি দিশবোৰ সততা, আন্তৰিকতা আৰু সৰলভাৱে বিচাৰ বিশ্লেষণ কৰিবৰ বাবে অসমত ভাষা মনোভংগী অধ্যয়নৰ যথেষ্ট প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতা আছে।

**উপসংহাৰঃ**

ভাষা মনোভংগীয়ে ভিন্ন সামাজিক পৰিৱেশত ব্যৱহাৰ কৰা ভাষাৰ বিষয়ে বিশ্লেষণ কৰে। সম্প্ৰতি অসমত ভাষাক কেন্দ্ৰ কৰি বিভিন্ন সময়ত হৈ থকা বিতৰ্কসমূহ সৰ্বসন্মতভাৱে আলোচনা-পৰ্যালোচনাৰ ক্ষেত্ৰত ভাষা মনোভংগী ফলপ্ৰসু অধ্যয়ন পদ্ধতি। বিশ্বৰ বিভিন্ন ঠাইত ভাষা মনোভংগী বিষয়টোৱে সম্প্ৰতি গুৰুত্ব লাভ কৰা দেখা গৈছে। ৰেষ্ট-ইণ্ডিজ, বাৰ্মিংহাম আদি দেশত বিষয়টো অধ্যয়ন হোৱাৰ লগতে অধ্যয়নৰ অন্তত যিবোৰ সিদ্ধান্তত উপনীত হৈছে, সেই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ বাবেও কাৰ্যপন্থা হাতত লৈছে। অসমটো বিষয়টো অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

সহকাৰী সধ্যাপক
অসমীয়া বিভাগ

চিন্তা বিচিত্ৰা

# অসমীয়া ভাষাৰ সংকটময় অৱস্থা

সোনমনি নাওহলীয়া

সম্প্ৰতি অসমত এচাম লোকে নিজকে আধুনিক (Modern) দেখুৱাবলৈ নাইবা ওস্তাদ দেখুৱাবলৈ নিজৰ লৰা-ছোৱালীয়ে অসমীয়া নাজানে বুলি কৈ গৌৰৱ অনুভৱ কৰে। জাতীয়তাবোধ সম্পন্ন কোনো লোকৰ বাবে ই কিন্তু শুভ লক্ষণ নহয় । তেওঁলোকৰ সৰহ সংখ্যকেই আকৌ মেলে-মিটিঙে আগস্থানত বহে । ভাষণত কি চাব তেওঁলোকৰ কথাৰ ফুলজাৰি ।

অৱশ্যে এইটোও সঁচা যে বিশ্বায়নৰ ব্যাপক প্ৰভাৱৰ ফলস্বৰূপে আজি বহুসংখ্যক অভিভাৱকে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়োৱায় ।ইংৰাজী ভাষাজ্ঞানৰ গুৰুত্বক আজিৰ তাৰিখত কোনেও নুই কৰিব নোৱাৰে ।গতিকে ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমত পঢ়োৱাতো ভুল বুলি প্ৰবন্ধটোত দেখুৱাবলৈ যত্ন কৰা হোৱা নাই ।আমি প্ৰত্যেকেই সময়ৰ লগত খোজ মিলাবই লাগিব। কিন্তু সেইবুলি মোৰ ল'ৰাই অসমীয়া নাজানে বুলি গৌৰৱ কৰা বিষয়টো একেবাৰে মানি ল'ব নোৱাৰি ।

অ ! ৰৱ'।এই লেখনিটো লিখাৰ মোৰ এটাই উদ্দেশ্য। সেয়া হৈছে আত্মসন্তুষ্টি। কাকো আঘাত কৰাৰ উদ্দেশ্য মোৰ নাই। আৰু এটা কথা মই আধুনিক বা ওস্তাদ বুলি এই কাৰণেও কৈছোঁ যে মোৰ লৰাই অসমীয়া নাজানে বুলি কৈ গৌৰৱ কৰাৰ সলনি তেওঁলোকে ঘৰত মাতৃভাষাতো লিখিবলৈ আৰু পঢ়িবলৈ এটা পৰিৱেশ গঢ় দিব লাগে ।

আকৌ আজিৰ এচামে কয়- কিহত মেজৰ লৈছোঁ? উত্তৰত যদি কোৱা হয় - 'অসমীয়াত, অসমীয়াত মেজৰ লৈছোঁ' বুলি তেতিয়া কয়-অসমীয়াত কিয় মেজৰ ল'লা? বেলেগ বিষয় নাপালা নেকি? তেওঁলোকে অসমীয়া ভাষাটো তুচ্ছ জ্ঞান কৰিছে নিশ্চয়কৈ। কিন্তু এটা কথা ঘনচিৰিকাই নিজৰ খোজ পাহৰাৰ দৰে আমিও আনৰ সকলো গ্ৰহণ কৰি গৈ থাকোতে নিজৰ সকলো এৰি এদিন যে দিশহাৰা হৈ যাম তাৰ কোনো মানে নাই। হয়, আমি আনৰো ল'ব লাগে সেইবুলি নিজৰ সকলো এৰি আনৰ লৈ ধনী হোৱাৰ একো অৰ্থ নাই । কাৰণ সেয়া যে আমাৰ সংস্কৃতি নহয়। আনে জানিব আমি লোকৰ সংস্কৃতিৰে চহকী, নিজৰ নহয়।

অসমীয়া ভাষাতো বৰ্তমান সংকটত পৰিছে তেনে নহয়। অসমীয়া ভাষাতো সংকটৰ পৰা উদ্ধাৰ কৰিবলৈহে যেন মিছনেৰী সকল অসমলৈ আহিছিল। যদিও তেওঁলোক খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাৰণে অসমলৈ আহিছিল। অসমৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী ইত্যাদি লোকসকলে অসমীয়া ভাষাটো উদ্ধাৰৰ বাবে আপ্ৰাণ চেষ্টা কৰাৰ ফলত আজি অসমীয়া ভাষাই অসমৰ মান্য ভাষা ৰূপে স্বীকৃতি লাভ কৰিলে।

আজিৰ নৱপ্ৰজন্মই ইংৰাজী, হিন্দী ভাষাৰ প্ৰতি আকৃষ্ট হৈ ভাষাটো শিকিছে । ই কোনো ডাঙৰ কথা নহয়। ই স্বাভাৱিক । কাৰণ আজি-কালি শিক্ষা গ্ৰহণৰ মূল উদ্দেশ্য হ'ল বৃত্তি। ঠিক আছে ইংৰাজী মাধ্যমত শিক্ষা গ্ৰহণ কৰি ভাল বিশ্ববিদ্যালয়ত চিট পালে । তাৰ পাছত বিদেশত চাকৰি পালে। তেওঁ ইংৰাজী ভাষাটোৰে কাম দিব তাত, কিন্তু তেওঁৰ চিনাকী কি হ'ব? অসমীয়া! যি অসমীয়া ভাষা নাজানে, যাৰ তেজত অসমীয়াৰ বৈশিষ্ট্য নাই। তেওঁ অসমীয়া বুলি চিনাকী দিয়াৰো অৰ্থ নাই।

আজি নৱ প্ৰজন্মই এক মিশ্ৰ অসমীয়া ভাষা কয়। যেনেঃ- ৱাহ Tasty (অৰ্থাৎ সুস্বাদ), চালিয়া লাগিছে, তামাম কিন্তু দেই ইত্যাদিবোৰ। আকৌ চন্দুক, নাদ, ধুৱা চাং ইত্যাদিবোৰ বুজি নাপায়। অৱশ্যে ভাষা এটা বোৱতি নৈৰ দৰে বৈ গৈ কি অৱস্থা পায় সেই কথা মোৰ সীমিত জ্ঞানে ঢুকি নাপায়। ইয়াৰ ইতিহাস মই সঠিক কৈ দিব নোৱাৰিম। ভাষা সময়ৰ গতিত সলনি হ'বই। ইয়াক ধৰি বান্ধি থ'ব নোৱাৰি । কিন্তু সেই বুলি নিজৰ সকলো ত্যাগ কৰাতো উচিত জানো ?

আমি আমাৰ অসমৰ মাতৃ ভাষা অসমীয়াটো সুদীৰ্ঘ আৰু চিৰস্থায়ী কৰিবৰ বাবে লৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়ালেও ঘৰত অন্ততঃ অসমীয়া ভাষাটো শিকাব লাগে। আৰু আমি ছাত্ৰ-ছাত্ৰীসকলেও (ইংৰাজী মাধ্যমৰ) অসমীয়া নাজানো বুলি গৌৰৱ কৰাতকৈ শিকিবলৈ যত্ন কৰাটোহে আচল কথা। অসমত থাকি অসমীয়া ভাষা নাজানো, বুজি নাপাওঁ ইত্যাদিবোৰ শব্দৰ সমান লজ্জাজনক আৰু দুভাগ্যজনক কথা একো নাই। তদুপৰি অসমীয়াত মেজৰ লৈছা! বেলেগ বিষয় নাপালা আদি বাক্যবোৰ এৰিব লাগে!

মিত্ৰদেৱ মহন্তই কবিতাত লিখিছেঃ-

'চিৰচেনেহী মোৰ ভাষা জননী'

আকৌ পদ্মনাথ গোহাঞি বৰুৱাই কৈছেঃ-

'এটা জাতিয়ে জাতীয় চিনাকী দিবলৈ হ'লে সেই জাতিৰ ভাষা সাহিত্যইহে আগধৰি চিনাকী দিয়ে।'

গতিকে অসমীয়া বুলি চিনাকী দিবলৈ আমি অসমীয়া ভাষা জনাটো আমাৰ মৌলিক দায়িত্ব।

স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

# অসমীয়া ভাষাৰ দ্বিতীয় সংবাদ পত্ৰ "আসাম বিলাসিনী"

নিতুমণি পেগু

অসমীয়া ভাষাৰ প্ৰথমখন সংবাদ পত্ৰ অৰুনোদইৰ প্ৰধান উদ্দেশ্য আছিল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাট মুকলি কৰা। এই ক্ষেত্ৰত মিছনেৰীসকল কিছু পৰিমাণে সফলো হৈছিল। কেইবা গৰাকীও অসমীয়া লেখকে খ্ৰীষ্টধৰ্মত শৰণ লৈ অৰুনোদইৰ সৈতে জড়িত হৈ পৰিছিল। 'অৰুনোদই'ৰ এই ধৰ্ম প্ৰচাৰমুখী ভূমিকাই ব্ৰহ্মপুত্ৰ উপত্যকাত সনাতন হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত, বিশেষকৈ সনাতন ধৰ্মৰ ৰখীয়াস্বৰূপ সত্ৰানুষ্ঠানসমূহত এক বিৰাট খলকনিৰ সৃষ্টি কৰিছিল আৰু শান্তি- সম্প্ৰীতি বিঘ্নিত কৰিছিল। হিন্দুসকল অসমত এদিন সংখ্যালঘুত পৰিণত হ'ব বুলি তেওঁলোকৰ মনত শংকা হৈছিল।

অসমৰ ধৰ্ম-সমাজ-সংস্কৃতি দুষ্কৃতিৰ ৰঘুমলাইৰ বেঢ়ি ধৰাৰ শংকাতে ইয়াৰ বেষ্টনী ভাঙিবলৈ ওলাই আহিছিল মাজুলী আউনীআটী সত্ৰৰ একাদশ সত্ৰাধিকাৰ শ্ৰীশ্ৰী দত্ত দেৱগোস্বামী প্ৰভু। ইয়াৰ প্ৰতিকল্প স্বৰূপে শ্ৰীশ্ৰীসত্ৰাধিকাৰ প্ৰভুৱে যুগুতাই উলিয়াইছিল ছপাশাল প্ৰতিষ্ঠাৰে ধৰ্ম-সাহিত্য-সংস্কৃতি ৰক্ষাৰ এক সময় সাপেক্ষ নব্য কৰ্ম আঁচনি । তেওঁ কলিকাতাৰ পৰা ছপা যন্ত্ৰ আনি আউনীআটী সত্ৰত প্ৰতিষ্ঠা কৰিছিল আৰু ছপা যন্ত্ৰটোৰ নাম ৰাখিছিল 'ধৰ্ম' প্ৰকাশ যন্ত্ৰ।

সত্ৰাধিকাৰ শ্ৰীশ্ৰীগোস্বামীদেৱে আউনীআটী সত্ৰৰ বৈষ্ণৱবৃন্দ আৰু সাহিত্যানুৰাগী পণ্ডিসকলৰ লগত আলোচনা কৰি এখনি মাহেকীয়া আলোচনী উলিয়াবলৈ সিদ্ধান্ত কৰিছিল । যিখনৰ নাম আছিল 'আসাম বিলাসিনী'।

'আসাম বিলাসিনী' (১৮৭১-১৮৮৩) অসমীয়া ভাষাৰ দ্বিতীয়খন সংবাদ পত্ৰ। প্ৰথম অসমীয়া পৰিচালিত এইখন আলোচনী আছিল অসমত মিছনেৰী খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ বিৰুদ্ধে হিন্দু বিশেষকৈ বৈষ্ণৱী প্ৰতিক্ৰিয়াৰ প্ৰথম মুদ্ৰিত অভিব্যক্তি। 'আসাম বিলাসিনী'ত ধৰ্মীয় দিশটোৱেই যে কেৱল স্থান পাইছিল এনে নহয়, জাতিৰ বিকাশ আৰু জাতীয় সংস্কৃতি ৰক্ষাৰ নিৰ্ণয়াত্মক ভূমিকাও গ্ৰহণ কৰিছিল। কাব্য বা সাহিত্যৰ মাজত মানৱীয় অনুভূতিৰ উত্তৰণ ঘটাবলৈ আৰু তাৰ দ্বাৰা মানুহৰ মন-বুদ্ধি-চিত্ত অহংকাৰক নিয়ন্ত্ৰিত কৰি সুশীল ৰূপ দিবলৈ যত্ন অব্যাহত ৰাখিছিল। মানুহৰ নৈতিক-আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব পৰা অনুপম শাস্ত্ৰীয় গ্ৰন্থসমূহ আৰু মহাপুৰুষ শংকৰ-মাধৱৰ সৃষ্ট ৰচনাৰাজি বিশেষভাৱে প্ৰচাৰ কৰি উলিয়ায়। মন কৰিবলগীয়া কথা যে, মহাপুৰুষ দুজনাৰ সৃষ্ট সাহিত্যৰাজি আৰু কৰ্মৰ উদ্দেশ্যসমূহ এইগৰাকী সত্ৰাধিকাৰেই পোন প্ৰথমে জন সমাজত প্ৰচাৰৰ ব্যৱস্থা কৰিছিল।

আউণীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰীদত্ত দেৱগোস্বামী প্ৰভুয়ে আসাম বিলাসিনী পত্ৰিকা সম্পাদনা আৰু প্ৰচাৰ কৰে। তেখেতৰ এই কাৰ্যত সহায়ক আছিল কাঞ্চাৰ বৰুৱাৰ বংশজাত মহান সাংস্কৃতিক কলাকাৰ শ্ৰীধৰ বৰুৱা। পাছত এখেতেই আউণীআটী সত্ৰৰ পৰা প্ৰকাশিত 'আসাম তৰা' (১৮৮৮-৯০) আলোচনী সম্পাদনা কৰে।

'আসাম বিলাসিনী' পত্ৰিকা আঠ পিঠিৰ আছিল। ইয়াৰ প্ৰতি পিঠিৰ স্তম্ভ তিনিটা, কাগজৰ আকাৰ ১৴×৮। শেষৰ পিঠিৰ তলৰ ফালৰ কথাখিনি হ'ল "এই আসাম বিলাসিনী' পত্ৰিকা আসাম যোৰহাটৰ অন্তৰ্গত মোং "মাজালী"ৰ আউণীআটী সত্ৰৰ ধৰ্ম প্ৰকাশ যন্ত্ৰে প্ৰতি মাসে মুদ্ৰিত হয়। বাৰ্ষিত অগ্ৰিমা মূল্য - ১ "ঠাকা" পত্ৰিকাখনত অসমীয়া "ৰ"ৰ পৰিৱৰ্তে বঙলা "ৰ" হে ব্যৱহৃত হৈছে। মাজুলী নামৰ পৰিৱৰ্তে মাজালী ব্যৱহাৰ হৈছে।

আসাম বিলাসিনীৰ পাততে ভোলানাথ দাস, লম্বোদৰ বৰা আদিয়ে নিজ সাহিত্যিক জীৱনৰ পাতনি মেলিছে। ভোলানাথ দাসে অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা 'সীতাহৰণ কাব্য' আসাম বিলাসিনীত প্ৰকাশ হৈছিল। অসমৰ আন এজন বিশিষ্ট সাহিত্যিক লম্বোদৰ বৰায়ো স্কুলীয়া কালতে আসাম বিলাসিনীত ৰচনা প্ৰকাশ কৰিছিল।

আসাম বিলাসিনীৰ (১৮৭১-৮৩) যুগত অসমীয়া ভাষাৰ আখৰ জোঁটনি বহু পৰিমাণে অনিশ্চিত আছিল। ব্ৰহ্মণৰ অসমীয়া-ইংৰাজী অভিধান নিৰ্ভৰযোগ্য নহয়। তেনে অৱস্থাত আসাম বিলাসিনীয়ে নিজ পদ্ধতিৰে আগবাঢ়ি যাব লগা হৈছিল। সত্ৰীয়া পৰিৱেশত ৰচিত হোৱাৰ কাৰণে অসমীয়া ভাষাৰ শুদ্ধতা ৰক্ষাত কিছু সহায় হৈছিল।

অসমীয়া ভাষা সাহিত্যৰ উত্তৰণ আৰু বিকাশত আসাম বিলাসিনীয়ে কৰা আন সকলোবোৰ কাম একাষৰীয়াকৈ থ'লেও অন্ততঃ

এটা কামৰ বাবেই আসাম বিলাসিনী যুগান্তকাৰী। সেই কামটো হ'ল এইখন আলোচনীয়ে ১৮৯১ চনৰ পৰা ১৮৮৩ চনলৈকে সুদীৰ্ঘ ১২ বছৰ কাল প্ৰকাশ হৈ থাকি সংবাদপত্ৰ আৰু ছপাশাল শিল্পৰ লগত অসমীয়াক জড়িত হ'বলৈ সাহস আৰু প্ৰেৰণা যোগালে। পাশ্চাত্যৰ আধুনিক শিক্ষাৰ চাৰিবেৰৰ বাহিৰত থাকি আধুনিক শিক্ষা সভ্যতাৰ মহত্ত্বম অনুষ্ঠান এটা প্ৰতিষ্ঠা কৰি আলোচনীখনে তৎকালীন সমাজত এক প্ৰচণ্ড দুঃসাহসিকতা আৰু প্ৰগতিশীলতাৰ পৰিচয় দিলে। ইয়েই আসাম বিলাসিনীৰ বিচক্ষণ কৃতিত্ব। অসমৰ সংবাদ জগতলৈ আসাম বিলাসিনীয়ে যি আধ্যাত্মিক ঢল নমাই আনিলে তাৰ প্ৰেৰণাতেই আউণীআটী সত্ৰৰ পৰা ক্ৰমে ১৮৭৬ চনত 'আসাম দীপক' আৰু ১৮৮৮ চনত 'আসাম তৰা' নামৰ দুখন ধৰ্মালোচনীয়ে আত্মপ্ৰকাশ কৰে। একে প্ৰেৰণাতে নগাঁৰত দিহিং সত্ৰৰ পৰাও ১৮৭৬ চনত 'চন্দ্ৰোদয়' নামৰ আন এখন মাহেকীয়া আলোচনী প্ৰকাশ হয়।

সুদীৰ্ঘ ১২ বছৰ কাল প্ৰকাশ হোৱাৰ পিছত সত্ৰত আৰম্ভ হোৱা ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ বাবে সত্ৰ স্থানান্তৰ কৰিব লগা হোৱাত ১৮৮৩ চনত আসাম বিলাসিনীৰ প্ৰকাশ বন্ধ কৰা হয়। তদুপৰি সেই সময়ত আৱিৰ্ভাৱ হোৱা জাতীয়তাবাদী ভাৱধাৰাৰ বাৰ্তালোচনীয়ে ধৰ্মালোচনীৰ চাহিদা কমাই অনাৰ ক্ষেত্ৰটো আলোচনীখনে অৱিহণা যোগাব পাৰে।

আসাম বিলাসিনী বন্ধ হোৱাৰ পাছত যোৰহাটৰ কৃষ্ণকান্ত ভট্টাচাৰ্যই আউনীআটী সত্ৰৰ পৰা প্ৰেছটো যোৰহাটলৈ আনে। কৃষ্ণকান্ত ভট্টাচাৰ্যই সত্ৰাধিকাৰ প্ৰভুক দিয়া কথামতে প্ৰেছটোৰ নাম 'ধৰ্ম প্ৰকাশ যন্ত্ৰ' ই ৰাখি ১৯১৩ চনত যোৰহাটৰ পৰা সাদিনীয়া 'আসাম বিলাসিনী' প্ৰকাশ কৰে। কাকতখনৰ শীৰ্ষ নামটো পূৰ্বৰ দৰেই ৰাখি মাত্ৰ শীৰ্ষ নামটোৰ তলত সংযোজন কৰিছিল "সাদিনীয়া বাতৰি কাকাত' 'SECOND SERIES'। এই কাকতখনে ১৯১৩ চনৰ পৰা ১৯২৫ চনলৈকে চলাৰ পাছত ইয়াৰ প্ৰকাশো চিৰদিনলৈ বন্ধ হ'ল।

স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

# পূৰ্বে প্ৰকাশিত চিলাপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীসমূহ

| বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|
| ১৯৮৪-৮৫ | ৰিংকু দাস | ডিম্বেশ্বৰ গগৈ |
| ১৯৮৮-৮৯ | ৰিণু দাস | বসন্ত কুমাৰ দলে |
| ১৯৯১-৯২ | দেৱকান্ত দেউৰী | বিষ্ণুৰাম কোঁৱৰ |
| ২০০০-০১ | ইন্দ্ৰকান্ত ভঁৰালী | নন্দেশ্বৰ কছাৰী |
| ২০০১-০২ | ৰত্না সৰকাৰ | বিষ্ণুৰাম কোঁৱৰ |
| ২০০৪-০৫ | ভৱানী পেগু | ড° বসন্ত কুমাৰ দলে |
| ২০০৮-০৯ | চন্দ্ৰপ্ৰভা পেগু | বীণা দেৱী |
| ২০১০-১১ | ঝাণ্টীৰাণী দলে | ড° বেবী মৰাং দলে |
| ২০১১-১২ | জেমছ্ দলে | ড° বসন্ত কুমাৰ দলে |
| ২০১৩-১৪ | দিব্য কুলি | ড° বেবী মৰাং দলে |
| ২০১৪-১৫ | প্ৰাঞ্জল বুঢ়াগোহাঁই | ড° বেবী মৰাং দলে |
| ২০১৫-১৬ | কৃষ্ণ বৰগোহাঁই | প্ৰাঞ্জল দাস |
| ২০১৬-১৭ | মৰমী দিহিঙ্গীয়া | প্ৰাঞ্জল দাস |

বিঃদ্ৰঃ— কিছু বছৰৰ আলোচনী প্ৰকাশ কৰিব পৰা নগৈছিল আৰু প্ৰকাশিত কিছু সংখ্যক আলোচনীৰ তথ্য সংগ্ৰহ কৰিব পৰা নগল। তাৰ বাবে আমি দুঃখিত।



# Global Terrorism

**Puja Mallah**

**Meaning:** The concept of terrorism is not a new phenomenon. The word 'Terrorism' comes from the French word 'Terrorisme', and was originally referred specifically, to state terrorism as practised by the French government during the 1793-1794 (Reign of Terror) which comes from a Latin proverb that means to frighten. Terrorism originally derived from the acts committed by a government upon its people usually by killing innocent citizens for political purpose.

This meaning can be traced back to Serger Nechayev, who described himself as a 'terrorist' who founded the Russian terrorist group. These terms are often used as political labels to condemn violence of the threat of violence by certain actors as immoral, indeterminate and injustice or to condemn an entire segment of a population. Those labelled 'terrorists' by their opponents rarely identify themselves such as a separatist freedom fighter, liberator, revolutionary, militant, paramilitary, rebel patriot or any similar meaning word in other languages and culture such as Jihadi, Mujahidin and Fedayeen are similar Arabic words that have entered in the English language.

Thus terrorism means armed violent movement directed against government as well as non-government target involving pre-meditated attack with arms ammunition and explosives against civilians and hostage taking and hijacking. They indulge in murder, kidnapping, looting, shooting or other unlawful activities to serve their purpose. It advocates for a war by proxy launched by some interested groups, parties, states or nations.

**Characteristics:** Brush Hoffman believes that it is possible to identify some key characteristics of terrorism, he proposes that: -

i) Ineluctably political in aims and motives.
ii) Violent or equally important threatens violence.
iii) Designed to have far-reaching psychological repercussions beyond the immediate victim or target.
iv) Perpetrated by sub-national group or non-state entity.

Apart from the above the other inherent characteristics are deliberate forgetting of the common people, unlawful or illegitimacy of their acts of violence etc.

**Causes of global terrorism:** Following are some of the causes responsible for the emergence of terrorism globally.

1. It has become evident that systematic human

right violations for long periods of time are often the cause of conflict and terrorism. Terrorism vis-a-visa Human Right on the face of it appears to be directly across each other.

2. When there is tyranny and wide spread haggled of human rights and people are denied hope of their better future. It becomes a fertile ground for breeding terrorism.

3. The firm belief that violence or its threat is an effective means also breeds terrorism. Another way of saying this is the belief that violent means justify at the ends.

   Many terrorists in history revealed that they had chosen the path of violence after long deliberation, because they felt they had no other choice except violence.

4. Illiteracy is considered as the common cause for the growth of terrorism. Lack of proper education amongst the people has been put forwarded as a prime reason of terrorism. Uneducated persons are easy to be persuaded to commit the crime because they have no high ability of thinking.

5. Injustice is another cause of terrorism. People get offended and hurt by the justice system that they choose to resort to acts of violence in order to protest the on-going injustice. There is no cure to fixing the justice system.

Ensure that everyone is happy, but injustice is a cause of terrorism.

**Various forms of terrorisms:** The concept of terrorisms is not a new phenomenon. It is being an act of use of violence has already taken various forms. Depending on the country, the political system and the time in history the type of terrorism is varying. Following are some of the major forms of terrorism.

1. International Terrorism: International terrorism involves in acts that are violent or dangerous to human life which violate the laws. This kind of terrorism appears to be intended (i) to intimidate or coerce a civilian population (ii) to influence the policy of a government by intimidation or coercion or (iii) to affect the conduct of a government by mass destruction, assassination or kidnapping. It is a warfare which is not confirmed geographically and even takes the activities outside the country of their origin.

2. State terrorism: The state terrorism is the systematic use of terror or violence by a government in order to control its population. It is entirely carried out by the group holding power in a country. It is the original form of terrorism.

3. Non-state terrorism: This is another form of terrorism run by the non-state actors and involves against the government for achieving their goals. They generally involve in terror activities when the government in power set aside or ignore them for peaceful talks to fulfil their desired demands.

4. Separatist terrorism: The separatist terrorism seeks to cause fragmentation within a country to establish a new state. This type of terrorism is typical of minorities within a nation that desire their own, commonly due to discrimination from the majority group.

5. Religious Terrorism: Terrorism is also motivated by religious ideologies and grievances. Religious terrorism is particularly dangerous due to fanaticism of those who practices it and their willingness to sacrifice themselves for the cause. They are more likely to use all in tactics such as suicide bombings.

6. Cyber terrorism: This is the most modern form of terrorism. Like the traditional terrorism, the cyber terrorism aims at erecting security problem and even to cause severe social, political and economic damage. It threatens to target the individual; groups of individuals or government by disrupting to normal working of computers, internet, network etc. Thus the most common methods of cyber terrorism are sending computer viruses, hacking governmental secret database, detecting websites and email etc.

**Impact of terrorism on Human Right**

At present, the most vital issue which challenge human right is terrorism. The clouds of terrorism have

shrouded the beauty of human right on the earth. It is active almost in all the countries in the world in some form or the other. Terrorism and Human Rights cannot co-exist as there is a serious world problem not because of sheer amount of violence involved but because it constitutes a threat to innocent life and right. Its impact can be discussed under the following points:

* Terrorism aims at the very destruction of human rights and democracy. It has an adverse effect on the establishment of the rule of law, undermines pluralistic civil society involves in the destruction of the democratic bases of society and destabilize legitimately constituted government.
* Terrorism has a direct impact on the enjoyment of a number of human rights, in particular the rights life, liberty and physical integrity and right to personal freedom. Terrorism poses a serious law and order problem and leads to disintegration of society.
* Terrorist acts destabilize Government, undermine civil society, jeopardize peace and security, threaten social and economic development and may especially negatively affect certain enjoyment of fundamental human rights.
* Its political impact which jeopardizes friendly relations amongst the states and has a pernicious impact or relation of co-operation among states including co-operation for development. It makes world politics more complicated and difficult.

**Reference Book**

Human Right : Dr. Adibur Rahman, Ashok Publication Panbazar, Guwahati, Nov. 2016

B.A. 6th Semester
Department of Political Science

চিন্তা বিচিত্ৰা



# Tribal & Non-Tribal Politics of North-East India

**Attabulla Haque**

**Tribal & Non-Tribal Politics of North-East India:-**

The term 'North East' India refers to the Eight contiguous state of Arunachal Pradesh, Assam, Meghalaya, Manipur, Mizoram, Nagaland, Tripura and Sikkim. Colloquially referred to as the eight sisters states, they are now joined to the Indian Union in 1975. Though it is geographically interspersed from the region by a part of west Bengal. A complex mosaic of ethnic and linguistic groups, the region harbors more than 166 tribes living in ecologically diverse hilly and forested tracts. The region is characterized by marked cultural differences from the cultures of the mainland India in terms of linguistic, tribal, religious and caste textures. Among the four linguistic families of India, Northeastern languages belong to the Tibeto- Burman stock.

In British India, Sikkim remained a Protectorate and Manipur and Tripura Princely State that merged with India in 1949 while the rest of the Northeast was amalgamated with Assam with incomplete integration, which is signaled by terms like 'excluded' or partially excluded areas. The uniqueness is signified by the facts of the legislations and institutions like the North eastern council Act 1971, Setting up a model agency for the economic development of the region, with a Secretariat of its own, and a separate union Ministry of development of North eastern region created since 2001.

Pre-existing discrete tribal self perceptions have been under going a complex Process of formation and reformation of identities indicated by Hinduiasation, Conversion to Christianity, endemic demands for official recognition as scheduled Tribe and assumed and asserted affinity to the Naga tribe, Which itself was a convenient British colonial way of labeling the tribes in Khashi hills area.

The North east region has also been affected by Persistent and vexatious illegal immigrants from Bangladesh in the whole region, especially in Assam, where there emerged a strong anti-foreigners movement in the lates 1970s to the mid- 1980s which was sought to be contained by the Assam Gana Parishad and the union government under Prime Minister Rajiv Gandhi in 1985. The Supreme Court of India in the sonowal case called it a virtual demographic aggression but a political solution, despite the recent Indo-Bangladesh land transfer agreement is yet to be seen.

After a year of impasse, the national Democratic

Alliance (NDA) government of Prime Minister Atal Behari Vajpayee and Narendra Modi were able to cut some ice and resume talks with the Muivah fractions of the National Socialist Council of Nagaland (NSCN) but the splinter NSCN Khaplang faction with its Base in Myanmar has not been a part of this move.

**Government of North east**

The North eastern States having 3.8% of India's total population, are allotted 25 out of a total of 543 seats in the Loksabha. This is 4.6% of the total no of seats.


| **State** | **Capital** | **C.M (2015)** | **Governor (2015)** |
|---|---|---|---|
| Arunachal Pradesh | Itanagar | Pema Khandu | Jyoti Prasad Rajkhuwa |
| Assam | Dispur | Sarbananda Sonowal | Banwarila Purohit |
| Manipur | Imphal | Okram Ibobi Singh | Shri. V.Shanmuganathan |
| Meghalaya | Shillong | Mukul Sangma | Shri. Keshari Nath Tripathi |
| Mizoram | Aizawl | Lal Thanhawla | Lt. General (Retd) Nirbhay Sharma |
| Nagaland | Kohima | T.R. Zeliang | P. Balakrishna Acharya |
| Tripura | Agartala | Manik Sarkar | Shri. Tathagata Ray |
| Sikkim | Gangtok | P.K. Chamling | Shriniwas Dadasaheb Patil |

***Reference : Gogoi, Purandar***

B.A 4th Semester
Department of Political Science

# Intolerance

**Memon Ahmed**




Intolerance is the unacceptable situation for people to accept the views, beliefs or behaviour which differs from their own. Intolerance is the unwillingness of accepting beliefs, behaviour or practice of someone, different person related to caste, religion or custom. It may give rise to the high level hate, crimes and discrimination in the society. It gives rise to the property of refusal in the mind and heart of any person to refuse, disallow or deny something happening against, does not allow people to live with equality or other social rights.

Intolerance in the society generally arises due to the caste, culture, gender, religion or any unbearable practice. Israelite, Jews and Palestinians are the best examples of high degree of intolerance because of the various issues of identity, self-determination, security, statehood etc. Intolerance between them is resulted in continious inter-group violence. On the other hand, tolerance is the good or noble quality in the society even after the existence of diversity. It appreciates people for the ability to live as well as let others live unitedly irrespective of religion, caste, creed, etc.

Intolerance disallows a person to go together, follow or bear the practice or opinions by the people of different religion, caste or nationality from ones.

"Tolerance is not just agreeing with one another or remaining indifferent in the face of injustice but rather showing respect for the essential humanity in every person."

Tolerance is considered as the good quality of a man and it is of utmost necessary to make a society. However, intolerance leads a person, people or society to the worst disaster. If we have a look into the history and mythology, we will see variety of horrible acts of simple things like someone cannot bear the importance of his/her close ones in the eye of most effective person. One of the historical intolerance acts is Aurangzeb, who killed many Hindu people under the feet of elephants as he developed intolerance to the Hinduism etc.

Intolerance is a bed quality which leads a person society or country towards disaster. On the other hand people with tolerance can live in the society with quality even after being different in caste, religion, opinion and practice. Tolerance is a power which makes people able to do justice by hearing and accessing the different views of others. Democratic countries have tolerance as an indispensable quality. Being a tolerant person helps in tolerating any bitter condition in the surrounding areas. Habit of tolerance is the individual culture of every citizen in India. Tolerance is an essential quality of painless life.

One word that dominated the year 2015 was 'intolerance'. It was part of national headline in all the

newspaper and television channels. It was trending on social media and it was even a topic of debate in the parliament.

Some incidents which made people of the country to use the word 'intolerance' were

i) Holy Cow/Ban on beef by Several state governments.

ii) Death in Dadri. Man lynched to death on suspicion of eating beef.

iii) Shiv Sena and the anti-Pakistan protest.

iv) Award wapsi; writers, artists and scientists take a stand.

v) Shahrukh Khan comments on intolerance.

vi) And Aamir Khan also comments on intolerance.

vii) The censor scissor is very sharp. The media played a vital role.

viii) Mayhem in Cuttack.

ix) AASU office attacked at Silapathar by the Bengalis.

On 6th March the incident that happened at Silapathar is the example of intolerance between the two community. It happened because of intolerance amongst the people.

'Unity in diversity' is based on the concept where the individual or social difference in physical attributes, colour, caste, creed, cultural and religious practice etc. are not looked upon as a conflict rather these differences are looked upon as varieties that enrich the society and the nation as a whole.

We need to stop intolerance by being tolerant and understanding each other.

B.A. 2nd Semester
Department of Political Science

চিন্তা বিচিত্ৰা



# The 56th Annual Conference of Bodo Sahitya Sabha

**Manisha Wari**

The 56th Annual Conference of Bodo Sahitya Sabha was held on 4th, 5th, 6th and 7th February, 2017 in Satish Basumatary (S.B) Bodo High and M.E. School playground. Sanjari Nwgwr, Simen Chapori, Dhemaji, Assam.

The motto of this Annual conference is to spread out the Bodo language all over the world as it is written in the symbol of Bodo Sahitya Sabha 'बर शव गेवलांयो' (बर) Bodo (शव)language (गेवलांयो) spread.

As the programme started from 4th of February 2017, on this day not much was there except the opening ceremony of all pandals, like opening of the main gate, the main stage, exhibition, delegate hall etc. The opening was made by different chairpersons.

And on 5th February the programme followed by the flag hoisting by Dr. Kameswar Brahma, the president of Bodo Sahitya Sabha and followed by the remembrance of the martyrs. Some popular politicians attended and they were able to get great respect by Bodo Sahitya Sabha. Honourable Forest Minister Promila Rani Brahma, arrived and delivered attractive speech. More than 50 members of Assembly including Arunachal Pradesh, B.T.C. etc. attended the programme. There after the prize distribution was done from different department.

1) Swrba Subung Bihuram Boro, writer Award-2017
2) Rwngswar writer Award-2016.
3) Sanjwrang Longkaswar Brahma traditon Award-2016.
4) Sanaswari Brahma writer Award-2016.
5) Habraghat Prize-2017.
6) And prize presentation for the students getting highest percentage in HSLC -2016
7) And same for the students getting highest percentage in H.S. final examination 2016
8) Sahitya Academy Award.
9) Sahitya Academy Award-2016.
10) Sahitya Academy language translation Award-2016.
11) Sahitya Academy child writer Award-2016.

At 3.00 P.M. the delegate meeting started. In this delegate meeting all the history and future of the Bodo were discussed. And after this music evening started. So many local singers entertained the audience by singing varieties of songs like Boro, Assamese, Hindi etc.

And on 6th February at 6 A.M 2nd delegate meeting was held. And after the delegate meeting of 2nd phase, the traditional dances from different tribes like, Bodo. Rabha, Dimasha, Missing, Garo, Tiwa, Karbi, Deori, Assamese, Nepali and Bengali took place and after that last phase of delegate meeting started.

On 7th February the meeting of different regional Sabitya Sabhas was inaugurated by Bhuban Pegu, the local MLA. Renowned personalities from various literary organisations of the state such as Karbi Sahitya Sabha, Missing Sahitya Sabha, Rabha Sahitya Sabha, Dimasha Sahitya Sabha, Garo Sahitya and Bodo Sahitya Sabha. A number of guests and dignitaries such as, Assam Chief Minister Sarbananda Sonowal, BTAD Chief Hagrama Mohilary, Dr. Himanta Biswa Sharma (Minister, Education, Health, Finance, Etc.), were present in the open session. The Chief Guest was Professor Kazuyuki Kiryu from Japan and he delivered a valuable speech on the Bodo Tribes.

The Bodo Sahitya Sabha also organised an exhibition which included cultural phenomenon of all tribes alongwith ethic food festival, handloom, handicrafts etc.

The conference ended with a splendid cultural night in which a number of Bodo artist from different part of the state performed varieties of cultural items. The performance of Masoom Narzary, runners of national Talent Show Super Dancer added a glamour to the show. The conference ended with success on 7th February mid night.

---

B.A. 4th Semester
Department of English



# সফল জীৱনৰ সন্ধানত

টংকেশ্বৰ পেগু

সফল জীৱনৰ সন্ধান সকলোৱে কৰে। কিন্তু সফলতা অৰ্জন কৰে নিৰ্দিষ্ট কেইজনমানেহে। সফলতাৰ পথত থাকে হেজাৰ বাধা। এনে বাধা নেওচি প্ৰাপ্তিৰ লক্ষ্যত উপনীত হোৱাজনকহে জীৱনত সফল বুলি স্বীকৃতি প্ৰদান কৰে সমাজে। সফলতাৰ সপোন দেখি হাত সাৱটি বহি থকাজনে কেতিয়াও লক্ষ্যস্থানত উপনীত হ'ব নোৱাৰে। ইয়াৰ বাবে লাগিব আনে নকৰা কিবা এটা কৰি দেখুওৱাৰ দৃঢ়তা আৰু এটা উদাসীন মন। কিয়নো জীৱন যুদ্ধৰ পথ কণ্টকময়। সফল জীৱনৰ সন্ধান কৰা প্ৰতিজনে সপোনৰ বাটত এনে বহুতো বাধাৰ সন্মুখীন হয়। এই বাধাৰ বাবেই আধা বাটৰ পৰাই উভতিব লগীয়া হয় হেজাৰ জনে। কিন্তু তাৰ মাজতো সকলো প্ৰত্যাহ্বান নেওচি আগবাঢ়ি যায় কিছু সংখ্যকে।

öÂ‡î Â › ¶MÃ 1±Ç‡Ñ¿ ÂëÂ এ. পি. জে. আব্দুল কালামৰ মতে জীৱনটো হৈছে এক বোৱতী সুঁতি, প্ৰতিটো দিনেই অনুপম দিন, প্ৰতিটো কৰ্মৰে আছে সুকীয়া প্ৰত্যাহ্বান। আমি নিজ নিজ কৰ্মক ভাল পাবলৈ শিকিব লাগিব আৰু তাৰ প্ৰতিটো মুহূৰ্ত উপভোগ কৰিব লাগিব।

সঁচাকৈয়ে জীৱন যুদ্ধৰ পথ একা-বেঁকা, খলা-বমা। পৃথিৱীত থকা সকলো প্ৰাণীয়েই সফল জীৱনৰ কামনা কৰোঁ। কিন্তু সকলোৱে কামনা কৰিলেও সফল জীৱনৰ সন্ধান লাভ নকৰে সকলোৱে।

বিখ্যাত সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনীখনৰ নাম 'জীৱন জীৱন বৰ অনুপম'। জীৱন সঁচাই অনুপম অথচ দুষ্প্ৰাপ্য বুলি এই কাৰণেই কোৱা হৈছে যে, কিয়নো মৃত্যুৰ পিছত জীৱনটোক ঘুৰাই পোৱাৰ নিশ্চয়তা নেথাকে। নতুবা কোনোৱে জীৱনটোক ঘুৰাই দিম বুলি ক'ব নোৱাৰে। জীৱন সঁচাকৈয়ে বৰ অনুপম, অনুপম হ'লেও কৰ্ম কৰি জীৱনটোক আগুৱাই লৈ যাব লাগিব। প্ৰখৰ ৰ'দকো নেওচি মূৰৰ ঘাম মাটিত পেলাই কৰ্ম তৎপৰ হৈ থকা ৰাস্তাৰ বনুৱা, কৃষক, কয়লাখনিৰ শ্ৰমিক, উদ্যোগ, কাৰখানাৰ শ্ৰমিক, নতুবা আফ্ৰিকা, ফ্ৰান্স, জাৰ্মানী, ছিৰিয়াৰ শৰণাৰ্থীসকলে দুৰ্বিষহ জীৱন ধাৰাৰ মাজতো জীয়াই থকাৰ হেঁপাহ আছে। আমাৰ সমাজত বহু ছাত্ৰ-ছাত্ৰীয়ে জীৱন যুদ্ধৰ আৰম্ভণিতে হতাশাত ভোগে। অনেকে জীৱনটোক লৌহ পিঞ্জৰাত আৱদ্ধ পখী বুলি গণ্য কৰে। আকৌ আন কিছুমানে নিজৰ জীৱনটোক লক্ষ্য স্থিৰ কৰিব নোৱাৰি নিচা জাতীয় দ্ৰব্য যেনে- মদ, ভাং, চিগাৰেট, ডেনড্ৰাইট, ড্ৰাগছ আদি সেৱন কৰি নিজৰ জীৱনটোক ধ্বংস কৰা অনেক ছাত্ৰ-ছাত্ৰীক দেখা পাওঁ।

আচলতে নিজৰ জীৱনটোৰ লক্ষ্য স্থিৰ কৰিব নোৱাৰি নিচাযুক্ত দ্ৰব্য সেৱন কৰা ছাত্ৰ-ছাত্ৰীবোৰক আমি মানুহ বুলি আখ্যা দিব নোৱাৰোঁ। আমি তেওঁলোকক অধম, নৰ-পিশাচৰ লগত তুলনা কৰিব পাৰি। আমি উঠি অহা যুৱ প্ৰজন্মৰ ধ্বংসৰ মূল কাৰণ হিচাপে পশ্চিমীয়া সংস্কৃতিৰ পয়োভৰক নিন্দা কৰিব পাৰোঁ বা গৰিহনা দিব পাৰোঁ।

এজন ভাল ছাত্ৰই কেতিয়াও নিজৰ জীৱনটো হতাশাত বা নিৰাশাত ভুগিব নিদিয়ে। আমি প্ৰত্যেকে নিজৰ জীৱনটোক সুন্দৰ ৰূপে গঢ়িবৰ কাৰণে জ্যেষ্ঠজনৰ সকলো পৰামৰ্শ মানি চলিব লাগিব। সৰুক মৰম কৰিব লাগিব। আমি প্ৰত্যেকেই স্বাধীন চিতীয়াভাৱে চলিব লাগিব। আমি স্বাধীনভাৱে চলোতে আনৰ যাতে একো ক্ষয় ক্ষতি নহয় তাৰ প্ৰতিও আমি গুৰুত্ব দিব লাগিব।

আমি সকলোৱে নিজৰ জীৱনটো সুন্দৰ ভাৱে সজাই পৰাই তুলিবৰ বাবে সপোন দেখিবও লাগিব। আমি সকলোৱে এনেকুৱা ধৰণৰ সপোন দেখিব লাগিব যে, আমি কল্পনা কৰা বস্তুবোৰ বাস্তৱায়িত কৰিব পাৰোঁ।

আজিৰ এই প্ৰতিযোগিতামুখী বিশ্বত নিজকে প্ৰতিষ্ঠিত কৰিবৰ বাবে আমি সকলোৱে জীৱন যুদ্ধৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব লাগিব।

কষ্ট, ত্যাগ, শিষ্টাচাৰ, অধ্যৱসায়, শৃঙ্খলাবোধ, সময়ানুৱৰ্তিতা, মিতব্যয়িতা সহিষ্ণুতা আদি গুণবোৰ আয়ত্ব কৰিলেহে আমি ভৱিষ্যতে সফল জীৱনৰ সন্ধান লাভ কৰিব পাৰিম বুলি ক'ব পাৰি।

স্নাতক দ্বিতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ



# কেইটামান কেৰিয়াৰ

**বুলজিৎ বুঢ়াগোহাঁই**

কোনো পাতনি নেমেলাকৈ এই প্ৰবন্ধত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ কেৰিয়াৰ সম্পৰ্কে কিছু কথা অৱগত কৰিব বিচাৰিছোঁ।

**মিউজিঅ'লজী (Museology) ঃ**

মিউজিঅ'লজী (Museology) পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে এটা সুন্দৰ কেৰিয়াৰ পঢ়িব পাৰে। মিউজিঅ'লজী পাঠ্যক্ৰমত মিউজিয়ান সংগঠন, পৰিচালনা আদিৰ বিষয়ে অধ্যয়ন কৰা হয়। মিউজিঅ'লজী পাঠ্যক্ৰম সাধাৰণতে স্নাতকোত্তৰ স্তৰত পঢ়োৱা হয়। ইয়াৰ উপৰিও মিউজিঅ'লজী'ত প'ষ্ট গ্ৰেজুৱেট পাঠ্যক্ৰম অধ্যয়ন কৰাৰ সুবিধা আছে।

এজন সফল মিউজিঅ'লজিষ্ট হ'বলৈ প্ৰাৰ্থীগৰাকীৰ কিছুমান গুণ থকা দৰকাৰ যেনে— অত্যুৎসাহী, বিষযটোৰ প্ৰতি প্ৰকৃত আগ্ৰহ, বিভিন্ন শ্ৰেণীৰ মানুহৰ লগত যোগাযোগ ৰক্ষা কৰিব পৰা দক্ষতা থকা, ভাল যোগাগোষ দক্ষতা থকা আদি।

মিউজিঅ'লজী পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা কেইখনমান শিক্ষানুষ্ঠান হ'ল— আলিগড় মুছলিম বিশ্ববিদ্যালয় (www.amu.ac.in), বেনাৰস হিন্দু বিশ্ববিদ্যালয় (http://www.bhu.ac.in), জিৱাজি বিশ্ববিদ্যালয় (http://jiwaji.edu), এম.এচ. ইউনিভাৰ্চিটি অৱ বৰ'ডা (www.msubaroda.ac.in), নেচনেল মিউজিয়াম ইনষ্টিটিউট (http://nmi.gov.in) ওছমানিয়া বিশ্ববিদ্যালয় (www.osmania.ac.in), কলকতা বিশ্ববিদ্যালয় (www.caluniv.ac.in) আদি। এই শিক্ষানুষ্ঠানবোৰত মিউজিঅ'লজীৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তি কৰিব বাবে প্ৰয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰৰ ৱেবছাইটত চাব পাৰে।

মিউজিঅ'লজী পাঠ্যক্ৰম অধ্যয়ন কৰি ভাৰত চৰকাৰ তথা অসম চৰকাৰৰ অধীনৰ বিভিন্ন শ্ৰেণীৰ মিউজিয়ামত নিযুক্তি লাভ কৰিব পাৰে। ইয়াৰ উপৰিও বেচৰকাৰী খণ্ডৰ মিউজিয়ামবোৰতো নিযুক্তি লাভ কৰিব পাৰে। মিউজিঅ'লজী বিষয়ত অধ্যাপক হিচাপে কেৰিয়াৰ আৰম্ভ কৰিব পাৰে।

**নৃতত্ত্ব (Anthropology) ঃ**

নৃতত্ত্ব বিষয়ত মানুহৰ ক্ৰমবিকাশ তথা ভৌতিক আৰু সাংস্কৃতিক পৰিবৰ্তনৰ বিষয়ে অধ্যয়ন কৰা হয়। নৃতত্ত্বৰ কেইবাটাও শাখা, যেনে— এপলাইড এনথ্ৰপলজি (Applied Anthropology), আৰকিঅলজি (Archeology), বায়লজিকেল এনথ্ৰপলজি (Biological Anthropology), বিজিনেচ এনথ্ৰপলজি (Business Anthropology), ফৰেনছিক এনথ্ৰপলজি (Forensic Anthropology), লিংগুইষ্টিক এনথ্ৰপলজি (Linguistic Anthropology), মেডিকেল এনথ্ৰপলজি (Medical Anthropology), ফিজিকেল এনথ্ৰপলজি (Physical Anthoropology), প্ৰিহিষ্টোৰিক এনথ্ৰপলজি (Prehistoric Anthropology), ছচিয়-কালচাৰেল এনথ্ৰপলজি (Socio-Cultural Anthropology) আৰু ভিজুৱেল এনথ্ৰপলজি (Visual Anthropology)।

এজন সফল নৃতত্ত্ববিদ হবলৈ হ'লে প্ৰাৰ্থীগৰাকীৰ কিছুমান গুণ থকা দৰকাৰ, যেনে— বিষয়টি প্ৰতি প্ৰকৃত আগ্ৰহ, কষ্ট কৰাৰ মানসিকতা, যথেষ্ট ধৈৰ্য্য ধৰিব পৰা মানসিকতা, বিভিন্ন শ্ৰেণীৰ মানুহৰ লগত যোগাযোগ ৰক্ষা কৰিব পৰা দক্ষতা থকা, ভাল যোগাযোগ দক্ষতা থকা, সঠিক ভাবে লিখিব পৰা দক্ষতা আদি।

'নৃতত্ত্ব' পঢ়ি ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰ গঢ়িব পাৰে। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিক বিজ্ঞান অথবা কলা শাখাৰ চূড়ান্ত পৰীক্ষাত উৰ্ত্তীণ হোৱা পিছত 'নৃতত্ত্ব'ৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তি কৰিব পাৰে। ইয়াৰ উপৰিও নৃতত্ত্ব'ত স্নাতকোত্তৰ আৰু পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰা সুবিধা আছে।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো 'নৃতত্ত্ব'ত শিক্ষা গ্ৰহণ কৰিব পৰা শিক্ষানুষ্ঠান আছে। অসমৰ অসম বিশ্ববিদ্যালয় (http://www.aus.ac.in)ৰ ডিফু কেম্পাচত 'নৃতত্ত্ব' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ৩০ খন আৰু ইয়াত পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰাৰ সুবিধা আছে। কটন কলেজ বিশ্ববিদ্যালয়ত (http://www.cottonuniversity.ac.in) 'নৃতত্ত্ব' বিষয়ৰ স্নাতক পাঠ্যক্ৰমত আসনৰ সংখ্যা ২০ খন আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ১২ খন। ডিব্ৰুগড় বিশ্ববিদ্যালয় (http://www.dibru.ac.in)ত 'নৃতত্ত্ব' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ২০ খন আৰু পি.এইচ.ডি. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা আছে।

অসমৰ বাহিৰৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল— অন্ধ্ৰ বিশ্ববিদ্যালয় (http://www.andhrauniversity.edu.in/), ড° হৰিসিং গৌৰ বিশ্ববিদ্যালয় (http://www.dhsgsu.ac.in), হেমৱাটি নন্দন বহুগুনা গাৰহৱাল বিশ্ববিদ্যালয় (http://hnbgu.ac.in/), কৰ্ণাটিক বিশ্ববিদ্যালয় (http://www.kud.ac.in/), মণিপুৰ বিশ্ববিদ্যালয় (http://en.manipuruniv.ac.in/), উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয় (http://www/nehu.ac.in/), পণ্ডিত ৰবিবশংকৰ শুক্লা বিশ্ববিদ্যালয় (www.prsu.ac.in/), পুনে বিশ্ববিদ্যালয় (http://www.unipune.ac.in), পঞ্জাৱ বিশ্ববিদ্যালয় (http://puchd.ac.in/), ৰাজীৱ গান্ধী বিশ্ববিদ্যালয় (www.rgu.ac.in/), ৰাঁচী বিশ্ববিদ্যালয় (htpp:/www.ranchiuniversity.ac.in/), সম্বলপুৰ বিশ্ববিদ্যালয়, শ্ৰী বিশ্ববিদ্যালয় (http://www.svuniversity.ac.in), এলাহাবাদ বিশ্ববিদ্যালয় (http:/www.allduniv.ac.in), কলকাতা বিশ্ববিদ্যালয় (www.caluniv.ac.in), দিল্লী বিশ্ববিদ্যালয় (www.du.ac.in/), হায়দৰাবাদ বিশ্ববিদ্যালয় (http://www.uohyd.ac.in), মহীশূৰ বিশ্ববিদ্যালয় (http://www.unimysore.ac.in), ৰাজস্থান বিশ্ববিদ্যালয় (http://www.uniraj.ac.in), উৎকল বিশ্ববিদ্যালয় (http://utkaluniversity.nic.in), বিদ্যাসাগৰ বিশ্ববিদ্যালয়, (vidyasagar.ac.in/), বিশ্বভাৰতী বিশ্ববিদ্যালয় (http://www.visvabharati.ac.in/) আদি।

'নৃতত্ত্ব' বিষয়ৰ আনুসংগকি কেৰিয়াৰবোৰ হ'ল— কেন্দ্ৰীয় চৰকাৰৰ বিভাগত নিযুক্তি লাভ কৰে যেনে— Commission for Scheduled Castes, Planning Commission, Commission on Schedule Tribes, Archaeological Survey of India, Indian Council of Medical Research (ICMR), Minority Commission, Other Backward Classes Commission, Police Department আদি। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগত 'নৃতত্ত্ব' বিষয়ৰ পাৰদৰ্শীসকলে নিযুক্তি লাভ কৰা দেখা যায়। মিউজিয়ামবোৰতো 'নৃতত্ত্ব' বিষয়ত অধ্যয়ন কৰা সকলে নিযুক্তি লাভ কৰে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংস্থান, যেনে— UNESCO, UNICEF, WHO আদিৰে নৃতত্ববিদ নিযুক্তি দিয়ে। মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে কেৰিয়াৰ আৰম্ভ কৰিব পাৰে। সাংবাদিক হিচাপে কেৰিয়াৰ আৰম্ভ কৰিব পাৰে। 'নৃতত্ত্ব'ৰ ওপৰচ গৱেষণাত এটা কেৰিয়াৰ হ'ব পাৰে। টুৰিষ্ট গাইডো হ'ব পাৰে।

**সাংবাদিকতা (Journalism) ঃ**

বৰ্তমান এটা জনপ্ৰিয় পাঠ্যক্ৰম হ'ল— সাংবাদিকতা পাঠ্যক্ৰম। এইটা কথা উল্লেখ কৰা ভাল যে সাংবাদিক হোৱাৰ বাবে সাংবাদিকতাৰ পাঠ্যক্ৰম পঢ়িবই লাগিব কোনো ধৰা বন্ধা কথা নাই। সাংবাদিকতা পাঠ্যক্ৰম প্ৰথাগত পদ্ধতি অথবা দূৰ শিক্ষাৰ জৰিয়তে পঢ়িব পাৰি। এতিয়া কথা হ'ল— যি পদ্ধতিৰে সাংবাদিকতা পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰক বা নকৰক কিয়, সাংবাদিক হ'ব বিচৰা গৰাকীয়ে প্ৰমাণ কৰি দেখুৱাব লাগিব যে তেওঁৰ তেনে ধৰণৰ কাম কৰিবৰ বাবে যোগ্য।

এজন সফল সাংবাদিক হবলৈ কিছুমান দক্ষতা থকা দৰকাৰ, যেনে— ভাল যোগাযোগ দক্ষতা থকা, বিভিন্ন ধৰণৰ বাতৰি উৎসৰ লগত সংস্পৰ্শ থকা, নেতৃত্বসুলভ গুণ থকা, সকলো ধৰণৰ ৰাজনৈতিক তথা সাম্প্ৰতিক ঘটনা প্ৰবাহৰ বিষয়ে সচেতন হোৱা, সঠিক আৰু চমুকৈ লিখিব পৰা দক্ষতা, প্ৰখৰ বুদ্ধি, উন্নত চিন্তাধাৰা, গভীৰ অধ্যয়ন, সাহস বিশ্লেষণ ক্ষমতা, কষ্ট কৰাৰ মানসিকতা আদি গুণ থকা প্ৰয়োজন।

বিভিন্ন বিভাগৰ জাৰ্ণেলিজিম বা সাংবাদিকতাৰ পাঠ্যক্ৰম আছে। এইবোৰ ভিতৰৰ কিছুমান হ'ল— পলিটিকেল জাৰ্ণেলিজিম, ছাইন্স জাৰ্ণেলিজিম, বিজিনেচ জাৰ্ণেলিজিম, স্প'ৰ্টছ জাৰ্ণেলিজিম, ফটো জাৰ্ণেলিজিম, মাৰ্কেটিং জাৰ্ণেলিজিম, ক্ৰাইম জাৰ্ণেলিজিম, ইনভেষ্টিগেট জাৰ্ণেলিজিম, ইক'ন'মিক্স জাৰ্ণেলিজিম, লাইফষ্টাইল জাৰ্ণেলিজিম ইত্যাদি।

উচ্চতৰ মাধ্যমিক (কলাবাণিজ্যবিজ্ঞান) চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা পিছত সাংবাদিকতাৰ পাঠ্যক্ৰম নাম ভৰ্তি কৰিব পাৰে। সাংবাদিকতাৰ চাৰ্টিফিকেট, ডিপ্লমা, স্নাতক, স্নাতকোত্তৰ আৰু পি. এইচ. ডি. পাঠ্যক্ৰম কৰিব পাৰি।

দেশৰ বিভিন্ন স্থানৰ অসমতো সাংবাদিকতা শিক্ষা গ্ৰহণ কৰিব পৰা বহুত শিক্ষানুষ্ঠান আছে। সাংবাদিকতাৰ পাঠ্যক্ৰম তথা প্ৰশিক্ষণ আগবঢ়োৱা অসমৰ শিক্ষানুষ্ঠান কেইখনমান হ'ল— গুৱাহাটী বিশ্ববিদ্যালয় (www.gumasscom.org), তেজপুৰ বিশ্ববিদ্যালয় (www.tezu.ernet.in), অসম বিশ্ববিদ্যালয় (www.aus.ac.in), ডিব্ৰুগড় বিশ্ববিদ্যালয় (www.dibru.ac.in), অসম মহিলা বিশ্ববিদ্যালয় (www.awu.ac.in), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (www.kkhsou.in), ড° ভূপেন হাজৰিকা গণসংযোগ আৰু সাংবাদিকতা কেন্দ্ৰ, কটন কলেজ (http://edccottoncollege.org), দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয় (www.idolgu.in), অসম সাংবাদিকতা বিদ্যালয়, গুৱাহাটী আদি।

গুৱাহাটী বিশ্ববিদ্যালয়ত 'সাংবাদিকতা' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ৩০ আৰু চাৰ্টিফিকেট পাঠ্যক্ৰমত আসনৰ সংখ্যা ৩০। এই পাঠ্যক্ৰম দুটাত নাম ভৰ্তি প্ৰৱেশ পৰীক্ষা আৰু সাক্ষাৎকাৰ তথা পাঠ্যক্ৰমবোৰৰ বাবে আৱশ্যক হোৱা নিম্নতম শিক্ষাগত অৰ্হতাৰ নম্বৰ ভিত্তিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত 'সাংবাধিকতা' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্য ৩৬। এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে শিক্ষাগত অৰ্হতা হ'ল— যিকোনো শাখাৰ স্নাতক পৰীক্ষাত যিকোনো বিষয় মেজৰ/অনাৰ্ছ হিচাপে লৈ ৪৫ শতাংশ নম্বৰৰ সৈতে উত্তীৰ্ণ হ'ব লাগে। যিসকল প্ৰাৰ্থীৰ মেজৰ/অনাৰ্ছ নাই, তেওঁলোকে এগ্ৰিগেট অতি কমেও ৫০ শতাংশ নম্বৰ সৈতে উত্তীৰ্ণ হ'ব লাগে। এই পাঠ্যক্ৰমত নামভৰ্তি প্ৰৱেশ পৰীক্ষা, গ্ৰুপ ডিস্কাচন আৰু সাক্ষাৎকাৰ ভিত্তিত হয়। তেজপুৰ বিশ্ববিদ্যালয়ত 'সাংবাদিকতা' বিষয়ত পি.এইচ.ডি. আৰু Mobile and Multimedia Communication বিষয়ত প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা। অসম বিশ্ববিদ্যালয়ত 'সাংবাদিকতা' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ৪৬ আৰু প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰমৰ আসনৰ সংখ্যা ১৫। অসম বিশ্ববিদ্যালয়ত 'সাংবাদিকতা' বিষয়ত এম.ফিল., পি.এইচ.ডি. আৰু ডি. লিট. পাঠ্যক্ৰম অধ্যয়ন কৰিব পৰা সুবিধা। স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে শিক্ষাগত অৰ্হতা হ'ল— যিকোনো শাখা (কলা, বাণিজ্য বা বিজ্ঞান)ৰ স্নাতক পৰীক্ষাত যিকোনো বিষয় মেজৰ/অনাৰ্ছ হিচাপে লৈ ৪৫ শতাংশ সৈতে উত্তীৰ্ণ হ'ব লাগে। যিসকল প্ৰাৰ্থীৰ মেজৰ/অনাৰ্ছ নাই, তেওঁলোকে এগ্ৰিগেট অতি কমেও ৫০ শতাংশ সৈতে উত্তীৰ্ণ হ'ব লাগে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত 'সাংবাদিকতা' বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত আসনৰ সংখ্যা ৫০ আৰু প'ষ্ট গ্ৰেজুৱেট ডিপ্ল'মা পাঠ্যক্ৰমৰ আসনৰ সংখ্যা ৫০। এই পাঠ্যক্ৰম দুটাত নাম ভৰ্তি প্ৰৱেশ পৰীক্ষা আৰু পাঠ্যক্ৰমবোৰৰ বাবে আৱশ্যক হোৱা নিম্নতম শিক্ষাগত অৰ্হতাৰ নম্বৰ ভিত্তিত হয়।

অসমৰ বাহিৰৰ কেইখনমান শিক্ষানুষ্ঠান হ'ল— ইণ্ডিয়ান ইনষ্টিটিউট অৱ মাছ কমিউনিকেছন (www.iimc.nic.in), জামিয়া মিলিয়া বিশ্ববিদ্যালয় (http://ajkmcrc.org), ছিমবায়'ছিছ ইনষ্টিটিউট অৱ মিডিয়া এণ্ড কমিউনিকেছন (www.simc.edu/), পুনে

বিশ্ববিদ্যালয় (www.unipune.ac.in), কলকতা বিশ্ববিদ্যালয় (www.caluniv.ac.in), বেনাৰস হিন্দু বিশ্ববিদ্যালয় (www.bhu.ac.in), ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুকলি বিশ্ববিদ্যালয় (http"//rcguwahati.ignou.ac.in), এছিয়ান কলেজ অৱ জাৰ্ণেলিজিম (www.asianmedia.org), ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছ'চিয়েল কমিউনিকেছন (http://scmsophia.com), পুণে বিশ্ববিদ্যালয় (http://unipune.ac.in), লেডী শ্ৰীৰাম কলেজ (htt://lsr.edu.in), খ্ৰীষ্ট বিশ্ববিদ্যালয় (www.christuniversity.in), ইন্দ্ৰপ্ৰস্থ কলেজ ফৰ ৱমেন (http://ipcollege.ac.in), জেভিয়াৰ ইনষ্টিটিউট অৱ কমিউনিকেছন (www.xaviercomm.org), হায়দৰাবাদ বিশ্ববিদ্যালয় (www.commuoh.in), মনোৰমা স্কুল অৱ কমিউনিকেছন (www.manoramajschool.com), এমিটি স্কুল অৱ কমিউনিকেছন (www.amity.edu), মুদ্ৰ ইনষ্টিটিউট অৱ কমিউনিকেছন (www.mica.ac.in), ভাৰতীয় বিদ্যা ভৱন (http://bhavansvc.org/) আৰু লগতে উল্লেখ কৰা ভাল হ'ব যে পঞ্জাৱ কৃষি বিশ্ববিদ্যালয় (www.pau.edu)ত মাথোঁ বিজ্ঞানৰ স্নাতকৰ বাবে সাংবাদিকতাৰ দুবছৰৰ বাবে পাঠ্যক্ৰম আগবঢ়োৱা হয়।

এই শিক্ষানুষ্ঠানবোৰত সাংবাদিকতাৰ পাঠ্যক্ৰমত নাম ভৰ্তি কৰিব বাবে প্ৰয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰৰ ৱেবছাইটত চাব পাৰে। লগতে নাম ভৰ্তিৰ বাবে বিজ্ঞাপন বাতৰি কাকতত প্ৰকাশ হয়।

সাংবাদিকতা পাঠ্যক্ৰম সমাপ্ত কৰা পিছত ছপা ইনেক্ট্ৰনিক— দুইটা মাধ্যমতো চাকৰি পায়।

সাংবাদিকতা পাঠ্যক্ৰম শেষ কৰাৰ পিছত চাৰকাৰী-বেচৰকাৰী সংবাদ সংস্থা, ভিন্ন প্ৰতিষ্ঠানৰ জনসংযোগ বিভাগ, বাতৰি কাকত, আলোচনী, ৰেডিঅ, টি.ভি. চেনেল আদিত চাকৰি পায়। মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে কেৰিয়াৰো আৰম্ভ কৰিব পাৰে।

সহকাৰী অধ্যাপক, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ
জি.আই.এম.টি., গুৱাহাটী- ৭৮১০১৭, অসম
ফোন নং ঃ ৯৮৩৫১৮৮৬৩০

বি.দ্ৰ.ঃ কেৰিয়াৰ পৰামৰ্শৰ বাবে লেখকলৈ শনিবাৰে বিয়লি ছয় বজাৰ পৰা ন বজালৈ ফোন কৰিব পাৰে।



# অসমৰ লোক-সংস্কৃতি

ৰেৱতী কুলি

লোক সংস্কৃতি কাক বোলে সেইটো জনাৰ আগতে সংস্কৃতিনো কি - এই বিষয়ে জনাটো প্ৰয়োজন হৈ পৰে। সংস্কৃতিৰ বিষয়ে নানা পণ্ডিতে নানা মন্তব্য আগবঢ়াইছে। এই সংজ্ঞাবোৰৰ সাৰমৰ্ম উলিয়াই সংস্কৃতিৰ বিষয়ে ইমানেই ক'ব পাৰি যে, সংস্কৃতি হ'ল কোনো এটা জাতিৰ বা মানৱ গোষ্ঠীৰ মাজত শ-শ হাজাৰ বছৰ ধৰি শিক্ষা, আদৰ্শ, ভাষা, সাহিত্য, আচাৰ-নীতি, ৰুচি-অভিৰুচি, জ্ঞান-ধৰ্ন, প্ৰেম-প্ৰীতি, হৰ্ষ-বিষাদ, কল্পনা-বিলাস, বিশ্বাস-অন্ধবিশ্বাস আদিৰ মাজেদি গঢ় লৈ উঠা সুষম বৈশিষ্ট্যৰ সামূহিক ৰূপ। 'সংস্কৃতি' শব্দই সংস্কাৰ বা সংস্কৃত কৰ্মকো বুজায়। সহজ ভাষাত ক'বলৈ হ'লে জান্তৱ প্ৰকৃতিৰ পৰা মানৱীয় প্ৰকৃতিলৈ মানুহক উন্নীত কৰা মানৱীয় কৰ্মৰাজীয়েই সংস্কৃতি।

লোক সংস্কৃতি সংস্কৃতিৰে এটা বিশেষ স্তৰ। 'লোক' শব্দটোৰ এটা অৰ্থ হ'ল জনসাধাৰণ। সেইকাৰণে লোক সংস্কৃতি বুলি ক'লে জনসাধাৰণৰ সংস্কৃতিৰ কথাকে বুজিব লাগে। 'জন' শব্দৰ সলনি কোনোৱে 'গণ' শব্দও ব্যৱহাৰ কৰা দেখা যায়। সেয়ে লোক সংস্কৃতিক 'জন-সংস্কৃতি' বা গণ-সংস্কৃতি বুলিও কোৱা হয়। কোনো এটা অঞ্চলৰ জনসাধাৰণে লৌকিক আৰু পৰম্পৰাগতভাৱে যিবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্ম-বিশ্বাস, অন্ধবিশ্বাস আদি পালন কৰিছে, সেইবোৰেই লোকসংস্কৃতি। গতিকে অসমৰ জনসাধাৰণে লৌকিক আৰু পৰম্পৰাগভাৱে যিবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্ম-বিশ্বাস, অন্ধবিশ্বাস আদি পালন কৰি আহিছে, সেইবোৰেই অসমৰ লোকসংস্কৃতি। লোক সংস্কৃতি অকৃত্ৰিম। শিক্ষিত আৰু বুদ্ধিদীপ্ত মানুহতকৈ অশিক্ষিত বা নিৰক্ষৰ লোকৰ মাজত ইয়াৰ সমাদৰ বেছি। গাঁৱলীয়া লোক-সমাজখনেই ইয়াৰ মূলাধাৰ। লোকসংস্কৃতি ব্যক্তিগত সম্পদ নহয়। ই জনসাধাৰণৰ সামূহিক চেষ্টাৰ মাজেদি সৃষ্টি হোৱা লোক বৰ্ণ-ধৰ্ম সম্প্ৰদায় নিৰপেক্ষ বুলিও ক'ব পৰা যায়। আমাৰ অসমৰেই বিভিন্ন ধৰ্ম-বৰ্ণ সম্প্ৰদায়ৰ লোকৰ মাজত প্ৰচলিত কিছুমান সাধাৰণ আচাৰ-ব্যৱহাৰে এই কথাৰ সত্যতা প্ৰমাণ কৰে। তেনেদৰে, অসমৰ বিভিন্ন জাতি-উপজাতি আৰু ধৰ্ম সম্প্ৰদায়ৰ মাজত প্ৰচলিত বহুত ৰীতি-নীতি কালক্ৰমত পৰিবৰ্তিত হৈ লোক-সংস্কৃতি ৰূপে প্ৰায় সকলো অসমীয়াৰ মাজত প্ৰচলিত হ'বলৈ ধৰাও দেখা গৈছে। অৱশ্যে জাতি-উপজাতি বা ধৰ্ম-সম্প্ৰদায়ভেদে লোক-সংস্কৃতিয়ে বিচিত্ৰ ৰূপো ল'ব পাৰে। অসমৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰত তেনেকুৱা উদাহৰণ বিচাৰি পোৱা যায়। অসমত প্ৰচলিত গছক লৈ কৰা পূজা যথাক্ৰমে বৈষ্ণৱ, শৈৱ, শাক্ত আৰু মহাপুৰুষীয়া সম্প্ৰদায়ৰ মাজত প্ৰচলিত। উচ্চ বৰ্ণৰ হিন্দুৱে বট, আঁহত আদি গছৰ পূজা কৰে। বহুত লোকে পুত্ৰ কামনা কৰি চোঁতালৰ কোণত আঁহতৰ পুলি ৰুই ৰাতিপুৱা গা-পা ধুই ভক্তিভাৱে পানী ঢালি চাকি-বন্তি জ্বলাই সেৱা কৰে। তেনেদৰে বড়ো-কছাৰীসকলে সিজু গছৰ পূজা কৰে। গতিকে জাতি-উপজাতি ধৰ্ম-সম্প্ৰদায়ভেদে লোক-সংস্কৃতিয়ে বেলেগ-বেলেগ ৰূপত বৰ্তি থাকিবও পাৰে। কিন্তু ইয়াৰ মাজতো সুক্ষ্ম বিচাৰত সাধাৰণ মিল পৰিলক্ষিত হয়। কোনো এটা ধৰ্ম-সম্প্ৰদায়ৰ লোক বিশ্বাসে অন্য এক ধৰ্ম-সম্প্ৰদায়ৰ মাজত প্ৰৱেশ কৰি অন্য এক লোক বিশ্বাসত পৰিণত হোৱাও দেখা যায়। পণ্ডিতসকলৰ মতে মুছলমান সত্য-পীৰেই হেনো হিন্দুৰ মাজত সত্যনাৰায়ণৰ ৰূপ লয়। এই ফালৰ পৰা ই সমন্বয়ৰো আদৰ্শ। লোক-সংস্কৃতিয়ে যুক্তিতকৈ বিশ্বাসক, বৈজ্ঞানিক ব্যাখ্যাতকৈ পৰম্পৰাৰ ওপৰত প্ৰাধান্য দিয়ে। সংৰক্ষণমুখিতা ইয়াৰ মূল বৈশিষ্ট্য। সেই কাৰণে লোক-সংস্কৃতিৰ ক্ষেত্ৰত বৈজ্ঞানিক যুক্তি বিচৰাটোৱে অযুক্তিকৰ কথা।

লোক-সংস্কৃতি তিনিটা ভাগত বিভক্ত কৰিব পাৰি। সেই কেইটা



হ'ল- মৌখিক সাহিত্য, দেশাচাৰ আৰু উৎসৱ পৰ্ব, শৈল্পিক কৰ্ম। মৌখিক সাহিত্যৰ ভিতৰত- সাঁথৰ, সাধুকথা, প্ৰৱচন, বিশ্বাস-অন্ধবিশ্বাস আদিৰে সৈতে জন-কবিতা বা লোকগীতবোৰক সামৰা হৈছে। দেশাচাৰ আৰু উৎসৱ পৰ্ব ভাগৰ ভিতৰত নানা আনুষ্ঠানিক কৰ্ম, উৎসৱ-পৰ্ব, বিবিধ খেলা-ধূলা আদিক ধৰা হৈছে। শৈল্পিক কৰ্মৰ ভিতৰত লোক-কলা, লোক-শিল্প, ঘৰ-দুৱাৰ, নিৰ্মাণ-প্ৰণালী, স্থাপত্য বিদ্যা আদিক সামৰা হৈছে। অসমীয়া লোক-সংস্কৃতিৰ উপাদানসমূহ এই তিনিটা শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। গতিকে অসমীয়া লোক-সমাজত প্ৰচলিত নানা তৰহৰ লোকগীত আৰু লোক কথাবোৰৰ লগতে বিশ্বাস-অন্ধবিশ্বাস, দেশাচাৰ, উৎসৱ-পৰ্ব, খেলা-ধূলা, লোক-কলা, লোক-শিল্প, ঘৰ-দুৱাৰ নিৰ্মাণ, স্থাপত্য বিদ্যা আদিয়ে অসমীয়া লোক-সংস্কৃতিৰ উপাদান।

কোনো এটা জাতিৰ বা কোনো এটা অঞ্চলৰ মানুহৰ জীৱনজোৰা বিশ্বাসেই হ'ল লোক-বিশ্বাস। ধৰ্মীয় দিশৰ ওপৰতে লোক-বিশ্বাস প্ৰধানকৈ সৃষ্টি হয়। অৱশ্যে সামাজিক, অৰ্থনৈতিক আনকি ৰাজনৈতিক দিশতো ইয়াৰ প্ৰভাৱ দেখা যায়। লোক-বিশ্বাস প্ৰসূত বেছিভাগ কথাই লোক সাহিত্য বা জন-সাহিত্য ৰূপে প্ৰকাশ লাভ কৰে। অসমত প্ৰচলিত আইনাম, অপেচৰা, লখিমী সবাহৰ গীত, দেৱীপূজাৰ গীত বা আইলা পূজাৰ গীত, হুঁচৰি নাম, মহ খেদা গীত আদি হৰেক ৰকমৰ গীত-মাতবোৰেই লোক-সাহিত্যৰ অন্তৰ্ভুক্ত লোকগীত। লোক-গীতবোৰক আকৌ ধৰ্ম নিৰপেক্ষ আৰু ধৰ্ম সাপেক্ষ এই দুই ভাগত ভাগ কৰিব পাৰি। লোক গীতবোৰৰ কিছুমানৰ কেতবোৰ ক্ৰিয়া-কলাপো জড়িত থকা দেখা যায় আৰু সেইবোৰক একপ্ৰকাৰৰ অনুষ্ঠান বুলিয়ে পৰিগণিত কৰিব পাৰি। লোকগীতৰ ভিতৰত যিবোৰৰ লগত ধৰ্মীয় অনুষ্ঠান আনুষংগিকভাবে পালন কৰা হয় সেইবোৰেই ধৰ্ম সাপেক্ষ লোক গীত। অপেচৰা নাম আৰু সবাহ, লখিমী-সবাহ আৰু নাম, দেৱীৰ নাম আৰু পূজা, সুবচনী গীত আৰু সৱাহ, আইৰ নাম আৰু আসনপতা সৱাহ আদি লোক-গীতৰ লগতে আনুষংগিক ধৰ্মীয় অনুষ্ঠান পালিত হয় কাৰণে এইবোৰ ধৰ্ম-সাপেক্ষ লোক-গীতৰ উদাহৰণ। ধৰ্মীয়ভাৱ মুক্ত লোকগীত বোৰৰ লগতে আনুষংগিক অনুষ্ঠান বা ক্ৰিয়া-কলাপ জড়িত থাকিব পাৰে। তেনেবোৰ গীত মাতক ধৰ্ম-নিৰপেক্ষ লোক-গীত বোলা হয়। বিহু গীত, মহখেদা গীত আদি ইয়াৰ উদাহৰণ। লোকগীতৰ উপৰিও সাধুকথা, সাঁথৰ, ফকৰা-যোজনা আদি লোক-কথাবোৰো ধৰ্ম-নিৰপেক্ষ।

লোকাচাৰ বা দেশাচাৰবোৰো লোক-সংস্কৃতিৰ উপাদান। এইবোৰ আকৌ শাস্ত্ৰৰ অনুশাসনৰ যোগেদি জাপি দিয়া বস্তু নহয়। জনসাধাৰণে পৰম্পৰাগতভাৱে চিৰকাল ধৰি পালন কৰি অহা এক প্ৰকাৰ আচাৰ-নীতি আৰু ক্ৰিয়া-কলাপকহে লোকাচাৰ বুলি বুজা যায়। ইয়াৰ মাজেদি জনগণৰ ধৰ্মীয়, আধ্যাত্মিক, সামাজিক দিশত লাভ কৰা





উৎকৰ্ষ অপকৰ্ষৰ প্ৰমাণ পোৱা যায়। সদায় গুৰু গোঁসাইৰ নাম লোৱা, সংকটত পৰিলে বা ভয় খালে ঈশ্বৰৰ নাম লোৱা, নতুন গছৰ ফল, খেতিৰ নতুন ফচল গুৰু-গোসাঁইলৈ আগবঢ়োৱা, মৃত্যুমুখীজনৰ কাষত ধৰ্মশাস্ত্ৰ পাঠ কৰা, মৃতকৰ অস্থি ত্ৰিবেনী সংগমত নিক্ষেপ কৰা, মৃতকৰ উদ্দেশ্যে শৰাই দিয়া, শপত খোৱা আৰু থুওৱা, কোনো ঠাইলৈ যাত্ৰা কৰিলে পিতৃ-মাতৃ তথা বৰজনক সেৱা কৰি আশীৰ্বাদ লোৱা, অতিথিক শুশ্ৰষা কৰা আদি বিভিন্ন লোকাচাৰে অসমীয়া লোক-সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে।

লোক-বিশ্বাস আৰু অন্ধবিশ্বাসবোৰ অসমীয়া লোক-সংস্কৃতিৰ উপাদান। এই কেতবোৰ মানুহৰ জীৱন যাত্ৰাৰ লগত সাঙোৰ খাই আছে। কিছুমান লোক-বিশ্বাস আকৌ প্ৰকৃতিক কেন্দ্ৰ কৰিয়ে সৃষ্টি হৈছে। অপ-দেৱতা আৰু মন্ত্ৰ-কুমন্ত্ৰৰ ওপৰত থকা লোক-বিশ্বাসেও অসমৰ লোক সংস্কৃতি কম চহকী কৰা নাই। তেনেদৰে অমংগল বা কাৰ্য ব্যাঘাত সম্বন্ধে জনগণৰ মনত সৃষ্টি হোৱা ধাৰণাবোৰেও অসমীয়া লোক সংস্কৃতিৰ পুষ্টি সাধনত সহায়তা কৰিছে। ভাতৰ মুখে টকা-পইচা দিলে লক্ষ্মী যায়, কাউৰীয়ে কা কা কৰিলে অতিথি আহে, যাত্ৰাকালত দামুৰিয়ে গাইক পি থকা দেখিলে যাত্ৰা শুভ হয়। এইধৰণৰ বিশ্বাসবোৰ মানুহৰ জীৱন যাত্ৰাৰ লগত সম্পৰ্ক থকা লোক বিশ্বাস। আকৌ জলদেৱতা, জলকুঁৱৰী, লক্ষ্মী-সৰস্বতী, অন্নপূৰ্ণাদেৱী, বৰুণ দেৱতা, ইন্দ্ৰ দেৱতা, আদিৰ বিশ্বাসেও লোক সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিছে। তেনেদৰে নদীৰ উদ্দেশ্যে পূজা-পাতল কৰা, ধুমুহাৰ পৰা হাত সাৰিবলৈ পীৰা এখন বাহিৰত পাৰি দি সেৱা কৰা আদি কৰ্মবোৰো প্ৰাকৃতিক বৈচিত্ৰ্যৰ ওপৰত থকা গভীৰ বিশ্বাসৰেই ফচল। পকৱাই পোৱা, যখ-যখিনী, বিৰা, খেতৰ-খেতৰি আদি অনিষ্টকাৰক অপদেৱতাৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে তাৰিজ, মাদুলী আদি লোৱা ব্যৱস্থা, অপদেৱতা আৰু কুমন্ত্ৰৰ ওপৰত কবলৰ পৰা ৰক্ষা পাবলৈ গা-বান্ধনি আদি লোৱা ব্যৱস্থা, অপদেৱতা আৰু কুমন্ত্ৰৰ ওপৰত থকা বিশ্বাসৰ কাৰণেই গঢ়ি উঠিছে। অমংগলসূচক বা কাৰ্যত ব্যাঘাত জন্মাৰ পৰা বিশ্বাসৰ ভিতৰত যাত্ৰাকালত পিছৰ পৰা মাত দিলে বা বাঁজী তিৰোতা দেখিলে যাত্ৰা নষ্ট হোৱা, ফেঁচাই নিউ-নিউ-নিউ কৰিলে গৃহস্থৰ অমংগল হোৱা, সপোনত দাঁত সৰিলে স্বজনৰ মৃত্যু হোৱা আদিবোৰক অন্ধবিশ্বাসৰ ভিতৰত ধৰিব পাৰি।

কোনো এখন দেশৰ ভৌগলিক আৰু প্ৰাকৃতিক পৰিৱেশ পৰিস্থিতিৰ ওপৰত সেই দেশৰ বা অঞ্চলৰ জনসাধাৰণৰ খাদ্য, সাজ-পাৰ, অয়-অলঙ্কাৰ আদি ঘাইকৈ নিৰ্ভৰশীল। অসমীয়া মানুহৰ খাদ্যা-খাদ্যৰ বাচ-বিচাৰ, পিন্ধন-উৰণৰ, ধৰণ-কৰণ, অয়-অলঙ্কাৰ গ্ৰহণৰ সুকীয়া-সুকীয়া ৰীতিও এনে কাৰণতে গঢ় লৈ উঠিছে। অৱশ্যে এইবোৰৰ আঁৰত লোকাচাৰৰ বা দেশাচাৰৰ প্ৰভাৱো অনস্বীকাৰ্য। জনসাধাৰণৰ মাজত প্ৰচলিত খেলা-ধুলাও লোক-সংস্কৃতিৰ উল্লেখযোগ্য উপাদান। খেলা-ধূলাৰ মাজেদিও জনসাধাৰণৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন হয়। অসমীয়া লোক-সমাজত প্ৰচলিত খেলা ধূলাবোৰৰ ভিতৰত লুকা-ভাকু, হাডু-গুডু, কচুগুটি, গাঁত-গুটি, ফটিক ঘিলা, ঘিলা-খেলা, ঢোপ খেলা, কড়ি খেলা, বাঘবল, লাটুম খেলা, বস্তা-দাণ্ডি আৰু কণ-কণ অকণিহঁতৰ মাজত বিশেষ সমাদৰ থকা লেতুক গছ, ভাকুট কুট, ইচেনি-বিচেনি, কেঁচুৰ-দোলা আদি খেল বিশেষভাৱে উল্লেখযোগ্য।

অসমৰ লোক-সংস্কৃতিৰ উপাদানৰ বিষয়ে ক'বলৈ হ'লে লোক কলা আৰু লোক-শিল্পৰ বিষয়ে উল্লেখ নকৰিলে আধৰুৱা হৈ ৰ'ব। লোক সংস্কৃতিৰ উপাদান স্বৰূপেই অসমীয়া লোক-শিল্পবোৰে গা কৰি উঠিছে। অসমীয়া লোক-শিল্পৰ ভিতৰত বাঁহ-বেতৰ সঁজুলি, কাঠৰ আচবাব, মাটিৰে নিৰ্মিত নানাবিধ পাত্ৰ, মূৰ্ত্তি, কাঁহ, পিতল, লো আদি ধাতুৰে তৈয়াৰী আ-অলংকাৰবোৰ সামৰি লোৱা হয়। তদুপৰি পুৰণি কালৰে পৰা অসমত প্ৰচলিত হৈ অহা বিভিন্ন লোকানুষ্ঠান যেনে- পুতলা নাচ, ওজাপালি, ঢুলীয়া, ভাউৰা আদি অনুষ্ঠানবোৰকো লোক কলা হিচাপে লোক-সংস্কৃতিৰ ভিতৰতে ঠাই দিয়া হয়।

বৰ্তমানৰ যুগ বিজ্ঞানৰ যুগ। এই যুগত মানুহে সকলো কথাকে বৈজ্ঞানিক দৃষ্টি ভংগীৰে বিশ্লেষণ কৰি চাব বিচাৰে। বৰ্তমান সময়ত মানুহৰ মন আৱেগ-প্ৰৱণ নহয়, যুক্তিবাদীহে। কিন্তু লোক সংস্কৃতিৰ ক্ষেত্ৰত বৈজ্ঞানিক বাখ্যা আৰু যুক্তি দুয়োটাই নিটিকে। এনে কাৰণতে হয়তো মানুহৰ মনৰ পৰা লোক-সংস্কৃতিৰ সংকল্পমূলক চিন্তা চৰ্চাবোৰ ক্ৰমাৎ নোহোৱা হৈ যাবলৈ ধৰা দেখা গৈছে। পিছে বিজ্ঞান বা যুক্তিবাদো যিহেতু এক প্ৰকাৰৰ সংস্কৃতিয়েই, সেয়ে লোক-সংস্কৃতি সংৰক্ষণ কৰাটো বৈজ্ঞানিক সভ্যতাৰ উন্নয়নৰ অন্তৰায় নহয় নিশ্চয়। সংস্কৃতমুখী চিন্তা-চৰ্চাই বিজ্ঞানৰ গতি নিয়ন্ত্ৰণত কিজানি সহায়হে কৰিব।

স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

সংস্কৃতি



# অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰ

**সংগীতা বড়া**

অতীজৰে পৰাই বয়ন শিল্পৰ ক্ষেত্ৰত অসম চহকী আছিল। বোৱা কটা কৰাত অসমীয়া মহিলাসকল যথেষ্ট নিপুণ। অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰ সাধাৰণতে লোক আভৰণ বুলি কোৱা হয়। অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰৰ ক্ষেত্ৰখনলৈ মন কৰিলে সকলো জাতি জনজাতিৰ সাজপাৰ আৰু অয়-অলংকাৰৰ কথা আমাৰ মনলৈ অহাটো স্বাভাৱিক। এসময়ত অসমত উৎপাদিত ৰেচমী বস্ত্ৰৰ খ্যাতি জগত বিখ্যাত আছিল। তেজপুৰৰ অগ্নিগড়ত থকা বাণৰ জীয়াৰী উষাৰ শিলৰ তাঁতশালখনকে প্ৰাগ্ ঐতিহাসিক যুগৰ অসমৰ বস্ত্ৰ উৎপাদন পৰম্পৰাৰ প্ৰমাণ বুলিব পাৰি।

আহোম ৰজা সকলৰ ৰাজত্বকালত মুগা আৰু পাট কাপোৰৰ উৎপাদন মন কৰিবলগীয়া। সেই সময়ত বিভিন্ন পদ্ধতিৰে অসমবাসীয়ে পাট কাপোৰ, মেজাংকৰী, চঁপাপতীয়া কাপোৰ, এড়ী কাপোৰ আদি উৎকৃষ্ট মানৰ সুন্দৰ কাপোৰ তৈয়াৰ কৰিছিল।

অসমৰ পৰম্পৰাগত সাজপাৰ আৰু অলংকাৰৰ ক্ষেত্ৰত জন গোষ্ঠীয় সাজপাৰ আৰু অয়-অলংকাৰেও অসমীয়া সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি ৰাখিছে। অসমত বাস কৰা এনে কিছুমান জনগোষ্ঠী হ'ল - দেউৰী মেচ কাছাৰী, সোনোৱাল কছাৰী, মিচিং, টাই ফাকে, টাই খাময়াং, চিংফৌ, গাৰো, কাৰ্বি, ডিমাচা, বড়ো, হাজং ইত্যাদি। এই জনজাতিসকলৰ সাজপাৰৰ কিছু বৰ্ণনা তলত উল্লেখ কৰা হ'ল।

**দেউৰী ঃ** উজনি অসমত বসবাস কৰা দেউৰীসকলে পৰম্পৰাগতভাৱে ব্যৱহৃত সাজপাৰ যোৰ ঘৰতে প্ৰস্তুত কৰি লয়। দেউৰী সমাজত বিবাহিত মহিলাই বুকুৰ পৰা ভৰিৰ গোৰোহাত পৰাকৈ মেথনি মাৰি দীঘল মুগা অথবা কপাহী মেখেলা পিন্ধে। ককঁালত তেওঁলোকে ৰিহা (জকাচ্ছিবা) অথবা বাইগা মেৰাই লয়। তেওঁলোকে গাত চোলা পিন্ধে। দেউৰী মহিলাসকলে মূৰত মৰা গামোচাখনক টকয়া (গাতিগী) বোলে। দেউৰী সমাজৰ পুৰুষসকলে প্ৰধানকৈ চোলা আৰু চুৰিয়া পিন্ধে। তেওঁলোকৰ মাজত ঘৰতে প্ৰস্তুত কৰি লোৱা কপাহী চোলা, হাত দীঘল মুগা চোলা অথবা পাট কাপোৰৰ চোলাৰ প্ৰচলন দেখা যায়।

**সোনোৱাল কছাৰী ঃ** সোনোৱাল কাছাৰী সমাজত মহিলা সকলে বুকুৰ পৰা ভৰিৰ গোৰোহাত পৰাকৈ দীঘল মেখেলা পৰিধান কৰে। সেই মেখেলাৰে তেওঁলোকে এবিধ পৰম্পৰাগত বস্ত্ৰ 'এখেতীয়া' (একাঠিয়া) মেৰাই লয়। তেওঁলোকৰ সমাজত পুৰুষে কঁকালত চুৰিয়া, গাত চোলা পৰিধান কৰে। তেওঁলোকৰ মাজত পৰম্পৰাগত ভাৱে প্ৰচলিত গাতুং চোলাৰ ব্যৱহাৰ বৰ্তমান অত্যন্ত সীমিত।

**মিচিং ঃ** মিচিং মহিলাসকলে ককাঁলত এগে (মেখেলা) পিন্ধি বুকুত মেথনি মাৰে। গাত তেওঁলোকে মিবু গালুক (চোলা) পৰিধান কৰে। মূৰত মৰা গামোচাখনক 'আগ' বোলে। মিচিং পুৰুষসকলে কঁকালত ঘৰতে প্ৰস্তুত কৰি লোৱা পৰম্পৰাগত বস্ত্ৰ গনৰ উগন পৰিধান কৰে। মিচিং ডেকাসকলে গাত পৰম্পৰাগত গালুক (চোলা) যেনে- তৰগ, গালুক, গাদু গালুক, মিবু গালুক ইত্যাদি পৰিধান কৰে।

**কাৰ্বি ঃ** কাৰ্বি সমাজত মহিলাসকলে 'গিনি' পৰিধান কৰে। এই গিনিখনত বিভিন্ন চানেকি অংকিত থাকে। তেওঁলোকে কঁকালত এখন সৰু টঙালি 'ৰাসকক' বান্ধি লয়। বুকুত পৰম্পৰাগত বস্ত্ৰ জিছ'চেপেৰ' বান্ধি লয়। পুৰুষসকলে গাত পৰম্পৰাগত চোলা 'চই হংখৰ' আৰু 'চয় আপহ' পৰিধান কৰে। মূৰত তেওঁলোকে পৰম্পৰাগত পাগুৰি আৰু কঁকালত ঘৰতে প্ৰস্তুত কৰি লোৱা চুৰিয়া পৰিধান কৰে।

**বড়ো ঃ** বড়ো সমাজত মহিলাসকলে বিভিন্ন ৰঙৰ দখনা, ফালি আৰু পৰম্পৰাগত চোলা ব্যৱহাৰ কৰে। আনহাতে পুৰুষসকলে গাত চোলা আৰু কঁকালত গামচা পৰিধান কৰে। ডিঙিত আৰনাই মেৰাই লয়।



**মিচিংসকলৰ** ঃ মিচিং সমাজত মহিলাসকলে বিভিন্ন ধৰণৰ মণি পৰিধান কৰা দেখা যায়। বিবাহৰ সময়ত দগনী দক্চৰী (এবিধ বিশেষ মণি)ৰ ব্যৱহাৰ বাধ্যতামূলক। মিচিং গাভৰুৱে নৃত্য পৰিবেশন কৰা সময়ত ৰঙীণ উল সূতাৰে তৈয়াৰী ফুল দুম্পুন আৰু লাক্পুন ব্যৱহাৰ কৰে। মিচিং মহিলাসকলে কাণত বিভিন্ন আকাৰৰ থুৰিয়া আৰু জাংফাই পৰিধান কৰে।

**দেউৰীসকল** ঃ দেউৰী সমাজত মহিলাসকলে ডিঙিত তিল ক'লা মণিসহ সোণৰ মাদলি পৰিধান কৰে। তেওঁলোকৰ মাজত দুগদুগী, জোনবিৰি আৰু বেনাৰ ব্যৱহাৰো মন কৰিবলগীয়া। বয়সস্থ মহিলাসকলে কাণত কেৰু আৰু জাংফাই পৰিধান কৰা দেখা যায়। মহিলাসকলে হাতত মুঠিখাৰু, গামখাৰু, গোটা খাৰু, পটীয়া খাৰু আদি অলংকাৰ পৰিধান কৰে। আঙুলিত বিভিন্ন ধৰণৰ আঙুঠি পৰিধান কৰে। পুৰুষসকলে ৰূপৰ মোহৰেৰে তৈয়াৰ কৰা এবিধ অলংকাৰ পৰিধান কৰে।

**ডিমাচা** ঃ ডিমাচা মহিলাসকলে পৰম্পৰাগত মেখেলা ৰিষুং ৰিজাম্ফাই নামৰ এবিধ ৰিহা পৰিধান কৰে। বৰ্তমান তেওঁলোকৰ মাজত ব্লাউজ, চাদৰ মেখেলা আদিৰো প্ৰচলন আছে। পুৰুষসকলে ৰি'চা নামৰ এবিধ গামোচা ব্যৱহাৰ কৰা দেখা যায়।

ওপৰত উল্লেখ কৰা সকলোবোৰ জনগোষ্ঠীৰ উপৰিও অসমত তুৰুং, ৰাভা, তিৱা আদি জনগোষ্ঠীৰ নিজা নিজা পৰম্পৰাগত সাজপাৰ আছে। তুৰুংসকলৰ মাজত প্ৰচলিত নুৱাত, বাকা, প্লং, ৰাভা সমাজত প্ৰচলিত খাদাবাং বিফান, কাম্বুং, তিৱাসকলে এৰিল, ডিকাচং, টাগলা আদি পৰম্পৰাগত বস্ত্ৰ সম্ভাৰ বিশেষভাৱে উল্লেখযোগ্য।

**অলংকাৰ** ঃ সৌন্দৰ্যপ্ৰিয়তা মানুহৰ এক সহজাত প্ৰবৃত্তি। নিজকে সুন্দৰকৈ সজাই পৰাই আনৰ আগত তুলি ধৰাৰ হাবিয়াস মানুহৰ মনত আদিম কালৰে পৰাই প্ৰচলিত হৈ আহিছে। অতীজতে মানুহে জন্তুৰ দাঁত, হাড়, নখ, ৰঙ বিৰঙৰ চৰাইৰ পাখি, নানা বৰণীয়া শিল আদিৰে নানা বিধ অলংকাৰ তৈয়াৰ কৰি নিজকে সজাই পৰাই ৰাখিছিল। কালক্ৰমত তাম, পিতল, সোণ, ৰূপ আদি নানাবিধ ধাতুৰ আৱিষ্কাৰে অয়-অলংকাৰৰ ক্ষেত্ৰখনত এক নতুন যুগৰ সূচনা কৰিলে। তলত অসমৰ জনগোষ্ঠীসমূহৰ অয়-অলংকাৰৰ বৰ্ণনা উল্লেখ কৰা হ'ল।

**টাই আহোমঃ** তেওঁলোকৰ মাজত প্ৰচলিত অয়-অলংকাৰ সমূহৰ ভিতৰত জোনবিৰি, ঢোলবিৰি, বেনা, দুগদুগী, গলপতা আদি অন্যতম। হাতত তেওঁলোকে মুষ্ঠিখাৰু, গামখাৰু, গোটাখাৰু, আঙলিৰ নেজেপতা আঙুঠি, জেঠিনেজীয়া আঙুঠি আদি অলংকাৰ পৰিধান কৰে। অতীজতে তেওঁলোকৰ মাজত লংকেৰ, আধলি সুমীয়া কেৰু, সংফহি আদি বিভিন্ন ধৰণৰ কেৰুৰ ব্যৱহাৰ কৰিছিল।

**বড়ো** ঃ বড়ো সমাজত মহিলাসকলে হাতত আচান (খাৰু) পৰিধান কৰে। আঙুলিত পৰিধান কৰা আঙুঠিক তেওঁলোকে 'আস্তাস' বোলে। কাণত তেওঁলোকে সোণা (কাণফুলি) পৰিধান কৰে। তেওঁলোকে নাকফুলিক গুনথংসোণা বোলে।

**ৰাভা** ঃ ৰাভা মহিলাই হাতত সোণ, ৰূপ বা তামেৰে নিৰ্মিত খাৰু 'ছান', হাৰ গুলাই, মায়াৰ চিং চাপ, হাৰ বাজু আৰু কাটা বাজু পৰিধান কৰে। হাতৰ আঙুলিত তেওঁলোকে পৰম্পৰাগত আঙুঠি 'চাছিতাম' পৰিধান কৰে। ডিঙিত ৰূপেৰে নিৰ্মিত চন্দ্ৰমুখী হাৰ, হাচা আৰু জিঞ্জিৰি পৰিধান কৰে। ৰাভা তিৰোতাসকলে কঁকালত পিন্ধা হাতী দাঁতেৰে নিৰ্মিত বিশেষ মালাবিধক ৰবুক বোলে।

ওপৰত উল্লেখ কৰা সকলো দিশৰ পৰা প্ৰতিফলিত হয় যে অসমৰ জনগোষ্ঠীসমূহ পৰম্পৰাগত সাজপাৰ আৰু অয়-অলংকাৰৰ দিশত যথেষ্ট চহকী। সাম্প্ৰতিক সময়ত আধুনিকতাৰ প্ৰভাৱত পৰি বহুবোৰ স্বকীয় বৈশিষ্ট্য সম্বলিত জনগোষ্ঠীয় অলংকাৰ লাহে লাহে হেৰাই যাব ধৰিছে। এইক্ষেত্ৰত প্ৰত্যেকজন অসমীয়াই সচেতন নহ'লে এই আপুৰুগীয়া অয়-অলংকাৰসমূহ চিৰদিনৰ বাবে হেৰাই যাব।

স্নাতক ষষ্ঠ ষান্মাসিক,
অসমীয়া বিভাগ

সংস্কৃতি



# অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰৰ এটি চমু অৱলোকন

মধুমতী পেগু

অসম বৰ্ণাঢ্য জাতি-জনজাতি আৰু জনগোষ্ঠীৰ সাংস্কৃতিক সমন্বয়ত গঢ়ি উঠা বাবে ৰহণীয়া ফুলনি । এই ফুলনিক ৰূপে ৰসে সজাইছে অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন-সংস্কৃতিৰ স্বকীয়তাৰে। প্ৰাক ঐতিহাসিক কালৰে পৰা অসমত বিশেষকৈ অষ্ট্ৰিক, মংগোলীয়, আৰ্য আৰু দ্ৰাবিড় আদি জনগোষ্ঠীৰ আগমনে জাতি গঠনৰ ক্ষেত্ৰত যেনেদৰে সংমিশ্ৰণ ঘটালে, সেইদৰে সংস্কৃতি গঠনতো এই চাৰি জনগোষ্ঠীৰ সংমিশ্ৰণ দেখা যায়। মানৱ সভ্যতা বিকাশৰ লগে লগে মানুহে প্ৰথমে খেতি কৰিবলৈ লয়। এই ক্ষেত্ৰত অষ্ট্ৰিকসকলে পোন প্ৰথমে অসমত কৃষি পদ্ধতিৰ পাতনি মেলে। খেতি-বাতি চপাই অৱসৰ বিনোদন বা আনন্দ বিনোদনৰ বাবে মানুহে নৃত্য-গীতৰ লগতে বাদ্যযন্ত্ৰৰ সমাহাৰ ঘটায় বিভিন্ন উৎসৱ, অনুষ্ঠান, পূজা-পাতল কৰিবলৈ লয়। সেয়েহে নৃত্য-গীতৰ লগতে বাদ্যযন্ত্ৰকো অসমীয়া সংস্কৃতিৰ উপাদানত অন্তৰ্ভুক্ত কৰা হয় ।

অসমৰ সংগীত চৰ্চাৰ লগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ দীৰ্ঘদিনীয়া। ধাৰণা কৰিবৰ থল আছে যে- গুহা মানৱৰ দিনৰে পৰা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিছিল বুলিব পাৰি। আহাৰৰ বাবে চিকাৰ কৰি ফুৰোঁতে, কোনোবা বিপদ আপদত পৰিলে, চিকাৰী লগৰীয়া কেইজনক ইংগিত দিবৰ বাবে কিছুমান অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰিছিল। আকৌ কৃষি কৰ্মৰ পাতনি মেলাৰ লগে লগে সংগীত নৃত্যৰ লগত এনে অস্ত্ৰ-শস্ত্ৰ, সা-সঁজুলি (বাদ্যযন্ত্ৰ ধৰ্মী)ৰ ব্যৱহাৰ কৰিবলৈ লয়। সম্ভৱতঃ এনে অস্ত্ৰ-শস্ত্ৰ বা সা-সঁজুলিবোৰে সময়ত বাদ্যযন্ত্ৰ আখ্যা পাইছিল। যদিও ইয়াৰ লিখিতৰূপ হিচাপে কোনো নিদৰ্শন নোপোৱাত এই কথা নিৰ্দিষ্টকৈ ক'ব নোৱাৰি। কিন্তু বাদ্যযন্ত্ৰবোৰৰ লগত জড়িত হোৱা বিশ্বাস অবিশ্বাস আদি কথাবোৰে উল্লিখিত কথাটোক সঁচা যেন অনুভৱ কৰায়। যি কি নহওঁক অসমত বাদ্যযন্ত্ৰৰ নিদৰ্শন তেজপুৰৰ কোল পাৰ্কত সজাই থোৱা এচটা শিলৰ ভাস্কৰ্যত । তাত এতিয়াও পেঁপা, ঢোল, বাঁহী আৰু বীণাৰ অৱস্থিতি দেখা যায়। ভাস্কৰ বৰ্মাৰ নিধনপুৰ তাম্ৰশাসনত 'পঞ্চ মহাশব্দ' (অৰ্থাৎ হয় শিঙা, নহয় শিঙা, তন্মট; শংখভেৰী আৰু জয়ঘণ্টা, মৃদংগ, মুৰজধ্বনি, দুন্দভি, ঢোলক), কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত তুৰ্য, মৃদংগ, পচইবীণা, বেনু, ভেৰী, শংখ আদিৰ উল্লেখ; প্ৰাক-শংকৰীৰ যুগৰ কবি মাধৱ কন্দলীৰ লেখা আৰু শংকৰী যুগৰ অংকীয়া ভাওনাবোৰত ব্যৱহৃত বাদ্যযন্ত্ৰ যেনে-খুটিতাল, খোল, পাতিতাল, ভোৰতাল, মৃদংগ ইত্যাদিৰ উল্লেখলৈ চাই ক'ব পাৰি অসমত পুৰণি কালৰে পৰা বাদ্যযন্ত্ৰ ব্যৱহাৰ হৈ অহাৰ কথা প্ৰমাণিত হয়। আহোম যুগতো আহোম নৃপতিসকলে কিছুমান বাদ্যযন্ত্ৰ কৰবাৰ পৰা আমদানি কৰাৰ কথা জনা যায় । সেইবোৰ যেনে-ঢুলুকী, তবলা, পাখোৱাজ আদি। একেদৰে অসমৰ পৰাও বিভিন্ন ৰাজ্যলৈ বাদ্যযন্ত্ৰ সম্প্ৰসাৰিত হোৱাৰ কথা জনা যায়।

অসমত প্ৰচলিত বাদ্যযন্ত্ৰসমূহক প্ৰধানকৈ পাঁচটা ভাগত ভাগ কৰিব পাৰি- ১। ধাতু বাদ্য ২। তাঁৰ বাদ্য ৩। ফু বাদ্য ৪। ঘাত বাদ্য ৫। বাঁহ বাদ্য।

ধাতুৰে নিৰ্মিত বাদ্যযন্ত্ৰসমূহক ধাতু বাদ্য বুলি কোৱা হয়। তাল কাঁহ, ঘণ্টা আদি বিশেষকৈ এই তিনি বিধ বাদ্য ধাতুৰে নিৰ্মিত। তাল কেইবা প্ৰকাৰৰ- ভোৰ তাল, পাতিতাল, খুটিতাল আদি। তাল জনগোষ্ঠীভেদে বেলেগ বেলেগ নামেৰে নামাকৰণ কৰা হয়। বড়োৱে খুটিতালক জমা মিচিঙে পাতিতালক লুপি কাৰ্বিয়ে খুটিতালক চেংচ, দেউৰীয়ে টংৰেপ বোলে । তালক নৃত্য আৰু লয়ৰ সমতা স্থাপনৰ বাবে ব্যৱহাৰ কৰা হয়। আনহাতে কাঁহ প্ৰধানকৈ দুইপ্ৰকাৰৰ- সৰু কাঁহ আৰু বৰ কাঁহ। তালৰ দৰে ইয়াৰ নামো জনগোষ্ঠীভেদে বেলেগ বেলেগ। তাই খাময়াং, তাই তুৰুং, তাই ফাকে, তাই খামতি আদি লোকে সৰুকাঁহ ক্ৰমে জমেতং, জামমং আৰু বৰকাঁহক জামমংলং ৰূপে ব্যৱহাৰ কৰে।

সেইদৰে গাৰোৱে ৰাং বা গং, কুকিয়ে দাহপি, দাহবু, দাহপাবু, মিচিংসকলে বৰকাঁহক লেলং আৰু সৰু কাঁহক মাৰবাং, বাৰবাং, ৰাভাসকলে কাসি দায়দিৰ হিচাপে প্ৰচলন বা নামকৰণ কৰে। জনগোষ্ঠীভেদে আকৌ ইয়াৰ লগত জড়িত বিশ্বাসো বেলেগ বেলেগ হোৱা দেখা যায়। আকৌ ঘণ্টাও এক প্ৰকাৰৰ বাদ্য। সৰু ঘণ্টাক টিলিঙা, ককাঁলত বন্ধা ক্ষুদ্ৰ ক্ষুদ্ৰ ঘণ্টাক কিংকিনী, পাদত ব্যৱহৃতবোৰক জুনুকা আৰু জুনুকাৰ উন্নত সংস্কৰণক নুপুৰ আৰু পাজোপা বোলা হয়।

অসমৰ প্ৰচলিত তাঁৰ বাদ্যবোৰ হ'ল-টোকাৰী, বীণ, ছেৰেঙা, ৰাসটোকাৰী, একতাৰা, দোতাৰা আদি। তানপুৰা, এচৰাজ, চেতাৰ, সৰোদা, একতাৰা , চাৰেঙী, দোতৰা আদি বীণাৰ উন্নত সংস্কৰণ। ছেৰেঙা বা চেৰজাৰ উন্নত সংস্কৰণ হৈছে সৰোদ।

কালি, নল, বাঁহৰ চুঙা, শিঙা, পেঁপা, মংখ আদি ফু দি বজোৱা বাদ্য। অতীজত অসমত বীৰকালি, জয়কালি আৰু যোৰকালি নামৰ তিনিবিধ কালিৰ প্ৰচলন আছিল। সাধাৰণতে বিয়া-সবাহ, পূজাত জয়কালি আৰু যুদ্ধত বীৰ কালি বজায়। কালি পিতল বা কাঁহেৰ তৈয়াৰ কৰা হয়। মিলচাঙৰ তিৱাসকলে কালিক মুৰী বোলে। আকৌ গোৱাল পাৰৰ অবতলত কালিক মানাই বোলা হয়। পেঁপা গৰুৰ শিং বা ম'হৰ শিঙৰ পৰা তৈয়াৰ কৰা এবিধ ফু দি বজোৱা বাদ্য। পেঁপা কেইবা প্ৰকাৰৰ আছে । যথা-চিকাৰী পেঁপা, পুতলা নাচৰ পেঁপা আৰু নৰাৰ পেঁপা। ম'হ বা গৰুৰ শিঙৰ উপৰিও কাঠৰ পৰাও পেঁপা বনোৱা দেখা যায়। পেঁপাক মিচিংসকলে পেস্বা, কুকিয়ে গচেম, গাৰোয়ে ছিংগা, চুতীয়াই পি-খাও-খাই ইত্যাদি বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন ধৰণে নামকৰণ কৰা দেখা যায়। পেঁপাৰ দৰে শিঙাকো মহৰ শিঙৰ পৰাই তৈয়াৰ কৰা হয়। অৱশ্যে ইয়াৰ ব্যৱহাৰ বেলেগ ধৰণৰ। কোনো আপদ-বিপদ বা শত্ৰুৰ আক্ৰমণত শিঙাক ব্যৱহাৰ কৰা দেখা যায়। তদুপৰি শংখও এক প্ৰকাৰৰ ফু দি বজোৱা বাদ্য। শংখ মাঙ্গলিক বাদ্য হিচাপে অতীজৰ পৰা অসমত প্ৰচলন হৈ আহিছে। সুতুলি এবিধ সুষিৰ লোকবাদ্য। ইয়াক মাটিৰে তৈয়াৰ কৰা হয়। সুতুলিৰ মুখত ফু দি শব্দ সৃষ্টি কৰে আৰু ভিতৰৰ বতাহ খিনি বাহিৰলৈ ওলাই যোৱাৰ সময়ত ফুটাদ্বয়ত আঙুলি বোলাই সুৰৰ সৃষ্টি কৰে। সুতুলি তিনি প্ৰকাৰৰ- বটল সুতুলি, পিঠা সুতুলি আৰু পক্ষী সুতুলি। ইয়াক চুতীয়া, তাই, বৌদ্ধ জনগোষ্ঠী আদি সমাজে বিহু নৃত্য-গীতত ব্যৱহাৰ কৰে।

অসমৰ ঘাত বাদ্যৰ ভিতৰত ঢোল হৈছেপ্ৰধান। ঢোলৰ সংস্কৰণ হৈছে নাগাৰা, পাখোৱাজ, খোল, মৃদং ডবা আদি। মৃদঙক ডাইনা, ডুগি কৰি দুভাগে সজাইছে। পাতি ঢোল, জয়ঢোল আৰু ঢোপাঢোল অসমত প্ৰচলিত। ঢোলৰ বিভিন্ন নামবোৰ হৈছে-দমা, দামামা, কোহল, কাহালি, ডিণ্ডিম, ডংকা, জয়ডংকা, দুন্দুভি আদি। অসমৰ পৰ্বত ভৈয়াসৰ উভয় জাতি-জনজাতিয়ে ঢোল ব্যৱহাৰ কৰা দেখা যায়। জাতি-জনজাতি অনুসৰি ঢোলৰ নামো বেলেগ বেলেগ ধৰণে নামকৰণ কৰা দেখা যায়। ঢোলৰ উপৰিও অসমত ডম্বৰু, ডগৰ, ঢাক, ঢোলক, দবা আদি ঘাত বাদ্যৰ প্ৰচলন দেখা যায়।

অসমত প্ৰচলিত হোৱা বাঁহ বাদ্যৰ ভিতৰত বাঁহী হৈছে প্ৰধান। অতীতত বাঁহৰ উপৰিও পিতলৰ দ্বাৰাও বাঁহী নিৰ্মাণ দেখা গৈছিল। বেনু, মুৰলী আদি বাঁহীৰ বেলেগ বেলেগ নাম। বাঁহীক গাৰোসকলে বাংছী, ডিমাচাই চুফেন, তিৱাই থৰাং আৰু পাংচি, বড়োৱে চিফুং, মিচিংসকলে তুতক কুৰুলি আৰু কেতপং কুৰুলি আদি জনগোষ্ঠীভেদে বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হৈছে। বাঁহী সকলো সংগীত বাদ্যৰ ভিতৰতে সবাতোকৈ প্ৰাচীন আৰু ব্যাপকভাৱে প্ৰচলন হোৱা দেখা যায়। বাঁহীৰ অসংখ্য আকাৰ আৰু গঠন আছে। আকৌ অসমত ব্যবহৃত আন দুবিধ বাঁহ বাদ্য হৈছে টকা আৰু গগনা। যথেষ্ট দীঘল বাঁহ এপাহেৰে টকা সাজে। ফলা বাঁহ দুফালৰ ঘৰ্ষণতে মৃদু সুৰীয়া মাতৰ সৃষ্টি কৰে। হাত চাপৰিৰ পৰিবৰ্তে টকা বিহুত ব্যৱহাৰ কৰা হয়। বড়োসকলে টকাক থৰকা, মিচিঙে ত্‌ক ত্‌ক, ৰাভাসকলে বাদুংদুপা বা বাপাদুং ইত্যাদি নামেৰে নামকৰণ কৰিছে। আনহাতে বৃদ্ধ আৰু তৰ্জনী আঙুলিৰ কেপত দুই ওঠৰ মাজত ৰাখি মুখৰ ভিতৰৰ বতাহ বাহিৰলৈ বা বাহিৰৰ বতাহ ভিতৰলৈ সুমুৱাই আঙুলিৰে ঝংকাৰ দি বজোৱা বাঁহ বা ধাতুৰে নিৰ্মিত সৰু সুসিৰ বাদ্যটোৰ নামেই গগনা। ব'হাগ বিহুত গগনাৰ স্থান অনন্য। এই গগনা বিহুৱতী বা গাভৰুৰ কাৰণে অতি মৰমৰ। গগনাৰ মাত বা সুৰ সৰু হোৱাৰ কাৰণে ডাঙৰ বাদ্যযন্ত্ৰৰ লগত একেলগে বজোৱা নহয়। গগনাক ৰাভাসকলে গমেন, মিচিঙসকলে গুংগা, বড়োসকলে গংগোনা বোলে। গগনা দুবিধ ৰামধন গগনা আৰু লাহৰী গগনা। তদুপৰি বাঁহেৰে নিৰ্মিত অন্যান্য বাদ্যযন্ত্ৰবোৰ হৈছে কাড়া, গা-চুমকন, মনপাৰ ৰণ, ভেৰি, বাদিদিক (ৰাভা), মাছৰোকা (ৰাভা), নালাগুংলায়, বুবৰেঙা ইত্যাদি।

অসমীয়া সংস্কৃতি যিহেতু সমন্বয়ৰ সংস্কৃতি । সেয়েহে সংস্কৃতিৰ অন্যান্য উপাদানৰ লগতে বাদ্যযন্ত্ৰবোৰতো জাতি-জনজাতি আদিৰ সাংস্কৃতিক সমন্বয় দেখা যায়। ঐতিহাসিকভাৱে চালে দেখা যায় যে আহোম যুগত অসমত স্বৰ্গদেউসকলে পাৰম্পৰিক সম্পৰ্ক ৰক্ষাৰ বাবে কোঁচ-কছাৰী আদিৰ লগতে ইছলাম ধৰ্মীয় লোকসকলৰ লগত মিলা-মিচা হোৱাৰ ফলতে অসমত সংগীতৰ লগতে বাদ্যযন্ত্ৰৰো সমন্বয় সাধন হৈছিল। বৰ্তমান গোলকীকৰণৰ যুগত বিশ্ব একক ৰাজ্যত পৰিণত হোৱাৰ লগে লগে সাজ-পাৰ, ৰন্ধন প্ৰণালী ইত্যাদিৰ লগতে সংগীতৰ লগত প্ৰত্যক্ষভাৱে বাদ্যযন্ত্ৰৰো সমন্বয় সাধন হৈছে। বৰ্তমান বাদ্যযন্ত্ৰৰ অবিহনে সংগীত চৰ্চাই অসম্ভৱ হৈ পৰিছে। ব্যক্তিৰ লগত সমাজৰ সম্পৰ্ক যেনেকুৱা, সংগীতৰ লগত বাদ্যযন্ত্ৰৰ সম্পৰ্কও একেৰূপৰ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ-**


১। বিহুৰ উৎস, ঐতিহ্য ঃ ড০ হেমন্ত কুমাৰ বৰুৱা

২। অসমৰ লোক সংস্কৃতি ঃ চাও লোকেশ্বৰ গগৈ



স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ



# সোনোৱাল কছাৰীসকলৰ লোকসংস্কৃতি

**মৌচুমী সোনোৱাল**

সোনোৱাল কছাৰীসকল হ'ল অসমত বসবাস কৰা ভৈয়াম জনজাতিসমূহৰ এক অন্যতম জনগোষ্ঠী। জনসংখ্যা ফালৰ পৰা অসমৰ জনজাতিসমূহৰ ভিতৰত তৃতীয় বৃহৎ জনজাতি। এওঁলোকে প্ৰাচীন কুণ্ডিল নগৰক কেন্দ্ৰ কৰি 'হালালী' (উজ্জ্বল মাটি) ৰাজ্যত বাস কৰিছিল। কথিত আছে যে বড়ো-কছাৰীৰ ওচৰ সম্বন্ধীয় এই জনগোষ্ঠীটোৱে সোণশিৰিত সোণ কমাইছিল, আৰু তেওঁলোকে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি সোনোৱাল উপাধি গ্ৰহণ কৰে। সেয়ে তেওঁলোকক সোনোৱাল কছাৰী বুলি কোৱা হয়। প্ৰধানতঃ সোনোৱালসকল বৃহৎ বড়ো গোষ্ঠীৰ লোক। তেওঁলোক মূল বড়ো মূলৰ পৰা আঁতৰি আহে আৰু অসমীয়াভাষী হৈ পৰে। বৰ্তমান অসমৰ লক্ষিমপুৰ, ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, অৰুণাচল প্ৰদেশৰ ঠাইবিশেষ আৰু নগা ভূমিতো তেওঁলোকে বসবাস কৰি আছে। তেওঁলোকৰ মাজত প্ৰচলিত কথা, মৌখিক গীত মাত আৰু কিংবদন্তিসমূহৰ পৰা জানিব পৰা যায় যে একালত তেওঁলোকে প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিছিল। অতীতত অতি গৌৰৱেৰে বসবাস কৰা সোনোৱাল কছাৰীসকলৰ স্বকীয় বৈশিষ্ট্য আছে। সাংস্কৃতিক ইতিহাসত তেওঁলোক বৰ চহকী জাতি। কালৰ ধুমুহাই তেওঁলোকৰ এই জাতীয় সংস্কৃতিক বাৰুকৈয়ে আঁচোৰ লগাই গৈছে যদিও সাংস্কৃতিক গীত মাত আদিয়ে তেওঁলোকৰ ধ্বজাবাহী সংস্কৃতিৰ এক নিটোল পৰিচয় দি আহিছে। ৰাজতন্ত্ৰৰ সময়ৰ কথা বাদ দিলেও স্বৰাজোত্তৰ কালৰ পৰা যদি এই উজ্জ্বল সাংস্কৃতিক সম্পদ তথা কৃষ্টিসমূহ পূৰ্ণ সংৰক্ষণৰ ব্যৱস্থা কৰিলেহেতেন, তেতিয়া তেওঁলোকৰ সেই সাংস্কৃতিক গৌৰৱ আৰু অধিক অক্ষুন্ন থাকি লেহেঁতেন।

লোক সংস্কৃতিয়ে এটা জাতিৰ আচাৰ-ব্যৱহাৰ, উৎসৱ অনুষ্ঠান, বিশ্বাস, সংস্কাৰ আমোদ আদিৰ পৰিচয় দিয়ে। লোক-সংস্কৃতিয়ে এটা জাতিৰ জীৱন যাত্ৰাৰ ইতিহাস দাঙি ধৰে। ইয়াৰ পৰিসৰ অত্যন্ত বিশাল। অসমৰ বৰ্ণাঢ্য জনগোষ্ঠী সোনোৱাল কছাৰীসকলৰ লোক সংস্কৃতিৰ বোঁৱতী সোঁতে অসমীয়া সংস্কৃতিৰ পথাৰখন সাৰুৱা কৰাৰ লগতে জাতীয় জীৱনলৈ প্ৰভূত অৱদান যোগাই আহিছে। সোনোৱাল কছাৰীসকলৰ সামাজিক জীৱন ধাৰাৰ স'তে ওতঃপ্ৰোত ভাৱে সংযুক্ত লোক সংস্কৃতিৰ উপাদানবিলাক হৈছে গায়ন-বায়ন, বাইথ' পূজা, হায়দাং নৃত্য, বিহু, বহুৱা নৃত্য, হগ্ৰা নৃত্য, লখিমীসবাস অপেচৰা সবাহ , আই সকাম, সৰগদেউ, পূজা, ক্ষেত্ৰীয়ৰ পূজা, গজাই-মনাই পূজা, ভোজ, ভুৰ উটোৱা, পিৰ দিয়া, মৰাক দিয়া, বাটমৰা পূজা, আয়ুসতোলা, বাৰীচুকৰ সকাম, গৰখীয়া সবাহ, নামকীৰ্ত্তন, কৰসবাহ, বিবাহ মৃতকৰ সকাম-শ্ৰাদ্ধ, ধানৰ গোজলোৱা, লখিমী চপোৱা ইত্যাদি। এই লোক সংস্কৃতিৰ উপাদানসমূহৰ আবেদন আৰু প্ৰভাৱ সোনোৱাল কছাৰীসকলৰ জীৱন ধাৰাক বিধৌত কৰিছে।

**সোনোৱাল কছাৰী সকলৰ ধৰ্মীয় পৰম্পৰা ঃ** প্ৰাচীন কালৰে পৰাই সোনোৱাল কছাৰী লোকসকলে কিৰাট ধৰ্মীয় বিশ্বাস আৰু আনুষংগিক অনুষ্ঠানবোৰ পালন কৰি আহিছে। সোনোৱাল কছাৰীসকলে সোতৰ শতিকাত আউণীআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেউ গোঁসাইৰ ওচৰত মহাপুৰুষীয় এক শৰণ নাম ধৰ্ম গ্ৰহণ কৰে। কিন্তু দেখাত উক্ত ধৰ্ম গ্ৰহণ কৰিলেও প্ৰাচীন ধৰ্মীয় বিশ্বাস আজিও মানি আহিছে। সোনোৱাল

কছাৰীসকল প্ৰধানত ঃ অসমৰ মাজুলীৰ আউণীআটী সত্ৰৰ শিষ্য আৰু ভক্ত। এই ধৰ্মত থাকিও তেওঁ পূৰ্বৰ লৌকিক ধৰ্মশাক্ত-শৈৱ প্ৰথা অনুযায়ী সামাজিক বিধি-বিধান মানি খিৰিং ৰজা বাইথ' বা শিৱ মহাদেৱ শদিয়াৰ চাৰিশাল যেনে বুঢ়া-বুঢ়ী, কেচাইখাতী থান, তাম্ৰেশ্বৰী, গজাই মনাই, বাইথ পূজা আদি কিছুমান ধৰ্মীয় অনুষ্ঠান সমজুৱাভাৱে আৰু কিছুমান অনুষ্ঠান যেনে সৰুগদেউ পূজা, ক্ষত্ৰিয় পূজা, বঢ়াপোহা, খিনভঙা, চুকত দিয়া, অপেশ্বৰী সবাহ, মৰাক দিয়া, বছৰেকীয়া চাউল খুওৱা, জল খাই ডাঙৰীয়া, চামন ডাঙৰীয়া পূজা, আইসকাম, আয়ুস তোলা আদি সকাম ঘৰুৱাভাৱে কৰা হয়। ভৌগোলিক আৰু অন্য সামাজিক পৰিবেশৰ বাবেও বাটৰ সবাহ, ছেঙেলী মাছৰ ভোজ, ভূৰ উটোৱা সুবচনী, লখিমী সবাহ, ফুলকোঁৱৰ, বাটমৰা সবাহ আদি সমজুৱা ভাৱে পালন কৰি আহিছে। প্ৰাচীন পদ্ধতিত পালন কৰি অহা ঘৰুৱা আৰু সমজুৱাভাৱে কৰা দুয়ো প্ৰকাৰৰ পূজা পাতল, সকাম আদিয়ে সোনোৱাল কছাৰীসকলৰ সামাজিক জীৱন গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

**লোক-উৎসৱ ঃ** সোনোৱাল কছাৰী লোক-উৎসৱে তেওঁ লোকৰ লোক-সংস্কৃতিৰ এটি বিশাল পৰিসৰ আগুৰি আছে। সোনোৱালসকলৰ আটাইতকৈ ডাঙৰ, তাৎপৰ্যপূৰ্ণ লোক উৎসৱ হৈছে বাইথ' পূজা। এই পূজা সম্পূৰ্ণকৈ অনুষ্ঠিত হ'বলৈ চাৰিদিন লাগে। প্ৰতি বছৰে শিৱৰাত্ৰিৰ পিছৰ দ্বিতীয় সোমবাৰে নিশাৰ পৰা আৰম্ভ হয়। পূজাৰ আগদিনা দেওবাৰে নিশা দেৱতা আহ্বান বা দেও নমোৱা বুলি পাণ-তামোলৰ নটা টোপোলা উলুখেৰৰ পাতেৰে বন্ধা হয়। তাৰ পাছত পূজা সম্পৰ্কীয় আলোচনা কৰা হয়। সোমবাৰে সন্ধিয়াৰ পৰা আখৈ ভজা, ফুল গঁঠা, মুঠাপাত বন্ধা কাম শেষ কৰি মূল মন্দিৰত ৰঙা কুকুৰা বলি দিয়ে। তাৰ পিছত বাহিৰত থকা ভূৰুলী থানত বিভিন্ন দেৱ-দেৱীৰ বাবে কুকুৰা বলি দি শেষত ভূৰুলী হাবুকীৰ নামত এখন বিশেষ খাত্তাৰে এযোৰ গাহৰি বলি দিয়া হয়। সেইবোৰ হৈছে হলৌ চালনী, দিলৌ-ডলা, কানৈ-পাচি, কনকবু খৰাহী, বায়ৰু-বিতনী, বাংৰী-দোন, বৰুণ-লাৱণী, নাক্লেং-চাক্লেং, নাছল-যুঁৱলী ইত্যাদি। পিছদিনা মংগল বাৰে পূজাৰীৰ বৰঘৰৰ বৰচাছৰ পৰা হাইদাং গীতৰ সঁজুলিবোৰ নমাই আনি মূল মন্দিৰৰ পৰা হাইদাংগীত গাই নাচি বাগি আহি পূজাৰীৰ বৰঘৰৰ ভিতৰত নাম সামৰি জামুকৰ খুটাত ঠাই দি মদাপান কৰে। তাৰ পাছত লখিমী নামগাই বৰঘৰৰ ভিতৰত নাচি-বাগি লখিমীক জগাই তোলে। বাহিৰলৈ ওলাই আহি হুঁচৰি নমোৱা হয়। বিভিন্ন প্ৰকাৰৰ হুঁচৰি গীত গাই বিহু আহ্বান কৰি পূজাৰ প্ৰসাদ বিতৰণ কৰি মূল পূজা সমাপন কৰা হয়। পিছদিনা বুধবাৰে হাবিৰ মাজত নিৰ্দিষ্ট ঠাইত মাটি মিহি কৰে আৰু সেই মাটিৰে বাঘৰ মূৰ্তি সাজি হালধি আৰু ছাঁইৰ শুকান পিঠাৰে বাঘৰ ওপৰত ৰং দিয়ে। মূৰ্তিটো মেটেকা, বাঘ-ঢেকীয়া পাতেৰে ঢাকি বাঘৰ মুখত এটা বাঘ কুকুৰা বলি দিয়া হয় আৰু পাতৰ দোং সাজি ৰহিমদ দিয়া হয়। হাবিৰ পৰা ওলাই আহি নিৰ্দিষ্ট মুকলি ঠাইত বৰপিঠা বা ঘিলাপিঠা তৈয়াৰ কৰি বিহুৰ পিঠা উদ্বোধন কৰে। বৰপিঠাৰ মূল ভাৱধাৰাটো হৈছে পৰ্ব্বতীৰ বৰৰ দ্বাৰা সেই পিঠা জিভা আকৃতিৰে তৈয়াৰ কৰা হয়। এই পিঠাকেই কালক্ৰমে ঘিলাৰ আকৃতি হোৱাত ঘিলা পিঠা বুলি কোৱা হয়। সেই পিঠা খালে বাঘৰ দৰে সাহসী হয় বুলি জনবিশ্বাস আছে। সেইদিনা ভোজ খাই কাৰ্য সমাপণ কৰে। বাইথ' পূজা অনুষ্ঠিত নোহোৱালৈকে সোনোৱাল সমাজত হুঁচৰি গীত গোৱা নহয়। বাইথ' পূজা হোৱাৰ পাছত কচুশাক খোৱা সমাপ্ত কৰে আৰু পচলা, ঢেকীয়া খাবলৈ আৰম্ভ কৰে। প্ৰকৃততে সোনোৱাল কছাৰীসকলৰ লোক জীৱনৰ ম'তে জড়িত বিবিধ কৰ্মৰ ধাৰাবাহিকতা শুভাৰম্ভণি হয়। বাথৌ পূজা, হাইদাং গীত-নৃত্যত সোনোৱাল কছাৰীৰ ইতিহাস, সাহিত্য, সংস্কৃতি, সামাজিক জীৱনৰ বহুতো অলিখিত বুৰঞ্জী সন্নিবিষ্ট হৈ আছে।

লোক-উৎসৱ অসমৰ প্ৰধান ব'হাগ বিহু, মাঘ আৰু কাতি বিহুক সোনোৱাল কছাৰীসকলে আন্তৰিকতা, গুৰুত্বসহকাৰে, মানৱীয় মূল্যবোধেৰে পৰম্পৰাগতভাৱে পালন কৰি আহিছে। কাতি বিহুত সোনোৱাল কছাৰীসকলে শস্যক বাধা-বিঘিনিৰ পৰা ৰক্ষা কৰিবলৈ সন্ধিয়া সেউজীয়া ধাননি পথাৰত চাকি জ্বলায়, এযোৰ পাণ-তামোল আগবঢ়ায়। বহুতে তুলসী ৰুই তাৰ তলত চাকি জ্বলায়। তেওঁলোকে বিশ্বাস কৰে যে সেইদিনা ভগৱান বিষ্ণুৱে প্ৰজাৰ সুখ-দুখৰ ভু-ল'বলৈ ভ্ৰমণ কৰে। বিষ্ণুক আদৰিবলৈ ভঁৰালৰ সন্মুখত, পদূলিৰ মুখত চাকি জ্বলায়।

মাঘবিহুৰ কেইদিনমানৰ আগৰে পৰাই বিহুৰ কাৰণে ৰাইজে বিভিন্ন খাদ্য সম্ভাৰ যোগাৰ কৰে। সমাজৰ গৰখীয়া আৰু ডেকাসকলে মেজি সাজিবলৈ খৰি, বাঁহ, ধানখেৰ গোটাই মেজি আৰু মেজিঘৰ বা ভেলা ঘৰ সাজে। কেতিয়াবা এটা, কেতিয়াবা দুটাকৈ সালসলনি কৰি পিৰামিদ আকাৰৰ মেজি সাজে। উৰুকাৰ দিনা ধান খেৰৰ ৰচি বাতি ঘৰ ভঁৰাল গোহালি বন্ধাৰ উপৰি বাৰীৰ গছ-



গছনিবোৰ বাঁহৰ টঙালেৰে বন্ধা হয়।

উৰুকাৰ দিনা ঘৰ দুৱাৰ; গছ-গছনি নেবান্ধিলে হেনো ধুমুহাই ভাঙি থৈ যায়। গছ-গছনিবোৰ বান্ধিলে গছত ফল-মূল লাগে বুলি জনবিশ্বাস আছে। উৰুকাৰ দিনা গৰখীয়া লৰা বিলাকে মেজি ঘৰত ভোজ ভাত খায়। পিছদিনা ধলপুৱাতেই গৰখীয়া ল'ৰাই গা-পা ধুই তিতা গাৰে ভকতৰ পৰা আৰ্শীবাদ লৈ মেজি জ্বলায়। মেজি জ্বলি থকাৰ সময়ত পূৰ্বতে সাজু কৰি থোৱা মাহ-কৰাই, তিল, কাঠ আলু, মিঠা আলু আদি অগ্নিদেৱতাৰ নামত জুইত দিয়ে। ঘৰৰ সকলোৱে গা-পা ধুই জা-জলপান খায়। শিৱই প্ৰজাৰ সুখ-দুখৰ খবৰ ল'বলৈ অহা শিৱৰ বাহন বৃষভ অৰ্থাৎ ঘৰৰ কাজলা কপিলা-কপিলি গৰু গাইক ধান খেৰৰ ছাঁইত মিঠাতেল সানি-পাঁচটা ফোঁট দিয়ে। সিদিনা ৰাইজে ঘিলাখেল খেলে। অৱশ্যে আজি-কালি এইবিধ খেল নোহোৱাৰ দৰেই হ'ল। মাঘ বিহুত আলু-কচু নেখালে পৰজনমত গাহৰি ৰূপে জনম লয় আৰু ঘিলা নেখেলিলে মূৰ ঘূৰণি হয় বুলি লোকবিশ্বাস আছে। তদুপৰি উৰুকাৰ দিনা মেজি ঘৰত থকা গৰখীয়া আৰু ৰাইজৰ ওচৰত বাঞ্চিত ফল বিচাৰি সেৱা ল'লে, সেই আশা পূৰণ হয় বুলি সোনোৱাল সমাজত বিশ্বাস আছে। ডাঙৰী অঞ্চলৰ বৰপথাৰ গাঁৱত বাইথ' পূজাৰ মন্দিৰত পূজাৰ সময়ত সেই জুই জ্বলোৱাৰ বাবে তাত মেজি নজ্বলায় আৰু ভক্তসকলৰ গাওঁবোৰতো মেজি জ্বলোৱাৰ নিয়ম নাই।

ব'হাগ বিহুটোও সোনোৱাল কছাৰীসকলে অতি ধুমধামেৰে সুন্দৰ আয়োজনেৰে উদ্‌যাপন কৰি আহিছে। জাতীয় উৎসৱ এই ৰঙালী বিহুৱে বৃহৎ অসমীয়া সমাজৰ লগতে সোনোৱাল কছাৰী সমাজকো সমৃদ্ধ কৰিছে। এই বিহুত ডেকা-ডেকেৰীৰ মন থৌকি-বাথৌ হয়। উৰুকাৰ দিনা গৰু গা ধুৱাবলৈ মাখিয়তী, দীঘলতীপাত, গৰুৰ গাত মাৰিবলৈ চাকত গাঁথিবলৈ লাঙ-বেঙেনা, হালধি, থেকেৰা গোটাই সন্ধিয়া সেইবোৰ চাকত ভৰায়। গাভৰু-বোৱাৰীয়ে গা ধুবলৈ মাহ হালধি খুন্দি পিছদিনালৈ সাজু কৰি থয়। গৰু বিহুৰ দিনা দোকমোকালিতে ঘৰৰ সকলো বিচনাৰ পৰা উঠে। জীয়ৰী বোৱাৰীয়ে ঘৰ, চোতাল, পদূলি সাৰি চাফ-চিকুণ কৰি মাহ-হালধিৰে গা ধুই পৰিষ্কাৰ হয়। তাৰ পাছতেই এখুবলি পিঠা খুন্দি সেই পিঠাগুৰিখিনি কাঁহৰ পাত্ৰত পানী গুলি ঘৰৰ বাহিৰ-ভিতৰৰ উপৰি অন্যান্য স্থানত তুলসী বা টংলতি পাতেৰে ছটিয়ায়। এনে কৰাৰ মূলতে হ'ল - এই পিঠাগুৰি চিন দেখি সেই পবিত্ৰ দিনটোত সোনোৱালসকলৰ পূৰ্বপুৰুষ মহাদানী বলি ৰজাই নিজৰ প্ৰজা বা জ্ঞাতি ভাই বুলি চিনি পোৱাত সুবিধা হ'ব আৰু সঁচাৰ ফুৰাই যোৱাত যাতে একো অসুবিধা নহ'ব। সুতলৰ নিবাসী বামণৰ ছলনাত নিবাৰ্সিত হোৱা দানবীৰ বলিয়ে পাতালৰ পৰা বছেৰেকত এবাৰ মৰ্ত্যবাসী প্ৰজা সোনোৱাল কছাৰীসকলৰ ওচৰলৈ আহে বুলি সোনোৱালসকলে বিশ্বাস কৰে। পিঠাগুৰি ছতিওৱা শেষ হোৱাৰ পাছত আগদিনা সাজু কৰি ৰখা চাক মাৰি, মাহ-হালধি লৈ দীঘলতি, মাখিয়তীৰে গোহালিত গৰুবোৰ গা ধুৱাবলৈ ৰাজহুৱা ভাৱে গাঁৱৰ নৈ বিল পুখুৰীলৈ খেদি নিয়ে। তাৰ পাছত ৰাইজে শাৰী পাতি প্ৰত্যেকৰ ঘৰৰ পৰা পাণ-তামোল আগবঢ়াই আশীৰ্বাদ লৈ গৰু গাইলৈ পানী ছতিয়াই, পানীলৈ খেদি নি গা ধুৱায়। চাক মাৰিৰ লাউ, বেঙেনা, হালধী, থেকেৰা কেতিয়াবা আনন্দতে মানুহলৈও মাৰে। এডাল এছাৰিত গৰু বিন্ধা মেৰিয়াই পঘা গৰুৰ ঠেঙৰ তলেদি সৰকোৱাৰ পাছত ইজনে সিজনাৰ লগত চাকমাৰি সালসলনি কৰে। কিন্তু সম্বন্ধীয় লোকৰ মাজত চাক মাৰিৰ সালসলনি নকৰে। তাৰ পাছত ঘৰলৈ আহি জা-জলপান খাই কণী যুঁজায়। কোনো কোনো সোনোৱাল সমাজত সেইদিনা প্ৰত্যেক ঘৰলৈ গৈ মাহ-চাউল, পাণ-তামোল সহ কিছু মাননি লৈ জলযোগ গ্ৰহণৰ নিয়ম আছে। তুলসীৰে শান্তি পানী ঘৰৰ বাহিৰ ভিতৰত ছতিয়াই শুদ্ধি কৰি লয়। সন্ধিয়া ঘৰৰ পদূলি আৰু গোহালিত ধোঁৱা বা জাগ দিয়া হয়। সেই দিনৰ পৰা বিচনীৰ বা-লোৱা অৰ্থাৎ জাৰৰ শেষত সামৰি সুতৰি থোৱা বিচনী এখনেৰে ঘৰৰ পৰা বিচনীৰ বা-দি-দি বাহিৰলৈ ওলাই আহে। তদুপৰি ভঁৰালত কেঁচা পিঠাগুৰি, কল, পাণ-তামোলৰ সৈতে লখিমী দিয়াৰ লগতে চৰু শালিত, দুৱাৰ মুখত, ঢেকীত, পানী পতাত, নাঙ্গল-যুঁৱলীত আৰু গোহালিত পূজা কৰা হয়। আবেলি গৰুক নতুন পঘা দি বন্ধা হয় আৰু ঘিলা পিঠা খোৱায়। ঘৰৰ মূল ব্যক্তি বা গৃহস্থক কণিষ্ঠসকলে সেৱা কৰি, বিহুৱান বা বিহুৰ উপহাৰ আগবঢ়ায়। সেইদিনা বাইথ' থানত হুঁচৰি উলিয়ায়। অৱশ্যে অন্যান্য কিছুমান সোনোৱাল গাঁৱত পিছদিনাহে হুঁচৰি উলিওৱাৰ নিয়ম। হুঁচৰি গোৱাৰ আগতে নামঘৰত ৰাইজে গোটখাই প্ৰথমে মাংগলিক কাৰ্য হিচাপে উলুখেৰৰ ৯ টা টোপোলা, যেনে - গাঁৱৰ গতিগুৰি এটা, বাথৌ থানলৈ এটা, চাৰিশাল গোঁসানীৰ চাৰিটা, দেউৰী বাথৌ এটা, বৰদৈচিলা এটা আৰু গজাই মনাইৰ এটা আগবঢ়ায়। তেৰটা পাব থকা এডাল দীঘল বাঁহ এটা খুটাত আওঁজাই ছেকনি মাৰিৰে কোবাই কোবাই তেওঁলোকে হুঁচৰি উৰুৱায়। এই হাইদাং হুঁচৰিত সোনোৱাল কছাৰী সমাজৰ সামাজিক বুৰঞ্জী সোমাই আছে।

**কৃষি সম্বন্ধীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠান ঃ**

সোনোৱাল কছাৰী সমাজৰ শতকৰা নব্বৈ ভাগ লোকে খেতিৰ ওপৰত নিৰ্ভৰ কৰে। কৃষি জীৱনৰ সৈতে তেওঁলোকৰ সমাজ জীৱনৰ ইতিহাস গভীৰ ভাৱে সাঙোৰ খাই আছে। ব'হাগ বিহু সামৰি তেওঁলোকে খেতি পথাৰত নামি পৰে। পঞ্জিকা চাই ভাল দিন এটাত খেতি আৰম্ভ কৰি কঠিয়া সিঁচা, ৰুই-তুলি পথাৰ শস্য-শ্যামলা কৰাৰ পৰা ভঁৰালত ডাঙৰি সোমোৱালৈকে তেওঁলোকে কেইবাটাও সৰুসুৰা কৃষি সম্বন্ধীয় অনুষ্ঠান পালন কৰে। পথাৰত ন-ভুই ৰুৱৰ দিনা পূৰ্ব দিশত পথাৰ আলিৰ কাষত কচুপুলি এটা, তৰাগছ এজোপা ৰুই পাতত কপাহ লগাই দিয়ে। কলপাতত মাটি-মাহ, চাউল, পাণ-তমোল আৰু বন্তি আগবঢ়াই "গুৰুৰ লগাম, ভকতক লগাম" বুলি আই লখিমী নদন-বদন হৈ উঠিবৰ কাৰণে প্ৰাৰ্থনা কৰি ৰোৱা আৰম্ভ কৰে। ন-ভুঁই ৰোৱা দিনা ওচৰ চুবুৰীয়া

ৰোৱনী হালোৱাক বৰা চাউলৰ জলপান, ভাত, হাঁহ মাৰি আনন্দৰে ভোজ-ভাত খায়। খেতি শেষ হোৱাৰ দিনাও এটা সৰু ভোজ খায়। বৰ্ষা কাল পাৰ হৈ শৰত কাল সোমায়। কাতি সংক্ৰান্তিৰ দিনা পথাৰ, বাৰীত চাকি জ্বলায়। পথাৰৰ ধানত প্ৰথম কাচি লগাবৰ দিনা পাণ-তামোল আগবঢ়াই অলপমান পানী ঢালি, তিনিগোছা ধান কাটি ভঁৰালত থয়হি। আঘোন মাহত গৃহস্থীয়ে চুবুৰীয়া জ্ঞাতি কুটুমক আমন্ত্ৰণ কৰি বাৰীত শাক-পাচলি আৰু মাছ মাঙহৰ লগতে নতুন ধানৰ পৰা তৈয়াৰ কৰা মদপানীৰে সৈতে ন-খোৱা পাতে। ধান কটা শেষ হ'লে তিনি গোছা ধান কাটি বা উঘালি আনি গামোচাৰে মেৰিয়াই মান সহকাৰে ভঁৰালত থয়। সেইদিনা লক্ষী সোমোৱা উৎসৱৰ দৰেই ভঁৰালৰ দুৱাৰত এখন নতুন গামোচা আঁৰি দিয়াৰ উপৰিও কোনো কোনোৱে ঘৰৰ দুৱাৰমুখত নতুন কাপোৰ আঁৰে আৰু চাকি-বন্তি জ্বলায়। লখিমী সোমোৱাৰ দিনা ঘৰৰ বস্তু আন মানুহক নিদিয়ে। পথাৰৰ ধান চপাই লখিমী অনাৰ দিন ধৰি মাঘ মাহলৈকে ধান ওলোৱা নিষেধ।

খেতি-বাতিৰ কাৰণে অতি প্ৰয়োজনীয় পানীৰ কাৰণে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। সেয়ে খেতিৰ সময়ত বৰষুণ নহ'লে সোনোৱাল কছাৰীসকলে বৰষুণৰ ভাৰে ভেকুলী বিয়া পাতে। তেওঁলোকে বিশ্বাস কৰে এটা কাঁহৰ বাতিত মাৰ্বল ঘূৰালে আৰু বাঘ ধনু বজালে হেনো বৰষুণ হয়। তেওঁলোকে প্ৰকৃতিৰ ওপৰত গুৰুত্ব দিয়ে যাৰ বাবে সময়, বতৰৰ ওপৰত ভিত্তি কৰি অভিজ্ঞতাসূচীক লোক-নীতিবচন লৈ ৰূপান্তৰিত কৰিছে।

**উদাহৰণস্বৰূপে ঃ** আজাৰ ফুলিলে নাচি-বাগি থাকিবৰ সময় নাই; কঠিয়া পাৰিবৰ হ'ল, ডিমৰু গুটিবোৰ এটি দুটিকৈ পকিছে কঠিয়া তিয়াবৰ হ'ল, আম বেচিকৈ লাগিলে বানপানী হয়; কঠাল বেছিকৈ পকিলে আলু খেতি ভাল হ'ব, ভেটাভঙা চৰাইজনী ওৰাক কৰি উজাই গৈছে বৰষুণ দিব, শামুকে বাসত কণী পাৰিছে, কণী তল যোৱাকৈ বৰষুণ দিব। হাঁহ-কুকুৰাবোৰ সোনকালে সোমালে ৰ'দ দিব। বগা ফুটকলা ফুলিলেই মাটিকলাই সিঁচিবৰ হ'ল, শলখ গছ ফুলিলেই সৰিয়হ সিঁচিবৰ হ'ল ইত্যাদি লোক প্ৰবচনবোৰে সোনোৱাল কছাৰী সমাজক নীৰৱে সদায়েই সঁকিয়াই আহিছে।

কৃষি জীৱনৰ স'তে একান্তভাৱে জড়িত হৈ থকা ঘৰুৱা জীৱ-জন্তুৰ প্ৰতিপালন ৰক্ষাৰ্থে কিছুমান পুজা পাতল কৰে। গৰু বা পশুধনৰ বৃদ্ধিৰ বাবে সোনোৱাল সকলৰ সমাজত গৰখীয়া সবাহ, গৰখীয়া ভোজ পাতে। কোনোৱা এটা ভাল দিন চাই পকা কল এঠোক, কেচাপিঠা গুৰি, পাণ-তামোলৰ টোপোলা আৰু বন্তি এগছিৰে মাতি আনি গৃহস্থই গৰুৰ গৰখীয়াসকলৰ কুশলাৰ্থে এটি ভোজ বছৰত এবাৰ আয়োজন কৰে। তদুপৰি ব'হাগ বিহুৰ দিনা গৰুক ঘিলাপিঠা খুউওৱা, মাঘ বিহুত ধানখেৰ পুৰি ছাই মিঠাতেলৰ সৈতে সানি গৰু গাইক ফোঁট দিয়াৰ অন্তৰালত গো-শক্তিৰ শ্ৰীবৃদ্ধি আৰু মঙ্গল কামনা কৰা, ম'হৰ ৰক্ষাৰ বাবে ম'খুটিত বা বাৰীচুকত চাউল একঠা খুবায়।

**সোনোৱাল কছাৰীসকলৰ সবাহ আৰু পূজা পাতল ঃ**

**লখিমী সবাহ ঃ** সোনোৱাল কছাৰী সমাজত সমূহীয়াভাৱে লখিমী আইক আদৰিবলৈ লখিমী সবাহ পাতে। সাধাৰণতে কাতি মাহৰ লক্ষী পূজাৰৰ দিনা নাইবা ফাগুন মাহৰ কোনোৱা এটা সোমবাৰ বা বুধবাৰ দিনা এই সবাহ পতা হয়। সোনোৱাল সকলৰ এই সবাহ বৰ ডাঙৰ সবাহ। সেই দিনকেইটাত গাওঁখনত উৎসৱৰ পৰিবেশ সৃষ্টি হয়। নামঘৰৰ পৰা সুবিধা হোৱাকৈ গাওঁখনৰ কাষত থকা কোনো নৈ, জান, বিলৰ পৰা লখিমী তুলি অনাৰ স্থান নিৰ্বাচন কৰি লয়। লখিমী অনা স্থানৰ পৰা নামঘৰলৈ বাট-পথ চিকুনাই পৰিষ্কাৰ কৰি লয়। লখিমী আদৰি আনিবলৈ ভালেমান সামগ্ৰী যেনে, কল চোচনিৰ ডোলা, ডালি, কলচী, জাকৈ নলৰ বঠামাৰি আৰু নলৰ লাখুটি, মাহপ্ৰসাদ, পাণ-তামোল আদি প্ৰয়োজন। গাঁৱৰ গায়ন-বায়ন দল, আইসকলৰ লগতে দুগৰাকী দোলাভাৰী, উঘাধাৰী, দুজনী পাট গাভৰু ছোৱালী, মাকৈধাৰী আদি লোকৰ উপস্থিতি আৰু সহযোগিতা বাধ্যতামূলক। এই সবাহতে পয়সত্তৰ গৰাকী দেৱ-দেৱীৰ নামত সবাহৰ উপচাৰ, প্ৰসাদ উছৰ্গা কৰা হয়। সবাহৰ অন্তত নদীত পোৱা লখিমীক গাওঁখনৰ প্ৰতিঘৰৰ লোকৰ মাজত ভগাই দিয়া হয়। প্ৰতিঘৰ গৃহস্থই ঘৰলৈ স-সন্মানেৰে নি ভঁৰালত প্ৰতিষ্ঠা কৰে। এই লেখনিত লখিমী সবাহৰ বিষয়ে সকলো দিশ আলোচনা কৰা নাই। মাথো কিছু পৰিমাণে আভাসহে দিয়া হৈছে। লখিমী সবাহৰ ওপৰত এটা দীঘল প্ৰবন্ধ হোৱাৰ সমল আছে।

**অপেশ্বৰী সবাহ ঃ** মানুহৰ বেমাৰ আজাৰ, অপায় অমংগল কোনোৱা অপশক্তিৰ দ্বাৰাই সাধিত হয় বুলি সোনোৱাল কছাৰীসকলৰ বহুতেই বিশ্বাস কৰে। সেই অমংগল কাৰ্যসমূহৰ কোনোৱা এগৰাকী অপেশ্বৰাই কৰে বুলি এক জনবিশ্বাস প্ৰচলিত হৈ আহিছে। পৰিয়ালত কাৰোবাৰ চকুৰ অসুখ, পেটৰ অসুখ আদি হ'লে সমাজত তাৰ প্ৰতিকাৰৰ্থে সবাহ পতা হয়। এই সবাহৰ কাৰণে চাৰিটা বাঁহৰ খুটা দীঘে পথালিৰে ছয়ডাল মাৰলি দি তাৰ ওপৰত কলৰ শুকান শসয়াৰে ৰভাটো সজা হয়। পাঁচগৰাকী গোপিনীক নিমন্ত্ৰণ কৰি যথা বিধিমতে ৰভা তলত বহুবায়। কেঁচা পিঠাগুৰি, এঁৰা গাখীৰ, পাণ-তামোলৰ টোপোলা সামান্য অৰিহণা আগবঢ়োৱাৰ লগতে প্ৰজ্বলিত চাকি দিয়া হয়। গোপিনীসকলে অপেশ্বৰা নাম গায়। ভক্তি শ্ৰদ্ধাৰে গৃহস্থই সেৱা লয় আৰু গোপিনীয়ে আশীৰ্বাদ দিয়ে। পিঠাগুৰি এঁৰা গাখীৰ আদি গোপিনীয়ে বিতৰণ কৰি খায়। পৰম্পৰা ৰক্ষা কৰি এই সবাহ কেৱল দেওবাৰে অনুষ্ঠিত কৰি আহিছে।

**বাটৰ সবাহ ঃ** গাওঁৰ জনসাধাৰণে সুখে শান্তিৰে বসবাস কৰিবলৈ গ্ৰাম্য সমাজৰ পৰা অপায় অমংগল, মাৰি-মৰক, বেমাৰ-আজাৰ আঁতৰ কৰিবলৈ সোনোৱাল কছাৰী সমাজত বাটৰ সবাহ অনুষ্ঠিত কৰাৰ পৰম্পৰা আজিও অব্যাহত আছে। গাঁৱৰ দুই মূৰে এই সবাহ গোপিনী

সকলে পাতে। সবাহৰ বাবে প্ৰয়োজনীৰ সামগ্ৰী পিঠাগুৰি, চেনি বা গুৰ, কটা তামোল, পাণ-তামোল এটা টোপোলা, এগচি বন্তি যোগাৰ কৰা হয়। গোপিনী সকলে গোট খোৱাৰ পাছত সবাহৰ নৈবদ্যসমূহ যথাস্থানত থোৱা হয়। বয়সীয়াল গোপিনী এগৰাকীয়ে আশীৰ্বাদ প্ৰদানেৰে গাওঁখনলৈ সকলোৰে মংগল কামনা কৰে। তাৰ পাছত সবাহৰ নৈবেদ্যসমূহ গোপিনীসকলে বিতৰণ কৰি সবাহ সামৰণি পেলায়। গাওঁখনলৈ যাতে পুনৰ অপায় অমংগল, বেমাৰ-আজাৰ আদি আহিব নোৱাৰে, তাৰেই উপায় হিচাপে এনে সবাহৰ আয়োজন কৰে। অৱশ্যে কিমান বাস্তৱসন্মত যুক্তি আছে সেয়া পৃথক আলোচনাৰ বিষয়। কিন্তু এনে ধৰণৰ জনবিশ্বাস সহজে মানুহৰ ধ্যান ধাৰণাৰ পৰা দলিয়াই পেলোৱা টান।

**গোপিনী সবাহ ঃ** সোনোৱাল কছাৰী সমাজত গোপিনী সবাহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। গাঁৱৰ সকলো অপায়-অমংগল, বিপদ-বিঘিনী, অসুয়া, অপ্ৰীতি নাশ কৰি ৰাইজৰ কল্যাণ আৰু মংগল কামনাৰ্থে এই সবাহ পালন কৰে। কোনো কোনো সমাজত দিনৰ ভাগত আৰু কোনো অঞ্চলত ৰাতি গোপিনী সকলে নামেৰে তিনিদিনীয়াকৈ এই সভা অনুষ্ঠিত কৰে। মাহ প্ৰসাদ, কল-কুঁহিয়াৰৰ, কটা পাণ-তামোলৰ কেইটামান টোপোলা, মিঠাতেল, চাকি-বন্তি, ধুপ-ধুনা আদি নৈবেদ্য আগবঢ়ায় গাঁৱৰ বয়োজ্যেষ্ঠ গোপিনীয়ে আশীৰ্বাদ দিয়াৰ পাছত গোপিনীসকলে নাম আৰাম্ভ কৰে। এই সবাহৰ সময়ত গাঁৱৰ কিছুমান লোকে নিজ বাঞ্চিত ইচ্ছা, আশা পূৰণ হোৱাৰ কামনা কৰি পাণ-তামোলৰ টোপোলাত অলপ মাননিসহ আগবঢ়াই সেৱা লয়। পোপিনী সকলে মনোবাঞ্চা পূৰ্ণ হোৱাৰ আশীৰ্বাদ দিয়ে আৰু অনেক সময়ত এই আশীৰ্বাদ অথলে নাযায় বুলি বহুতে বিশ্বাস কৰে। শেষৰ দিনা গোপিনীসকলে নামৰ সামৰণি মাৰে; সকলোৰে মাজত মাহ প্ৰসাদৰ বিতৰণ কৰে। এই সবাহ সামৰি নামঘৰ পৰিষ্কাৰ কৰি ইজনে সিজনৰ পৰা বিদায় লৈ ঘৰাঘৰি ঘৰলৈ যায়। গোপিনীসকলে এই সবাহ কৰাৰ পাছত ছমাহ কাল নামঘৰত ৰাজহুৱা সকাম কৰা নহয়।

**সৰগদেউ পূজা ঃ** প্ৰাচীন পদ্ধতিৰে সোনোৱাল কছাৰীসকলৰ কিছুমান বংশ পৰিয়ালে বেহাৰী প্ৰথমতে পালন কৰা সৰগদেউ পূজা এক মাংগলিক অনুষ্ঠান। কিছুমানে এই পূজাৰ পৰিৱৰ্তে বৰসবাহ কৰে। কেইবছৰমানৰ অন্তৰে অন্তৰে পালন কৰা সৰুগদেউ পূজাৰ আচাৰ-পদ্ধতিৰ নিয়ম আৰু উপকৰণ মন কৰিবলগীয়া। গৃহস্থীৰ ঘৰত উদ্‌যাপন কৰা উক্ত সৰগদেউ পূজাত গাঁৱৰ জ্ঞাতি-কুটুম্ব,আতৈ বান্ধৱ সকলোয়ে অংশ গ্ৰহণ কৰে। দুজন দেউৰীয়ে পূজা অৰ্চনাৰ মূল কামবোৰ সমাধা কৰে। ঘৰৰ চৌহদ বা চোতালৰ মুকলি ঠাইত বিস্তৃত পদ্ধতিৰে নানা সামগ্ৰী যেনেঃ- কৌপাত, কলপটুৱা চাংঘৰ, জখলা, খোকা, কণী, সৰগফুল, টংলতিৰ কুহি, আঙুলি পিঠা টোপোলা ভাত, মেচাকি মেজেঙা, ঢেকীয়া শাক শুকান পুঠিৰ মাছ, নলৰ চুঙাত মদ, কটা তামোল-পাণ, এটা বগা মতা কুকুৰা, এজনী মাউৰী কলি কুকুৰা আৰু এখন কাঠৰ কুঠাৰ আদিৰ প্ৰয়োজন হয়। এই নৈবদ্যসমূহ তিনি কুৰি দেৱতাৰ নামত 'উছৰ্গা' কৰা হয়। এই পূজা মুলতঃ ইন্দ্ৰদেৱতাৰ পূজা। এই পূজাত লখিমী নাম গায় গায়ন-বায়ন আদিৰ পৰিবেশনো কৰা হয়। স্মৰণাতীত কালৰ পৰাই প্ৰচীন পৰম্পৰাগত ভাৱে পালন কৰা এই পূজাৰ অন্তৰালত পূজাৰ উৎস সম্বন্ধীয় সুন্দৰ লোক কাহিনী বিশ্বাস জড়িত হৈ আছে।

**ক্ষত্ৰিয় পূজা ঃ** সোনোৱালসকলৰ সামাজিক জীৱনত বিশেষ বৈশিষ্ট্যপূৰ্ণ পূজা হিচাপে স্থান লাভ কৰা এই ক্ষত্ৰিয় পূজাই সোনোৱাল সকলৰ প্ৰাচীন ঐতিহ্য বহন কৰি আহিছে। এই ক্ষত্ৰিয় পূজা ব্যক্তিগত ভাৱে কিছুলোকে পাতিছিল যদিও বৰ্তমান সমাজৰ পৰিস্থিতি হেতুকে ৰাজহুৱা ভাৱে মাত্ৰ এতিয়া ডিব্ৰুগড় জিলাৰ লেঙেৰী মৌজাৰ টেপৰগুৰি গাঁৱত ৰাজহুৱাভাৱে এই পূজা সোনোৱাল কছাৰী ৰাইজে অনুষ্ঠিত কৰি আহিছে। প্ৰধানত ঃ এই পূজা ৰজাসকলৰ বাবে সৈন্য-সামন্তসহ যুদ্ধলৈ যোৱাৰ আগতে অনুষ্ঠিত কৰা হয়। সোনোৱাল কছাৰী ৰাজ্যৰ ৰজাসকলে যুঁজলৈ যোৱাৰ আগদিনা যুঁজত জিকিবলৈ মানস কৰি এইবিধ ক্ষত্ৰিয় পূজা আয়োজন কৰিছিল। বৰ্তমানলৈকে এই ক্ষুদ্ৰ জাতিটোৰ বিষয়ে সঠিক ভাৱে লিখা কোনো বুৰঞ্জী নথকাত কোনজন সোনোৱাল কছাৰী ৰজাৰ দিনৰ পৰা এই পূজা অনুষ্ঠিত কৰা হৈছিল কোৱাটো কঠিন। সোনোৱাল কছাৰীসকলৰ যে ৰাজ্য আছিল, তেওঁলোকে যে ক্ষত্ৰিয় বংশৰ লোক এই কথা পূজাই প্ৰতীয়মান কৰে। কোনোবা মৰণাতীত কালতেই তেওঁলোকৰ পূৰ্বৰ হালালী বা হেমালী গণৰাজ্য সোণালী অতীতৰ পৰাই ক্ষত্ৰিয় দেৱতাক উদ্দেশ্যি এই পূজা আজিলৈকে পালন কৰি আহিছে। প্ৰাচীন পৰম্পৰাৰে ইয়াৰ মৌলিকতা ৰক্ষা কৰি একৈশ শতিকাৰ প্ৰথম দশকলৈকে এৰা ধৰাকৈ হ'লেও অনুষ্ঠিত কৰিব পৰাটো সচাঁকৈয়ে গৌৰৱ আৰু আনন্দৰ কথা। ইয়েই জাতিটোৰ নিজ গৌৰৱজ্বল ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা, আন্তৰিকতা থকাৰ কথা প্ৰমাণ দিয়ে।

একৈশ শতিকাৰ এই জটিল যুগসন্ধিত অসমৰ অনান্য জনগোষ্ঠীৰ দৰেই এই সোনোৱাল কছাৰীসকলে আত্মপ্ৰতিষ্ঠা, অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ব্যস্ত থাকিও জাতিটোৰ ঐতিহ্যমণ্ডিত অতীতৰ অমূল্য সাহিত্য কলা, পৰম্পৰাৰে উজ্বল আৰু লোক-সাংস্কৃতিসমূহৰ গৱেষণা, সংগ্ৰহ আৰু সংৰক্ষণ কৰি জাতিটোক বলীয়ান আৰু মহীয়ান ৰূপত পুনৰ প্ৰতিষ্ঠা আৰু সংৰক্ষণ কৰিব পাৰিলেহে অসমৰ জাতীয় জীৱনৰ ইতিহাসত স্থান ল'বলৈ সক্ষম হ'ব।

**সহায়ক গ্ৰন্থ ঃ-**


সোনোৱাল সৌৰভ -সম্পাদক ঃ- সোনোৱাল, মোহন



স্নাতক চতুৰ্থ যান্মাসিক
অসমীয়া বিভাগ

# দেউৰী জনগোষ্ঠীৰ সংস্কৃতি

লক্ষীপ্ৰিয়া দেউৰী

উত্তৰ পূব ভাৰতৰ আদিম জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম উল্লেখযোগ্য জনগোষ্ঠী হ'ল দেউৰী। এই দেউৰী জনগোষ্ঠীক মঙ্গোলীয় নৃগোষ্ঠীয় প্ৰজাতিৰ লোক বুলিও কোৱা হয়। দেউৰীসকল প্ৰধানকৈ কৃষিজীৱি। দেউৰীসকলে অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, ধেমাজি, লক্ষীমপুৰ আৰু শোণিতপুৰ জিলাত প্ৰধানকৈ বসবাস কৰিছিল। দেউৰীসকলক চাৰিটা ভাগত দেখা যায়। অৰুণাচলৰ লোহিত জিলাৰ দিবাং নদীৰ পাৰত বাস কৰাসকলক দিবঙীয়া, জয়দাম পাহাৰৰ দাঁতিয়েদি বৈ যোৱা টেঙাপানী নদীৰ পাৰত বাস কৰাসকলক টেঙাপনীয়া আৰু বৰ নৈৰ পাৰত বাস কৰাসকলক বৰগঞা বুলি কোৱা হয়। তদুপৰি পাটৰগঞা বুলি ভাগ এটা আছে। এই চাৰিটা ভাগত দেউৰীসকলে বেলেগ বেলেগ নামেৰে পূজা পাতল কৰে। যেনে- দিবঙীয়াসকলে কুন্দিবাবাক, টেঙাপনীয়াসকলে বলীয়া বাবাক, বৰগঞাসকলে শ্ৰী শ্ৰী মা তাম্ৰেশ্বৰীক পূজা কৰে। কিন্তু সকলোৱে নিয়ম-নীতি একে। দেউৰীসমাজত বহুধৰণৰ নীতি-নিয়ম আৰু পৰম্পৰা মানি চলিব লগীয়া হয়। দেউৰীসকলে বৰ্তমান দেউৰী বুলি নহয়, জিমছাঁয়া বুলিহে চিনাকি দিব বিচাৰে। বুঢ়া-বুঢ়ীসকলৰ মতে পূৰ্বতে দেউৰীসকলে নিজকে জিমছাঁয়া বুলিহে পৰিচয় দিছিলে। বিশেষকৈ দিবঙীয়াসকলে। কিন্তু কেনেকৈ, ক'ৰ পৰা, কেতিয়াৰ পৰা দেউৰী হৈ পৰিল সেই বিষয়ে গৱেষকসকলৰ পৰা কোনো তথ্য পাবলৈ নাই। দেখা যায় যে, অসমৰ প্ৰাচীন জনগোষ্ঠী ভৈয়ামৰ কাৰ্বি তথা তিৱসকলৰ পূজাৰীক দেউৰী বুলি কয়, নামনিৰ নামঘৰৰ বিলনিয়াক তথা উজনীৰ কিছু কিছু ঠাইৰ কুঁন্দিকুত তথা থান ঘৰত পূজা পাতল কৰি থকাৰ বাবে পৰৱৰ্তী সময়ত তেওঁলোককো দেউৰী বুলি ক'বলৈ লয় আৰু সেইদৰে জিমছাঁয়াৰ পৰা গৈ এটা সময়ত দেউৰী হৈ পৰিল।

**দেউৰীসকলৰ বিহু (জিমছাঁয়াৰ বিহু) ঃ**

অসমৰ ডিমাচাসকলে বিহুক বিচু বুলি কয় আৰু বুধবাৰেহে পাতে। সেইদৰে অসমৰ আৰু এটা প্ৰাচীন জনগোষ্ঠী মৰাণসকলেও বুধবাৰৰ পৰাহে বিহু আৰম্ভ কৰে। এতিয়াও বৃহত্তৰ শদিয়া অঞ্চলত সকলো জনগোষ্ঠীৰ লোকে বুধবাৰৰ পৰাহে বিহু আৰম্ভ কৰা দেখা যায়। বিহু অসমৰ সকলো অসমীয়াৰ ৰং-ৰহইচ তথা কিছু ধৰ্মীয় লোকাচাৰৰ উৎসৱ। কিন্তু দেউৰী বা জিমছাঁয়াসকলৰ বিহু সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰা, -নীতি-নিয়মেৰে পালন কৰা এটা ৰং ধেমালিৰ উৎসৱ। জিমছাঁয়াসকলে যিহেতুকে সম্পূৰ্ণ ধৰ্মীয় নীতি-নিয়ম তথা পৰম্পৰাৰে বিচু পালন কৰে। গতিকে ই সদায় কুন্দিক বা থান ঘৰৰ লগত



ওতঃপ্ৰোতভাৱে জড়িত। আমি কুন্দিক বা থানঘৰ অবিহনে বিচুৰ কথা কল্পনাও কৰিব নোৱাৰি। যিহেতুকে বুধবাৰটো জিমছাঁয়াসকলৰ বাবে অতি পবিত্ৰ দিন। সেইবাবে বুধবাৰেহে কুন্দিকৰ দুৱাৰ খুলিব পাৰে বাবেই আমাৰ বিহুও বুধবাৰৰ পৰাহে আৰম্ভ হয়। দেউৰীসকলে এই বিহু অসমলৈ আহোম, ব্ৰাহ্মণ, কায়স্থ, বাৰগএাসকলৰ আগমণৰ আগৰ পৰা বৃহত্তৰ শদিয়া তথা কুণ্ডিৰ অঞ্চলৰ সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰা তথা নীতি-নিয়মেৰে পালন কৰি আহিছে। এতিয়াও প্ৰত্যেকখন দেউৰী গাঁৱত পালন কৰি আছে আৰু ভৱিষ্যতেও পালন কৰি থাকিব।

জিমছাঁয়া বা দেউৰীসকলৰ বিচু তথা নামঘৰত পূজা-পাতল, বলি-বিধান আদি দিবৰ বাবে ৰাইজৰ মাজৰ পৰা কিছুলোকক বাচি লৈ কিছু বাব দিয়ে। যিসকলৰ সু-পৰিচালনাত ধৰ্মীয় ৰীতি-নীতি তথা বিভিন্ন কাম-কাজবিলাক সুকলমে পৰিচালিত হৈ আহিছে। তেখেতসকলৰ পৰিচয় হৈছে-

**বদেৰী বা বৰদেউৰী ঃ** গাঁৱৰ মাজত বদেৰী বা বৰদেউৰীজন হ'ল সকলোতকৈ সন্মানীয় ব্যক্তি। তেখেতে কোনো সকাম-নিকাম বা বিয়া-দহা আদিত সকলোতকৈ আগত আসন পায়। এখেতেই হ'ল বলি দিয়া বা বলিকটা মানুহজন। এই বদেৰী বা বৰদেউৰীজনে সাধাৰণতে বদেৰী বা বৰদেউৰী বংশৰ হ'ব লাগিব।

**সদেৰী বা সৰুদেউৰী ঃ** সদেৰী বা সৰু দেউৰীজন হ'ল সন্মানৰ ফালৰ পৰা জিমছাঁয়া সমাজৰ দ্বিতীয় স্থানৰ ব্যক্তি। এখেতে বলিৰ আগ ঠেং দুটা ধৰা। সাধাৰণতে সদেৰী বা সৰু দেউৰীজনক চিটিগায় বংশৰ পৰা লোৱা হয়।

**বৰভড়ালী ঃ** বৰভড়ালী হ'ল তৃতীয় স্থানৰ সন্মানীয় ব্যক্তি। এখেতে বলিৰ মুণ্ড বা মুৰটো ধৰে। এই বাবটো আইৰিয় বংশৰ পৰা লোৱা হয়।

**সৰু ভড়ালী ঃ** এই সৰু ভড়ালীজন হ'ল সন্মানৰ ফালৰ পৰা চতুৰ্থজন ব্যক্তি। বলিৰ সময়ত এখেতে বলিৰ পাছ ঠেং দুটা ধৰে। সাধাৰণতে এই বাবটো আইৰিয়সকলৰ কৰম বংশৰ পৰা লোৱা হয়।

**বাৰিক ঃ** বাৰিকৰ কাম হ'ল বলিৰ পশু-পক্ষীবিলাক ধুৱাই-পখলাই ৰক্ত চন্দন সানি থানৰ ভিতৰলৈ আগবঢ়াই দিয়া আৰু ৰাইজৰ চাউল-চুজৈ(মদ) সংগ্ৰহ কৰা। এই বাবটো জিমদায়া বা দেউৰীৰ যেই কোনো বংশৰ হ'ব পাৰে।

**খেলৌ বড়া ঃ** খেলৌবড়াৰ কাম হ'ল ৰাইজৰ কুকুৰা সংগ্ৰহ কৰি কুঁন্দিকুত বা থানত জমা দিয়া। এই বাবটো সাধাৰণতে আইৰিয়সকলৰ মাদলা বংশৰ মানুহক দিয়া হয়।

এইবিলাক কোনোটোৱেই পুৰুষানুক্ৰমিক নহয়। বাপেক মৰিলে পুতেক হ'ব লাগিব বুলি কোনো ধৰা বন্ধা নিয়ম নাই। ৰাইজে তেওঁলোকৰ বংশৰ পৰা যিকোনো এজনক বাচি ল'ব পাৰে। যদি উপৰোক্ত বংশবিলাকত উপযুক্ত লোক নেথাকে তেন্তে ৰাইজে আৱশ্যক হ'লে বেলেগ বংশৰ পৰা ল'ব পাৰে। কাৰণ ওপৰত উল্লেখ কৰা পদকেইটা পাবলৈ বা ল'বলৈ হ'লে মানুহজন নিঘূণি, কুকুৰে নেকামুৰা, সাপে নুখুটা, সমাজৰ দায়-দোষ নথকা, বদনাম নথকা লোক হ'ব লাগিব।

বিচু (বিহু) প্ৰধানকৈ দেউৰীসকলৰ দুবিধ। এটা হ'ল (ক) ইবাঁকু বিচু (ব'হাগ বিহু) (খ) কেমাজি বিচু (মাঘ বিহু)। আচ্চিচি বিচু বা কাতি বিহু দেউৰীসকলে অসমৰ বাকী জনগোষ্ঠীসকলৰ দৰেই পথাৰত চাকি-বন্তি জ্বলাই নিয়ম পালন কৰে।

**(ক) ইবাঁকু বিচু (ব'হাগ বিহু) ঃ** ইবাঁকু বিচু (ব'হাগ বিহু) পাতিবৰ বাবে ৰাইজৰ ফাগুনৰ মেটুৱা সকামত ডেকা-গাভৰুসকলে ঢোল, পেঁপা বজাই চাৰি দেউৰী তথা ৰাইজৰ ওচৰত আৱেদন জনায়। এই সকাম থানত হয়। ইয়াৰ পাছৰ পৰাই ফাগুনৰ ১০-২০ দিন মানৰ পাছৰ পৰা জিমছাঁয়া (দেউৰী) ডেকা-গাভৰুসকলে ৰাতি-ৰাতি বদেৰী বা বৰদেউৰীৰ চোতালত বিহু কৰি মনৰ ভাৱ আদান-প্ৰদান কৰে। এইদৰে ৰাতি-ৰাতি বিচু কৰি ফাগুন শেষ হৈ চ'ত মাহ সোমাই, চ'ত মাহ শেষ হৈ ব'হাগ সোমায়। শেষত ব'হাগৰ প্ৰথম বুধবাৰৰ গোটেই ৰাতি বিহু মাৰি মাৰি বিহু গাই-গাই ৰাতিপুৱাই দিয়ে। তাৰ পাছত বোকা বিচু কৰি ঘৰা-ঘৰি যায়। উক্ত সমগ্ৰ ৰাতি বিহু কৰাৰ দিনা সাধাৰণতে ল'ৰা-ছোৱালী, ডেকা-গাভৰু , বুঢ়া-বুঢ়ীসকলোৱেই আহি বিচুত ভাগ লৈ স্ফুৰ্তি কৰি বৃহস্পতিবাৰৰ ৰাতিপুৱাই দিয়ে।

উক্ত বৃহস্পতিবাৰৰ আগৰ দিনা অৰ্থাৎ ব'হাগৰ প্ৰথমটো বুধবাৰৰ দিনা চাৰি দেউৰীয়ে লগতে তেখেতসকলৰ পালি-পহৰীয়া লৈ কুণ্ডিকু বা থান খুলি ১৪ জনী কুকুৰা, আগতে পুতি থোৱা কল দুথোক, কিমাৰ ইঁবা ১৪ ডাল (টংলতি ফুল) লৈ থানৰ ভিতৰত কুকুৰা কাটি (বলি নিদিয়ে) কুণ্ডিবাবাৰ ওচৰত বিচুৰ বাবে আবেদন কৰি বৃহস্পতিবাৰৰ দিনাৰ পৰাই গাঁৱত ঘৰে ঘৰে বিচু আৰম্ভ কৰে।

বৃহস্পতিবাৰৰ ৰাতিপুৱা বিচু খোলাৰ পৰা (অৰ্থাৎ বদেৰী বা বৰদেউৰীৰ চোতালৰ পৰা) আহি গা-পা ধুই নতুন ধূতি- চেলেং লৈ কুকুৰা, মাছ, কাজিল চুজেঁ লৈ কৌপাতেৰে তুলা (বাত্তি) সাজি মৃতকক স্মৰণ কৰি আশীৰ্বাদ বিচাৰি পূৰ্বপুৰুষসকলক পিণ্ড দিয়ে। এই মৃতকক পিণ্ড দিয়া কাৰ্যটো প্ৰত্যেকজন জিমছাঁয়াই বা দেউৰীয়েই অতি নিষ্ঠা সহকাৰে পালন কৰে। ইয়াৰ পাছত পিণ্ড দিয়াজনে ঘৰৰ বাকীসকলৰ লগত একেলগে বহি কুণ্ডিবাবাৰ নামত আৰু মৃতকসকলক স্মৰণ কৰি চুজৈ বাকি আশীৰ্বাদ বিচাৰে। আমাৰ দেউৰীসকলে কাকো বিচু খাবৰ বাবে নিমন্ত্ৰণ নকৰে। সকলোৱে সকলোৰে ঘৰলৈ নিজে নিজে যায়। ইয়াৰ পাছৰ পৰাই আৰম্ভ হয় ঘৰে ঘৰে বিচু গাই গাই, বিচু নাচি বিচু খোৱাৰ আৰম্ভ হয়। ইয়াত দেঁহিতি, খজামাচি, ৰেমি ৰেমিয়া গাই নাচি-বাগি বিচু গাই ফুৰাৰ যি মজা সেই মজাটো আমাৰ চহৰীয়াসকলে ভাৱিব নোৱাৰে। আমাৰ জিমছাঁয়া বা দেউৰীৰ বিচুত ধনী-দুখীয়া বুলিবৰ নাই। সকলোৱে সকলোৰে ঘৰত চুজেঁ(মদ) এবাতি বা দুবাতি যাচিব। লগত থাকিব মাছ, মাংস, কণী বা নথকাৰ ঘৰত ডালজোবোৰা (ডালশাক)। ৰাইজে যি পায় তাতেই সন্তোষ্ট। চুঁজে খাই খাই, মজায়াচি গাই গাই, ৰেমি-ৰেমিয়া, দেঁহিতি গাই নাচি-বাগি বৃহস্পতি, শুকুৰ, শনি, দেও,

সোম, মঙ্গলবাৰলৈকে সকলো মতলীয়া হৈ বিচুত মজি থাকে। এই কেইদিন হাল-কোৰ সকলো বন্ধ। গৰু, ম'হ, ছাগলী উদণ্ডীয়া হয়। ল'ৰা-বুঢ়া, ডেকা, জীয়াৰী, বোৱাৰী, বুঢ়ী বুলিবৰ নাই। মাত্র এফালৰ পৰা বিচু গাই, বিচু গাই ফুৰে। বিচু বিচু মাত্র বিচু, ইমানেহে জানে এই বিচুৰ কেইদিন দেউৰীসকলে।

এইদৰে আগবেলা সকলোৱে ঘৰে ঘৰে বিচু খাই গাই পাছবেলা আকৌ গা-পা ধুই থানলৈ গৈ তাত সেৰা লৈ বিচু মাৰি সেই বিচু আকৌ বদেৰীৰ ঘৰত থৈ আহে। এই কুঁন্দিকুলৈ বা থানলৈ গৈ বিচু মাৰি বিচু আকৌ বৰদেউৰী ঘৰত থৈ অহা কাৰ্যটো বিচুৰ প্ৰত্যেক দিনাই কৰা হয় কি বিচু শেষ নোহোৱা পৰ্যন্ত।

**ইঁবাকু বিচু (ব'হাগ বিহু)ৰ বৰবলি ঃ** এই বৰবলি আৰম্ভ হয় দ্বিতীয় বুধবাৰৰ দিনা। সকলো ৰাইজে গা-পা ধুই নতুন কাপোৰ পিন্ধি থানত আহি গোট খাই। ৰাইজৰ মহলৰ বাবে কুণ্ডিবাবাৰ, বলিয়াবাবা, মা তাম্ৰেশ্বৰীৰ নামত প্ৰাৰ্থনা কৰি ছাগলী এটা, হাঁহ এটা আৰু পাৰ চৰাই এযোৰ, নুমলী কুৰৰী নামত কলা ছাগলী এটা আৰু কুকুৰা এটা, চেং কুঁৱৰৰ নামত কলা ছাগলী এটা উৎসৰ্গিত কৰি বলি দিয়া হয়। লগত মাহ আৰু চাউলো দিয়ে। ইয়াৰ পাছত বিভিন্নজনে নিজৰ নিজৰ অভিষ্ট সিদ্ধিৰ বাবে ছাগলী, হাঁহ, পাৰ, কুকুৰা আদিৰ বলিৰ বাবে আগবঢ়ায়। কিছুমানে সোণ-ৰূপৰ ফুল আদিও কুঁন্দিবাবাৰ নামত থানত উৎসৰ্গা কৰে। আবেলি পৰত বলি-বিধান শেষ হোৱাৰ পাছত বলিৰ পশু-পক্ষীসহ ভাত আৰু চুজেঁৰ লগত সমগ্ৰ ৰাইজে ভোজ ভাত খায়। লগতে ওপৰত উল্লেখিত বলিৰ মাংসৰ এটোপোলা এটোপোলা আয়ুস হিচাপে ৰাইজৰ প্ৰত্যেক ঘৰলৈকে দিয়ে। এয়াই হ'ল বৰবলি।

**বিচু দাবেবা (বিহু পেলোৱা বা বিহু উৰুওৱা) ঃ**

এই বিচু দাবো পাছদিনা অৰ্থাৎ দ্বিতীয়টো বৃহস্পতি বাৰৰ দিনা হয়। ৰাতিপুৱাই গাঁৱৰ সকলো ৰাইজ আহি কুণ্ডিকুত বা থানত সকলোৱে চাৰি দেউৰীক সেৱালৈ আশীৰ্বাদ বিচাৰে। তাৰ পাছত বিচু কৰিবলৈ আৰম্ভ কৰে। ৰাইজ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে আবৰ, চিলাম-চিলাম, হৰাই-ৰাঙলী আদি গাই বিচু কৰে। ইয়াৰে মাজতে ঢুলীয়াই দেওধ্বনী চেও মাৰি দেওধ্বনিক দেওধ্বনি নাচিবৰ বাবে আমন্ত্ৰণ জনায়। দেওধ্বনীয়েও ঢোলৰ চেৱে চেৱে নাচিবলৈ লয়। ৰাইজে দেওধ্বনিৰ লগত থানৰ চোতালত ঘুৰি ঘুৰি নাচিবলৈ লয়। ইয়াৰ মাজতে ৰাইজে দেওধ্বনিলৈ টোপোলা আগবঢ়াই দেশৰ বা-বাতৰি লয়।

শেষত সকলো ৰাইজ বিচু কৰি কৰি থানৰ পৰা ওলাই আহি বদেৰী বা বৰদেউৰীৰ ঘৰৰ চোতালত বিচু মাৰে। ইয়াৰ পাছত বদেৰীৰ ঘৰৰ পৰা ডেকা-গাভৰু সকলো পথাৰত ধূপগুটি খেলিবলৈ যায়। তাৰ পাছত ডেকা-গাভৰুসকলে হাতত বাঁহৰ মাৰি দুডাল দুডাল লৈ বিচুৰ চেৱে চেৱে কুবাই কুবাই গাঁৱৰ নামনিলৈ বুলি আগবাঢ়ে। শেষত গাঁৱৰ নামনিত বিচু শেষ কৰি বাঁহৰ মাৰি কেইডাল দলিয়াই পেলাই পাছলৈ ঘুৰি নেচাই গাঁৱলৈ বুলি দৌৰ মাৰে। ইমানতেই ইবাকু বিচু শেষ হয়। ইয়াৰ পাছত জিমছাঁয়াসকলে বা দেউৰীসকলে ঢোল- পেঁপা বজোৱা বা বিচু মৰা মানা আকৌ পিচৰ বছৰ ইঁবাকু বিচু বা ব'হাগ বিচু নহালৈকে। ফাগুনৰ পৰা ৰাতি বিচু কৰাটো বাদ দিলেও ব'হাগৰ প্ৰথম বুধবাৰৰ পৰা দ্বিতীয়টো বৃহস্পতি বাৰলৈকে ধৰিলে, আমাৰ জিমছাঁসকলৰ বা দেউৰীসকলৰ বিচু নদিনীয়া পালন কৰে। যিটো নেকি দেউৰীসকলৰ বাদে অসমৰ আন কোনো জনগোষ্ঠীয়েই ইমান দীঘলীয়াকৈ পালন নকৰে। এই ব'হাগ বিহু শেষৰ দিনা জিমছাঁয়াসকলে বা দেউৰীসকলে ঘৰে ঘৰে ঘিলা-পিঠা, তিল পিঠা, বৰ পিঠা আদি সাজি খায়।

**কেমাচি বিচু (মাঘ বিহু) ঃ**

এই বিচু আৰম্ভ হয় মাঘ মাহৰ প্ৰথম বুধবাৰ দিনাৰ পৰা। বুধবাৰে ৰাতিপুৱা দেউৰী আৰু তেখেতসকলৰ পালি-পহৰীয়াসহ কুঁন্দিকুত বা থানত গোট খায়। এই বিচু পাতিবৰ বাবে সেইদিনা ১৪ জনী কুকুৰা, সান্দহ, কাঠ আলু, তামোল-পান, কিমাৰু ইঁবা (টংলতি ফুল) লগত আৱশ্যক অনুসাৰে চুজেঁ বা মদ। এই সকলোবিলাক সামগ্ৰী কুণ্ডিবাবাৰ ওচৰত সমৰ্পণ কৰি কুকুৰা ১৪জনী কাটি (বলি নিদিয়ে) কেমাচি বিচু বা মাঘ বিহু পাছদিনাৰ পৰা পাতিবৰ বাবে আবেদন জনায়।

পিছদিনা বৃহস্পতিবাৰে সকলোৱে ৰাতিপুৱাই গা-পা ধুই মেজি জ্বলাই আহি মৃতকৰ পিণ্ড দিবৰ বাবে আয়োজন কৰে। এই মৃতকক দিয়াটো ঠিক ইঁবাক বিচু বা ব'হাগ বিহুৰ দৰেই। কুকুৰা, মাছ, কাজি আৰু চুজেঁসহ কৌপাতৰ তুলা(বাতি) সাজি ঘৰৰ পাছফালে মৃতসকলক স্মৰণ কৰি আশীৰ্বাদ বিচাৰি পিণ্ড দিয়ে। তাৰ পাছত গৃহস্থই ঘৰলৈ আহি কুণ্ডিবাবাৰ নামত আৰু মৃতকসকলক স্মৰণ কৰি আৰ্শীবাদ বিচাৰি চুজেঁ বাকি ঘৰৰ সকলোৱে বিচু খাই ৰাইজৰ ঘৰে ঘৰে বিচু কৰিবৰ বাবে বিচু খাবৰ বাবে ওলাই যায়। এই কেমাচি বিচু ঘৰৰ বাহিৰত নামাৰে, ঘৰৰ ভিতৰত মাৰে। বিশেষকৈ আমাৰ দেউৰী সমাজৰ ঘৰবোৰ চাংঘৰ।

এই বিচুৰ ঘৰৰ ভিতৰত মজায়াচি গাই, দেঁহিতি গাই, ৰেমি-ৰেমিয়া গাই, নাচি নাচি চুজেঁ খাই বিচু মাৰি ফুৰাৰ আনন্দই বেলেগ। ধনী-দুখীয়া বুলিবৰ নাই, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী বুলিবৰ নাই, সকলোৱে চুজেঁ আৰু থকাৰ ঘৰত মাংস, মাছ, কণী, নথকাৰ ঘৰত ডালজোবোৰা (ডালশাক) খাই গাঁৱৰ এমুৰৰ পৰা বিচু মাৰি বিচু খাই ফুৰে। এই বিচু বৃহস্পতিবাৰৰ পৰা শনিবালৈকে তিনিদিনীয়াকৈ পালন কৰে। এই কেমাচি বিচুৰ বা মাঘ বিহুৰ এই তিনিদিন হাল-কোৰ একো নেবায়। মুঠতে বিচু বিচু আৰু বিচু খাপ লাগে, গাব লাগে, নাচিব লাগে, বচ ইমানেই।

এনেদৰে জিমছাঁয়াসকলে বা দেউৰীসকলে বিচু পালন কৰে।

**সহায়ক গ্ৰন্থ ঃ**

ক) টেঙাপনীয়া - ৰমাকান্ত দেউৰী ।

---

স্নাতক চতুৰ্থ ষান্মাসিক,
অসমীয়া বিভাগ।

সংস্কৃতি

# মিচিং জনগোষ্ঠীৰ ৰীতি নীতি, লোক নৃত্য আৰু বাদ্য

দিপ্তীৰাণী পাইত

ইতিহাসে ঢুকি নোপোৱা কালতে মিচিংসকলৰ এটা ঠাল ভৈয়ামলৈ নামি আহিছিল আৰু উজনিৰ উত্তৰ অসমৰ লক্ষীমপুৰ জিলাতে প্ৰথমে বসতি স্থাপন কৰিছিল বুলি জনা যায়। পৰৱৰ্তী সময়ত লক্ষীমপুৰৰ পৰা ব্ৰহ্মপুত্ৰ নদীয়েদি অসমৰ বিভিন্ন জিলালৈ প্ৰব্ৰজন ঘটে। বৰ্তমান মিচিংভাষীসকল অসমৰ লক্ষীমপুৰ, ধেমাজি, শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট, দৰং, শোনিতপুৰ আদি জিলা তথা ভৈয়াম অঞ্চলত বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীবোৰৰ পাৰে পাৰে বসতি কৰি আছে। নৃতাত্বিকভাৱে মিচিংসকল মঙ্গোলীয় গোষ্ঠীৰ লোক। আমাৰ এই প্ৰবন্ধত মিছিং জনগোষ্ঠীৰ ৰীতি-নীতি, লোক নৃত্য আৰু বাদ্যৰ সম্পৰ্কে আলোচনা কৰা হ'ব ।

মিচিংসকলৰ বিবাহ কাৰ্য মূলত ঃ দুটা পদ্ধতিৰে সম্পাদিত কৰা হয়। এটা পদ্ধতি 'মিদাং (সাধাৰণ নিয়মৰে বিয়া) আৰু আনটো পদ্ধতি 'দুগলা লাংনাম (পলুৱাই নিয়া) বোলা হয়। দুয়োটো পদ্ধতিকেই মিচিং সমাজত সামাজিক স্বীকৃত দিয়া হয়। উল্লেখ্য যে মিছিং সমাজত একে উপাধি বা গোত্ৰৰ ডেকা-গাভৰুৰ মাজত বিবাহ নিষিদ্ধ।

**মিদাং ঃ**-মিদাং বা সাধাৰণ নিয়মৰ বিয়াৰ বাবে সাধাৰণতে দৰাঘৰীয়াই ছোৱালী খোজা-বঢ়া আৰু চোৱা-মেলা কৰে। ছোৱালী পছন্দ হ'লে ল'ৰাৰ মাক-দেউতাকে ছোৱালীৰ ঘৰত খবৰ দিয়ে। সেইমতে ছোৱালীৰ মাক-দেউতাক বা অভিভাৱকে ল'ৰা ঘৰৰ লোকসকলৰ থকা মেলা আৰু খোৱা বোৱাৰ বাবে সকলো যোগাৰ কৰি থয়। নিৰ্দিষ্ট দিনত ল'ৰা পক্ষৰ মানুহ আহিলে ছোৱালী পক্ষই সম্বন্ধীয় লোক আৰু গাঁৱৰ মুখিয়ালসকলক বিয়া দিয়া নিদিয়াৰ বিষয়ে মতামত দিয়ে। ইয়াক "য়ামণী তাদনাম" বুলি কোৱা হয়। দুয়োপক্ষৰ আলোচনা-বিলোচনাৰ অন্তত বিয়াৰ বন্দোবস্ত হ'লে ল'ৰাই ছোৱালীৰ ঘৰত মাজে মাজে এসপ্তাহ-দহদিনৰ কাৰণে কটায় । যৎকিঞ্চিৎ কাম-বন কৰি দিব লাগে। ইয়াক



'মাগবী-দুগনাম বোলে। মূল বিয়াৰ সময়ত দৰাক নতুন সাজ-পোছাকেৰে সজাই পৰাই কন্যাৰ ঘৰলৈ লৈ যোৱা হয়। দৰাৰ লগত দুজন সমবয়সীয়া ডেকা আৰু দুজনী গাভৰু 'য়ামগুৰ' হিচাপে সজাই সোঁমাজত দৰাক বহিবলৈ দিয়া হয়। দৰাৰ দুয়োফালে দুটা পাছিত শুকান মাছ ভৰাই দুজনে পাছিটো কঢ়িয়াই নিয়ে। দৰা আহি পোৱাৰ লগে লগে কন্যা পক্ষৰ বয়সীয়া মহিলাসকলে দৰাক আদৰে। নিৰ্দিষ্ট সময়ত দৰাক কন্যাঘৰৰ চাঙৰ ওপৰলৈ তুলি নিয়া হয় আৰু তাতে দৰা-কন্যা দুয়োকে একেলগে 'পিনপু-আপিন' ভাত খাবলৈ দিয়া হয়। সমজুৱাসকলক মাংস আৰু আপঙৰ সৈতে ভোজভাত খুউৱা হয়। সমবেত সকলোৰে খোৱা-বোৱা শেষ হ'লে দৰা-কইনাই পুৰোহিত; কন্যাৰ মাক-দেউতাক আৰু সমজুৱাক সেৱা জনায়। মিচিংসকলৰ বিয়াত দৰা-কন্যাৰ ঘৰত নতুন জখলা (কংবাং), পীৰা (কুংকে), বন্ধা পাতেৰে সৈতে গছ (পিংৰ), দুৱাৰ মুখত দুয়োফালে দুকলহ পানী, চাউল আৰু ধানৰ পাচি আদি ৰখাটো এক অনিবাৰ্য প্ৰথা। নতুন জখলা আৰু পীৰা এবিধ বিশেষ কাঠেৰে বনোৱা হয়।

**দুগলা-লাংনাম ঃ**-মিচিং সমাজত 'দুগলা-লাংনাম' অৰ্থাৎ ছোৱালী পলুৱাই নিয়া প্ৰথাৰেও বিয়া পতা হয়। প্ৰণয় কালত আবদ্ধ ডেকা গাভৰুৰ কোনো পক্ষৰ পিতৃ-মাতৃৰ বিবাহত অমত থাকিলে আৰু আৰ্থিক স্বচ্ছলতা নাথাকিলে এই প্ৰথাৰে বিবাহ সম্পন্ন হয়। পলুৱাই অনাৰ এদিন বা দুদিনৰ পিচতেই ছোৱালীৰ ঘৰত জাননী দিবলৈ 'দুগতাদ' দূত এজনক পঠিওৱা হয়। দুগতাতৰ জাননীয়ে পিছত ছোৱালীক ঘৰত তোলা হয়। দুগলা-লাংনাম বিয়াতো নতুন জখলা, দুৱাৰ মুখত দুকলহ পানী, দুপাচি ধান আদিৰ ব্যৱস্থা কৰা হয়। পানী দুকলহৰ মুখ পাতেৰে ঢাকি টানকৈ বন্ধা থাকে। নৱ-দাম্পতীয়ে একেলগে নতুন জখলাইদি উঠি বন্ধাপাত ফালি কলহৰ পানী স্পৰ্শ কৰে। ন-বোৱাৰী অনাৰ দিনা সাধাৰণতে ৰাতি 'য়ামনী-য়ানচাং' পৰ্ব অনুষ্ঠিত হয়। ইয়াত ন-বোৱাৰীৰ চকা পংৰ আপঙেৰে অভ্যাগতসকলক আপ্যায়ন কৰা হয়।

**লোকবাদ্য আৰু লোক নৃত্য ঃ** মিচিং ভাষাত চংমান বুলি ক'লে নৃত্যৰ লগতে আনুষংগিক গীত আৰু বাদ্যকো বুজায়। পৰম্পৰাগতভাৱে চলি অহা মিচিং লোক নৃত্যক ঘাইকৈ চাৰি ভাগত বিভক্ত কৰিব পাৰি।

১। ধৰ্মমূলক নৃত্য।
২। কৃষি উৎসৱমূলক নৃত্য।
৩। সাধাৰণ চংমান নৃত্য।
৪। ধেমেলীয়া চংমান নৃত্য।



১। **ধৰ্মমূলক নৃত্য ঃ**- মিচিংসকলৰ পূজা পাৰ্বনৰ পুৰোহিত হ'ল মিবু। পূজাৰ সময়ত মিবুৱে। আঃবাং মন্ত্ৰ উচ্চাৰণ কৰি নৃত্য কৰে আৰু গাঁৱৰ ডেকা-গাভৰুৱে তেওঁৰ লগে লগে বৃত্তাকাৰ কৰি গীত আৰু নৃত্য কৰি তেওঁক অনুসৰণ কৰে। মিবুৰ হাতত যকচা নামৰ এবিধ তৰোৱাল জাতীয় বিশেষ অস্ত্ৰ থাকে। নৃত্য কৰোতে সেই যকচাৰ জোকাৰণিৰ শব্দই বাদ্যৰ কাম কৰে। ইয়াক 'মিবু-দাগনাম' নৃত্য বোলে। বিশেষ উদ্দেশ্য আৰু কাৰণতহে মিবু-দাগনাম অনুষ্ঠিত হয়। যেনে- পঃৰাগ উৎসৱত, কধঃচাগ পূজাত আৰু আনুষ্ঠানিকভাৱে মংগল চোৱা সময়ত।

২। **কৃষি উৎসৱমূলক নৃত্য ঃ**- 'গুমৰাগ' নৃত্য মিচিংসকলৰ প্ৰধান কৃষি ভিত্তিক নৃত্য। আলি আই লৃগাং উৎসৱত নচা নৃত্যক গুমৰাগ পাকচাং বা গুমৰাগ চঃমান বুলি কোৱা হয়। বীজ ৰুৱা বা সিচাঁৰ পিছত ভৰি দুখনেৰে মোহাৰি দিওঁতে যি ৰূপত ভৰিৰ সঞ্চালন হয় তাৰেই নৃত্যৰূপ হৈছে গুমৰাগ নৃত্যৰ মূখ্য মুদ্ৰা। এই মুদ্ৰাক মিচিং ভাষাত 'দাকেঃ কেঃনাম বুলি কোৱা হয়। শস্যৰ বীজবোৰ গজালি মেলি লহপহকৈ বাঢ়ি বতাহত হালিজালি থকাৰ ৰূপত দুয়োখন হাত ওপৰলৈ তুলি এবাৰ সোঁফালে আৰু এবাৰ বাওঁফালে কৰি নৃত্য কৰে। গুমৰাগ নৃত্যত ঢোল তালৰ উপৰিও 'লীন' আৰু 'মাৰাবাং নামৰ পুৰণিকলীয়া বাদ্য ব্যৱহাৰ কৰে।

৩। **সাধাৰণ চঃমান নৃত্য ঃ**-আলি আই লৃগাং, পঃৰাগ, বিহু আদিৰ উপৰি সাধাৰণভাৱেও মিচিং সমাজত চঃমান বা নৃত্য-গীত অনুষ্ঠিত হয়। বছৰৰ যিকোনো সময়ত গাঁৱৰ ৰাইজৰ কৌবাং আহ্বান কৰিলে বিয়া-বাৰু, 'উৰম-দদ্‌গাং' আদি সকাম অনুষ্ঠিত হ'লে সেইবোৰৰ উপলক্ষে চঃমান পতা হয়। মিচিংসকলে তিনিটা বিহু নিজাববীয়াকৈ পালন কৰে। 'ৰৈলাঃ-নৃত্য' ব'হাগ বিহুত কৰা হয়।

৪। **ধেমলীয়া নৃত্য ঃ**-সকাম, পূজা-পাৰ্বণ শেষ কৰাৰ পিচত বুঢ়া-বুঢ়ীসকলে কেতিয়াবা চঃমান পাতে। ইয়াত যিকোনো ধৰণৰ নৃত্য কৰিব পাৰে। সাধাৰণতে ফুচৰি, ছদ্ম বেশী নৃত্য আদি কৰা হয়। ইয়াত কোনো ধৰণৰ বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰা নহয়।

**বাদ্যযন্ত্ৰ ঃ**-মিচিং বাদ্যযন্ত্ৰসমূহক তিনিটা ভাগত ভগাব পাৰি-

১। ফু দি বজোৱা বাদ্য।

২। মুখত লগাই হাতেৰে লৰাই বজোৱা বাদ্য।

৩। মাৰিৰে কোবাই বজোৱা বাদ্য।

**মৃতকৰ সৎকাৰ ঃ**

মিচিংসকলে মানুহক ঘৰৰ ভিতৰতেই মৰিবলৈ দিয়ে। মৰিবৰ সময়ত পাত এখিলা চুপি আকৃতি কৰি মৰিবলৈ ওলোৱা লোকৰ মুখত পানী নাইবা আপং দিয়া হয়। মৃত লোকজনক গা-ধুৱাই মূৰত তেল সানি ফনিয়াই দিয়া হয়। লগতে গা-ধোৱাই নতুন কাপোৰ-কানি পিন্ধাই দিয়া হয়। মৃতকক কাপোৰ ওলোটাকৈ পিন্ধোৱা হয়। মৃতক পুৰুষ হ'লে মূৰত পাগুৰী দিয়া হয়। ইয়াৰ পিচত মৃতকক চাংঘৰৰ নামনিত ঘৰৰ দীঘলে উত্তৰ বা পশ্চিম দিশে মূৰ শিতান দি ৰখা হয়। আত্মীয়সকলে বিশেষকৈ তিৰোতাসকলে এক বিশেষ সুৰত কান্দোন জুৰে। মিচিং সকলৰ মৃতদেহ পুতে, দাহ নকৰে। সমাধি দিবলৈ মাটিত পূব-পশ্চিমাকৈ দীঘল আৰু দ গাঁত খন্দা হয়। কাঠৰ বাকচ এটা বনাই তাৰ ভিতৰত মৃতদেহ ভৰোৱা হয় । ইয়াক 'ৰুংকুক' বোলা হয়। ৰুংকুক থবলৈ গাঁতটোত পথালিকৈ পাঁচ টুকুৰা বাঁহ পাতি লোৱা হয়। গাঁতটোৰ চাৰিওফালে মৃতদেহ লৈ পাঁচবাৰ প্ৰদক্ষিণ কৰাৰ পিছত ৰুংকুকটোত মৃতদেহ পশ্চিমফালে মূৰৰ শিতান কৰি ভৰোৱা হয়। বাঁহৰ টুকুৰাবোৰক গলং বুলি কোৱা হয়।

মিচিংসকলৰ বিশ্বাসমতে 'গলং' দিয়াটোৱেই মৃতকৰ প্ৰতি কৰা শেষ শ্ৰদ্ধা তৰ্পন। গাঁৱৰ বয়সস্থ, বৃদ্ধ আৰু প্ৰতিপত্তিশীল ব্যক্তিৰ মৃত্য হ'লে মৃতকৰ ঘৰৰ মুধচত উঠি 'লীঃনং- বাৰবাং বজোৱা হয়। এই বিধ বাদ্যৰ মাত শুনিলেই বিশিষ্ট ব্যক্তিৰ মৃত্যু হোৱা বুলি গম পায়। প্ৰসুতি নাৰী মৃত্য হোৱাটোক মিচিংসকলে 'য়ৃপ-তালীং' বোলে। তিনিদিনৰ মূৰত গাঁৱৰ বয়োবৃদ্ধ লোকসকলে শুদ্ধি কাৰ্য সম্পন্ন কৰে। প্ৰায় এমাহ, দুমাহ পিছতহে শুদ্ধি কাৰ্য কৰা হয়। ইয়াক উচিঃ বা 'উৰঞঃ-আপিন' বুলি কোৱা হয়। ইয়াত গাঁহৰি আৰু কুকুৰা মাৰি ইষ্ট-কুটুম্বক ভোজ-ভাত খুউৱা হয়। বছৰ চেৰেকৰ পিছত শ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। ইয়াক 'দদগাং' বোলে। সামৰ্থ্য অনুসৰি মিচিংসকলে দদগাং আয়োজন কৰে।

**সহায়কগ্ৰন্থপ ìÂজী ঃ**


১। পেগু, ইন্দ্ৰেশ্বৰ - মিচিং সমাজ আৰু সংস্কৃতি।

২। পেগু, গনেশ - মিচিং জনসংস্কৃতিৰ আঁহে আঁহে।



স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

ব্যক্তি/ব্যক্তিত্ব



# ড° ভূপেন হাজৰিকা

## এক অপ্ৰতিৰোধ্য সত্ত্বা

সুভদ্ৰা পাঞ্চাং

ড° ভূপেন হাজৰিকা আছিল এজন অতি বহুমুখী প্ৰতিভাৰ লোক। তেওঁ আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, সংগীত পৰিচালক, নাট্যকাৰ, চলচিত্ৰ পৰিচালক, অভিনেতা, শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক, সম্পাদক আৰু ৰাজনীতিবিদ। এইজনা মহা প্ৰতিভাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰ শদিয়াত। তেখেতৰ পিতৃৰ নাম নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম আছিল শান্তিপ্ৰিয়া হাজৰিকা।

১৯৪০ চনত ড০ ভূপেন হাজৰিকাই তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ কলেজীয়া শিক্ষা লাভ কৰিবলৈ গুৱাহাটীৰ কটন কলেজত নামভৰ্তি কৰে। ১৯৪১ চনত এই কলেজৰ পৰা তেওঁ আই এ. এছ. পাছ কৰে। ১৯৩৯ চনত বিশ্বত মহাযুদ্ধ আৰম্ভ হৈছিল। যুদ্ধৰ বতাহে আহি অসমকো জোকাৰি গ'ল। যুদ্ধ আগবঢ়াৰ লগে লগে কটন কলেজত পঢ়া-শুনা বন্ধ হৈ গ'ল। কলেজ কেতিয়া খুলিব ঠিক নাই। সেইবাবে তেওঁ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰে। এই বিশ্ব বিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত ১৯৪৪ চনত বি.এ. পাছ কৰে। আৰু এই বিশ্ববিদ্যালয়ৰ পৰায়ে একে বিষয়ত ১৯৪৬ চনত এম.এ. পাছ কৰে।

১৯৫০ চনত গুজৰাটৰ বিখ্যাত চৰ্দাৰ বল্লভভাই পেটেলৰ পৰিয়ালৰ কন্যা প্ৰিয়ম্বদা পেটেলক বিয়া কৰায়।

তেজপুৰ হাইস্কুলত পঢ়ি থকা সময়ত ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে 'জয়মতী' আৰু 'শোণিত কুঁৱৰী'ৰ নাৰী চৰিত্ৰৰ বাবেও গীত ৰেকৰ্ড কৰিবলগীয়া হৈছিল। ১৯৫৬ চনত তেওঁ প্ৰথমখন কথাছবি 'এৰা বাটৰ সুৰ' নিৰ্মাণ কৰে। 'প্ৰতিধ্বনি', 'লটি-ঘটি', 'চিকমিক বিজুলি' আদি তেওঁৰ উল্লেখযোগ্য কথা ছবি। 'ফৰ হোম দা ছান চাইনছ' আৰু 'এমুঠি চাউলৰ কাহিনী' তেওঁৰ উল্লেখযোগ্য তথ্যচিত্ৰ। ১৯৫৫ চনত তেওঁৰ গীতৰ কিতাপ 'জিলিকাব লুইতৰে পাৰ' প্ৰকাশ পায়।

ড০ ভূপেন হাজৰিকাই হিন্দী, বাংলা, অসমীয়া ভাষাকে ধৰি মুঠতে ৯ খন চলচিত্ৰ পৰিচালনা কৰিছিল। সংগীত পৰিচালনা কৰিছিল প্ৰায় ১০ খন চলচিত্ৰত। যাৰ ভিতৰত অসমীয়া, হিন্দী, বড়ো, মালায়ালম, কাৰ্বি, ভোজপুৰী আদি ভাষাৰ কথা ছবিও আছে। তথ্যচিত্ৰ নিৰ্মাণ কৰিছিল ৪ খন। তদুপৰি তেওঁ 'লোহিত কিনাৰে' নামৰ এখন টি.ভি. ধাৰাবাহিক নিৰ্মাণ কৰিছিল আৰু ২১ খন মান গ্ৰন্থ ৰচনা কৰিছিল।

ড০ ভূপেন হাজৰিকাৰ কিতাপসমূহ গুৱাহাটীত প্ৰাচ্যাতত্ত্ববিদ ড০ মহেশ্বৰ নেওগৰ পৌৰোহিত্যত অনুষ্ঠিত এখন ৰাজহুৱা সভাত একেদিনাই উন্মোচন কৰিছিল। কিতাপসমূহ আছিল— 'মই এটি যাযাবৰ' (অনুলেখন পদ্ধতিৰে লিখি উলিওৱা), 'গীতাৱলী (ড০ ভূপেন হাজৰিকাৰ সমগ্ৰ গীতৰ সংকলন), 'সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ', 'বহ্নিমান ব্ৰহ্মপুত্ৰ', 'ভূপেন মামাৰ অ আ ক খ', 'জ্যোতি ককাইদেউ', 'বিষ্ণু ককাইদেউ', 'কৃষ্টিৰ পথাৰে পথাৰে', 'বহাগ মাথো এটি ঋতু নহয়', 'নন্দনতত্ত্বৰ কৰ্মীসকল', 'দিহিঙে দিপাঙে', 'বহ্নিমান লুইতৰ পাৰে', 'সহস্ৰজনে মোক প্ৰশ্ন কৰে', 'সম্পাদকীয় আৰু সুন্দৰৰ সৰু বৰ আলিয়েদি'। 'ভূপেন মামাৰ অ আ ক খ' নামৰ শিশু গ্ৰন্থৰ বাবে তেওঁ ৰাষ্ট্ৰপতি পুৰস্কাৰ লাভ কৰে।

ড০ ভূপেন হাজৰিকাক বিভিন্ন উপাধি প্ৰদান কৰা হৈছিল। সেইবিলাক হ'ল— সংগীত সূৰ্য, কলা শিৰোমণি, লুইত ৰত্ন, সংগীত চূড়ামণি আদি আৰু তেখেতক বিভিন্ন বঁটা প্ৰদান কৰা হৈছিল। যেনে— '১৯৭৭ চনত পদ্মশ্ৰী বঁটা, ২০০৯ চনত অসম ৰত্ন বঁটা, ২০০০ চনত ৰাষ্ট্ৰীয় লতা মংগেশকাৰ বঁটা, ২০০১ চনত পদ্মভূষণ বঁটা আদি। জাপানৰ ü±Ñ Ô¡ ÂÁüÑeâRO-ON গোষ্ঠীয়ে ১৯৮১ চনত তেওঁক বিশ্বৰ সুৰশিল্পী, কণ্ঠশিল্পী আৰু সাংস্কৃতিক ৰাষ্ট্ৰদূত আখ্যা প্ৰদান কৰে। তেখেতৰ ছদ্মনাম গন্ধৰ্ব। ১৯৬৩ চনত 'মণিৰাম দেৱান' নামৰ কথাছবিখনে মুক্তি লাভ কৰে। ১৯৬৮ চনৰ অসম সাহিত্য সভাৰ সভাপতি আনন্দ চন্দ্ৰ বৰুৱাই প্ৰস্তাৱ কৰা 'সুঠাকণ্ঠ' উপাধি ড° ভূপেন হাজৰিকাক প্ৰদান কৰে আৰু ১৯৯৩ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৯ তম অধিৱেশনৰ সভাপতি হিচাপেও নিৰ্বাচিত হৈছিল ড° ভূপেন হাজৰিকা।

এইজনা মহান ব্যক্তি ড° ভূপেন হাজৰিকাই ২০১১ চনৰ ৫ নৱেম্বৰৰ আবেলি ৪.৩৭ বজাত মুম্বাইৰ কোকিলাবেন হস্পিতেলত সকলো মানুহকে কন্দুৱাই এই পৃথিৱীৰ পৰা বিদায় লৈ মৃত্যুক আঁকোৱালি লয়। তেখেতৰ নাম আৰু তেখেতে ৰচনা কৰা গীতসমূহ ধ্ৰুৱ তৰাৰ দৰে চিৰদিন জিলিকি থাকিব।

একাদশ শ্ৰেণী
বিজ্ঞান শাখা




# বুকাৰ বঁটা বিজয়ী অৰুন্ধতী ৰয়

## বিনীতা দেৱী

অৰুন্ধতী ৰয়, নামেই যাৰ পৰিচয় । অনিশ্চয়তাক নিশ্চয়তালৈ পৰিৱৰ্তন কৰিব কৰিব পৰা, সপোনক বাস্তৱলৈ পৰিণত কৰিব পৰা , হাজাৰজনৰ বিপক্ষে অকলশৰে থিয় হৈ প্ৰকৃত সত্যক প্ৰতিষ্ঠা কৰিব পৰা মহীয়সী নাৰী গৰাকীয়েই অৰুন্ধতী ৰয় । তেওঁ এগৰাকী নাৰী নহয় । তেওঁ এক মহান সত্বা । সেই মহান সত্বালৈ প্ৰথমেই জনাইছোঁ প্ৰণাম ।

এই গৰাকী মহান ব্যক্তিৰ জন্ম হৈছিল ১৯৬১ চনত অতিকৈ সাধাৰণ পৰিয়ালত । সেই সময়ত অসমৰ ৰাজধানী আছিল শ্বিলং। শ্বিলঙতে তাইৰ জন্ম হৈছিল । অৰুন্ধতীৰ দেউতাক এগৰাকী বঙালী সম্প্ৰদায়ৰ লোক আৰু মাতৃ আছিল মালায়ালী যুৱতী। জন্মৰ সময়ত তেখেতৰ পিতৃ-মাতৃ অসমতেঁই আছিল। তেখেত একেবাৰে কোমল বয়সীয়া হৈ থাকোতে পিতৃ-মাতৃৰ বিবাহ বিচ্ছেদ হয়। ইয়াৰ মূলতে হ'ল পিতৃৰ অতিপাত খদ্যপান।

ইয়াৰ পিছতেই অৰুন্ধতীৰ মাতৃয়ে অৰন্ধতীক লৈ কেৰেলাৰ একেবাৰে ভিতৰুৱা গাঁও নিজ পিতৃগৃহলৈ লৈ যায়। কিন্তু তাতো পৰম্পৰাবাদী সমাজখনে কিন্তু তেখেতসকলক ভাল দৃষ্টিৰে চোৱা নাছিল। তাৰ কাৰণ আছিল এটাই । সেয়া আছিল অন্য সম্প্ৰদায়ৰ সৈতে হোৱা বিবাহ।

নানা যন্ত্ৰণা, দুখ-দুদৰ্শাৰ মাজৰেই 'ৰয়ে' কেৰালাৰ গ্ৰাম্য বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলে। তেখেতৰ মাতৃয়ে অৰুন্ধতীক সফল, আদৰ্শবান হোৱাৰ আশাৰে স্কুলীয়া শিক্ষাৰ অন্ত পৰাৰ পিছত উচ্চ শিক্ষা গ্ৰহণৰ বাবে দিল্লী কলেজত নামভৰ্তি কৰাই দিয়ে। দিল্লীৰ কলেজলৈ বুলি যাত্ৰা আৰম্ভ কথাৰ সময়ত প্ৰয়োজনীয় সামগ্ৰী যোগাৰ ধৰি মাকে তাইক কৈছিল-খাবলৈ নাই, টকা নাই বুলি যাতে তাই কোনো দিনে চিঠি নিলিখে।

অৰুন্ধতী ৰয়েও ঠিক তাকেই কৰিলে। সাহাৰ্য্য বিচাৰি মাকলৈ বুলি চিঠি লিখাৰ পৰিৱৰ্তে দাক্ষিণাত্য আৰ্হিৰে আচাৰ প্ৰস্তুত কৰি ছবি অংকন কৰি ফুটপাথত বিক্ৰী কৰি প্ৰয়োজনীয় টকা আৰ্জন কৰি লৈছিল। দিল্লীৰ এলিট পৰিয়ালৰ বহু সহপাঠীয়ে এই কামটোক সমালোচনা কৰিছিল যদিও ৰয়ে নিজৰ খৰচপাতি নিজেই যোগাৰ কৰি লৈছিল। এইক্ষেত্ৰত আনৰ কথালৈ তাই ভ্ৰূক্ষেপ কৰা নাছিল ।


শিক্ষা জীৱনৰ সমাপ্তিৰ পিছত অৰুন্ধতীৰ জীৱনে এক ন ৰূপ পালে। জীৱনৰ আৰম্ভণিৰে পৰা কৰুণাৰ সাগৰ বুকুত লৈ ফুৰা অৰুন্ধতী ঘৰলৈ আহিল। ঘৰলৈ আহি তাই প্ৰদীপ কৃষাণৰ সৈতে পৰিচিত হয়। প্ৰদীপ কৃষাণ আছিল বোলছবি পৰিচালক। 'মেচি চাহেব (Massey Sahib)' বোলছবি নিৰ্মাণৰ পিছত তেওঁ অৰুন্ধতী ৰয়ক লগ পায়। ইয়াৰ পিছত দুয়োৰে মাজত বন্ধুত্ব গঢ় লৈ উঠে। দুয়ো অবিবাহিত আছিল। পৰৱৰ্তী সময়ত দুয়ো বিবাহ পাশত আৱদ্ধ হয় ।

ইয়াৰ পিছতে অৰুন্ধতীয়ে "ইন হুইচ এন্নি গিভছ্ ইট দৌজ ওৱানছ্ (In which annie gives it those ones)" নামেৰে বোলছবি লিখি উলিয়ায়। মূল নাৰী চৰিত্ৰও নিজেই ৰূপায়ণ কৰে। কলা নিৰ্দেশনা আৰু ৰূপসজ্জাৰ কামো নিজেই কৰে। প্ৰেক্ষাগৃহত দৰ্শকেও ভূয়সী প্ৰসংশা কৰে। ১৯৮৯ চনত বোলছবিখনে ৰাষ্ট্ৰীয় পুৰস্কাৰ হিচাপে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ সন্মানেৰে সন্মানিত হয়। ইয়াৰ পিছত যেন সফলতাই অৰুন্ধতীক বাচি ললে আৰু এৰিব নোৱাৰা হ'ল। চিত্ৰনাট্যৰ কাম বাদ দি পৰৱৰ্তী সময়ত উপন্যাসৰ ফালে মনোনিৱেশ কৰে আৰু "দি গড অৱ স্মল থিংছ্ (THE GOD OF SMALL THINGS)" নামৰ উপন্যাস লিখি উলিয়ায় । উপন্যাসখন ইংলেণ্ডৰ আগশাৰীৰ এটি প্ৰকাশনে প্ৰকাশনৰ দায়িত্ব লয়। প্ৰকাশৰ লগে লগে উপন্যাসখনে পটুৱৈৰ মাজত আলোড়নৰ সৃষ্টি কৰিলে আৰু বিশ্বৰ শ্ৰেষ্ঠ সাহিত্যৰ বঁটা বুকাৰ বঁটাৰে সন্মানিত হ'ল। কিন্তু, বাওঁপন্থী মহলে ইয়াক তীব্ৰ সমালোচনা কৰে। দেশৰ সংবাদ মাধ্যমবোৰতো প্ৰতিক্ৰিয়া সৃষ্টি হ'ল। কিন্তু অৰুন্ধতী ৰয় নিশ্চুপ থাকিল। অৰুন্ধতী ৰয় মেধা পাটেকাৰৰ 'নৰ্মদা বচাওঁ আন্দোলনতো' জড়িত হৈছিল।

জীৱনৰ প্ৰথমখন গ্ৰন্থ লিখি নিজৰ নাম প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা অৰুন্ধতীয়ে প্ৰমাণ কৰি দিলে যে সাধাৰণ মানুহেও অসাধাৰণ কাম কৰিব পাৰে।

---

দ্বাদশ শ্ৰেণী





## ত্ৰিৰংগা পতাকাৰ সৃষ্টিকৰ্তা

# পিংগালি ভেংকায়া গাৰু

**টংকেশ্বৰ পেগু**

*'পতাকা সকলো দেশৰে প্ৰয়োজনীয় সম্পদ। ইয়াৰ বাবে কোটি কোটি মানুহে জীৱন ত্যাগ কৰিছে। সন্দেহ নাই পতাকা পৰম ভক্তিৰ উৎস, ইয়াক ধ্বংস কৰাটো নিতান্তই অধৰ্মৰ কাম।*

*- মহাত্মা গান্ধী*

**ত্ৰিৰংগা,** প্ৰতিজন ভাৰতীয়ৰে হৃদয় মন আলোড়িত কৰা এটা শব্দ। প্ৰতিজন ভাৰতীয়ৰ দেশ প্ৰেম উথলি উঠা এটা শব্দ। হাতৰ মুঠিত তিৰংগা খামুচি ধৰিয়েই দখলদাৰী ব্ৰিটিছৰ বিৰুদ্ধে অহিংস আন্দোলনত জঁপিয়াই পৰিছিল হেজাৰ হেজাৰ স্বাধীনতা পিয়াসী ভাৰতীয়।

একেখন পতাকাৰ তলত সমবেত হৈ সমস্বৰে চিঞৰি উঠিছিল উপনিৱেশিক শক্তিৰ বিৰুদ্ধে- "স্বাধীনতা আমাৰ জন্মগত স্বত্ব আমাক ঘূৰাই দিয়া আমাৰ ভাৰত।" অপৰিসীম শক্তি ত্ৰিৰংগাৰ। ভাৰতলৈ স্বাধীনতা আনিছিল এই শক্তিয়েই। স্বাধীনতাৰ ৭০বছৰৰ পিছতো ১২৭ কোটি ভাৰতীয়ক বান্ধি ৰাখিছে এই শক্তিয়ে। কিন্তু কোনে দিছিল ভাৰতীয়ক এই তিৰংগাৰ একত্ৰ শক্তি? তিৰংগাৰ গৌৰৱত গৰ্বিত কোটি কোটি ভাৰতীয়ই দিব পাৰিছেনে তিৰংগাৰ সৃষ্টিকৰ্তাক প্ৰকৃত মৰ্যদা? হয়তো পৰা নাই। স্বাধীনতা লাভৰ ৭০ বছৰ উকলি যোৱাৰ পিচতো ভাৰতৰ জাতীয় পতাকাৰ আৰ্হি প্ৰস্তুত কৰোঁতা পিংগালি ভেংকয়া গাৰু কোটি কোটি সাধাৰণ জনতাৰ কথা বাদেই বহু ৰাজনৈতিক নেতাৰ বাবেও অপৰিচিত হৈ আছে। শাসনৰ বাঘজৰী হাতত লৈ ক্ষমতাৰ ৰাগিত মতলীয়া হোৱা দেশীয় শাসকে পাহৰি গ'ল এইজন স্বাধীনতা যুঁজাৰুৰ দেশ প্ৰেমক। ২০১৬ চনৰ ২ আগষ্টত মহাত্মা গান্ধীৰ একান্ত অনুৰাগী এইজন ব্যক্তি ১৪০ বছৰীয়া জয়ন্তী পাৰ হৈ গ'ল। কিন্তু চৰকাৰীভাৱে এপলকো মনত পেলোৱা নহ'ল ত্ৰিৰংগা পতাকাৰ স্ৰষ্টাজনক।

অন্ধ্ৰ প্ৰদেশৰ কৃষ্ণা জিলাৰ দি. ভি. তালুকৰ অন্তৰ্গত ভাটুলা গেন্নামাৰ নামৰ ঠাইত ১৮৭৬ চনৰ ২ আগষ্টত জন্ম হৈছিল পিংগালি ভেংকায়াৰ। চাল্লনপল্লীত প্ৰাথমিক শিক্ষা আৰু মছলিপট্টনমৰ হিন্দু হাইস্কুলত স্কুলীয়া শিক্ষা সমাপ্ত কৰি উচ্চ শিক্ষাৰ বাবে তেওঁ গৈছিল কলম্বোলৈ। মাত্ৰ ১৬ বছৰ বয়সতে ব্ৰিটিছ ভাৰতীয় সেনাবাহিনীত যোগ দি তেওঁ আফ্ৰিকাৰ যুদ্ধত ব্যস্ত হৈছিল।

আফ্ৰিকাত থকাৰ সময়তে ভেংকায়াৰ সাক্ষাৎ হৈছিল মহাত্মা গান্ধীৰ সৈতে আৰু এই সম্পৰ্ক পৰৱৰ্তী পঞ্চাশ বছৰলৈ অটুট আছিল। আফ্ৰিকাৰ পৰা আহি তেওঁ ৰেলৱে গাৰ্ডৰ চাকৰিত যোগ দিছিল। যদিও

প্ৰবল দেশপ্ৰেমৰ আহ্বানত তেওঁ সেই চাকৰি এৰি স্বাধীনতা সংগ্ৰামত জড়িতহৈ পৰে। আনহাতে শিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ ফলত তেওঁ এংল বৈদিক কলেজত ভৰ্তি হৈ জাপানী আৰু উৰ্দু ভাষাৰ শিক্ষা গ্ৰহণ [illegible] ৯১১ চনলৈ বিভিন্ন শস্যৰ গৱেষণাত নিজকে জড়িত কৰে। বিশেষভাৱে কম্বোডিয়া কপাহ সম্বন্ধে কৰা অধ্যয়নৰ বাবে তেওঁ পাট্ৰি অৰ্থাৎ কপাহ ভেংকায়া নাগ নামেৰে জনজাত হৈ পৰে। ভূ-তত্বত আছিল তেওঁৰ গভীৰ জ্ঞান আৰু এইটো বিষয়তে তেওঁ ডক্টৰেট ডিগ্ৰীও লাভ কৰিছিল। অন্ধ্ৰপ্ৰদেশৰ হীৰা মনিক ব্যৱসায়তো তেওঁ জড়িত আছিল আৰু ডায়মণ্ড ভেংকায়া নামেৰেও জনাজাত আছিল।

স্বাধীনতা সংগ্ৰামী ভাৰতীয়ক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ এখন জাতীয় পতাকাৰ প্ৰয়োজন অনুভৱ কৰিছিল ভেংকায়াই। এই উদ্দেশ্যে ১৯১৬ চনৰ পৰা ১৯২১ চনলৈ ৫ বছৰকাল তেওঁ ত্ৰিশখন দেশৰ ৰাষ্ট্ৰীয় পতাকাৰ বিষয়ে গভীৰ অধ্যয়ন কৰিছিল। ইয়াৰ পিছতে তেওঁ এখন পতাকাৰ আৰ্হি প্ৰস্তুত কৰি ১৯২১ চনৰ ৩১ মাৰ্চত কানিকাড়াত হোৱা জাতীয় কংগ্ৰেছৰ অধিৱেশনত প্ৰদৰ্শন কৰিছিল। এই পতাকাত আছিল গেৰুৱা আৰু সেউজীয়া ৰং। কিছু সংশোধনীৰে এই পতাকাখন ১৯৪৭ চনত ৰাষ্ট্ৰীয় পতাকা হিচাপে অনুমোদন কৰিছিল। মহাত্মা গান্ধীয়ে। লালা হংসৰাজে পতাকাখনত পৰম চক্ৰ (Wheel of Law) অন্তৰ্ভুক্তিৰ প্ৰস্তাৱ দিয়াত গান্ধীয়ে এই চক্ৰ বগাৰ মাজত দিয়াৰ পোষকতা কৰে। বৰ্তমানৰ ৰাষ্ট্ৰীয় পতাকাখন স্বাধীনতা লাভৰ মাত্ৰ কেইদিনমান পূৰ্বে ১৯৪৭ চনৰ ২২ জুলাইত কনষ্টিটিউৱেণ্ট এছেম্বলীৰ বৈঠকত গ্ৰহণ কৰা হৈছিল।

উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে সময় সাপেক্ষে বিভিন্ন পতাকা ব্যৱহাৰ কৰি থকা হৈছিল। জাতীয় পতাকাৰে কোটি কোটি ভাৰতীয়ৰ হৃদয়ত জাতীয় চেতনা প্ৰোথিত কৰা পিংগালি ভেংকায়াই কিন্তু আজীৱন যুঁজিব লগা হৈছিল চৰম দাৰিদ্ৰ্যৰে। বিজয়বাড়াৰ এটি সৰু ঘৰত ১৯৬৩ চনত নীৰৱে মৃত্যুবৰণ কৰিছিল তেওঁ। দেশলৈ অনন্য অৱদান আগবঢ়োৱা এইজন ব্যক্তিৰ স্মৃতি সংৰক্ষণৰ সামান্য প্ৰচেষ্টাও নাই গৃহ নগৰ মছলিপট্টনমতো। মাত্ৰ কেইবছৰমান আগৰ পৰাহে ভেংকায়াৰ জীয়ৰীয়ে লাভ কৰিবলৈ সমৰ্থ হৈছে চৰকাৰী পেঞ্চন। তেওঁৰ স্মৃতিত ২০০৯ চনতহে ভাৰতীয় ডাক বিভাগে এটা ডাক টিকট প্ৰকাশ কৰিছিল। তেওঁক 'ভাৰত ৰত্ন' প্ৰদানৰ বাবে ২০১১ চনত প্ৰস্তাৱ উত্থাপন হৈছিল। কিন্তু তেওঁলৈ সেই সন্মান যঁচা নহ'ল।

যি সময়ত ভেংকায়াৰ ত্যাগ আৰু দেশ প্ৰেমক যুৱ প্ৰজন্মৰ মাজলৈ প্ৰসাৰ কৰিব লাগিছিল, সেই সময়ত এনে মহান দেশ প্ৰেমিক অৱহেলিত হৈ থকাটো নিত্যান্তই বেদনাদায়ক। নিৰৰ্থক হৈ পৰে স্বাধীনতা।

**সহায়ক উৎস ঃ** বিভিন্ন বাতৰি কাকত, আলোচনী ইত্যাদি।

স্নাতক দ্বিতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

ব্যক্তি/ব্যক্তিত্ব

# মহান ব্যক্তিসকলৰ ল'ৰালি কাল

**সঞ্জীৱ ৰাজবংশী**

সাহিত্য, সংগীত, বিজ্ঞান, ৰাজনীতি, ক্ৰীড়াজগত আদি সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিব পৰা ব্যক্তিসকলকে আমি মহান বুলি কওঁ। এনে মহান ব্যক্তিসকলৰ জীৱনী লুটিয়াই চালে বহু ক্ষেত্ৰতে দেখা যায় যে তেওঁলোকৰ ল'ৰালি কাল বা বাল্যকাল যথেষ্ট আহুকলীয়া। কাৰোবাৰ বাল্যকাল কিম্বা কিশোৰ অৱস্থা দৰিদ্ৰতাৰে ভৰা, দুবেলা দুমুঠি খাবলৈ নাই, কাৰোবাৰ সেই অৱস্থা ভীষণ ৰোগ ব্যাধিৰে আগুৰা, সদায় আলাই আথানি। আকৌ কিছুমানৰ শিশু জীৱন পাৰিপাৰ্শ্বিক অশান্তিৰে জৰ্জৰিত; দ্বন্দ খৰিয়াল আৰু ঘৰুৱা ককৰ্থনা অথবা নিত্য-নতুন অত্যাচাৰ। তৎস্বত্বেও এনে প্ৰতিকূল পৰিৱেশৰ মাজত অকণো বিচলিত নহৈ জীৱন সংগ্ৰামত যিসকলে শ্ৰেষ্ঠ কৃতিত্ব অৱশেষত দেখুৱাব পাৰিছে, সমাজে তেওঁলোককেই মহান বুলি স্বীকৃতি দিছে। কেনেকৈ এইবোৰ তেওঁলোকে সম্ভৱ কৰি তুলিছে। কি আছে ইয়াৰ অন্তৰালৰ মূলমন্ত্ৰ? ইয়াৰ গুৰিতে আছে কেৱল অসীম ধৈৰ্য, কঠোৰ অধ্যৱসায় আৰু একান্ত নিষ্ঠা। এইবোৰ আহৰণ কৰা যায় কেৱল সাধনাৰ যোগেদিহে। যিসকলে জীৱনৰ যিকোনো মুহূৰ্ততে আৰু প্ৰতিটো প্ৰতিকূল পৰিৱেশৰ, প্ৰতিবন্ধকতাৰ সন্মুখত ধৈৰ্যচ্যুতি নোহোৱাকৈ প্ৰৱল মনোবলেৰে আৰু অপৰিসীম সাহসেৰে সেইবোৰক অতিক্ৰম কৰিব পাৰিছে; তেওঁলোকেই জীৱন সংগ্ৰামত জয়ী হৈছে। আমাৰ এই প্ৰবন্ধত এনে কেইগৰাকীমান মহান ব্যক্তিৰ দৃষ্টান্ত ইয়াত দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

আমাৰ ভাৰতবৰ্ষৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামৰ ল'ৰালি কালচোৱা অতি কষ্টকৰ আৰু দুখ লগা। তেওঁৰ দেউতাক আছিল মাছমৰীয়া আৰু নাৱৰীয়া। নিচেই সামান্য উপাৰ্জনেৰে কোনোমতে দুবেলা দুমুঠি খাবলৈহে হয়। নিৰক্ষৰ দেউতাকে আব্দুল কালামক প্ৰাথমিক বিদ্যালয়ত নামভৰ্ত্তি কৰাই দিছিল যদিও তাত তেওঁ শান্তিৰে শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল। কিন্তু তেওঁ বিন্দুমাত্ৰাও বিচলিত হোৱা নাছিল। তেওঁৰ অধ্যয়নত প্ৰতিবন্ধকতাই কোনো ধৰণৰ প্ৰভাৱ পেলাব পৰা নাছিল। বৰং অন্য ছাত্ৰ-ছাত্ৰীসকলতকৈ তেওঁ সুখ্যাতিৰেহে পৰীক্ষাত উত্তীৰ্ণ হ'ল। পিছৰ কালত তেওঁ ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমত



বিৰল কৃতিত্বৰে পাছ কৰি গৈ গৱেষণাত মনোবেশ কৰে। অৱশেষত, এইজনা দৰিদ্ৰ ঘৰৰ পৰা অহা ছাত্ৰই ভাৰতবৰ্ষক কৃত্ৰিম উপগ্ৰহৰ দেশ আৰু মিছাইল শক্তিৰ অধিকাৰী কৰি গঢ়ি তোলাত মুখ্য ভূমিকা গ্ৰহণ কৰে। অকল সেয়েই নহয়। তেওঁ ভাৰতবৰ্ষৰ সৰোৰ্চ্চ অসামৰিক সন্মান ভাৰত ৰত্ন উপাধিৰেও বিভূষিত হ'ল। ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ যি দক্ষতাৰে তেওঁ কাৰ্যকাল চলালে তাৰবাবেও তেওঁ জনপ্ৰিয় ৰাষ্ট্ৰপতি হিচাপে ভাৰতৰ জনমানসত নিজৰ নাম-যশস্যা ৰাখি গ'ল। গতিকে ল'ৰালি কালৰ ঘৰুৱা পৰিৱেশ য'ত কেৱল দৰিদ্ৰতাৰে আৰু অশিক্ষাই আগুৰি আছিল, সি কিন্তু কালামৰ প্ৰতিভাক বাধা দিব নোৱাৰিলে। এইজনা মহান ব্যক্তি আমাৰ অনুপ্ৰেৰণাৰ উৎস।

ৰুচ দেশৰ বিশ্ববৰেণ্য সাহিত্যিক মেক্সিম গৰ্কীৰ ক্ষেত্ৰতো এইখিনি কথা প্ৰযোজ্য। গৰ্কীৰ শিশুকালতে পিতৃ বিয়োগ হোৱাৰ কাৰণে মাকে তেওঁক নিজ পিতৃ গৃহলৈ লৈ আহিল । কিন্তু তাত গৰ্কীৰ ককাক, মোমায়েকৰ পৰা কোনো ধৰণৰ সঁহাৰি নাপালে । বৰং শাৰিৰীক আৰু মানসিক নিৰ্যাতনহে পালে। সেয়েহে কিশোৰ অৱস্থাতে তেওঁ নিজৰ জীৱিকাৰ সন্ধানত ঘৰৰ পৰা ওলাই যাব লগা হ'ল। বহু বছৰ এনেদৰে অনাহাৰ-অৰ্ধহাৰ-অনিদ্ৰা আৰু লক্ষ্যহীন হৈ জীৱন সংগ্ৰামত ব্ৰতি থাকিল যদিও, গৰ্কী কোনো দিনেই বিচলিত নহ'ল। ইয়াৰ মাজতেই তেওঁ অধ্যয়ন আৰু সাহিত্য সাধনাত মনোনিবেশ কৰিলে। অত্যন্তপ্ৰতিকূলতাৰ মাজতো সাহিত্য সাধনাত মনোনিবেশ কৰা এইজন সাহিত্যিক পৰৱৰ্তী সময়ত বিশ্বৰ আগশাৰীৰ সাহিত্যিক ৰূপে পৰিচিত হ'বলৈ সক্ষম হ'ল। তেওঁৰ বিশ্ববিখ্যাত উপন্যাস গ্ৰন্থ "মা" পৃথিৱীৰ প্ৰায় সকলো প্ৰধান ভাষাবোৰতেই ইতিমধ্যে অনুবাদ হৈছে। এনে দৃষ্টান্ত আৰু বহুতো আছে।

বিশ্ববৰেণ্য ইংৰাজী নাট্যকাৰ তথা কবি শ্বেক্সপীয়েৰৰ ল'ৰালি কালো অত্যন্ত ধূসৰ আছিল। তেওঁ আছিল একেবাৰে নিম্ন মধ্যবিত্ত ঘৰৰ ল'ৰা। ল'ৰালি কালৰ পৰাই বিভিন্ন ধৰণৰ নিম্ন পৰ্যায়ৰ চাকৰি কৰি জীৱন সংগ্ৰাম চলাই গৈ এসময়ত তেৰেঁই হৈ পৰিল পৃথিৱীৰেই সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ নাট্যকাৰ। চাৰ্লচ ডিকেন্স, মোপাচাঁ, প্ৰেমচন্দ, ëÂ ভবেন্দ্ৰনাথ শইকীয়া আদি অনেক বৰেণ্য সাহিত্যিক অতি অভাৱ-অনাটনৰ মাজেৰে ডাঙৰ হোৱা । বিজ্ঞানী ক'পাৰনিকাছ, কেপলাৰ আদি মহানায়কসকলৰ জীৱন কাল আছিল অত্যন্ত দুখলগা। এই মহান ব্যক্তিসকল আমাৰ আদৰ্শ আৰু চিৰপূজ্য । তেওঁলোক আমাৰ উৎসাহ আৰু অনুপ্ৰেৰণাৰ মূল চাবি কাঠি।

একাদশ শ্ৰেণী

ব্যক্তি/ব্যক্তিত্ব

## বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্বলি উঠা চিলাপথাৰৰ কেইগৰাকীমান ব্যক্তি —

*ডাঙৰ মানুহ হ'লেও অনবৰতে মাকো মাৰি থকা বা ঢপলিয়াই থকা তেওঁ সামান্য মানুহহে । গতিকে তুমিও চেষ্টা কৰি থাকা ।*

*— ড° এ. পি. জে. আব্দুল কালাম*

চিলাপথাৰ, সৰু হ'লেও এখন ব্যৱসায়িক চহৰ । বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ চিলাপথাৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ চহৰ । অঞ্চলটোত শিল্পী, সাহিত্যিক, খেলুৱৈ, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী, শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী লোকৰ সংখ্যাও কম নহয় । তেওঁলোকৰ আশাসুধীয়া প্ৰচেষ্টাৰ বাবেই চিলাপথাৰবাসীৰ মাজত শান্তি-সম্প্ৰীতি বহুসময়ত দুগুণে বৃদ্ধি পাইছে । তেওঁলোকৰ বাবেই চিলাপথাৰবাসীয়ে বহুসময়ত চিলাপথাৰবাসী হিচাপে গৌৰৱ কৰিবলৈ সুবিধা পাইছে । উঠি অহা প্ৰজন্মৰ বাবে তেওঁলোক প্ৰেৰণাৰ উৎস । আমি চিলাপথাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ ফালৰপৰা বৃহত্তৰ চিলাপথাৰ অঞ্চলটোৰ যিসকল ব্যক্তিয়ে সমাজ সু-শৃংখল কৰাত, চিলাপথাৰবাসীক গৌৰৱ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে, তেওঁলোকৰ বিষয়ে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনত প্ৰতিবছৰে তথ্য সহকাৰে প্ৰকাশ কৰাৰ কথা ভাবিছোঁ । তাৰেই ফলশ্ৰুতিত প্ৰথমবাৰৰ কাৰণে চিলাপথাৰৰ তিনিজন বিশিষ্ট ব্যক্তিৰে এই যাত্ৰা আৰম্ভ কৰিছোঁ-

# আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ 'নাৰায়ণ বুঢ়াগোহাঁই' — এক অপ্ৰতিৰোধ্য প্ৰতিভা

তথ্য দাতা — **চিত্ৰ বৰগোহাঁই**
চিলাপথাৰ, ধেমাজি




অসীম ধৈৰ্য্য, অপৰিসীম অনুশীলন, অদম্য ইচ্ছাশক্তি, কঠোৰ ব্ৰত, দুৰ্বাৰ সাহস, স্থিৰ আৰু দৃঢ় মনৰ নেৰানেপেৰা চেষ্টাৰ অধিকাৰী সকলে জীৱনত নিশ্চিতভাৱেই লক্ষ্যত উপনীত হ'ব পাৰে। পৃথিৱীত এনে সহস্ৰজনৰ উদাহৰণ পোৱা যায়, যি সকলৰ কথা অবিশ্বাস্য যেন লাগিলেও সঁচা আৰু অনুকৰণীয়। পিছে বিষয় বস্তুৰ বেলিকা আমি দীঘলীয়া পাতনিৰে পাঠকক আমনি দিয়াৰ পৰা বিৰত থাকি ক'বলৈ লোৱা খেলুৱৈ (দৌৰ বিদ) গৰাকীৰ সম্বন্ধে পোনে পোনে আগবাঢ়ি বলৈ যৎপৰোনাস্তি প্ৰয়াস কৰিছোঁ।

নাৰায়ণ। হয়, নাৰায়ণ বুঢ়াগোহাঁই। পেছাত এজন অসম ৰাজ্যিক পৰিবহন বিভাগৰ Foremen, Dhemaji, চিলাপথাৰ মাষ্টাৰ্চ এথলেটিক এছ'ছিয়েচনৰ সাধাৰণ সম্পাদক আৰু ২৫ সংখ্যক সদৌ অসম মাষ্টাৰ্চ এথেলেটিকছৰ ৰূপালী জয়ন্তী ক্ৰীড়া সমাৰোহৰ যুটীয়া সম্পাদক। বানাক্ৰান্ত ধেমাজি জিলাৰ অন্তৰ্গত ধেমাজি সদৰৰ পৰা প্ৰায় ২০ ২৫ কিঃমিঃ নিলগৰ ৰাংকপ বোলাকটা (কাছ পিঠিয়া হাবিতলীয়া গাঁও) নামৰ এখন অখ্যাত ভিতৰুৱা গাঁও। অন্য এক কলীয়া পানী । ৰাস্তা-ঘাট, যোগাযোগ, শিক্ষা-স্বাস্থ্য, যান-বাহন, বিজুলী বাতিৰ পৰা বহু আঁতৰৰ (এতিয়াও) এখন হাবিতলীয়া গাঁও। দিনতে বন্যপ্ৰাণীৰ টিঘিল-ঘিলনি। বন্য হস্তীৰ ভয়ত ত্ৰাহি মধুসোদন সোঁৰৱা গাঁওবাসী। বাৰিষা হাত নাৱেই একমাত্ৰ যোগাযোগৰ ভৰষা। দলঙৰ ঠাইত সাকোঁ-হেতামাৰি; পিছলিলেই সিপুৰী। এনে এক প্ৰতিকুল পৰিৱেশতে ১৯৬২ চনৰ ২৭ মাৰ্চ তাৰিখত

কৃষক পিতৃ দুতিৰাম বুঢ়াগোহাঁইৰ ঔৰসত মালৌ বুঢ়াগোহাঁইৰ গৰ্ভতে জন্ম হৈছিল নাৰায়ণৰ। পৰিয়ালৰ তৃতীয় জন সদস্য হিচাপে জ্যেষ্ঠ সকলৰে বাল্যকাল অতিক্ৰম কৰা নাৰায়ণে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষা লাভ কৰিছিল ক্ৰমে ৰাংকপ বোলাকটা প্ৰাথমিক আৰু একে নামৰে উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা হাই স্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল। পৰৱৰ্ত্তী সময়ত তেজপুৰ ITI ৰ পৰা মেকানিষ্ট হিচাপে উত্তীৰ্ণ হৈ পোনতে তেজপুৰত মেকানিক হিচাপে যোগদান কৰে।

বৰ্তমান চিলাপথাৰ চহৰৰ জোনাকী নগৰৰ অধিবাসী শ্ৰী বুঢ়াগোহাঁইয়ে স্থায়ীভাৱে ঘৰ-দুৱাৰ সাজি চিলাপথাৰৰ বাসিন্দা হিচাপে নিবাস কৰি আছে।

নাৰায়ণ বুঢ়াগোহাঁই সদা হাস্যময়, অক্লান্ত, কৰ্মপটু, তজ্বজীয়া, পৰিশ্ৰমী, সমাজসেৱী ৫৫-৫৬ বছৰীয়া এজন চিৰ তৰুণ। ডেকাজনৰ শ্ৰীচেহেৰা, মাত-কথা, আচাৰ-ব্যৱহাৰ, পিন্ধন-উৰণ, সকলোতে সৰলতা বিদ্যমান। খোৱা-বোৱাত নাই কোনো বাচ-বিচাৰ আপোন ভোলা, সকলোৰে লগত ঘৰুৱা ব্যৱহাৰ। মঙ্গোলীয়ান চেহেৰাৰ প্ৰায় ৫ফুট ৬ইঞ্চি ওখ ঠাওকলীয়া এই গৰাকী চিলাপথাৰৰ নাৰায়ণ বুঢ়াগোহাঁইক ‘চিলাপথাৰত চিনি নোপোৱা মানুহজন নিশ্চয় চিলাপথাৰৰ নতুন কিম্বা অচিনাকী অতিথি। নাৰায়ণ বুঢ়াগোহাঁইকলৈ আমি চিলাপথাৰবাসী গৰ্বিত, আনন্দিত।



আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যাওঁতে
বৰ্ল্ড মাষ্টাৰ্চ ফেডাৰেচনৰ সভাপতিৰ সৈতে শ্ৰীযুত নাৰায়ণ বুঢ়াগোহাঁই

চিলাপথাৰৰ কেইগৰাকীমান বিশিষ্ট শিক্ষাবিদ, খেলুৱৈ, সদা ব্যস্ত সমাজকৰ্মী ক্ৰমে মহেন্দ্ৰ গগৈ, দেৱবালা বৰগোহাঁই, টিপেশ্বৰ গগৈ, তুলেশ গগৈ আদিৰ অনুসন্ধিক্ষণত পোহৰলৈ আহিছিল নাৰায়ণ বুঢ়াগোহাঁইৰ দৌৰ। এই দৌৰ আৰম্ভ কৰিছিল প্ৰায় ১৯৯৬ চনৰে পৰা। অন্যহাতে ১৯৯৭ চনৰ পৰা চিৰ তৰুণ নাৰায়ণে দৌৰিয়ে আছে। কেতিয়াবা আন্তঃ জিলাৰ দৌৰবিদ হিচাপে, কেতিয়াবা ৰাজ্যিক হিচাপে, কেতিয়াবা ৰাষ্ট্ৰীয় আৰু কেতিয়াবা আন্তঃৰাষ্ট্ৰীয় মহা ক্ৰীড়াঙ্গনত। কেতিয়াবা বিজয় উল্লাস, কেতিয়াবা মূকপৰাভৱ, তথাপি থমকি ৰোৱা নাই নাৰায়ণ। ৰাজ্যিক খেলুৱৈ হিচাপে খেলিছে ক্ৰমে গুৱাহাটীৰ নেহৰু ষ্টেডিয়াম, শিৱসাগৰ, নাহৰকটীয়া, ডিব্ৰুগড়, চিলাপথাৰ, চিৰাং, নগাঁও, লখিমপুৰ, গোলাঘাট, কলিয়াবৰ, মৰাণ, মঙ্গলদৈ, গোৱালপাৰা, ডিগবৈ, তিতাবৰ আদিৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাসমূহত। মণ্ডল (Zonal) পৰ্যায়ৰ প্ৰতিযোগিতাত ভুৱনেশ্বৰৰ কলিঙ্গ ষ্টেডিয়ামত খেলিছে ক্ৰমে ৪০০ মিটাৰ, ৮০০ মিটাৰ আৰু ১৫০০ মিটাৰ দৌৰ। ৰাষ্ট্ৰীয় খেলুৱৈ হিচাপে নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়াম, ভুপাল, বাঙ্গালোৰ, হাইদৰাবাদ, চেন্নাই, পণ্ডিচেৰী, গুৱাহাটী, হাৰিয়ানা, তামিলনাডু, চণ্ডিগড়, বাঙ্গালোৰ, বাঙ্গালোৰ (পুনৰ), কয়ম্বাটোৰ, আদি ৰাষ্ট্ৰীয় ক্ৰীড়াঙ্গনত। এছিয়ান লেভেলত খেলিছে বাঙ্গালোৰৰ শ্ৰীকণ্টেৰাভা ষ্টেডিয়ামত। খেলিছে মালয়েছিয়াৰ কুৱালালমপুৰ, শ্ৰীলংকা, থাইলেণ্ডৰ চিয়াং মাইত আৰু মহা চীনৰ টাইপেই টাইৱানত। অত্যন্ত গুৰুত্বপূৰ্ণ কথা এই যে, ধেমাজিৰ আওঁহতীয়া, জংঘলী ৰাংকপবোলাকটাৰ পৰা বিশ্বৰ প্ৰান্তে-প্ৰান্তে, আন্তঃৰাষ্ট্ৰীয় মহা ক্ৰীড়াঙ্গনত নিজৰ সৰ্বস্ব সক্ষমতা উজাৰি নিজৰ ৰাষ্ট্ৰখনৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ কৰা আপ্ৰাণ প্ৰচেষ্টা, যি প্ৰচেষ্টাৰ সাক্ষী আছিল সহস্ৰ ক্ৰীড়ানুৰাগী, বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ ক্ৰীড়া প্ৰেমীসকল। বিশেষভাৱে উল্লেখযোগ্য যে, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াঙ্গন হিচাপে ২০০৭ চনত ইউৰোপ মহাদেশৰ ইটালীত আৰু ২০১৩ বৰ্ষত ব্ৰাজিলৰ পৰ্ট আলেগ্ৰীত ক্ৰমে ৪০০ মিটাৰ, ৪×১০০ মিটাৰৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাটো। কোৱা বাহুল্য যে, ই ক্ষণিকতে হোৱা কল্পনা বিলাস কিম্বা সপোন-সমাজিকৰ কথা নহয়। বিশ্বৰ বহু শক্তিশালী ৰাষ্ট্ৰৰ ৰথী-মহাৰথীৰ সতে ফেৰ মাৰি নিজকে প্ৰতিদ্বন্দী হিচাপে থিয় কৰাই প্ৰতিযোগিতা কৰাটো তেনেই এলা-পেচা মুখ-চুপতিৰ কথা নহয়।

এইগৰাকী চিৰ তৰুণ নাৰায়ণ বুঢ়াগোহাঁইয়ে আন্তঃজিলাৰ পৰা আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াঙ্গনত প্ৰদৰ্শন কৰা খেল আৰু ফলাফলৰ তথ্য তালিকাৰ দীঘলীয়া নথি পৰিশেষত সংলগ্ন কৰি বুঢ়াগোহাঁইৰ অক্লান্ত শ্ৰম, ধৈৰ্য্য, মনোবল, ইচ্ছাশক্তি আৰু অনুশীলনৰ প্ৰতি আমাৰ শতবাৰ ‘চেলুট’।

পৰমেশ্বৰে বুঢ়াগোহাঁইৰ মনোবাঞ্চা পূৰ্ণ কৰক, সু-স্বাস্থ্যৰ গৰাকী কৰি ৰাখক আৰু আমাৰ ৰাজ্য কিম্বা ৰাষ্ট্ৰখনলৈ পুনৰ সু-নাম কঢ়িয়াই অনাত সফল হওঁক আৰু উঠি অহা প্ৰজন্মৰ বাবে অন্য এক উজ্বল উদাহৰণ হৈ জিলিকি উঠক-এয়ে আমাৰ সৰল কামনা।

বুঢ়াগোহাঁইয়ে প্রদর্শন কৰা খেল আৰু ফলাফলৰ তালিকা ঃ

**(I) INTER DISTRICT ATHLETIC MEET (AMATEUR):**

1. Silapathar Rajib Gandhi Sports Complex (20O5) Participant,
2. Guwahati Indira Gandhi Stadium, Saru Sajai (2010) : 400 Mtr HdIs(2nd),
3. Goalpara Stadium (2014) : Participant

**(II) OTHER PARTICIPATION :**

1. Organizer of Dhemaji District Ladies Foot Ball Team,
2. Organizer of Dhemaji District Tal-Ku-Wan-do Team.

**(III) STATE LEVEL**

1. Nehru Stadium Guwahati (1997) : Participate
2. Kushal Konwar Stadium, Sibsagar (1998) : 400 Mtr Run(1st), 800Mtr Run(1st), 1500 Mtr Run(1st)
3. Naharkatia Stadium (1999) : 400 Mtr Run. (1st), 800 Mtr Run(1st)
4. Kokrajhar Stadium (2000) : 400 Mtr Run (1st ),800 Mtr Run(1st ),1500Mtr Run(1st), 21 Km.1/2 Marathon(3rd)
5. Chowkidingi Stadium, Dibrugarh (2001): 400 Mtr Run(1st ), 800Mtr Run (1st), 4 x 100 Mtr Relay (1st) 200 Mtr Run (3rd), 21Km.1/2 Marathon(3rd)
6. Guwahati, Khanapara (2003) : 400 Mtr Run(1st), 800 Mtr Run(1st), 20O Mtr Run(2nd).
7. Silapathar Rajib Gandhi Sports Complex (2004) : 400 Mtr Run(1st), Long Jump(1st), 200 Mtr Run (2nd), 110 Mtr HdIs(3rd), 400 Mtr Hdls(3rd)
8. Chriang Kajalgaon Stadium (2005) : 400 Mtr Hdls(1st ), 200 Mtr Run(2nd), 400 Mtr Run(2nd), 21 Km.1/2 Marathon(3rd)
9. Nurul Amin Stadium,Nagaon (2006) : 400 Mtr Run(1st ),400 Mtr Hdls(1st), 200 Mtr Run(2nd)
10. Lakhimpur General College Field (2007) : 400 Mtr Run (1st ), 21 Km.1/2 Marathon (1st ), 200 Mtr Run(2nd), 100 Mtr Run(2nd)
11. Golaghat Stadium (2008) : 400 Mtr Hdls (1st ),400 Mtr Run. (2nd)
12. Kaliabor, (2009) : 400 Mtr Hdls(1st ), 400 Mtr Run.(2nd), 200 Mtr Run(2nd)
13. Moranhat, Moran : 400 Mtr Hdls(1st ), 400 Mtr Run(1st ), 200 Mtr Run(2nd)
14. Mangaldoi Stadium (2011) : 400 Mtr Hdls (1st ), 400 Mtr. Run (1st ), 200 Mtr. Run (2nd)
15. Goalpara Stadium (2012) : 400 Mtr Hdls (1st )
16. Digboi Jubliee Ground, Digboi (2013) : 200 Mtr Run(1st ), 400 Mtr Run(3rd), 400 Mtr Hdls(3rd)
17. Titabor Rajib Gandhi Sports Complex, Titabor (2014): 200 Mtr Run(1st ), 400 Mtr Run(2nd)
18. Karbi Anlong Sports Complex (2015) : 400 Mtr Run (2nd), 200 Mtr Run (1st), 100 Mtr Run (3rd)

**(IV) ZONAL**

1. East Zone Veteran Atheletic Meet (1999)
   Kalinga Stadium, Bhubeneswar : 400 Mtr Run(1st ), 800 Mtr Run(2nd), 1500 Mtr Run(3rd)

**(V) NATIONAL**

1. Jawaharlal Nehru Stadium, New Delhi (1999) : 1500 Mtr Run(3rd), 400 Mtr Run(4th), 200 Mtr Run(4th)
2. 22nd National Veteran Atheletic Championship (2000),Bhopal : 400 Mtr Run(2nd), 4x100 Mtr. Relay(1st)
3. 23rd National Veteran Atheletic Championship (2002) Sree Kanteerava Stadium, Bangalore : 200 Mtr Run(4th), 400 Mtr Hdls(4th)
4. Khumen Lampak Stadium: Participated
5. Hyderabad : Participted

6. 26th National Masters Athletic Championships Chennai, 2005 : 400 Mtr Run(4th), 200 Mtr Run(4th)
7. All India Masters Athletic Championships,Pondicherry, 2006 : 200 Mtr Run(2nd), 4 x 100 Mtr. Relay(1st), 400 Mtr HdIs(3rd)
8. XXIX National Masters Athletic Championships Indira Gandhi Athletic Stadium, Guwahati (2008) : 400 Mtr Run(4th), 400 Mtr Hdls(4th)
9. Haryana (2009): 4× 100 Mtr.Relay(3rd)
10. Tamil Nadu (2010) : Participated
11. 32 National Masters Athletic Championships, Chandigarh (2011) : 4x 100 Mtr. Relay(1st), 200 Mtr Run(4th), 400 Mtr HdIs(4th)
12. 33rd National Masters Athletic Championships, Sree Kanteerava Stadium, Bangalore (2012) : Participated
13. 34th National Masters Athletic Championships,Sree Kanteerava Stadium, Bangalore (2013): 200 Mtr Run(2nd),
14. 35th National Masters Athletic Championships, Nehru Stadium, Coimbatore (2014) : Participated

**(VI) ASIAN LEVEL**

1. 11th Asian Veterans Atheletic Championship (2000) Sree Kanteerava Stadium, Bangalore: 4 x 100 Mtr. Relay(2nd)
2. 17th Malaysian Open Masters Athletic Championships (2003), Kuala Lumpur Malaysia : 800 Mtr Run(2nd)
3. 19th Annual (Open) Championship, 2005, Sri Lanka: 400 Mtr Hdls(1st), Long Jump (4th), 400 Mtr Run(4th)
4. 15th Asia Masters Athletics Championships Chiang Mai, Thailand (2008) : 400 Mtr Hdls (4th), 400 Mtr Run(7th)
5. 17th Asia Masters Athletics Championships, Taipei, TaiwanChina : 4 x 100 Mtr.Relay(3rd), Long Jump (4th), 400 Mtr Hdls(5th)

**(VII) INTERNATIONAL LEVEL**

1. 17th World Masters Athletics Championship, Italy, Europe - 2007 : 400 Mtr Run(8th)
2. 20th World Masters Athletics Championship, Port Alegre Brazil, 2013: 400 Mtr Run (4th), 4 x 100 Mtr. Relay (4th), 4 x 400 Mtr. Relay(6th)

# জীৱন টায়ে ঃ নীৰৱ সাংস্কৃতিক কৰ্মীজন

তথ্যসংগ্ৰহকাৰী - মৰমী দিহিঙ্গীয়া, সম্পাদক



১৯৫৬ চনত ধেমাজি জিলাৰ চিলাপথাৰৰ পৰা ১০ কি. মি. ৰ পূবে ভগৱান বৰুনগৰত জীৱন টায়েৰ জন্ম হৈছিল ।১৯৭২ চনৰপৰা ১৯৭৪ চনলৈ ফ্ৰণ্টিয়াৰ এম. ই. স্কুলত তেওঁ মাধ্যমিক শিক্ষা গ্ৰহণ কৰে ।অসম আন্দোলনৰ সময়ত ১৯৮৩ চনত চিমেনমুখ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰে আৰু পৰৱৰ্তী সময়ত তেওঁ জয়সাগৰস্থিত শিৱসাগৰ কলেজত নামভৰ্তি কৰে। সেই সময়ৰ শিৱসাগৰ কলেজৰ অধ্যক্ষ পৰাগ চলিহাৰ সাহিত্য চৰ্চাৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হৈ তেওঁ সাহিত্যৰ ক্ষেত্ৰখনত মনোনিৱেশ কৰিছিল ।উল্লেখ্য যে, তেওঁ অসমীয়া ভাষা-সাহিত্যৰ ধ্ৰুৱতৰা সদৃশ ইমৰাণ শ্বাহ, নাহেন্দ্ৰ পাদুন, নাট্যকাৰ যোগেন চেতিয়া আদিৰ অধ্যাপকতাত শিক্ষা গ্ৰহণ কৰাৰ সুবিধা পাইছিল ।

জীৱন টায়ে ১৯৮৫ চনত ভগৱান চাৰিআলিত বিষ্ণু বিক্ৰমজ্যোতি কল্যাণ সমাজ গঠন কৰি সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰিবলৈ লয়। সেই যুৱক সংঘতে শিল্পী তেওঁলোকে শিল্পী দিৱস উদযাপন কৰি "কাৰেঙৰ লিগিৰী" নাটক মঞ্চস্থ কৰিছিল । ১৯৮৯ চনত সংযুক্ত মুক্তি বাহিনী আলফাত যোগদান কৰি 'বজৰং' আৰু 'ৰাইন' অপাৰেচনত ১১ আৰু ৭ মাহ কাৰাবাস খাটে । ১৯৯১ চনত চিলাপথাৰ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৯২ চনত কাৰাগাৰৰ পৰা ওলাই আহি ভগৱান গাঁৱৰ পৰা উঠি চিলাপথাৰ জোনাকী নগৰত স্থায়ীভাৱে থাকিবলৈ লয়। পৰৱৰ্তী সময়ত ৰূপকোঁৱৰৰ সাংস্কৃতিক যুৱক সংঘ খুলি সংগীত নাটক চৰ্চা কৰে। এই সাংস্কৃতিক সংঘৰ মঞ্চতেই স্থানীয় যুৱক-যুৱতী লৈ জ্যোতিপ্ৰসাদৰ নাটক 'লভিতা' আৰু 'ৰূপালীম' মঞ্চস্থ কৰে। তাৰ পিছৰ বছৰত ৰেঙনি পুথিভঁৰালত নিজে লিখা নাটক 'নতুন দিনৰ গান' আৰু বালিচন্দা মঞ্চস্থ কৰে। 'অনাগত' নামেৰে তেওঁ লিখা অন্য এখন নাটক পদ্মনাথ গোহাঞিবৰুৱা শীৰ্ষক নাটক প্ৰতিযোগিতাত মঞ্চস্থ কৰিছিল । ১৯৯৮ চনত নিজে লিখা কাহিনীৰ আধাৰত ভিডিঅ' ছবি 'নতুন দিনৰ গান' শীৰ্ষক ছবিখন নিৰ্মাণ কৰে । সেই নতুন দিনৰ গানেই চিলাপথাৰৰ প্ৰথম বোলছবি । বোলছবিখনত বৰ্তমানৰ চায়েঞ্চ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত শইকীয়াই নায়কৰ ভূমিকা লৈছিল । বোলছবিখনত সংগীত আৰু চিত্ৰনাট্যৰ কামো টায়েদেৰে নিজেই কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কেইবাখনো অসমীয়া আৰু মিছিং বোলছবি নিৰ্মাণ কৰিছিল। সেইবোৰ হ'ল 'আচিনাং অমানে ঙম,' 'বৰলুইত কনেং', 'জীৱনৰ সপোন,' 'য়ুমৰান আপ্পুন,'আদি । ইয়াৰ মাজতে তেওঁ ড° বসন্ত কুমাৰ দলেৰ পুত্ৰ বিপ্লৱ দলেৰ পৰিচালিত 'তুৰদাগচক মিমাক' বোলছবিখনৰ চিত্ৰনাট্যৰ কাম কৰিছিল। ২০১৪ চনৰ প্ৰথম ধেমাজি উৎসৱত মালিনীথানৰ পৌৰাণিক কাহিনীৰ আধাৰত তেওঁ 'মালিনীথান 'শীৰ্ষক এখনি তথ্যচিত্ৰ নিৰ্মাণ কৰে। ২০১৬ চনত চিলাপথাৰ অঞ্চলৰ ইতিহাসক লৈ 'সমন্বয়ৰ সোণোৱালী পথাৰ চিলাপথাৰ' শীৰ্ষক এখনি চিত্ৰনাট্য নিৰ্মাণ কৰিছিল। এই তথ্যচিত্ৰতে সমগ্ৰ চিলাপথাৰক প্ৰতিনিধিত্ব কৰা এটি সুন্দৰ গীত ৰচনা কৰিছিল। তেওঁ ভাস্কৰ্য নিৰ্মাণৰ ক্ষেত্ৰতো সিদ্ধহস্ত। তেওঁ বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, সুভাস চন্দ্ৰ বসু আদিৰ ভাস্কৰ্য শিল্প নিৰ্মাণ কৰিছিল। ইয়াৰ উপৰি তেওঁ কবিতা, নাটক আদি ৰচনাৰ ক্ষেত্ৰতো জড়িত হৈ থাকে। 'মোৰ আজন্ম গাঁওখনি' জীৱন টায়েৰ অপ্ৰকাশিত উপন্যাসিকা।

# ঢোলৰ ওজা সীমান্ত তামুলীৰ সৈতে এক অন্তৰঙ্গ আলাপ






লোকবাদ্য ঢোল অসমীয়া সমাজৰ প্ৰাণৰ সম্পদ । এই বাদ্যটিক লৈ অসমীয়া সমাজত অনেক গীত, কথা, মালিতা পোৱা যায় । ঢোলৰ চাপৰত নিনাদিত হয় অসমীয়া জাতিৰ সত্বা । পৃথিৱীক উৰ্বৰা কৰোৱা, শস্যে-মৎস্যে উভৈনদী কৰোৱা, অপদেৱতাক খেদোৱা, মান্যজনক আদৰি লোৱা আদিৰ ক্ষেত্ৰত বাদ্যটিয়ে সমন্বয়ৰ ভূমিকা পালন কৰি আহিছে । অসমৰ হিয়াৰ আমঠুস্বৰূপ এই ঢোল বাদ্যক বিশেষ স্থান দিয়াৰ ক্ষেত্ৰত যিসকলে আন্তৰিকতাৰে কাম কৰি আছে তাৰ ভিতৰত চিলাপথাৰৰ ঢোলৰ ওজা সীমান্ত তামুলীও এজন । তেওঁ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ দ্বাৰা Junior fellowship লাভ কৰা প্ৰথমজন অসমৰ ঢোলীয়া । ২০০৯ চনত তেওঁ "ঢোলত চাপৰ মাৰি" নামেৰে ঢোল বাদ্যৰ এখনি গুৰুত্বপূৰ্ণ পুথি প্ৰকাশ কৰি উলিয়াইছিল। এই পুথিখনৰ দ্বিতীয় সংস্কৰণো প্ৰকাশ পায়। দ্বিতীয় সংস্কৰণৰ লগত সংগতি ৰাখি তেওঁ ঢোলৰ চাপৰসমূহ শ্ৰাব্য মাধ্যমতো উপলব্ধ কৰি উলিয়ায়। তেওঁৰ সৈতে আলোচনী সম্পাদক মৰমী দিহিঙ্গীয়াৰ কথোপকথন —

প্ৰশ্ন ঃ  আপুনি ঢোল বাদ্যৰ সৈতে কেনেকৈ জড়িত হ'ল অলপ জনাব নেকি ?

উত্তৰ ঃ সৰুৰে পৰা টেঙা বল খেলি ঢপলিয়াই ফুৰিছিলোঁ যদিও মনতো কিন্তু মোৰ ঢোলতহে আছিল । চিলাপথাৰৰ গেলুৱা কেন্দুগুৰিৰ মইনা পাৰিজাতৰ সৈতে সৰুৰে পৰা জড়িত আছিলোঁ । জ্যোতিৰূপা সংগীত বিদ্যালয়ত মই তবলা শিক্ষা আৰম্ভ কৰিছিলোঁ । **১৯৯৬** চনত ঢোল শিকিবলৈ জপৰা বয়নক গুৰু মানি লওঁ । তেখেত আমাৰ ঘৰলৈ আহি মোক ঢোল শিকাইছিল । মই তেতিয়াই মন দিছিলো যে ঢোলৰ চাপৰবোৰ বেলেগ বেলেগ । দেউতাই চাপৰবোৰ লিপিৱদ্ধ কৰিবলৈ কৈছিল । তাৰ পিছতে মোৰ মনলৈ ঢোলৰ চাপৰবোৰত সমসাজ পিন্ধোৱাৰ কথা মনলৈ আহিছিল । ঢোলক লৈ সৰুৰেপৰা মই বিভোৰ আছিলো আৰু এতিয়াও ঢোলৰ চাপৰবোৰক সু-সংহত কৰি গঢ় দিয়াৰ হেঁপাহ এটা আছে। ঢোলৰ চাপৰবোৰক লিখিত আকাৰে মূলসাজ পিন্ধোৱাটোৱেই মোৰ লক্ষ্য। নৱ প্ৰজন্মইও ঢোলটোৰ প্ৰতি আগ্ৰহ দেখুৱালে  সুখী হওঁ।

প্ৰশ্ন ঃ  অসমত ঢোলৰ ভৱিষ্যত সম্পৰ্কে আপুনি কি ক'ব?

উত্তৰ ঃ অসমত যদিও বৰ্তমান বিভিন্ন বাদ্য ওলাইছে তথাপি ঢোলক কোনেও মাৰি নিব নোৱাৰে । চৰাই-চিৰিকটিৰ মাত, গছ-বনৰ সাজ, সহা জীৱনৰ একোখন চিত্ৰ ঢোলতেই আছে। অসমীয়াৰ মনত ঢোল হীৰাৰ টুকুৰাৰ দৰে।

প্ৰশ্ন ঃ  আপুনি ঢোল বাদন ক'ত ক'ত পৰিবেশন কৰিছে সেই সম্পৰ্কে অলপ ক'ব নেকি ?

উত্তৰ ঃ মই অসমৰ ধুবুৰী, বঙাইগাঁও, নগাঁও, শিৱসাগৰ, বাক্সা আদিকে ধৰি অসমৰ বাহিৰৰ মুম্বাই, মহীশূৰ, বাংগালোৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, ছিত্ৰকুট, এলাহাবাদ, জয়পুৰ, পাঞ্জাৱ, দিল্লী, ফৰিদাবাদকে ধৰি বহু ঠাইত পৰিবেশন কৰিছোঁ। অসমী আইৰ বুকুত গমগমাই থকা ঢোলৰ চাপৰে যেতিয়া ভাৰতৰ ভিন্ন প্ৰান্তৰ মঞ্চবোৰ কঁপাই তোলে তেতিয়া অসমীয়া হিচাপে বুজাব নোৱাৰা আনন্দ অনুভৱ কৰোঁ । ভগৱানক খাতিৰ কৰোঁ বাদ্যটিয়ে যেন বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভ কৰে।

প্ৰশ্ন ঃ  আপোনাৰ শৈক্ষিক জীৱনৰ  বিষয়ে অলপ কওকচোন -

উত্তৰ ঃ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিলোঁ নগাঁও প্ৰাথমিক বিদ্যালয়ত। হাইস্কুল- চিলাপথাৰ ৰেচিডেন্সিয়েল হাইস্কুল । কলেজীয়া শিক্ষা চিলাপথাৰ মহাবিদ্যালয়। মই তোমালোকৰ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ।

প্ৰশ্ন ঃ  ভৱিষ্যত পৰিকল্পনা-

উত্তৰ ঃ অসমৰ জনগোষ্ঠীসমূহৰ ঢোলৰ চাপৰবোৰৰ মৌলিকতা বিচাৰ কৰি সেইবোৰ উদ্ধাৰ কৰা।

প্ৰশ্ন ঃ  নতুন চামৰ প্ৰতি আপোনাৰ ক'বলগা-

উত্তৰ ঃ নতুন চামে লোকসংস্কৃতি আগুৱাই নিয়াৰ ক্ষেত্ৰত নিজকে সমৰ্পণ কৰক। খোলা মনেৰে শ্ৰদ্ধা সহকৰে শিকি কিছু সময় দি বাদ্যটোৰ উন্নতিৰ কাৰণে নিজকে আগুৱাই দিয়ক। যাতে বিশ্ব দৰবাৰত বাদ্যটোৱে উচিৎ স্থান পায়।

গল্প


# শেষ উপহাৰ

**মমী নৰহ**

আহাৰ মাহ। জেব্ জেব্ কৈ বৰষুণ দি আছে। আজি চাৰি পাঁচ দিনমান ধৰি বৰষুণ এৰা নাই। বৰষুণৰ প্ৰকোপত নদীসমূহত বান পানীৰ সৃষ্টি হৈছে। ৰাইজৰ অৱস্থা দেখি বেয়াই লাগে। পানীয়ে ঘৰ-বাৰী উটোৱাই লৈ গ'ল। সেয়েহে তেওঁলোকে ওখ ঠাই বিচাৰি শিবিৰ পাতি আছে।

কিন্তু এই দুৰ্যোগৰ সময়তো নদীৰ পাৰে পাৰে এজনী তিৰোতা ঘূৰি ফুৰিছে। বৰনৈৰ পানী ফেনে ফুটুকাৰে বাঢ়ি আহিছে। তথাপি তাইৰ কোনো কাণ সাৰেই নাই। তাই হাতেৰে নদীৰ ফালে কিবা দেখুৱাই আছে। মুখেৰে কিবা-কিবি কয় আছে।....

"সৌৱা মোৰ ভণ্টি আহিছে। সৌ যে নাওখন দেখিছা তাতে মোৰ ভণ্টি আহিছে। আঁহা ভণ্টি মই তোৰ বাবে ৰৈ আছোঁ"। এয়া কি হ'ল নাওখন দেখোন ডুবি গৈছে। এয়া কি নাওখন পানীত নাইকিয়া হৈ গৈছে। মানুহবোৰে সাতুৰিছে। মোৰ ভণ্টি, মোৰ ভণ্টিৰ কি হ'ব এতিয়া? তাই বাৰু সাতুৰিব পাৰিবনে? হে ভগৱান! মই কি দেখিছো? "কোন ক'ত আছা? মোৰ ভণ্টিক বচোৱা। হে প্ৰভু, মোৰ ভণ্টিক বচোৱা। ভণ্টি..........." কান্দোনৰ শব্দই গোটেই পৰিৱেশটো গোমা কৰি পেলালে।



তাইৰ নাম পাহি। তাই পাগলী। জীৱনত সকলো হেৰুৱাই তাই পাগলী হৈ নদীৰ পাৰে পাৰে ঘূৰি ফুৰে। তাইৰ ভনীয়েকৰ নাম জীয়া। সিহঁত সৰু হৈ থাকোতেই মাক ঢুকাল। মাকৰ মৃত্যুৰ সময়ত পাহিৰ বয়স আছিল ছয় বছৰ আৰু জীয়াৰ বয়স আছিল তিনি বছৰ। পাহিৰ মাক বহুদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত আছিল। সিহঁতৰ আৰ্থিক অৱস্থা সিমান বেয়াও নাছিল। কিন্তু সিহঁতৰ দেউতাক আছিল এজন মদাহী আৰু চৰিত্ৰহীন লোক। সিহঁতৰ যিমান মাটি সম্পত্তি আছিল দেউতাকে সকলো বিক্ৰী কৰি খাই শেষ কৰিলে। মদ নাখালে তেওঁ অলপ সময়ো থাকিব নোৱাৰিছিল।

এফালে দেউতাকে মদ-মাংসই উদৰ পৰাই খাই থাকে আৰু আনফালে কণ কণ ছোৱালী দুজনীৰ সৈতে বেমাৰী মানুহজনী লঘোনত থাকে। কণমানি পাহি আৰু জীয়ায়ে খাবলৈ নাপাই ভোকতে কান্দি থাকে। মদাহী দেউতাকে নিজে খাবলৈ পালে ঘৰত যে আৰু তিনিটা প্ৰাণী আছে তাৰ কোনো খবৰেই নলয়। ৰাতিপুৱাই ঘৰৰ পৰা ওলাই যায় আৰু ৰাতি ১১/১২ বজাত ঘৰলৈ উভটি আহি বেমাৰী মানুজনীৰ ওপৰত নানান অত্যাচাৰ চলায়। বেমাৰী দেহত সদায় মাৰ, কিল খাই কিমান অত্যাচাৰ সহি থাকিব? এদিন ৰাতি বিহ পান কৰি সিহঁতৰ মাকে আত্মহত্যা কৰিলে। মদাহী দেউতাকে যেন মাক মৰিবলৈহে বাট চাই আছিল। মাক মৰা এমাহ নৌ হওঁতেই মদ খাই খাই বহি থকা মানুহজনে গাঁৱৰে এঘৰৰ জীয়ৰি মিনতিক আনি ঘৰ সোমোৱালেহি । বেচেৰী পাহি আৰু জীয়াৰ দুখে-কুলাই পাচীয়ে নধৰা অৱস্থা হ'ল। মৰমহীনা মিনতিয়ে সিহঁত দুজনীক চকু পাৰি দেখিব নোৱাৰা হ'ল। কণমানি জীয়াই মা-মা বুলি মিনতিৰ গাত ধৰে। কিন্তু মৰমহীন নিষ্ঠুৰ মিনতিয়ে তাক উপহাৰ হিচাপে দিয়ে মাথো কেইটামান চৰ আৰু কয় "মা, মই তোৰ মা। আই ঐ দেহি, মই তোৰ মাক? মই তোৰ মাক নহয়, কাক মা বুলি মাতিলি। মাহীমাৰক চিনি পোৱা নাই? কেঁচাই কেঁচাই চোবাই খাম চিনি পাবি হুঁ।" মাহীমাকৰ আচৰণ দেখি কণমানি জীয়াৰ মুখৰ মাত হেৰায়। পাহিৰ চকুলো বাগৰি আহে। মিনতিয়ে সিহঁতক সময়মতে খাবলৈ নিদিয়ে। আজি দুদিন ধৰি সিহঁতে একোকে মুখত দিয়া নাই। জীয়াই ভোকতে কান্দিছে। "পাহি বাই, মোৰ বৰ ভোক লাগিছে। মোক কিবা অলপ খাবলৈ দিয়া, নহ'লে মই মৰি যাম।" বেচেৰী পাহি কিংকৰ্তব্য বিমূঢ় হৈ ভিতৰলৈ গৈ জীয়াৰ বাবে কেইটামান ভাত আনিবলৈ ল'লে। কিন্তু নিষ্ঠুৰ মিনতিয়ে গোটেই ঘৰখনতে হুলস্থুল লগাই দিলে। "আই ঐ

এইজনীয়ে দেখোন এফালৰ পৰা শেষ কৰি গৈছে। ঐ ডাইনী তই ওলা ভিতৰৰ পৰা। ৰাক্ষসিনী, মাৰৰ মূৰটো চোবালি। এতিয়া মোৰ মূৰটো চোবাবলৈ আহিছ, ঐ ওলা ভিতৰৰ পৰা।” পাহিয়ে উচুপি উচুপি ওলাই আহিল। দেউতাকে এচাৰি এডালেৰে পাহিক বৰকৈ কোবালে। কোবাই কোবাই নি ৰাস্তাৰ কাষৰ গছ এজোপাৰ তলত চোঁচৰাই নি পেলাই থৈ আহিলগৈ। জীয়াই কান্দি কান্দি বায়েকৰ ওচৰত পৰি থাকিল। জীয়াই বায়েকৰ এনে অৱস্থা দেখি ভয়তে



কান্দি কান্দি ক'বলৈ ধৰিলে “হে ভগৱান, মোৰ বাইদেউৰ কি হৈছে? তুমি কথা নোকোৱা কিয়? হে প্ৰভু মোৰ বাইদেউৰে কি দুখ কৰিলে? মোৰ বাইদেউক ভাল কৰা প্ৰভু। বাইদেউ নহ'লে মই কাৰ সৈতে থাকিম?” তাৰ দুখত যেন ভগৱানৰ দয়া উপজিল। সেই সময়তে বাটেৰে এজন ভদ্ৰ লোক আহি আছিল। তেওঁ জীয়াক সকলো কথা সুধি-পুচি সিহঁত দুজনীক তেওঁৰ ঘৰলৈকে লৈ গ'ল। পাহিক চিকিৎসা কৰি সুস্থ কৰিলে। মানুহজনৰ নাম তুলাৰাম বৰা। তেওঁৰ আপোন বুলিবলৈ কোনো নাই। বিয়াও নকৰালে। এল.পি. স্কুল এখনত মাষ্টৰ কৰে। জীয়া আৰু পাহিক পাই তেওঁ বৰ ভাল পালে। দুয়োকে স্কুলত নাম ভৰ্তি কৰি দিলে। কিন্তু পাহিয়ে সপ্তম শ্ৰেণীলৈকে পঢ়ি স্কুল এৰি দিলে। তাই ভাবিলে জীয়াই পঢ়ক। পঢ়ি-শুনি ডাঙৰ মানুহ হওক। তাই আৰু নপঢ়ে ঘৰতে কাম কৰিব। জীয়া পঢ়াত ভাল। প্ৰতিবছৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। মাষ্টৰে তাক বৰ মৰম কৰে। একো অভাৱ-অনুভৱ কৰিবলৈ নিদিয়ে। নিজৰ ল'ৰা-ছোৱালীৰ দৰে মৰম কৰে। জীয়াই বি.এ পাছ কৰিলে। বি.এ. পাছ কৰাৰ পাছত মাষ্টৰে তাক এম.এ. পঢ়িবলৈ পঠালে। তাই প্ৰথমে নাযাওঁ বুলি কৈছিল। কাৰণ তাই এম.এ. পঢ়িলে মাষ্টৰৰ বহুত কষ্ট হ'ব। কিন্তু মাষ্টৰে তাক জোৰ কৰাত তাই মান্তি হ'ল। তাই ডিব্ৰুগড়ত এম.এ. পঢ়িবলৈ ওলাল। প্ৰথমতে তাৰ ডিব্ৰুগড়ত থাকি ভাল লগা নাছিল। গাঁৱৰ পৰিবেশ এৰি ডিব্ৰুগড়হেনএখন চহৰত থাকি তাৰ অলপো মন বহা নাছিল। কিন্তু লাহে লাহে তাৰ সকলো স্বাভাৱিক হৈ পৰিল। বিহুলৈ আৰু বেছিদিন নাই। তাই ডিব্ৰুগড়লৈ অহাৰ পৰা ঘৰলৈ এবাৰো যোৱা নাই। গতিকে তাই ভাবিলে বিহুতে ঘৰলৈ আহিবলৈ। তাকে ভাবি তাই ঘৰলৈ এখন চিঠি লিখি বহাগত যে তাই ঘৰলৈ যাব তাকেই জনাই পঠালে।

মাষ্টৰ আৰু পাহিয়ে তাৰ চিঠিখন পাই আনন্দত উৎফুল্লিত উঠিল। বিহুলৈ আৰু বেছিদিন নাই। পাহিয়ে জীয়াৰ খাই ভাল পোৱা সকলো জলপানেই প্ৰস্তুত কৰিলে। লগত তাই খাই ভাল পোৱা পিঠা। বিহুলৈ আৰু তিনিদিন আছে। আজি জীয়া অহাৰ কথা। পাহিৰ গা সাতখন আঠখন। কিমান দিনৰ মূৰত যে তাইৰ মৰমৰ ভনীয়েকক দেখা পাব। মাষ্টৰে জীয়াই খাই ভাল পোৱা ৰৌ মাছ আৰু ঔটেঙা আনিছে। ৰৌ মাছ আৰু ঔটেঙাৰ কথা তাই চিঠিখনত লিখি পঠাইছে। তাই তালৈ যোৱাৰ পৰা গাঁৱৰ বস্তু দেখিয়েই পোৱা নাই। ৰৌমাছেৰে আঞ্জা ৰান্ধি থৈছে। তাই ঘনে ঘনে পদূলিলৈ চাই আছে। তাই বাৰু কেতিয়া আহিব? কেতিয়া মাতিব তাই বাইদেউ বুলি। চাওঁতে চাওঁতে বেলি ডুবিবৰ হ'ল। কিন্তু জীয়া এতিয়াও আহি পোৱা নাই।

অলপ সময়ৰ পাছত সিহঁতৰ ঘৰত এখন গাড়ী ৰ'লহি। পাহিৰ বুকুখন চিৰিংকৰি উঠিল। কিবা অঘটন হোৱা নাইতো ? কিন্তু এয়া কি? গাড়ীৰ ভিতৰৰ পৰা বগা কাপোৰেৰে ঢাকি জীয়াক উলিয়াই আনিছে। পাহিয়ে নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। কি দেখিছে এয়া তাই। এয়া তাইৰ মৰমৰ জীয়া । মাষ্টৰে শিল পৰা কপৌৰ দৰে থৰ হৈ চাই আছে। মানুহকেইজনে মৃতদেহটো সিহঁতৰ চোতালত শুৱাই দিলে।

জীয়াই ঘৰলৈ আহি থাকোতে বাটতে দলঙৰ ওপৰৰ পৰা সিহঁত উঠা গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই পানীত পৰিল। আন মানুহৰ লগতে জীয়াও নদীৰ বুকুত পৰি গ'ল। পিছত পুলিচে তাইক পানীৰ তলৰ পৰা উদ্ধাৰ কৰিছে।

পাহি চিঞৰি চিঞৰি কান্দিছিল। হায় অভাগিনী জীৱনত তই পালি কি? মাৰক হেৰুৱালি, দেউতাৰে এৰিলে, শেষত জীৱনৰ শেষ আশাকণো এনেদৰে শেষ হৈ গ'ল ।

তাই আজি পাগলী। জীৱনৰ সকলো হেৰুৱাই নদীৰ পাৰে পাৰে ঘূৰি ফুৰিছে। কেতিয়াবা হাঁহে আৰু কেতিয়াবা নদীৰ পাৰত বহি কৰুণভাৱে কান্দি থাকে...

চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

গল্প

# সংঘাত

**কৃষ্ণ বৰগোহাঁই**

গভীৰ নিশা। সকলো প্ৰাণী এতিয়া শুই নিঃপালি দিছে। চাৰিওফালে নিঃশব্দ। কাঁহ পৰি জীণ যোৱা এটা পৰিৱেশ। এনে এক শান্তি পৰিবেশতো অনন্ত আজি খুউব অস্থিৰ। সময় ১২ বাজো বাজো। তেনেতে নিস্তব্ধতা ধ্বংস কৰি কিৰিৰিং কিৰিৰিং শব্দ বাজিল। অনন্তই মবাইলটোলৈ চালে। এলাৰ্ম্ নহয়। এলাৰ্ম্ বাজিবলৈ এতিয়াও ৫-৬ মিনিত আছেই। বিকিৰ ফোন।
ওহ্ ! কি কৰোঁ।
উপায়হীনহৈ সি ফোনটো ৰিছিভ কৰিলে।
ইপিনৰ পৰা শব্দ আহিল ঘৰৰ পৰা বাহিৰলৈ ওলা জলদি।
অনন্তই অ'কে বুলি কৈ গাৰুৰ তলত ভৰাই থোৱা পিষ্টলটো লৈ মুখে কাণে ক'লা কাপোৰ এখন মাৰি বাহিৰ হ'ল।


ইতিমধ্যে তাৰ ঘৰৰ সন্মুখত ছলমান, আলম আৰু বিকি হাজিৰ হৈ আছে। অনন্তই যাওঁ নাযাওঁ কৰি এবাৰ মাকৰ মুখলৈ এবাৰ বাহিৰলৈ চালে। লাহে লাহে সি বাহিৰলৈ ওলাই আহিল। আৰু ভয়তে সি কঁপা কঁপা মাতেৰে সিহঁতক কলে, "ঐ তহঁতে কি ভাবিছ মই নাজানোঁ। মোৰ হ'লে কামবোৰ বৰ ভাল লগা নাই। বিনা দুখত সেই মানুহজনক হত্যা। এয়া ভাল নহ'ব।"
"ঐ তোৰ লেকচাৰ বন্ধ কৰ। বেছি লেকচাৰ নামাৰ। আমি যিদৰে কৈ যাম সেইদৰে কৰি যা"-আদেশৰ সুৰত ছলমানে ক'লে ।
"নহলেতো জানই আমি কোন পৰ্যায়লৈকে যাব পাৰোঁ। টকাও নাপাবি মানুহো মৰিবি।"-বিকিয়ে ক'লে ।
"এটা শব্দও নকৰাকে ৰাইজৰ পিছত বহ। আৰু সন্ধিয়া দি থৈ যোৱা পিষ্টলটো আৰু ম'বাইলটো লৈছ' নে নাই ?-ছলমানে সুধিলে ।

অনন্তই মূৰটো দুপিয়াই শলাগ লয়।

ঃ ম'বাইলটো চাইলেণ্ট ম'ডত থ'।

ছলমান, বিকি আৰু অনন্ত তিনিওটাই মহেশ ঠিকাদাৰক হত্যাৰ উদ্দেশ্যে ৰাওনা হ'ল। মহেশ দাস এজন বিখ্যাত ঠিকাদাৰ। ভদ্ৰ সমাজৰ এজন শ্ৰেষ্ঠ ব্যক্তি। ৰাজ্যখনৰে এজন সন্মানযোগ্য ব্যক্তি। সমাজৰ সামাজিক অনুষ্ঠানসমূহত য'তেই সহায়ৰ প্ৰয়োজন তাতেই সহায়ৰ হাত আগবঢ়ায়। তাৰ উপৰিও তেওঁ এজন বিশিষ্ট বক্তাও। বিভিন্ন মিটিঙে-মাতাঙে তেওঁক নিমন্ত্ৰণ কৰা হয় ভাষণ দিবলৈ। ৰাজ্যখনৰ উন্নতিৰ বাবে চৰকাৰৰ তৰফৰ পৰা বিভিন্ন ফান্দসমূহ তেওঁৰ হাতলৈ আহে।

অনন্ত বৰুৱা অতি দৰিদ্ৰ পৰিয়ালৰ সন্তান। জন্ম হোৱা এবছৰৰ পিছতে দেউতাক ঢুকাল। দেউতাক কোন, দেউতা কি একো বুজিয়েই নাপালে সি। মাকে আৰে তাৰে ঘৰত হাজিৰা কৰি কৰি আজি তাক ২৪-২৫ বছৰীয়া কৰিলে। B.A. পাছো কৰিলে সি । চাকৰিৰ বহুত ইণ্টাৰভিউ ও দিছে। কিন্তু আজিৰ দিনত টকা নহ'লে চাকৰি জানো সম্ভৱ? ইণ্টাৰভিউ দিও ক'তো একো উত্তৰেই নাপায়। B.A. পাছ কৰা ল'ৰা দিন হাজিৰা কৰিবলৈও বেয়া লাগে। শুনিছিলে অসম চৰকাৰে শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে TET নামৰ এটা



পৰীক্ষা উলিয়াইছিলে। TET পাছ কৰিলেই মাষ্টৰৰ চাকৰি। কিন্তু সেই সময়ত সি হায়াৰ ছেকেণ্ডাৰী পঢ়ি আছিল। হাইচেকেণ্ডেৰী পাছ কৰাৰ পিছতহে TET দিব পাৰি। কিন্তু এতিয়া বা আকৌ TET কেতিয়া ওলায়? আকৌ শুনিছো টেট দিবলৈ বোলে এতিয়া বি.এড. লাগে। বি.এড. কৰিবলৈ আকৌ টকা লাগে। শিক্ষক হোৱাটোৱেই তাৰ একমাত্ৰ সপোন আছিল। অনন্তৰ পক্ষে এয়া এতিয়া আৰু অসম্ভৱ। চাকৰি আশা বাদ দিলে সি।

কিবা ব্যৱসায় এটাকে কৰোঁ বুলি ভাবিলেও হাতত ধন নাই। ধন নহ'লে কেনেকৈ ব্যৱসায় কৰিব? লাহে লাহে দিনবোৰ ক্ৰমঃ আগবাঢ়ি গৈছে। মাকৰো বয়স হৈছে। এনেতে মাকৰ দেহত এটা অচিন ৰোগে ঠাই ললে। ওচৰৰে চৰকাৰী হস্পিতালত দেখুৱালে। এসোপামান ঔষধ লিখি দিলে। তাৰে অলপ কিনি আনি মাকক খোৱালে। কিন্তু একো ফলৱতী নহ'ল। লাহে লাহে মাকে নিজে উঠা বহাও কৰিব নোৱাৰা হ'ল। অনন্ত কৰবালৈ ওলাই যাবও নোৱাৰা হ'ল। ঘৰত খাবলৈ খুদ-কণ এটিও নোহোৱা হ'ল। তাৰটো যেন তেন। বেমাৰী মাকেও পেটত গামোচা মাৰিব লগীয়া হৈছে। ওচৰৰ কাৰোবাৰ ঘৰৰ পৰা এসাঁজ খুজিবলৈও ৰাস্তা নাই। কাৰণ সমাজৰ দৃষ্টিত আটাইতকৈ নিকৃষ্ট কাণ্ড কৰা ল'ৰাটোৱেই অনন্ত।

সৌ সিদিনা মঙলবাৰে অনন্ত মৌজাদাৰৰ ঘৰলৈ গৈছিল। মাকৰ বেমাৰ দেখাবৰ কাৰণে টকা প্ৰয়োজন হৈছিল তাক। খেতি মাতি এবিঘা আছিল। তাকে বন্ধক দিয়াৰ উদ্দেশ্যে মৌজাদাৰৰ ঘৰলৈ গৈছিল। সেই সময়ত মৌজাদাৰৰ ঘৰত মৌজাদাৰৰ পুতেক ৰাহুল আৰু সিহঁতৰ ঘৰত বন কৰা ১৪-১৫ বয়সীয়া ছোৱালীজনীহে আছিল। বাকী মানুহবোৰ ওচৰৰে বিয়া এখনলৈ গৈছিল। তেনে সময়তে মৌজাদাৰৰ পুতেক ৰাহুলে সেই বন কৰা ছোৱালীজনীক দেহৰ বল প্ৰয়োগ কৰি শাৰীৰিক নিৰ্যাতন তথা বলাৎকাৰ কৰিছিল। তেনেতে বাহিৰত কোনোবা অহা গম পাই ৰাহুলে তাইক অচেতন কৰি পিছ দুৱাৰেদি পলাই যায়। তেনেতে অনন্তই ৰাহুল ৰাহুল বুলি চিঞৰি দুৱাৰখন খোল খাই থকা দেখি ভিতৰলৈ সোমাই আহিল। আহি দেখিলে ৰীতা অচেতন হৈ পৰি আছে। সি ৰীতা ৰীতা বুলি চিঞৰি ৰীতাৰ কোনো মাত নাপাই এইবাৰ খুৰী খুৰী বুলি চিঞৰিলে। কিন্তু ভিতৰৰ পৰা কোনো শব্দ নাহিল। সি ভাবিলে ভিতৰত কোনো নাই। এনে পৰিস্থিতিত মই ইয়াত অকলে। সি ৰীতাৰ দেহলৈ লক্ষ্য কৰিলে। ৰীতাৰ গাত দেখোন এইবোৰ বলাৎকাৰৰ চিহ্ন। নিশ্চয় জোৰ জবৰদস্তি কৰাৰ চিহ্ন এয়া। এই কণমাণিজনীক এনে কৰিবলৈ অলপো বেয়া নালাগিলনে ? কি কৰো নকৰোঁ কৰি সি কাপোৰবোৰ তাইক ভালকৈ পিন্ধাই দিলে।

হঠাৎ অনন্তই চক খাই গ'ল। পিছ ফালৰপৰা এটা ডাঙৰ চিঞৰ সি শুনিলে। কেৱল এটায়ে নহয় কেইবাটাও চিঞৰ। সিপিনে বিয়াঘৰত ৰাহুলে মানুহবোৰক ক'ব ধৰিলে, আমাৰ ঘৰৰ ফালে কিবা চিঞৰ শুনিছোঁ। কিবা হৈছে যাওঁ বলচোন। যেন একো গমহে নাপায় সি। এনেকৈ ৰাহুলৰ ঘৰত কিবা হৈছে বুলি বিয়াঘৰৰ প্ৰায় মানুহৰ কাণত পৰিল। এজন এজনকৈ বহুত মানুহ গোট খাই গ'ল ৰাহুলৰ ঘৰত। ৰীতাক সকলোৱে শুধিলে, কি হৈছে ৰীতা, তোমাৰ কি হৈছে ৰীতা? ৰীতাই একো ক'ব নোৱাৰিলে। কঁপা কঁপা মাতেৰে তথাপি কলে, মোক শেষ কৰি পেলালে। অনন্তলৈ আঙুলী টোৱাই এইটোৱে মোক বলাৎকাৰ কৰিলে।

অনন্তই কি শুনিলে এয়া। ক'ত ফচিল সি। কাৰোবাক বচাবলৈ চেষ্টা কৰি নিজেই নিজক শেষ কৰি পেলালে। অনন্তই কিবা ক'বলৈ লওঁতেই ৰাহুলে তাক টানি আনি মূখে কাণে প্ৰচণ্ড ঘোঁচা, গোৰ মাৰি বাহিৰলৈ উলিয়াই আনিলে। ৰাইজে বিশ্বাস কৰিব টান পাইছিল যদিও বিশ্বাস কৰিলে অনন্তইৰে এই কাণ্ডটো কৰা বুলি। ৰাহুলে তাক এখন হাতে বুকুত ধৰি ইখন হাতে প্ৰচণ্ড ঘোঁচা মাৰিলে অনন্তৰ দেহত। চাল্লা হাৰামজাদা কোনো নোহোৱাৰ সুযোগ লৈ আহিছিলি। তোৰ লাজ নালাগিল চাল্লা। অনন্তয়ে কিবা ক'ব খুজিছিল যদিও পুনৰ ৰাহুলে মুখত ঘোঁচামৰি তাক একো ক'বলৈ নিদিলে। তাক যথেষ্ট মাৰ পিত কৰি ঘৰলৈ পঠিয়াই দিলে।

ঘৰলৈ আহি সি মাকৰ আগত মুখ দেখুৱাব নোৱাৰা হ'ল। তথাপি সি মাকক সকলো কথা কলে। মাকে তাক ভালকৈ জানে সি এনে কাৰ্যত লিপ্ত নহয় বুলি। মাক আৰু সি থানালৈ গল এজাহাৰ দিবলৈ। লগত গাওঁবুঢ়া দাইটিকো ললে। কিন্তু কথা বিষম। তাতকৈ আগতে গৈ ৰাহুল আৰু ৰাহুলৰ মাকে অনন্তৰ ওপৰত কেচ কৰিলেগৈ। ৰাহুল আৰু মাক গুচি আহিল। তেনেতে অনন্তহঁত গৈ ওলাল। পুলিচে কলে অ... অপৰাধী নিজেই আহি উপস্থিত দেখোন। ভালেই হ'ল দে আমাৰ কষ্ট অলপ কম হ'ল। অনন্তহঁতৰ বুজিবলৈ বাকী নাথাকিল। ৰাহুলহঁতে মানে আমাৰ ওপৰত কেচ কৰিলে। গাওঁবুঢ়াজনে ক'লে অনন্ত তেনে ল'ৰা নহয় ছাৰ। ই কেতিয়াও অপৰাধী হ'ব নোৱাৰে। ইয়াৰ ওপৰত সিহঁতে মিছা বদনাম জাপি দিছে। পুলিচৰ আৰু কি কাম। যিফালে সোঁত বয় সেইফালেই ঢাল লয়। পুলিছে তেওঁৰ কথা একো নুশুনিলে। তাতকৈ আগতে গৈ ৰাহুলৰ মাকে ৩৯ হাজাৰ টকা টেবুলৰ তলেৰে দি থৈ আহিল। পুলিচে ক'লে আপোনালোক দুজন এতিয়া যাওক। মই পিছত মাতি পঠাম। অনন্ত থাকক। ই কাইলৈৰ পৰা ৰঙাঘৰৰ ভাত খাব লাগিব। অনন্তৰ মাকে তাতে বহুত ক'লে কিন্তু পুলিচে একো নুশুনিলে। আপোনালোকে কৈ একো লাভ নাই। সিহঁতৰ লগত সাক্ষী আছে। অনন্তৰ মাকে ক'লে-"গাঁৱৰ মুখীয়ালজনৰ কথাও আপুনি নুশুনে? মোৰ ল'ৰাই তেনে কাম কৰিব নোৱাৰে।" খুউব উত্তেজিত হৈ মাকে চিঞৰিব ধৰিলে। কিন্তু কোনেও কাণ-সাৰ নিদিলে। অৱশেষত অনন্তই ক'লে, "একো নহয় দে মাই। তই নাকান্দিবি। মই তিনিমাহৰ পিছত

ওলাই আহিম নহয়। তেতিয়াময়ো টকা ঘটিম। এতিয়া বুজিছো টকাৰ মূল্য কিমান। কেনেকৈ টকাই সচাঁক মিছা মিছাক সঁচা মই কৰে।" এই বুলি কওঁতেই দুজনে টাঁনি আনি তাক লক আপত ভৰাই থলে। কাইলৈ চালন দিব।

অনন্ত মাক ঘৰলৈ আহি শুনিলে বুলে অনন্তহঁতক গাঁৱৰ ৰাইজে গাঁৱৰ পৰা এঘৰীয়া কৰিছে। কোনোৱা যদি সিহঁতৰ ঘৰলৈ যায় তাকো গাঁৱৰ পৰা এঘৰীয়া কৰা হ'ব। গাঁৱৰ ৰাইজৰ সিদ্ধান্ত। গাওঁবুঢ়া দাইটিও যাব নোৱাৰা হ'ল। খবৰ এতি ল'বলৈ। গাওঁবুঢ়া দাইটিয়ে ভাৱিলে টকাই সকলো মাথোঁ। মানুহক জীয়াই থাকিবলৈ টকা লাগে। টকাৰ অবিহনে সকলো মিছা। আজিৰ যুগত টকাই কি কৰিব নোৱাৰে। বেচেৰাটো মিছাতেই তিনিমাহ জেলত থাকিব লগীয়া হ'ল।

আজি অনন্তৰ কেইদিন হৈছেনো জেলৰ পৰা ওলাই অহা! মাকৰ অৱস্থাও ভাল নহয়। চৰকাৰী হস্পিটালৰ পৰা দিয়া ঔষধবোৰ খাই একো ভালৰ লক্ষণ দেখাই নাই দেখোন। ক'ত পাওঁ টকা। মাকক ভাল মেডিকেলত দেখাবলৈ। কথাবোৰ ভাবি ভাবি অনন্ত ৰাস্তাৰ পিনে ওলাই গ'ল। গছ এজোপাৰ তলতে আমন জিমনকৈ বহি আছিল। তেনেত ছলমান, আলম আৰু বিকি ৰহমানে বাইক লৈ সেইফালে আহিছিল। তাক দেখি সিহঁতে বাইক ৰখাই তাৰ ওচৰলে আহি সুধিলে, ঐ দোচ কি হৈছে তোৰ? বৰ দুখেৰে বহি থকা যেন লাগিছে। ইমানদিন নিসংগতাত ভুগি থকা অনন্তক আজি কোনোবাই দোস্ত বুলি মতাত ভাল লাগি গ'ল। সি কলে, অ' ঠিকেই কৈছা তোমালোকে মোৰ বহুত দুখ হৈছে। ছলমান আলমে কলে, "কিনো হৈছে তোৰ কচোন? কিজানি তোক সহায় কৰিব পাৰোৱেই আমি।" বিকি ৰহমানে কলে, "ক' আকৌ টকাৰ অভাৱ হৈছে নেকি?" এৰা, তুমি ঠিকেই কৈছা। টকাৰ অভাৱ হৈছে। অনন্তই তাৰ জীৱনৰ সকলো কথা সিহঁতক অৱগত কৰালে। এইখন পৃথিৱীত মোৰ মা বাহিৰে আন কোনো আপোন নাই। মায়ে বহুত কষ্টৰে সৰুৰে পৰা তুলি-তালি ডাঙৰ দীঘল কৰিছে। মায়ে মোৰ কাৰণে বহুত কষ্ট ত্যাগ কৰিছে। কিন্তু মই। মই এটা অপদাৰ্থ। মই আজিলৈকে মাৰ কাৰণে একো কৰিব পৰা নাই। সেইজনী মা আজি ৰোগত আক্ৰান্ত। অথচ মই... ? অনন্তৰ মাতষাৰ ক্ৰমান্বয়ে সৰু হৈ যায়। সি আৰু একো ক'ব নোৱাৰা হৈ পৰে।

"চা দোস্ত তোক আমি টকা দি সহায় কিৰব পাৰোঁ। কিন্তু তই আমাৰ লগত কাম কৰিব লাগিব। প্ৰথমে তই কথা দে আমাৰ লগত কাম কৰিবিনে নাই ?"-ছলমানে অনন্তক কৈছিল ।

টকাৰ অভাৱত ভুগি থকা অনন্তই একো নাভাবি টকা দিলে সকলো কামেই কৰিম বুলি কথা দিছিল। পঞ্চাঁচ হাজাৰ টকাৰ বিনিময়ত অনন্তই ছলমানহঁতৰ লগত প্ৰথম অপাৰেচনত নামিছে। লগত পিস্তল।

তিনিওটা গৈ মহেশ দাসৰ ঘৰৰ সন্মুখ পালগৈ। ছলমানে অনন্তক উদ্দেশ্য কলে, "এই ঘৰটোৰ ভিতৰতে মহেশ দাস শুই আছে। তই লাহেকৈ যাবি, পিছফালৰ খিৰিকীয়েদি সোমাৰ পৰা ব্যৱস্থা আছে। সেইফালে সোমাই তই তাক দাৰেক্ট চোত কৰিবি। আৰু শুন তোক এতিয়া পঞ্চাঁচ হাজাৰহে দিয়া হৈছে, ইয়াক চোত কৰি অহাৰ পিছত আৰু পঞ্চাঁচ হাজাৰ টকা দিয়া হ'ব। এতিয়া তই যা। আমি ইয়াত পহৰা দি থাকিম। সেইবুলি কৈ অনন্তক পঠিয়াই দিলে।

ছলমানে বিকিক ক'লে, "চাল্লা এই মহেশ হাৰামজাদাটোক মাৰিলে মোৰ দেউতা ৰক্ষা হৈ যাব। তেতিয়াতো চৰকাৰৰ ফাণ্ডসমূহ দেউতাৰ হাতলে আহিব। আৰু এদিন দেউতাও মৰিব তেতিয়াতো মই ৰজা হৈ যাম বে।"

তেনেতে ভিতৰৰ পৰা গুৰম গুৰম গুলিৰ শব্দ আহিল। অনন্তই গুলি মাৰি থমকি ৰল। পলাব নাজানিলে। ইপিনে ছালমান আৰু বিকি বাইক ষ্টাৰ্ট দি পলাল। মহেশ দাসৰ ঘৰত গুলিৰ শব্দ শুনি ওচৰৰ মানুহবোৰ উঠি আহিল। অনন্তৰ হাতত বন্দুক দেখি সকলোৰে অনন্তক আটক কৰিলে। পুলিচক খবৰ দিলে। আকৌ অনন্ত জেললৈ যাব।

টকাৰ অভাৱত পৰি অনন্ত সম্পৰ্ণ নষ্ট হৈ গ'ল। টকাৰ লোভত পৰি অনন্ত এতিয়া গোটেই জীৱন জেলত কটাব লগীয়া হ'ল। সচাঁকৈ টকাই সকলো। টকাৰ বাবে মিত্ৰও শত্ৰু হয় আৰু শত্ৰুও মিত্ৰ হয়। টকাৰ কাৰণে মানুহে মানুহক হত্যা কৰিব পাৰে। আজিৰ দিনত টকাই মানুহক মনুষ্য শাৰীৰ পৰা পশু শাৰীলৈ লৈ গৈছে ।

স্নাতক পঞ্চম যান্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ

গল্প



# জীৱনৰ বিলৈ

**সুভদ্ৰা পাঞ্চাং**

নাহৰবাৰী এখনি সৰু গাঁও। এই গাঁৱৰ বাসিন্দা প্ৰবীণ আৰু তেঁওৰ একমাত্ৰ লৰা পংকজ। তেঁওলোক দুখীয়া। ভেঁটি মাটি এবিঘাৰ বাহিৰে আৰু একো নাই। সেই মাটিতে শাক-পাচলি কৰি কেইটকামান উপাৰ্জন কৰে যদিও ভালদৰে খাবলৈয়ে নাটে। সেই কাৰণে প্ৰবীণে লোকৰ ঘৰত দিন হাজিৰা কৰিব লগা হয়। কিন্তু প্ৰবীণে ইমান কষ্ট কৰাৰ পিছতো সন্তান পংকজক আনৰ ঘৰত বাদেই, নিজৰ ঘৰৰ কামো কৰিব নিদিয়ে। প্ৰবীণে কাৰোবাৰ ঘৰলৈ কামৰ বাবে গ'লেও পংকজৰ কাৰণে ভাত-পানী কৰি থৈ যায়। কাৰণ তেওঁ পংকজক ডাঙৰ মানুহ কৰাৰ সপোন দেখিছে। তেওঁ পংকজক ডাক্তৰ পঢ়োৱাৰ ইচ্ছা। তেঁও সদায় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে পংকজে যেন ভাল পথত আগবাঢ়ি দেশৰ হকে কাম কৰি নিজৰ নাম জিলিকাই তোলে আৰু আৰ্থিকভাৱে অনগ্ৰসৰ ঘৰখনলৈ যেন পোহৰ নমাই আনে।

পংকজেও নিজৰ অভাৱৰ কথা বুজি নিজৰ জীৱনৰ লক্ষ্যত উপনীত হবলৈ ভালকৈ পঢ়া শুনা কৰিছে। সি সদায় জীৱনটোক লৈ দুঃচিন্তাত ভোগে যে ঘৰৰ ভিতৰৰ পৰা কিয় ৰাতিৰ আকাশত জিলিকি থকা ধুনীয়া ধুনীয়া তৰাবোৰ দেখা পোৱা যায় ? বৰষুণ দিলেও কিয় আঠুৱাৰ ওপৰত কাপোৰ দি শুব লগা হয় ? সি কেতিয়াবা নিজকে নিজে প্ৰশ্ন কৰে-"মোৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য কি? দেউতাৰ সপোন কি? দেউতাই মোক কি হ'বলৈ পঢ়াইছে ? ভাল মানুহ হ'বলৈ নে চোৰ ডকাইত কৰিবলৈ? সকলো সপোন পূৰ কৰিবলৈ মোৰ পঢ়া শুনা কেনে চলিছে ? মোৰ চৰিত্ৰ কেনেকুৱা? মই আনৰ নিচিনাকৈ বাহিৰা জঞ্জালত মন দিছোঁ নেকি?

প্ৰবীণে পংকজৰ পৰা কিছুমান কথা জানিবলৈ কেতিয়াবা প্ৰশ্ন কৰে। এদিন প্ৰবীণে পংকজক সুধিছিল- "আজি কালিৰ মানুবোৰে কেৱল ডাঙৰ মানুহকহে ভাল পায়, আমাৰ নিচিনা দুখীয়া মানুহক কিয় ভাল নাপায়?"

পংকজে তেতিয়া উত্তৰ দিছিল- "দেউতা আজি কালি মানুহে কলচী ইটাক ভাল পায়। কলচী ইটা ধুনীয়া কাৰণে তেঁওলোকৰ মনবোৰ তাৰ প্ৰতি আকৰ্ষিত হয়। ফলত সেই মাটিৰ তলত থকা ভেঁটিৰ ইটাটোলৈ মনতে নপৰে। কাৰণ ভেঁটিৰ ইটাই তেঁওলোকক আকৰ্ষণ কৰিব নোৱাৰে। দেউতাকক পংকজে সদায় কৈছিল- "তুমি একো চিন্তা নকৰিবা দেউতা। মই পঢ়ি শুনি ডাক্তৰ হম। আমাৰ দৰে দুখীয়া ৰোগীবোৰক চিকিৎসা কৰি সুস্থ কৰি তুলিম। আৰু দেউতা তোমাৰ সকলো অভাৱ দূৰ কৰিম। আপুনি আশীৰ্বাদ দিয়ক দেউতা। যাতে মই আগবাঢ়ি যাব পাৰোঁ।"

এনেকৈয়ে জীৱনৰ বাটত থকা দুখৰ কাঁইটবোৰৰ মাজেদি আগুৱাই গৈ এদিন পংকজে নিজৰ জীৱনৰ লক্ষ্যত উপনীত হৈ বিদেশলৈ চাকৰি কৰিবলৈ গ'ল। পংকজৰ সেই সপোন পূৰ কৰিবৰ প্ৰবীণে মাটি বাৰী যি আছিল সকলো বিক্ৰী কৰি দিলে। ল'ৰাৰ ভালৰ কাৰণে মাটি বিক্ৰি কৰাটো তেখেতৰ বাবে তেনেই সাধাৰণ কথা। তেখেতৰ সপোন যে পংকজে বাস্তৱত পৰিণত কৰিলে তাৰ বাবে তেঁও বহুত সুখী। কিন্তু কিমান দুৰ্ভাগ্য তেখেতৰ জীৱন। নিজৰ ল'ৰাই চাকৰি কৰিলেও এতিয়াও সময় মতে তেঁও খাবলৈ নাপাই লোকৰ ঘৰত কাম কৰিব লগা হয়। পংকজক ফোন কৰিলেও ফোন ৰিচিভ নকৰে। তেঁও ফোন কৰি ভাগৰি যায়।

সময় বৃত্তাকাৰ গতিত ঘূৰে। ই কাৰো বাবে ৰৈ নাথাকে। এনেকৈ প্ৰবীণৰ শাৰিৰীক কষ্টৰ লগতে মানসিক কষ্টও বাঢ়ি যোৱাত বেমাৰৰ বাবে তেখেত বিচনাত পৰিল। তেঁওৰ বাবে জীৱনটো মাথো মৰিচীকা। কিন্তু হঠাৎ দুৱাৰ মুখত পংকজক দেখি তেখেত আনন্দত চিঞৰি উঠিল- "বোপাই আহিলাগে, তোমাৰ কাৰণে ইমান আশাৰে বাট চাই আছিলো, আঁহা বোপাই, মোৰ ওচৰলৈ আঁহা।" কিন্তু পংকজে কিছু ইতস্তুতঃ কৰি কলে- "দেউতা মই বিয়া পাতিলো।" দেউতাকে তেতিয়া আৰু বেছি আনন্দত আত্মহাৰা হৈ চিঞৰি উঠিল- "বহুত ভাল কথা পিছে বোৱাৰী ক'ত? কিন্তু পংকজৰ উত্তৰ শুনি দেউতাক সৰগ ভাগি পৰা মানুহৰ দৰে ৰৈ গ'ল। "দেউতা বোৱাৰী ইয়াত নাথাকে, বিদেশৰ বোৱাৰী। ইয়াত থাকিলে তাৰ উশাহ বন্ধ হৈ যায়। পিছেময়ো ইয়াত নাথাকো। মই এতিয়া আঁহো দেউতা।" পংকজ ওলাই গুচি গ'ল। প্ৰবীন নিৰাশ একেথৰে সি যোৱাৰ ফালে চাই ৰ'ল।

প্ৰবীণ এতিয়া একেবাৰে অকলশৰীয়া। দূৰৈৰ পৰা ভাহি অহা গানটোত মগ্ন হৈ পৰিল প্ৰবীণ। মই আৰু মোৰ ছাঁ... দুয়ো দুয়োৰে লগৰীয়া...।

একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

গল্প



# বেদনা

মাধৱী বুঢ়াগোহাঁই

এখন সৰু সহজ সৰল গাঁও। গাঁওখনত বাস কৰা মানুহবোৰ আৰ্থিক ভাৱে ভাল নাছিল যদিও মানুহবোৰৰ মাজত মৰম স্নেহ আছিল। সেই সৰু গাঁওখনৰ নাম আছিল মধুপুৰ। এই মধুপুৰতে যদু নামৰ এজন ব্যক্তিৰ এখন সংসাৰ আছিল। যিখন সংসাৰ বা ঘৰৰ কথা সকলোৰে মুখত প্ৰশংসাৰ প্ৰাপ্ত। যদুৰ সন্তান দুটা ঘৰত সিহঁতক ডাঙৰ পোনা আৰু সৰু পোনা বুলি মাতে, আৰু স্কুলত দুয়োটাৰ নাম অজয় আৰু বিজয়। যদুৰ পত্নীৰ নাম কাঞ্চন। যদুয়ে গাঁৱৰ ওচৰৰ স্কুল এখনতে শিক্ষকতা কৰা ৩৭ বছৰ মানে হ'ল। তেওঁ বহু দিনৰ মূৰত ঘৰলৈ এটা ৰেডিঅ' কিনি আনিছিল। সেই গাঁও খনত আগতে অন্য কাৰো ঘৰত 'ৰেডিঅ' নাছিল। গাঁৱৰ মানুহে 'ৰেডিঅ' শুনিবলৈ যদুৰ ঘৰলৈ আহে । সকলো মানুহৰ লগত তেওঁলোকে 'ৰেডিঅ' শুনে। অজয় আৰু বিজয় পঢ়াত মেধাৱী আছিল। সিহঁত দুটাক মাক দেউতাকে পঢ়া শুনাত বৰ যত্ন লয়। সিহঁত দুটাক মাকে দেউতাকে 'ৰেডিঅ' শুনিবলৈ কয়, কাৰণ 'ৰেডিঅ'ত বহু ভাল ভাল কথা দিয়ে। বাহিৰা জ্ঞান পাই। অজয় এইবাৰ নৱম শ্ৰেণী ছাত্ৰ আৰু বিজয় সপ্তম শ্ৰেণীৰ। সিহঁত দুয়োটাই দেউতাকক দাবী কৰে সিহঁতে বোলে মেট্ৰিক পৰীক্ষা দিয়াৰ পাছত যদি ভাল দৰে পাছ কৰে, তেতিয়াহলে ব্যক্তিগত ভাৱে এটা এটা 'ৰেডিঅ' সিহঁত দুয়োটাকে লাগিব । তেতিয়া দেউতাকে দুয়োৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল যে দুয়োটাকে এটা এটা 'ৰেডিঅ' কিনি দিম বুলি কৈছিল। 'কিন্তু ভগৱানে সিহঁতৰ আশা পূৰণ নকৰাকৈ দেউতাকৰ এটা সৰু বেমাৰতে মৃত্যু হয়। অজয় তেতিয়া দশম শ্ৰেণীলৈ পাইছিল আৰু বিজয় অষ্টম শ্ৰেণীলৈ পাইছিল। সেই সময়তে দেউতাকৰ মৃত্যুত ঘৰখন অস্থিৰ হৈ পৰিল। দেউতাকৰ পেঞ্চনৰ টকাৰে দুয়োটাৰে পঢ়াৰ খৰচো দিবলৈ যথেষ্ট অসুবিধাত পৰিল। অজয়ে পৰীক্ষাত জিলাৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হ'ল। সেই দিনা অজয়ৰ ঘৰৰ চোতালত তাৰ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, গাঁৱৰ মানুহ সকলোৰে নধৰা হয়। অজয়ৰ মাকে বাৰান্দাতে বহি হিয়া ঢকিয়াই কান্দিছে। কাৰণ দেউতাকে ল'ৰাটোৰ খবৰ পাই আজি বৰ আনন্দ কৰিলেহেঁতেন। কিন্তু ভগৱানে তেওঁক তাৰ আগতেই লৈ গ'ল।

নিয়তিৰ লেখন কোনেও খণ্ডাব নোৱাৰে। অজয়ৰ পঢ়া খৰচ সকলো চৰকাৰৰ পৰাই পালে আৰু তাৰ শিক্ষক সকলেও তাৰ প্ৰয়োজনীয় খৰচ বহনৰ বাবে গাত ললে। এনেকৈয়ে এদিন দুদিনকৈ সময় পাৰ হৈ গ'ল। বিজয়েও ভাল নম্বৰসহ উত্তীৰ্ণ হৈ এটা ভাল চাকৰি পালে আৰু বিজয়ো এটা সৰু চাকৰি যোগাৰ কৰিলে। দুয়োটাকে মাকে তেওঁলোকৰ পছন্দ ছোৱালী বিয়া পাতি দিলে। নদীয়ে সুঁতি সলোৱাৰ দৰে পুৰণি সময় সলনি হ'ল। নতুন সময় আহিল। 'ৰেডিঅ'ৰ সলনি টি.ভি ; চাইকেলৰ ঠাইত বাইক আহিল। আৰু সময়ৰ সোঁতত মানুহো সলনি হ'ল। আন কি অজয় বিজয়ো বিয়াৰ পাছত সলনি হ'ল। তেওঁলোকে কথাই প্ৰতি মাকক আগৰ দিনৰ মানুহ বুলি ঠাট্টা মাৰি কথা কবলৈ ধৰিলে। অজয়ে ল'ৰাটোকো আইতাকৰ বেছি কাষ চাপবিলৈ নিদিয়ে।

এদিন পুহ মাহত অতি ঠাণ্ডা পৰা দেখি কাঞ্চনে জুই জলাই নাতি ল'ৰাটোৰ সৈতে গা হেকিবলৈ লৈছিল আৰু তেনেতে "পুৰণি কথাৰে ল'ৰাটোৰ মূৰটো শেষ কৰিবলৈ ওলাইছে" বুলি অজয়ৰ পত্নী সীমাই আহি জুই নুমুৱাই ক'লে-"এনেকৈ ঘৰত জুই লগাই ক'লা এলাণ্ডুৰে ঘৰ ভৰি পৰিলে কোনে চাফা কৰিব ?"-বোৱাৰীয়েকৰ সেই কথাই কাঞ্চনৰ মনত বৰ দুখ দিলে আৰু তাই আগৰ পুৰণি 'ৰেডিঅ'টো কাষতে লৈ মনৰ বেজাৰত বিছনা খনতে দীঘল দিলে। কাঞ্চনে ভাবিলে সকলোৱে তেওঁক এৰি অকলশৰীয়া কৰিলেও এই পুৰণি ৰেডিঅ'টোৱে তেওক সদায় সংগ দিব। কাঞ্চনে ৰেডিঅ'টো সাৱটি ধৰিলে। তাইৰ দুচকুৰে চকুলো সৰি গাৰো তিয়াই গ'ল। সেইদিনা আছিল শুক্ৰবাৰ। বাৰ বজাৰ পৰা ৰেডিঅ'ত বৰ সুন্দৰ গান দিছে। সকলোৱে গান শুনক বুলি 'ৰেডিঅ'ৰ ভলিয়মটো তেওঁ অলপ বঢ়াই দিলে। দুই তিনি মিনিট মানৰ পাছত বাহিৰত কিবা হুলস্থূল শুনি কাঞ্চনে ৰেডিঅ'টো বন্ধ কৰি দিলে। অলপ সময় ৰৈ কাঞ্চনে গম পালে যে ৰেডিঅ'ৰ চাউণ্ড বেছি হোৱাৰ বাবেই এই হুলস্থূল। অজয়ৰ ল'ৰাই ভাল স্কুলত নম্বৰ কম হোৱাৰ বাবে চিট নোপোৱাত তাৰবাবে কাঞ্চনকে সকলোৱে দোষ দিছে। ডাঙৰ বোৱাৰী সীমাই কৈছে-" পূৱা-গধূলি যদি কেৱল 'ৰেডিঅ'টোৰেই বজাই থাকে, ল'ৰাটোক সাধুকে শুনাই থাকে ক'ত কিতাপৰ কথা ল'ৰাৰ মনত থাকিব। তেতিয়া ডাঙৰ পোনা অৰ্থাৎ অজয়ে একেষাৰতে ৰেডিঅ'টো ভাঙি পেলাম বুলি কোৱাত সৰু বোৱাৰী পল্লৱীয়ে কয়-"ভাঙি পেলালে বুঢ়ীয়ে মানুহৰ আগত চকুৰ পানী টুকি মৰমৰ 'ৰেডিঅ'টো ভাঙি পেলালে বুলি গাই ফুৰিব। তেতিয়া সৰু পোনা মানে বিজয়ে কৈছিল-"তাতকৈ ৰেডিঅ'টোকে ক'ৰবাত পেলাই থৈ আহিব লাগে। তেতিয়াহে যদি আমাৰ আপদটো কমে।" বিজয়ৰ কথাত সকলোৱে সন্মতি দিলে।

সকলো কথাৰ শুনাৰ পাছত কাঞ্চনৰ কাণ দুখন গৰম হৈ গ'ল। তেওঁ বিছনাৰ পৰা 'ৰেডিঅ'টো সাৱটি ধৰি কান্দিবলৈ ধৰিলে। সেইটো তেওঁৰ স্বামী যদুয়ে তেওঁক বৰ মৰমত দিছিল। যি দুটা ল'ৰাই দেউতাকৰ অ'ত দিনিয়া মৰমৰ সম্পত্তি এটা পেলাই দিবলৈ আলোচনা কৰিছে, সেই দুটা লৰাই এদিন দেউতাকক এটা 'ৰেডিঅ' লাগে বুলি দাবী কৰিছিল। আজি আৰু সেই দিন নাই সঁচাই দিনবোৰ সলনি হ'ল। কাঞ্চনে ভাবিছিল বহু লোকে পুত্ৰ সন্তান নাই বুলি বেজাৰ কৰে । কিন্তু তাই দুটা সন্তান পায়ো যে আজি এই দশা? কাঞ্চনে সিদ্ধান্ত লৈছিল এই ঘৰত যিদিনাই ৰেডিঅ'টো হেৰাব, সেইদিনাই তেওঁ এই মৰমৰ ঘৰখনৰ পৰা চিৰদিনৰ বাবে আঁতৰি যাব ।

স্নাতক দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

গল্প

# সফলতাৰ সন্ধানত

**টিংকু গগৈ**



"শ্যামল শ্যামল উঠা ইমান দেৰিলৈকে শুই আছা যে? তোমাৰ আজি ইণ্টাৰভিউ নাছিলে জানো?" "ইমান পুৰাই উঠাই দিয়ে নহয় "- এই বুলি কৈ শ্যামলে ঘড়িটোলৈ চাই দেখে ছয় বাজি গৈছে। সি ঘপককৈ বিচনাৰ পৰা উঠি হাত মুখ ধুই খোৱাৰ টেবুলত বহে। মাকে জলপান কেইটা আগত দি কয়-" আজি অলপ ভালকৈ ইণ্টাৰভিউটো দিবাচোন। ঘৰখনত চাকৰি এটা বৰ প্ৰয়োজন।"

সিয়ো ভাবিলে চাকৰি এটা ঘৰখনত বৰ প্ৰয়োজন। কিন্তু চাকৰি বুলি ক'ত যে কিমান ইণ্টাৰভিউ দিলোঁ। কিন্তু নাই। মাত্ৰ ইণ্টাৰভিউহে দিছোঁ চাকৰিৰ মুখ দেখা নাই। সি কেতিয়াবা হতাশ হৈ পৰে। সি নিজকে যুদ্ধলৈ গৈ পৰাজয় বৰণ কৰা এজন যোদ্ধাৰ দৰে অনুভৱ কৰে। নাই জীৱন মানে হ'ল ঘাত-প্ৰতিঘাত, সুখ-দুখৰ সমষ্টি। শ্যামলে সান্ত্বনা দিয়ে। সি খৰ ধৰকৈ কাপোৰ পিন্ধি মাকে বাঢ়ি দিয়া ভাতকেইটা খাই যাবলৈ উলাল। 'বাপেকে বাৰীৰ কলৰ বাগানখনতে ইটো-সিটো কৰি আছে। শ্যামল যাবলৈ ওলোৱা দেখি বাপেক বাৰীৰ পৰা উলাই আহি ক'লে-"যা ভালকে যাবি হ'ক। পৰীক্ষাটো ভালকে দিবি।" মাকে ক'লে- "কাগজ পত্ৰবোৰ ভালকৈ সুমুৱাই ললি নহয়?" "অ ললোঁ"- বুলি কৈ ওলাই আহিল। শ্যামলে গাড়ীৰ পৰা নামি এজন পাণ দোকানীক সুধিলে- "দাদা যোৰহাট জে.বি কলেজখন এইফালে নহয় জনো?" দোকানীজনে "হয়"- বুলি কোৱাত শ্যামল সেই ফালেদি গৈ কলেজৰ পালেগৈ। দেখে অসংখ্য মানুহ। সকলোৰেই ইয়াত জীৱন গঢ়িবলৈ আহিছে। সপোনৰ কাৰেংঘৰ বাস্তৱত ৰূপায়িত কৰিবলৈ কেঁচা সামগ্ৰী বিচাৰি আহিছে। সকলোৰে মুখত আজন্ম সপোন। কিন্তু লগে লগে এখন নিৰাশাৰ ছবিও স্পষ্ট।

শ্যামল পৰীক্ষাৰ হলত বহেগৈ। পৰীক্ষা দি আহি হোটেলত চাহ একাপ খাই সি ঘৰলৈ বুলি গাড়ীত উঠেগৈ। যোৰহাটৰ পৰা তাৰ নিজ ঘৰ শিৱসাগৰলৈ প্ৰায় দুঘণ্টামান সময় লাগিব। শ্যামলৰ কাষতে ৩০-৩৫ বছৰীয়া এজন ডেকা বহি আছে। তেওঁৰ লগত কথা বতৰা হোৱা নাছিল। কিন্তু, এডোখৰত ৰাস্তাটো ভাল নাছিল। তাতে এটা টাৰ্নিঙত দুয়োৰে গা লগা লগি হ'ল। লগে লগে দুয়োৰে মাজত কথা বতৰা আৰম্ভ হ'ল। প্ৰথমতে চলিল ৰাস্তাৰ কথা। তাৰ পিছত চৰকাৰৰ কথা। কথাৰ প্ৰসংগতে শ্যামলক যুৱকজনে সুধিলে-"তুমি পিছে কলে যোৱা? শ্যামলে কলে-"ইণ্টাৰভিও এটা দিবলৈ আহিছিলো।" অ" "ইণ্টাৰভিউ" বুলি কৈ যুৱকজন মনটো সেমেকা কৰি ক্ষন্তেকৰ কাৰণে ৰৈ গ'ল। শ্যামলে সুধিলে -"কিয় আপুনি মনে মনে ৰল যে"? অ' বুলি কই তেওঁ কৈ গ'ল-"বুইছা M.A. প্ৰথম শ্ৰেণীত পাছ কৰাৰ পাছত ভাবিছিলোঁ কিবা এটা কৰি মা-দেউতাৰ লগতে ওচৰ চুবুৰীয়াৰ আশা আৰু সপোনক বাস্তৱায়িত কৰিম। কিন্তু নহ'ল ইণ্টাৰভিউ । ইণ্টাৰভিউ কিমানযে দিলোঁ, নাই ভাগ্যতে নুফুলিল। আশা ভাগি বেমাৰ হৈ গ'ল । নিৰাশা হতাশাত দিন কটাবলগীয়া হ'ল। কিন্তু শেষত নিজে উপলব্ধি কৰিবলৈ ধৰিলো; আমাৰ দেশৰ ইমানবোৰ লোকক জানো চৰকাৰে চাকৰি দিব পাৰিব ? আৰু চাকৰি উলাই এটা, কিন্তু সেই চাকৰিৰ কাৰণে ইণ্টাৰভিউ দিয়ে এশ জনে । তাৰ উপৰিও আমাৰ দেশৰ দুৰ্নীতিৰ কথাটো আছেই। যোগ্যজনক বঞ্চিত কৰি অযোগ্যজনক স্থান দিয়ে। সেই কাৰণেইতো আমাৰ দৰে নিৰনুৱা । কিন্তু মই সমাজ তথা মা-দেউতাৰ বোজা হৈ জীয়াই থাকিব নিবিছাৰোঁ। মই শেষত খেতি কৰিবলৈ ললোঁ। বৈজ্ঞানিক পদ্ধতিত খেতি কৰাৰ লগতে পশু পালন কৰিবলৈ ললোঁ। বৰ্তমান মই নিজে স্বাৱলম্বী হোৱাৰ লগতে আন দহ জনকো কৰ্মসংস্থাপন দিব পাৰিছোঁ।

ওচৰৰ পিছৰ চিটত অচিনাকী ভদ্ৰ লোক এজনে আমাৰ কথাৰ আঁত ধৰি কৈ উঠিলে -"আজি আধুনিকতাৰ ধামখুমিয়াত পৰি যুৱকসকলে নিজৰ অস্তিত্ব পাহৰি যাব খুজিছে। আজি বস্তুৰবাদী তথা ভোগবাদী সমাজৰ লগত খোজত খোজ মিলাবলৈ গৈ নিজক পাহৰি যাব ধৰিছে। আজি যুৱকসকলৰ মাত্ৰ চাকৰিটোৰেই জীৱনৰ শেষ লক্ষ্য হিচাপে বাছি লৈছে। যাৰ ফলস্বৰূপে যুৱ-প্ৰজন্ম বঠাহীন নাৱৰীয়াৰ দৰে দিশহাৰা হৈ পৰিছে ।

দুয়োৰে কথা শুনি শ্যামলে ভাবিবলৈ ধৰিলে-ময়ো কিবা এটা কৰিব লাগিব । ইমান দিনে বিচাৰি ফুৰা সফলতাৰ সঠিক পথ মই আজিহে বিচাৰি পালোঁ।

স্নাতক দ্বিতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

অনুবাদ



# মালালা ইউছুফজাইৰ নবেল বক্তৃতাৰ অসমীয়া ভাঙনি

**দুলুমণি পেগু**

বিছমিল্লাহ হিৰ ৰহমান ইৰ ৰহিম। ভগৱানৰ নামত অধিকতম দয়া, অধিকতম পৰোপকাৰিতা আছে।

হে মহানসকল, নৰৱে দেশৰ নবেল সমিতিৰ প্ৰসিদ্ধ সদস্যসকল, মৰমৰ ভাইসকল আৰু ভনীসকল, আজিৰ দিনটো মোৰ কাৰণে মহান আনন্দৰ দিন। মই বিনীত যে নবেল সমিতিয়ে মোক এই অকালপক্ক বঁটাৰ কাৰণে মনোনীত কৰিলে।

আপোনালোকৰ অবিৰত সমৰ্থন আৰু মৰমৰ কাৰণে আপোনালোক প্ৰত্যেককৈ ধন্যবাদ। মই এতিয়ালৈকে বিশ্বৰ সকলোফালৰ পৰা পোৱা চিঠি আৰু বিশেষ পত্ৰৰ বাবে মই কৃতজ্ঞ। আপোনালোকৰ দয়ালু আৰু উৎসাহযুক্ত শব্দবোৰে মোক উৎসাহিত আৰু উত্তেজিত কৰিছে।

মই মোৰ মা-দেউতাক তেওঁলোকৰ চৰ্তহীন মৰমৰ কাৰণে ধন্যবাদ জনাব বিচাৰিছোঁ। মোৰ দেউতালৈ ধন্যবাদ, মোৰ পাখিবোৰ নকটাৰ কাৰণে আৰু মোক উৰিবলৈ এৰি দিয়াৰ কাৰণে। মোৰ মালৈ ধন্যবাদ মোক সহনশীল হ'বলৈ উৎসাহিত কৰাৰ কাৰণে আৰু সদায় সঁচা কথা ক'বলৈ শিকোৱাৰ কাৰণে; যিটো আমি ইছলাম ধৰ্মৰ প্ৰকৃত বাৰ্তা বুলি দৃঢ়ভাৱে বিশ্বাস কৰোঁ। প্ৰথম Pashtun, প্ৰথম পাকিস্তানী আৰু প্ৰথম যুৱতী হিচাপে এই বঁটা গ্ৰহণ কৰিবলৈ পাই মই অতি গৌৰৱান্বিত। মই ভালকৈ নিশ্চিত যে ময়ে প্ৰথম গৰাকী শান্তিৰ নবেল বঁটাৰ অধিকাৰিণী যিয়ে এতিয়ালৈকে তাইৰ ভাইসকলৰ লগত যুঁজিয়েই থাকে। মই প্ৰত্যেক ঠাইতে শান্তি হোৱাটো বিচাৰিছো, কিন্তু মই আৰু মোৰ ভাইসকলে এতিয়ালৈকে কাজিয়া কৰিয়ে থাকোঁ। Kailash Satyarti, যিয়ে দীৰ্ঘ সময়ৰ পৰা শিশুৰ অধিকাৰৰ যুঁজাৰু হৈ আছে, তেওঁৰ লগত এই বঁটা গ্ৰহণ কৰিবলৈ পাই মই আৰু গৌৰৱান্বিত। বাস্তৱিকতে মই এতিয়া আগতকৈ দুগুণ জীয়াই থাকিব বিচাৰিছো। মই আৰু আনন্দিত যে আমি একেলগে থিয় হ'ব পাৰোঁ আৰু বিশ্বখনক দেখুৱাব পাৰোঁ যে ভাৰতীয় আৰু পাকিস্তানীসকলে শান্তিত মিলিত হ'ব পাৰে আৰু শিশুৰ অধিকাৰৰ কাৰণে একেলগে কাম কৰিব পাৰে।

মৰমৰ ভাইসকল আৰু ভনীসকল, Inspirational Pashtun Joan of Arc ৰ পাছত মই নাম ল'লো Maiwand ৰ Malalai হিচাপে। মালালা শব্দটোৰ অৰ্থ হ'ল - গভীৰ দুখৰ পৰা পৰিত্ৰাণ পোৱা। কিন্তু নিয়মানুসৰি তাত কিছু আনন্দ প্ৰদান কৰা আছে। মোৰ ককাদেউতাই সদায় মোক কৈছিল মালালা হ'ল এই পৃথিৱীখনৰ আটাইতকৈ সুখী ছোৱালী আৰু আজি মই বহুত সুখী যে আমি এটা গুৰুত্বপূৰ্ণ উদ্দেশ্যৰ কাৰণে একেলগে থিয় হৈছোঁ।

এই বঁটাটো কেৱল মোৰ কাৰণে নহয়। এইটো সেইসকল স্মৃতিহীন শিশুৰ কাৰণে যিসকলে শিক্ষা বিচাৰে। এইটো সেইসকল ভয়ভীত শিশুৰ কাৰণে যিসকলে শান্তি বিচাৰে। এইটো সেইসকল মাতহীন শিশুৰ কাৰণে যিসকলে পৰিৱৰ্তন বিচাৰে। মই ইয়াত তেওঁলোকৰ অধিকাৰৰ কাৰণে থিয় হৈছো, তেওঁলোকৰ মাতবোৰ জগোৱাবৰ কাৰণে। এইটো তেওঁলোকক দয়া কৰাৰ সময় নহয়। এইটো কাৰ্যসম্পাদন কৰাৰ সময়। গতিকে এই সময়টো আমি শিশুক শিক্ষাৰ পৰা বঞ্চিত কৰা

দেখাৰ শেষ সময়।

মই পাইছোঁ যে মানুহে মোক বিভিন্ন উপায়েৰে বৰ্ণনা কৰে। কিছুমান মানুহে মোক কয় যে যিজনী ছোৱালীয়ে তালিবানৰ দ্বাৰা গুলীবিদ্ধ হৈছিল আৰু কিছুমান কয় যে যিজনী ছোৱালীয়ে তাইৰ অধিকাৰৰ কাৰণে যুদ্ধ কৰিছিল। কিছুমানে কয় যে এতিয়া নবেল সন্মানিত। যি কি নহওঁক, মই জানোঁ যে মই মাত্ৰ এগৰাকী প্ৰতিজ্ঞাবদ্ধ আৰু অনমনীয় ব্যক্তি যিয়ে প্ৰত্যেক শিশুৱে গুণগত শিক্ষা পোৱাটো বিচাৰে, যিয়ে নাৰীৰ কাৰণে সমান অধিকাৰ বিচাৰে আৰু যিয়ে বিশ্বৰ প্ৰত্যেক কোণত শান্তি হোৱাটো বিচাৰে। শিক্ষা হৈছে জীৱনৰ আশীৰ্বাদ আৰু জীৱনৰ অত্যাৱশ্যকীয় বস্তু। এইটো মোৰ ১৭ বছৰীয়া জীৱনৰ অভিজ্ঞতা। মোৰ ঘৰ Swat Valley ত পাকিস্তানৰ উত্তৰ দিশত। মই সদায় স্কুল আৰু নতুন কথা শিকিবলৈ ভাল পাইছিলোঁ। মোৰ মনত পৰিছে যেতিয়া মই আৰু মোৰ লগৰীয়াসকলে বিশেষ প্ৰসঙ্গত আমাৰ হাতবোৰ হেনাৰে সজাইছিলোঁ তেতিয়া স্কুল আঁকাৰ পৰিৱৰ্তে আমি আমাৰ হাতবোৰ গাণিতিক সূত্ৰ আৰু সমীকৰণ আঁকি সজাইছিলোঁ।

শিক্ষাৰ প্ৰতি আমাৰ তৃষ্ণা আছিল। কাৰণ আমাৰ ভৱিষ্যত সেই শ্ৰেণীকোঠাত আছিল। আমি লগৰীয়াসকল একেলগে বহিছিলো, পঢ়িছিলোঁ আৰু শিকিছিলোঁ। আমি পৰিপাটি আৰু সু-সজ্জিত স্কুল ইউনিফৰ্ম পিন্ধিবলৈ ভাল পাইছিলোঁ আৰু আমি চকুত অযুত সপোন লৈ শ্ৰেণীকোঠাত বহিছিলোঁ। আমি আমাৰ মা-দেউতাক গৌৰৱান্বিত কৰিব বিচাৰিছিলোঁ আৰু প্ৰমাণ কৰিব বিচাৰিছিলোঁ যে আমি আমাৰ পঢ়াত শ্ৰেষ্ঠতা লাভ কৰিব পাৰোঁ আৰু সিদ্ধি লাভ কৰিব পাৰোঁ যিটো নেকি কিছুমান মানুহে কেৱল ল'ৰাই পাৰে বুলি ভাবে।

বস্তুবোৰ সদায় একে হৈ নাথাকে। যেতিয়া মই দহ বছৰত ভৰি দিছিলোঁ তেতিয়া Swat, যিটো ঠাই সৌন্দৰ্য আৰু পৰ্যটকৰ ঠাই আছিল, অকস্মাতে সেই ঠাই আতংকৰ ঠাইলৈ পৰিণত হৈছিল। ৪০০ তকৈ অধিক স্কুল ধ্বংস হৈছিল। ছোৱালীবোৰ স্কুল যাবলৈ এৰিছিল। তিৰোতাসকল অত্যাচাৰৰ বলি হৈছিল। নিৰীহ লোকসকলো মৰিছিল। আমি সকলোৱে কষ্ট সহ্য কৰিছিলোঁ আৰু আমাৰ ধুনীয়া সপোনবোৰ ভয়াবহ সপোনলৈ ৰূপান্তৰ হৈছিল। শিক্ষা লাভ কৰাটো অধিকাৰৰ পৰা অপৰাধলৈ গৈছিল। কিন্তু যেতিয়া মোৰ পৃথিৱীখন হঠাতে পৰিৱৰ্তন হৈছিল মোৰ সুবিধাবোৰো পৰিৱৰ্তন হৈছিল।

মোৰ দুটা উপায় আছিল। লাহেকৈ থাকি মৰিবলৈ অপেক্ষা কৰা আৰু দ্বিতীয়টো আছিল মাত মাতি আৰু তেতিয়াই মৰি যোৱা। মই দ্বিতীয়টো গ্ৰহণ কৰিলোঁ। মই মাত মাতিবলৈ সিদ্ধান্ত ল'লোঁ। সন্ত্ৰাসবাদীসকলেও আমাক বাধা দিবলৈ চেষ্টা কৰিলে আৰু মোক আৰু মোৰ লগৰীয়াসকলৰ ওপৰত আক্ৰমণ চলালে ২০১২ চনৰ ৯ অক্টোবৰ তাৰিখে। কিন্তু তেওঁলোকৰ গুলীবোৰে জিকিব নোৱাৰিলে। আমি জীয়াই থাকিলো আৰু সেইদিনটোৰ পৰা আমাৰ মাতবোৰ আৰু ডাঙৰ হ'বলৈ ধৰিলে। মই মোৰ কাহিনী কোৱাৰ কাৰণ এইটো নহয় যে ই ব্যতিক্ৰম। এইটো বহুত ছোৱালীৰ কাহিনী আজি মই তেওঁলোকৰ কাহিনীও কম। মই মোৰ লগত Oslo ৰ পৰা কেইজনীমান ভনী আনিছো যিসকল এই কাহিনীটোৰ অংশ। আৰু পাকিস্তান, নাইজেৰিয়া আৰু ছিৰিয়াৰ পৰা লগৰীয়া আনিছোঁ। মোৰ সাহসী ভনী Shazia আৰু Kainat Riaz যি দুগৰাকীয়েও সেই দিনটোত মোৰ লগত Swat ত গুলীবিদ্ধ হৈছিল। সিহঁত বৰ দুখজনকভাৱে আঘাতপ্ৰাপ্ত হ'ল। তদুপৰি মোৰ ভনী পাকিস্তানৰ Kainat Somro যি গৰাকীয়ে চৰম অত্যাচাৰ আৰু অপব্যৱহাৰ সহ্য কৰিলে। যদিও তাইৰ ভাইটি মৰিলে কিন্তু তাই বশ্যতা স্বীকাৰ নকৰিলে। মোৰ লগত সেই ছোৱালীসকলো আছে যিসকলক মই মোৰ মালালা ফাণ্ড কেম্পেইনত লগ পাইছিলোঁ, যিসকল এতিয়া মোৰ ভনীৰ দৰে। ছিৰিয়াৰ মোৰ ১৬ বছৰীয়া তেজস্বিনী ভনী Mezon, যিয়ে এতিয়া জৰ্ডানৰ আশ্ৰিত শিবিৰত থাকে আৰু ল'ৰা-ছোৱালীবোৰক সহায় কৰিবলৈ তম্বুৱে তম্বুৱে যায় আৰু মোৰ ভনী Amina উত্তৰ নাইজেৰিয়াৰ, য'ত Boko Haram এ ভয় দেখুৱায় আৰু ছোৱালীক অপহৰণ কৰে স্কুললৈ যাবলৈ বিচৰাৰ কাৰণে। যদিওৱা মই এজনী ছোৱালী হিচাপে দেখা দিছো, এগৰাকী ব্যক্তি, যি ৫ ফুট ২ ইঞ্চি ওখ। তথাপি মই অকলশৰীয়া কণ্ঠধ্বনি নহওঁ। মই বহুতো।

মই Shazia ।

মই Kainat Riaz ।

মই Kainat Somro ।

মই Mezon ।

মই Amina । মই সেইসকল ৬৬ মিলিয়ন ছোৱালী যিসকল স্কুলৰ বাহিৰত। মানুহে মোক সুধে শিক্ষা কিয় ছোৱালীৰ কাৰণে বিশেষকৈ গুৰুত্বপূৰ্ণ? মোৰ উত্তৰ সদায় একে হয়। যিটো মই 'Holy Quran' ৰ প্ৰথম দুটা অধ্যায়ৰ পৰা শিকিছো। 'Igra' শব্দটো যিটোৰ অৰ্থ "পঢ়া" আৰু 'nun-walralam শব্দটো যিটোৰ অৰ্থ "কলমৰ দ্বাৰা" আৰু সেইকাৰণে মই যোৱা বছৰ ৰাষ্ট্ৰসংঘত কৈছিলোঁ, "এজন শিশু, এজন শিক্ষক, এডাল কলম আৰু এখন কিতাপে বিশ্বখনক সলনি কৰিব পাৰে।" আজি পৃথিৱীৰ আধাভাগতে আমি দ্ৰুত প্ৰগতি, আধুনিকীকৰণ আৰু উন্নতি দেখিবলৈ পাইছোঁ। যি কি নহওঁক, পৃথিৱীত বহুত দেশ আছে য'ত এতিয়াও মিলিয়ন লোকে অতি পুৰণি সমস্যা ক্ষুধাতুৰ, দৰিদ্ৰতা, অন্যায় আৰু সংঘৰ্ষ আদিত ভুগি আছে।

বৰ্তমানেও সংঘৰ্ষবোৰ চলি আছে য'ত এশ এহেজাৰ নিৰীহ মানুহে জীৱন হেৰুৱাইছে। ছিৰিয়া, গাজা আৰু ইৰাকৰ বহুতো পৰিয়াল ভগনীয়া হ'ল। এতিয়াও উত্তৰ নাইজেৰিয়াৰ ছোৱালীবোৰে স্কুললৈ যোৱাৰ স্বাধীনতা পোৱা নাই। আমি দেখো পাকিস্তান আৰু আফগানিস্তানৰ নিৰীহ মানুহে আত্মহত্যা, আক্ৰমণ আৰু বোমা বিস্ফোৰণত মৰে। আফ্ৰিকাৰ বহুত শিশুৱে দৰিদ্ৰতাৰ বাবে স্কুলত প্ৰৱেশাধিকাৰ নাপায়। ভাৰত আৰু পাকিস্তানৰ বহুতো শিশুৱে সামাজিক ধৰ্মবিষয়ক বাধা নিষেধবোৰৰ কাৰণে শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হয় বা তেওঁলোকে উপায়ন্তৰ হৈ শিশু শ্ৰমিক হয়। আৰু ছোৱালীবোৰে বাল্য বিবাহত আৱদ্ধ হয়। মোৰ স্কুলৰ বহুত ভাল বান্ধৱী এজনী মোৰ

বয়সৰ। তাই সদায় সাহসী আৰু বিশ্বাসী ছোৱালী আছিল আৰু ডাক্তৰ হোৱাৰ সপোন দেখিছিল। কিন্তু তাইৰ সপোনটো সপোনে হৈ থাকিল। ১২ বছৰ বয়সত তাই বলপূৰ্বকভাৱে বিয়া হ'ব লগা হ'ল আৰু সোনকালে তাইৰ পুতেক এটাও হ'ল। যেতিয়া তাই নিজে মাত্ৰ ১৪ বছৰীয়া আছিল। মই জানো যে মোৰ বান্ধৱীজনী বহুত ভাল ডাক্তৰ হ'ব পাৰিলেহেঁতেন। কিন্তু তাই নোৱাৰিলে। কাৰণ তাই ছোৱালী আছিল। মই নবেল বঁটাৰ ধনখিনি মালালা পুঁজিলৈ দান কৰাত মনোযোগ দিছোঁ যাতে প্ৰত্যেক ঠাইতে ছোৱালীবোৰে গুণগত শিক্ষা লাভ কৰিব পাৰে আৰু ছোৱালীবোৰক সহায় কৰিবৰ কাৰণে নেতাসকলক আৱেদন জনাব পাৰো। Mezon, Amina আৰু মোৰ দৰে। এই পুঁজিখিনি প্ৰথমে যাব পাকিস্তানত স্কুল নিৰ্মাণৰ কাৰণে। বিশেষকৈ মোৰ ঘৰ Swat আৰু Shangla ত, য'ত মোৰ কলিজাটো আছে। মোৰ নিজৰ গাঁৱত এতিয়ালৈকে ছোৱালীৰ কাৰণে মাধ্যমিক স্কুল নাই। মই তাত এখন স্কুল নিৰ্মাণ কৰিব বিচাৰিছোঁ, যাতে মোৰ লগৰীয়াসকলে শিক্ষা লাভ কৰিব পাৰিব আৰু তেওঁলোকৰ সপোনবোৰ পূৰ্ণ কৰাত সুযোগ লাভ কৰিব পাৰিব। এই কামটো মোৰ আৰম্ভণি হ'ব। কিন্তু এইটো মোৰ সামৰণি নহয়। মই এই যুদ্ধ একেৰাহে তেতিয়ালৈ কৰি যাম যেতিয়ালৈকে প্ৰত্যেক শিশু স্কুললৈ নাযায়। আক্ৰমণ সহ্য কৰাৰ পাছত মই বেছি শক্তিশালী অনুভৱ কৰিছো কাৰণ মই জানো কোনেও মোক বাধা দিব নোৱাৰে বা আমাক বাধা দিব নোৱাৰে। কাৰণ এতিয়া আমি মিলিয়ন লোক একেলগে থিয় হৈছো।

মৰমৰ ভাইসকল আৰু ভনীসকল, মহান ব্যক্তি যিসকলে পৰিৱৰ্তন আনিছিল - মাৰ্টিন লুথাৰ কিং, নেলচন মেণ্ডেলা, মাদাৰ টেৰেছা আৰু আংছান চ্যু কি তেওঁলোকো এসময়ত এই মঞ্চতে থিয় দিছিল। Kailash Satyarti আৰু মই বহুত দূৰত খোজ দিলোঁ আৰু এই যাত্ৰাটো গ্ৰহণ কৰিছোঁ। মই আশা কৰিছোঁ যে এই যাত্ৰাই পৰিৱৰ্তন আনিব- শেষ পৰিৱৰ্তন। মোৰ ডাঙৰ আশাটো হ'ল যে আমি আমাৰ শিশুৰ শিক্ষাৰ কাৰণে যুদ্ধ কৰাৰ এইটো শেষ সময় হ'ব। প্ৰত্যেকেই একত্ৰ হৈ আমাৰ অভিযানক সমৰ্থন কৰিব লাগে যাতে ব্যতিক্ৰম ৰূপে আৰু সকলোৰে কাৰণে সমস্যাটো সমাধান কৰিব পাৰোঁ। ইতিমধ্যে আমি অধিকাৰৰ দিশটোত বহুতো খোজ থলো এতিয়া পৰিৱৰ্তন লোৱাৰ সময়। এয়া নেতাসকলক শিক্ষা কিমান গুৰুত্বপূৰ্ণ অনুভৱ কৰিবলৈ কোৱাৰ সময় নহয়, সিহঁতে পুৰ্বেই এই কথা জানে। তেওঁলোকৰ নিজৰ ল'ৰা-ছোৱালীবোৰে ভাল স্কুলত পঢ়ে। এতিয়া তেওঁলোকক কাৰ্য সম্পাদন কৰিবলৈ আহ্বান জনোৱাৰ সময়। আমি পৃথিৱীৰ নেতাসকলক একত্ৰিত হ'বলৈ আৰু শিক্ষাক সৰ্বাধিক গুৰুত্ব দিবলৈ অনুৰোধ কৰিব লাগিব।

পোন্দৰ বছৰৰ আগতে পৃথিৱীৰ নেতাসকলে বিশ্বব্যাপী লক্ষ্যতে নিশ্চিত হৈছিল যাক Millennium Development Goal বুলি কোৱা হৈছিল। কেইটামান বছৰ তাক অনুসৰণ কৰিছিল। আমি কিছু প্ৰগতি দেখিলো। স্কুলৰ বাহিৰৰ শিশুসকলক দুভাগ কৰা হ'ল। যি কি নহওঁক পৃথিৱীখনে কেৱল প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণৰ ওপৰত মনোযোগ দিলে আৰু প্ৰত্যেককে উন্নতিয়ে ঢুকি নাপালে।

পাছৰ বছৰ ২০১৫ ত পৃথিৱীত চাৰিওফালৰ প্ৰতিনিধিসকলে পৰৱৰ্তী লক্ষ্যত নিশ্চিত হ'বৰ কাৰণে ৰাষ্ট্ৰসংঘত মিলিত হ'ব যাক Sustainable Development Goal বুলি কোৱা হ'ব। ভৱিষ্যত প্ৰজন্মৰ কাৰণে পৃথিৱীৰ অভিলাষ স্থিৰ কৰিব। নেতাসকলে এই সুবিধা গ্ৰহণ কৰিছে প্ৰত্যেক শিশুৰ কাৰণে বিনামূলীয়া, গুণগত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ নিশ্চয়তা দিবলৈ। কিছুমানে ক'ব এইটো অব্যৱহাৰিক বা অত্যধিক খৰচী বা অত্যধিক কঠিন বা অসম্ভৱ। কিন্তু এই সময়টো হ'ল পৃথিৱীখনৰ বিষয়ে বহলভাৱে চিন্তা কৰাৰ সময়।

মৰমৰ ভাইসকল আৰু ভনীসকল, বয়সস্থসকলে তথাকথিত পৃথিৱীখনক বুজিব পাৰে। কিন্তু আমি শিশুসকলে নোৱাৰো। এইটো কিয় হয় যে যিবোৰ দেশক আমি "সৱল" বুলি কওঁ সেইবোৰ দেশ যুদ্ধ সৃষ্টি কৰাত অতিশয় শক্তিশালী। কিন্তু শান্তি সৃষ্টি কৰাত অতিশয় দুৰ্বল? এইটো কিয় হয় যে বন্দুক দিয়াটো অতিশয় সহজ কিন্তু কিতাপ দিয়াটো অতিশয় কঠিন? এইটো কিয় হয় যে যুদ্ধ ব্যৱহৃত টেংক নিৰ্মাণ কৰাটো অতিশয় সহজ, কিন্তু স্কুল নিৰ্মাণ কৰাটো অতিশয় কঠিন?

যিহেতু আমি আধুনিক যুগ একবিংশ শতিকাত জীৱন ধাৰণ কৰিছোঁ আৰু আমি সকলোৱে বিশ্বাস কৰোঁ যে একো অসম্ভৱ নহয়। আমি চন্দ্ৰলৈ যাব পাৰোঁ আৰু সম্ভৱত অতি সোনকালে মঙ্গল গ্ৰহৰ মাটিত অৱতৰণ কৰিম। গতিকে এই একবিংশ শতিকাত আমি অৱশ্যেই মনস্থ কৰিব পাৰোঁ যে আমাৰ গুণগত শিক্ষাৰ সপোনবোৰ বাস্তৱত পৰিণত হ'ব। গতিকে আমি সকলোৱে কাৰণে সমতা, ন্যায় আৰু শান্তি আনোহঁক। মাত্ৰ ৰাজনীতিবিদ আৰু বিশ্বনেতাসকলেই নহয়, আমি সকলোৱে যোগ দিয়া প্ৰয়োজন। মই, আপুনি এইটো আমাৰ কৰ্তব্য। সেয়ে আমি অৱশ্যেই কাম কৰিম আৰু নৰওঁ। মই মোৰ শিশু বন্ধুসকলক পৃথিৱীৰ চাৰিওকাষে থিয় হ'বলৈ আবেদন জনাইছোঁ।

মৰমৰ ভাইসকল আৰু ভনীসকল আমাক শেষ সিদ্ধান্ত লোৱা প্ৰথম প্ৰজন্ম হ'বলৈ দিয়ক। শূন্য শ্ৰেণীকোঠা, হেৰুৱা শৈশৱ, অনুপযোগী সম্ভাৱনা এই বস্তুবোৰ একেলগে শেষ কৰোহঁক। এই সময়টো ল'ৰা বা ছোৱালীয়ে কাৰখানাত তেওঁলোকৰ শৈশৱকাল কটোৱাৰ শেষ সময় হ'বলৈ দিয়ক। এই সময়টো ছোৱালীয়ে বলপূৰ্বকভাৱে শীঘ্ৰে বাল্য বিবাহত আৱদ্ধ হোৱাৰ শেষ সময় হ'বলৈ দিয়ক। এই সময়টো শিশুৱে সংঘৰ্ষত জীৱন হেৰুৱাৰ শেষ সময় হ'বলৈ দিয়ক। এই সময়টো শ্ৰেণীকোঠাবোৰ শূন্য হোৱাৰ শেষ সময় হ'বলৈ দিয়ক। এই সময়টো ছোৱালীয়ে শিক্ষা লোৱাটো অপৰাধ হোৱাৰ আৰু ছোৱালী শিক্ষাৰ অধিকাৰ নথকাৰ শেষ সময় হ'বলৈ দিয়ক। আমাক এই সামৰণিতে আৰম্ভণি কৰিব দিয়ক। আমাৰ লগত এই সামৰণি কৰক আৰু আমাক উচ্চতৰ ভৱিষ্যত গঢ়িব দিয়ক ইয়াতেই, এতিয়াই।

ধন্যবাদ.......।

স্নাতক চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

# THE UNTOLD STORY OF KAUR SINGH
## A forgotten Indian Boxer

**Md. Asif Siddique**

Arguably the boxing world's greatest ever, Muhmmad Ali has been an idol for numerous established and aspiring boxers, while many would consider even a glimpse of the legend as a lifelong achievement, an Indian boxer actually fought Muhmmad Ali.

India's Kaur Singh, who is an Arjuna awardee Olypian, boxed against Ali, an exhibition bout in 1980.

Kaur Singh, who was given Arjuna Award in 1982 and the Padmashree in 1983, has also been awarded with the Vishist Sewa Medal (VSM) in 1988 by the Indian Army.

Not just that, at the peak of his career, he also won gold in the men's heavy weight category for India, during 1982 Asia Games in New Delhi.

It has often bee seen that parents from sports background often encourage their children to follow the same path but it wasn't the case with Kaur, who decided against letting his children experience life in the middle of boxing ring. The 1984 Los Angeles Olympics was the last time Kaur Singh wore boxing gloves, before setting for a farmer, profession in his native village Khahal Khurd in Sangrur.

Surprisingly, the man who won a gold medal in the New Delhi Asian Games and was deservedly promised a cash reward of Rs. 1Lakh, has been waiting for 34 years to get his own money from Punjab Government.

Not just that, even when he had a heart problem and needed a stint the state government refused to help him. Thankfully the Indian Army pitched in to do the needful.




It's not just boxing for which he made his name, Singh was also awarded with a Sena Medal for his exemplary bravery in the India-Pakistan war in Rajasthan.

Despite a short career, he won six gold medals in the International competitions, including the 1982 Asian Games, New Delhi.

It is tough to predict the future of sports like boxing considering what our sports men have been through.

***Ref.: zeenews.india.com>sports***

BA, 4th Semester.
Department of English

ব্যক্তিত্ব

# THE FASTEST MAN TO TRAVEL MOST COUNTRIES: BENNY PRASAD




**Bina Kardong**

Benny Prasad was born on 6 August, 1975 in Bangalore, India. He studied in Kendriya Vidyalaya National Aerospace Laboratories. His father, a scientist at the National Aerospace Laboratories, spent a lot of time trying to drill mathematics and science into Benny. He was expected to excel in his studies and to set an example for his younger brother and sisters.

Soon Benny excelled in forgery and expertise in the art of lying having a fiery and explosive temper. As a young person, he developed to take cortisone steroids and resulted in rheumatoid athritis, 60% lung damage and a weakened immune system. Finding no fulfillment in life, Benny soon became depressed and his behaviour continued to worsen and he attempted suicide at the age of 16. Benny's mother convinced him to go to a retreat center.

Benny joined Youth With A Mission (YWAM) and completed a Discipleship Training School (DTS) and School of Biblical Studies (SBS) in Bangalore, India. After completing a School of Music in Missions (SOMM) in New Mexico, USA and a School of Events Management (SEM) in Townsville, Australia, Benny received an Associate of Arts degree through YWAM's University of the Nations.

Benny says, "If I could be made useful, anyone in this world can. If my dreams can come true, yours can too. My sin and shame has been exchanged for righteousness and new life by the almighty God "Jesus Christ" to set me free.

Benny Prasad is an instrumental guitarist from India. He designed the Bentar which is the world's first bongo guitar. He also holds the world record for being the fastest man ever to visit all 196 countries in the world.

He has travelled all around the world performing to audiences. He has performed before Presidents and Parliaments, before the crowds of 2007 military world games, 2006 FIFA World Cup and the 2004 Olympic games. He travelled to more than 218 countries in March 2008 performing music, earning him the honour of being the most travelled Indian musician (Limca Book of record). Benny Prasad has also become renown by designing two guitars- the world's first bongo guitar and a 54 string guitar, the bentar.

Benny has travelled to over 194 sovereign countries and 51 dependent countries (including Antarctica) in 6 years, 6 months and 22 days (from 1st May, 2004 to 22nd November, 2010). He is therefore the fastest man ever to visit all 257 countries in the world.

Reference: www.wiki.bennyprasad

BA, 4th Semester.
Department of English

নাটক

# জেওৰা

প্ৰাঞ্জল বুঢ়াগোহাঁই



**চৰিত্ৰসমূহ ঃ** (১) টিঙালি (২) ভদৰী (৩) কলিয়া (৪) কণটিলৌ (৫) লিলিমাই

-ঃঃ-

*প্ৰথম দৃশ্য ঃ টিঙালি আৰু টিঙালিৰ পৰিবাৰ ভদৰী দুয়ো বহি লৈ কথা কটাকটি কৰি আছে। দুয়োঘৰৰ মাজত এখন জেওৰা থাকিব।*

-ঃঃ-

টিঙালি ঃ সুখ সুখ বুলি ল'ৰাৰ পৰা বুঢ়া হ'লোঁ। আৰু দিনচেৰেকৰ পাচত চকু মুদিম। তথাপি, সুখৰ মুখ নেদেখিলো। মাইকী নহয় যেন এইজনী যখিনীহে পালোঁ। কণা গোঁসায়ে আমাৰ ফালে সদায় কণা চকুৰেই চায়।
*(ভিতৰৰ পৰা ভদৰী ওলাই আহে।)*

ভদৰী ঃ হেৰী শুনিছেনে বোলো?

টিঙালি ঃ পিলাই চমকি যোৱা মৰ চিঞৰ নেমাৰিবি মোৰ আগত, কি ক'বলৈ আহিছ কৈ যা?

ভদৰী ঃ বোলো ই দেখোন ইমান পৰ নাই?

টিঙালি ঃ মই কি কৰিব লাগে?

ভদৰী ঃ এপাক ফুৰাৰ চলেৰে চাই আহক, এই শগুনে খোৱা ঘৰত আছে নেকি?

টিঙালি ঃ মই নেযাওঁ তোৰ পিতেৰক বিচাৰি, মৰিলেও মৰক। এনেকুৱা ল'ৰা নহ'লেও হ'ব। যা, যা, তইয়ে বিচাৰি যা।

ভদৰী ঃ বাপেক পুতেক দুয়োটাকে এই গজমুঢ়া ঘৰে যাদু কৰিলে। মইয়ো এৰা বিধৰ নহয়। মই বিহুৰাম শইকীয়াৰ জীয়েক, ভদৰী মোৰ নাম। মোৰ ল'ৰাক ঘৰ লগাইছে, চাই থাক মই কি কৰোঁ?

টিঙালি ঃ হচমৰতি মেনে মেনে থাক। তই চল দি দি ল'ৰাটোক শেষ কৰিলি। এতিয়া কেং কেঙাবলৈ আহিছ, সজে সজে আঁতৰ হ'।

ভদৰী ঃ মই শেষ কৰিলো? কথা ক'বলৈ আহিছে, আপুনি শেষ কৰিলে।

টিঙালি ঃ তই মোৰ খং তুলি নল'বি দেই। একেবাৰে ঘৰ গুচি বাহতল কৰি দিম। তোৰ পুতেৰ কেঁচুৱা হৈ থকা নাই, বুঢ়া হ'ল। মাৰ-পুতেক দুয়োটাকে খেদিম।

ভদৰী ঃ অ'... মই মৰি নেযাওঁ কেলেই? মোক মাৰি নিয়া ঈশ্বৰ। মোৰ আৰু জীয়াই থাকিবলৈ মন নাই। (কান্দে)

টিঙালি ঃ (মুখৰ ভিতৰতে ক'ব) যা মৰগৈ।

ভদৰী ঃ কি ক'লে?

টিঙালি ঃ বাপেৰৰ মুৰটো ক'লো। যা ভিতৰলৈ। নেলিয়া কটাৰীয়ে পিঠি পকা কঠাল ফলাদি ফালিম।

ভদৰী ঃ ভাল কথা ক'লে মোকহে জগৰ ধৰে। কি মানুহটোৰ লগত মোৰ সংসাৰ হ'ল। বলেৰে ধৰি আনি আজি মোক জয়মতীৰ শাস্তি দিছে। (কান্দে)
*(কলিয়া সোমাই আহে।)*

কলিয়া ঃ কৃষ্ণ একদেৱ দুখহাৰি।
সাক্ষ্যাৎ বিদিত ভৈলো আমি
বোলো কিবা অমঙ্গল? কোৱা!
যথা সাধ্য দিম সমিধান।
*(ভদৰী পিৰা এখন আগবঢ়াই দিয়ে।)*

কলিয়া ঃ কন্দা-কটাৰ কাৰণ?

টিঙালি ঃ এইপাতৰ কন্দা-হুঁহাৰ কিডাল কাৰণ লাগে, কলিয়াবৰত পৈয়েক মৰিল ঢেঁকী দিওঁতে মনত পৰিল। পুতেক নাই ঘৰত! ঐ তেজখাতী নাম উজুৱাই থাকিব নেলাগে তামোলৰ বঁটাটো আন। (ভদৰী উঠি যাব বিচাৰে।)

কলিয়া ঃ হেৰি নহয় বৌদেউ, তামোল খাম বাৰু বকুলৰ বাতৰি দিম, পানী তলত হৈ আছে নেকি?

ভদৰী ঃ আছে। (যাব খোজে)

কলিয়া ঃ হেৰি নহয় বৌদেউ, চেনী গাখীৰ যদি আছে! (হাঁহি মাৰি)

টিঙালি ঃ লগতে জা-জলপানো দিলে বেয়া পাবি নেকি?

কলিয়া ঃ টিঙালি কাইৰ যে কথা আৰু। (তিনিওজনে হাঁহে, ভদৰী ভিতৰলৈ যায়।)

টিঙালি ঃ কলিয়া তোক বহুত দিন দেখা নাই, ক'ৰবালৈ গৈছিলি নেকি?

কলিয়া ঃ এৰা কাই, মায়ঙলৈ গৈছিলো।

টিঙালি ঃ কিবা কাম আছিল হ'বলা?

কলিয়া ঃ কাম মানে হেৰি আকৌ যাদু-মন্ত্ৰ শিকিলোঁ। এতিয়া মানুহৰ কাৰণে সময়কে নেপাওঁ। দুল, তাবিজ, চোৰা-চিতা বহুতো কাম। (ভদৰীয়ে চাহৰ বাটি লৈ ওলাই আহে)

ভদৰী ঃ কলিয়া চাহ খোৱা। হেৰি নহয়। তোমাৰ কথাবোৰ শুনিলো। আমাৰ বকুলৰ কিবা এটা দিহা কৰি দিয়াচোন, ল'ৰাটো ঘৰত একেবাৰে নথকা হ'ল। (কলিয়াই চাহ খায়।)

টিঙালি ঃ দে দে কলিয়া মঙল এখনকে চাই দে পুতেক ক'ত আছে? হৃদয়খন হাত পৰক।

কলিয়া ঃ (মাটিত আঁচ টানি) পালো পালো বৌদেউ, এয়া কণটিলৌৰ ঘৰৰ পৰা বাৰীৰ পিছফালেদি ওলাই গৈছে, কণটিলৌৰ জীয়েকে বকুললৈ চাই হাঁহিছে।

ভদৰী ঃ কি? অ' মই মৰি নাযাওঁ কিয়? ঐ ফেঁচিমুখি মোৰ ল'ৰাৰফালে চাই হাঁহিবলৈ কতা তোৰ লাজ লগা নাই? জহ্নীত যাবি, তিতালাও গজিব। তহঁতৰ ঘৰত হুদু পৰিব। (খঙত ওচৰতে থকা ঘৰ সৰা হোতাটো কণটিলৌৰ চোতাললৈ দলিয়াই দিয়ে) আৰম্ভ কলিয়া আহক, আহক ভিতৰলৈ এইঘৰৰ ফালে চকু দিব নেপায়।

(তিনিওজন ভিতৰলৈ সোমাই যাব। কণটিলৌ আৰু লিলিমাই ওলাই আহে।)

লিলি ঃ বান্দৰীমুখী কথা ক'বলৈ আহিছ? খাবলৈ নোপোৱা জাত। লোকৰ ঘৰৰ ফালে চাই গালি পাৰিবলৈ লাজ লগা নাই?

কণটিলৌ ঃ আমাৰ পান গছ তোৰ ঘৰলৈ যোৱা নাই। আমাৰ পান গছ বেৰা দি থৈছোঁ। তহঁতৰ ছাগলীহে আমাৰ ঘৰৰ পান গছৰ ওচৰলৈ আহিছে।

লিলি ঃ ছাগলীৰ ডিঙিত দাকু দিবি, দাকু!

কণটিলৌ ঃ ভাল ঘোঁৰাই নেপায় ঘাঁহ, বতুৰা ঘোঁৰাই বিচাৰ মাঁহ। কথা চাই-চিতি কবি, নহয়নে লিলি?

লিলি ঃ হয়তো আকৌ। আমি কাকো মাতি অনা নাই নহয়। নিজৰ ছাগলী বেয়া, লোকক দোষ দিবলৈ আহে। খাবলৈ নোপোৱা কেলেহুৱাৰ জাত।

কণটিলৌ ঃ নহয়নে লিলি চিকা বৰচাঙত উঠিল। এসাজ খাই এসাজ খাবলৈ নোজোৰাবোৰৰ বৰ বৰ কথা।

লিলি ঃ আপুনি মেনে মেনে থাকক।

কণটিলৌ ঃ অ' মেনে মেনে থাকিম। (লিলিয়ে ডিঙি শুকাই যোৱাত কাঁহ এটা মাৰিলে। তাকে দেখি কণটিলৌও কাঁহ এটা মাৰিলে।)

লিলি ঃ আপুনি কিয় কাঁহিলে?

কণটিলৌ ঃ তুমি কঁহা দেখি?

লিলি ঃ মোৰ কাঁহ অহাৰ কাৰণে কাঁহিলো।

কণটিলৌ ঃ মই আকৌ ভাবিছিলো কাজিয়া কৰাৰ মাজতে কাহি ল'ব লাগে বুলি।

লিলি ঃ মোৰ ছোৱালী কেলেহুৱাৰ ঘৰলৈ দিবলৈ নেপাইহে মৰিছোঁ।

কণটিলৌ ঃ অ' মৰিছো।

লিলি ঃ চাই চিতি কথা কবি দেই, নহ'লে বাঢ়নীৰে কোবাম। মতা ম'টো লিখিব নজনা হচমৰাইঁতৰ বৰ বৰ কথা।

কণটিলৌ ঃ ন লিলি, দৰা নেপালে তাইক নদীত দলিয়াই পেলাই দিম, তথাপিও নিদিওঁ ন মাকৌক।

লিলি ঃ আই ঐ, কটা চিকৌ ইমান কষ্টৰে তাইক তুলি-তালি ডাঙৰ দীঘল কৰিছোঁ নদীত পেলাবলৈ হয়নে? দৰকাৰ পৰিলে চাঙত তুলি থম।

কণটিলৌ ঃ ন লিলি মাকৌৰে চাঙত খাব, চাঙত শুব, চাঙতেই সগা-মুতা কৰিব?

লিলি ঃ মেনে মেনে থাকক। ভিতৰলৈ যাওঁক, ভিতৰলৈ যাওঁক, কি চাই আছে?গ'লনে?

(কণটিলৌ ভিতৰলৈ সোমাই যাব। লিলিয়ে ঠাই সৰা জাৰৰখিনি টিঙালিৰ চোতাললৈ দলিয়াই দি মুখ বেকা কৰি আঙুলি ফুটাই জিভা দেখুৱাই ভিতৰলৈ যাব। ভয়ে ভয়ে কলিয়া ওলাই ইফালে-সিফালে চাব। ভদৰী ওলাই আহি কণটিলৌ ঘৰলৈ পোন্দোৰাকৈ চাব। টিঙালি ওলাই আহি দাখন ধাৰ আছেনে নাই চাব।)

টিঙালি ঃ চিঙিম চিঙিম বাপেকে একে ঘাপে ডিঙিয়ে খেলখেলাই হাঁহিব। খাই ল' ঐ আজিয়েই ভালকৈ। তিনিওঁটাকে বধিম। বাঘৰ লগত চাগে অগা-দেৱা কৰিবলৈ আহিছ। যমৰ লগত যুঁজিবলৈ আহিছ।

কলিয়া ঃ হেৰি নহয় টিঙালি কাই। তুমি একো চিন্তা কৰিব নালাগে মই সকলো ব্যৱস্থা কৰিম। পিচে এটা কথা। তোমালোকক বাঘ যেন দেখি সিহঁতৰ বুকু কঁপিবলৈ হ'লে সিহঁতৰ ঘৰৰ মজিয়াৰ অকণমান মাটি লাগিব।

ভদৰী ঃ পিচে হেৰি নহয় কলিয়া (কাণৰ ওচৰত ফুচফুচাই), আমি দুটা সিহঁতৰ ঘৰলৈ কেনেকৈ যাম? বকুলক ক'লে ওলোটাহে হ'ব। গতিকে কামফেৰা তুমিয়েই কৰিব লাগিব।

কলিয়া ঃ মই মানে বৌদেউ!

ভদৰী ঃ (চাদৰৰ আগ খুলি) তুমি আমাৰ ঘৰৰ ল'ৰা। এইটো ৰাখাচোন (পইচা দিব) আৰু কি লাগে ক'বা। মুঠৰ ওপৰত এই শনিপাত কেইটাক মেকুৰী বনোৱা।

কলিয়া ঃ এ বৌদেউ, এইবোৰ নহ'লেও হ'লহেতেঁন (হাতৰ পৰা থপিয়াই নিয়ে)। তেনেহ'লে টিঙালি কাই বৌদেউ মই যাওঁহে দেই।

ভদৰী ঃ যোৱা, কামটো সোনকালে কৰিবা। (কলিয়া ওলাই যায়)

হেৰি বকুলৰ দেউতাক, কামটো কেনে দেখিলে?

টিঙালি ঃ চিলনীৰ জীয়েক তোৰ বুদ্ধি শিলৰ খুটি। পিচে বকুল ক'লৈ গৈছে? ক'ব পাৰনে?

ভদৰী ঃ পেহীয়েকৰ ঘৰলৈ গৈছে, সোনকালে আহিব।

টিঙালি ঃ বকুলৰ মাক, ল'ৰাক চম্ভালিবি। কেনেবাকৈ যদি কণটিলৌৰ তিৰোতা হেৰুৱাৰ জীয়েক মাকৌ ঘৰত সোমায়হি, হালোৱা এচাৰিয়ে তোৰ পিঠিত ফুল বাচিম, কৈ থ'লো।

ভদৰী ঃ এ ... মোৰ গাতহে জগৰ লাগিল। পুতেকক একো এটা ক'ব হ'লে নোৱাৰে, মোৰ ওপৰত বৰ মতা, উৰহৰ খং ভগাধাৰীৰ ওপৰত। সৌ তেজখোৱা ঘৰক একো কৰিব নোৱাৰে।

টঙালি ঃ চুপ থাক বাঘেখাটি। তোৰ পৰা সকলো চল পাইছে। লিলি নহ'লে তোৰ ডিঙিৰ নলিৰে পানী নগৈছিল। লিলিৰ জীয়েকক টিউচন কৰিবলৈ পুতেৰক তই পঠাইছিলি, এতিয়া পেনপেনাইছ।

ভদৰী ঃ আপুনি একা কণটিলৌক নেদেখিলে পেটলৈ ভাত নগৈছিলে, কণটিলৌ নহ'লে ফিকা চাহ বাটিও নিপিছিলে, কণটিলৌ হে কণটিলৌ।

টঙালি ঃ বিহুৰামৰ জীয়েক বুলিহে ক'লো। মুখ নচলাবি। ঘটনা ডাঙৰ হৈ যাব। এনেয়ে বুঢ়ালোকে কয়নে মাটি কিনিবা মাজখাল, জীয়েক আনিবা মাক ভাল। মাক চাইহে জীয়েক জাতি। তোৰ বাপেৰৰ গোষ্ঠীয়েই বেয়া।

ভদৰী ঃ নিজৰ একা? ভঙুৱাৰ, সোৰোপাৰ পৰি মৰা জাত নহয়? ক'লে নাকত ধৰে, অমুকিৰ জহতহে খাবলৈ পাইছে। (টিঙালিয়ে দাখন লৈ খেদি যায়। ভদৰী ভিতৰলৈ দৌৰ মাৰে। পাচে পাচে মঙলা সোমাই যায়। লিলিয়ে বিয়ানাম গাই ভদৰীৰ ঘৰৰফালে চাই হাঁহে। কলিয়া সোমাই আহে।

কলিয়া ঃ লিলি বৌদেউ ক'ৰবাত বিয়া-চিয়া ওলাইছে নেকি? বিয়ানামৰ পেক্‌টিছ কৰিছা দেখোন।

লিলি ঃ (বেঁকাকৈ হাঁহি মাৰি) কলিয়া কিনো ক'বা পৰলৈ বুলি শুল পুতি নিজে মৰে ফুটি। যুদ্ধ বুজিছা যুদ্ধ। নিজৰ ল'ৰাক নাকি লগাব নোৱাৰে যাব যমৰ ধাৰ খোৱাহঁত।

কলিয়া ঃ কণটিলৌ কাই নাই নেকি?

লিলি ঃ আছে। ভিতৰতে বহা। পিচে তোমাক বহুদিন দেখা নাই দূৰৰ ক'ৰবালৈ গৈছিলা নেকি?

কলিয়া ঃ মই মায়াং পাচ কৰিলোঁ নহয়।

লিলি ঃ সেইটো আকৌ কি?

কলিয়া ঃ যাদু-মন্ত্ৰত মই বি.এ. পাচ। এতিয়া তোমাক কৈছো বৌদেউ মানুহৰ পৰা খাবলৈ-ববলৈ সময় নাই।

লিলি ঃ এ হয় নেকি? যাদু-মন্ত্ৰৰো বি.এ., এম.এ থাকেনে?

কলিয়া ঃ হয় আকৌ বৌদেউ।

কণটিলৌ ঃ হয়নে মাকৌৰ মাক, ভাত উতলিল, ভাতৰ নিসনি বাঢ়োনে?

লিলি ঃ ৰাম ৰাম কিযে মানুহটোৰ লগত সংসাৰ কৰিলো?

কলিয়া ঃ আমাৰ নিচিনা মানুহৰ লগত কৰক আকৌ?

লিলি ঃ কি ?

কণটিলৌ ঃ মই যাওঁনে মাকৌৰ মাক ?

লিলি ঃ যাওঁক যাওঁক (কণটিলৌ সোমাই যাব) কলিয়া অ' আমাৰ ঘৰখনৰ মঙল এখন চাচোন।

কলিয়া ঃ নিয়ম-কানুনৰ কথা আছে নহয় বৌদেউ?

লিলি ঃ কি কৰিব লাগিব?

কলিয়া ঃ তামোল-পান এজোৰ আৰু টকা দুশ। (লিলিয়ে কিবা এটা ভাবি)

লিলি ঃ তুমি বহা মই ভিতৰৰ পৰা আহোঁ। (লিলি ভিতৰলৈ গ'ল। ভদৰী জেওৰাখনৰ ওচৰলৈ আহিল। কলিয়াও ওচৰ চাপি গ'ল)

ভদৰী ঃ ল'লানে মাটি?

কলিয়া ঃ ল'ম হে।

ভদৰী ঃ কালিলে আহিবা।

কলিয়া ঃ থিক আছে। হেৰি বৌদেউ টকা এহেজাৰ গোটাই থকা।

ভদৰী ঃ এহেজাৰ?

কলিয়া ঃ এহেজাৰ। (ভিতৰত লিলিৰ মাত) আমনি নাপাবা গৈ আছো। (ভদৰী ভিতৰ সোমাল কলিয়া আহি নিজৰ ঠাইতে বহিল। লিলিয়ে বঁটা এটা লৈ ওলাই আহে। কলিয়াৰ সন্মুখত থয়।)

কলিয়া ঃ মাকৌ নাই নেকি ঘৰত?

লিলি ঃ স্কুললৈ গ'ল ।

কলিয়া ঃ বাৰু মঙলখন চোৱা যাওঁক। (কলিয়াই মাটিত আঁচ মাৰি মঙল চাব।)

কলিয়া ঃ সাংঘাটিক! চমৎকাৰ! আচৰিত! বৌদেউ।

লিলি ঃ কি হ'ল? কিবা অমঙ্গল নেকি?

কলিয়া ঃ অমঙ্গল মানেঙ্গ আপোনাৰ দুৱাৰ মুখৰ এঘৰ মানুহে বৰ ডাঙৰ যাদু কৰিছে।

লিলি ঃ তাৰ পাচত?

কলিয়া ঃ মাকৌ পাগলী হৈ ঘৰৰ পৰা ওলাই যাব ককাইদেউ।

লিলি ঃ ককাইদেউ কি হ'ব কলিয়া?

কলিয়া ঃ ককাইদেউ যাদুৰ বলত মেকুৰী হৈ ঘৰৰ পৰা গুচি যাব।

লিলি ঃ হেৰি শুনিছেনে? হয়নে? এইফালে আহক। (কণটিলৌ ওলাই আহে। লিলিয়ে কণটিলৌৰ মুখলৈ চায়, কণটিলৌয়ে লিলিৰ মুখলৈ চায়।) মোৰ ওচৰতে বহক। আঁতৰি নাযাব। কলিয়াই মঙলত কি কৈছে

শুনকছোন। কোৱা কলিয়া কোৱা।

কলিয়া ঃ ককাইদেউ মেকুৰি হ'লে আপুনি হ'ব।

লিলি ঃ মই কি হ'ম হয়নে ?

কলিয়া ঃ আপুনি সেই খালৰ চেঙেলী মাছ হ'ব।

লিলি ঃ আই ঐ গোসাই কি কৰো? ক'ত যাওঁ?

কলিয়া ঃ বৌদেউ চিন্তা নকৰিব। মই আছো নহয়। ব্যৱস্থা কৰিম পিছে অলপ খৰচ পৰিব। মন্ত্ৰপুত তাবিজ দিম কোনেও একো কৰিব নোৱাৰে।

লিলি ঃ দিয়া দিয়া কলিয়া। খৰচৰ কথা নেভাবিবা আমাক তাবিজ দিয়া।

কলিয়া ঃ হ'ব, হ'ব মই এতিয়া আহিলো, কালিলে আহিম। (কলিয়া ওলাই যায়। লিলিয়ে চাদৰেৰে ককাল বান্ধি টিঙালিৰ ঘৰৰ ফালে চাই গালি পাৰে।)

লিলি ঃ থুই কটা লাজ নাই। তহঁতৰ ঘৰত শগুনে হাগক। পাৰিবি আমাক মেকুৰী কৰিব? পাৰিবি চেঙেলী মাছ কৰিব? মোৰ এজনী ছোৱালী, তাইক পাগলী কৰি ঘৰৰ পৰা উলিয়াব নোৱাৰ বুজিছ, নোৱাৰ। হেৰি, ব'লক ভিতৰলৈ। (ভৰিৰে ধুপুচকৈ মাৰি ভিতৰলৈ সোমাই যাব।)

ভদৰী ঃ ঐ ফাপৰে খাতি মানুহ চাই কথা কবি।

লিলি ঃ ঐ কেচাইখাতি, এতিয়া কি মূৰ্ত্তি চাই কথা কৈছো নেকি?

ভদৰী ঃ মুখ বন্ধ কৰ ।

লিলি ঃ তোৰ কাৰণে বোবা হ'ব লাগে নেকি?

ভদৰী ঃ মুখে মুখে উত্তৰ নিদিবি।

লিলি ঃ তেনেহ'লে প্ৰশ্নকে সুধো নেকি?

ভদৰী ঃ মুখ চহকী ।

লিলি ঃ কোন ?

ভদৰী ঃ তই ।

(কণটিলৌ আৰু টিঙালি ওলাই আহে।)

টঙালি ঃ ঐ মাইকী তলতীয়া ।

কণটিলৌ ঃ ঐ ৰাস্কেল, মাৰ মেথা গৰম হৈছে।

টিঙালি ঃ কিয় ?

কণটিলৌ ঃ তোৰ কথাবোৰত ?

টিঙালি ঃ কাৰণ ?

কণটিলৌ ঃ মেথাটো।

টিঙালি ঃ তোৰটো ।

কণটিলৌ ঃ মুখ চম্ভালি কথা কবি।

টিঙালি ঃ মোৰ খঙে মূৰৰ চুলিৰ আগ পাইছে। ভদৰী মোক ধৰ।

কণটিলৌ ঃ মোৰ খঙে চকুত জুই জ্বলিছে। লিলি মোক ধৰ।

টিঙালি ঃ ভদৰি জোৰকৈ ধৰ।

কণটিলৌ ঃ লিলি জোৰকৈ ধৰ।

লিলি ঃ হেৰি চুলিকোছাত থাপ মাৰি ধৰক।

ভদৰী ঃ হেৰি কি চাই আছে কাণখন চিঙি আনক।

কণটিলৌ ঃ ঐৰে কুলাঙ্গাৰ তোৰ বক্ষ ফালি ৰক্ত শুহি খাম।

টিঙালি ঃ নৰাধম সেই আশা কদাপি নানিবি মনত। মোক তই তাচ কৰি চা।

কণটিলৌ ঃ আহ! ইমান বেহাদুৰি! কণটিলৌৰ আগত। ল' ল' ইষ্ট গুৰুৰ নাম বাহু যুদ্ধ কৰিলো আৰম্ভন।

টিঙালি ঃ পাচ-আলি নিদিবা বাধা। কণটিলৌ কেলেহুৱাব কলিজা কৰো ভক্ষন আহ!

কণটিলৌ ঃ ঐ চিলিম সোপা ভঙুৱা, হ সাৰধান। (এনেতে বাহিৰৰ পৰা কলিয়াক গাঁৱৰ ৰাইজে চোতাললৈ গটা মাৰি দিয়ে। তিনি হোলঙনি খাই কলিয়াই আঠুকাঢ়ি হাতযোৰ কৰে। চাৰিও কাজিয়া এৰি কলিয়ালৈ চায়।)

নেপথ্যত ঃ তহঁত দুয়োঘৰৰ মাজত কাজিয়া লগোৱাৰ যতকুটৰ ঘাই ই। কলিয়া! ধৰ ধৰ ইয়াক নেৰিবি। ভালকৈ এপালি দে।

টিঙালি ঃ হেৰ' কলিয়া এইবোৰ কি শুনিছো?

ভদৰী ঃ নেমাত কিয়?

লিলি ঃ ঐ নেমাত কিয়? এইবোৰ সঁচানে?

কণটিলৌ ঃ ঐ বেজিমোৱা মুখত কিবা সোমাল নেকি?

টিঙালি ঃ (দাখন লৈ) একে ঘাপে।

কলিয়া ঃ মাতিম, মাতিম! নেকাটিবা! মোৰ ভয় লাগে নেকাটিবা ৰ'বা। দাখন বৰ চোকা। মাতিম মাতিম। টিঙালি কাই, বৌদেউ মোক মাফ কৰক। কেইটামান টকাৰ আশাত মই তোমালোকৰ এই সুযোগটো লৈছিলো। আচলতে কোনো যাদু-মন্ত্ৰ নাই। মই মিছা মাতিছিলোঁ। মাকো আৰু বকুল সৰুৰে পৰা একেখন চোতালতে ডাঙৰ-দীঘল হৈছে। পঢ়া-শুনা কৰিছে। সিহঁত ককায়েক-ভনীয়েকৰ দৰে। মইহে সিহঁতৰ মূৰত বেয়া পোকটো সোমোৱাই দিছো। কণটিলৌ কাই, বৌদেউ ক্ষমা কৰক। আগলৈ এনে কাম কেতিয়াও নকৰোঁ। কাণত ধৰি উঠা-বহা কৰিছোঁ। (উঠা-বহা কৰে)

টিঙালি ঃ হ'ব, হ'ব! অকল তোৰে ভুল নহয়। আমাৰো ভুল হৈছে। একো কথাৰ সঁচা মিছাৰ প্ৰমাণ নোলোৱাকৈয়ে ওচৰ-চুবুৰীয়াৰ লগত কাজিয়া কৰিব নেলাগে। বকুলৰ মাক। (জেওঁৰা আতঁৰাব)

ভদৰী ঃ আহা লিলি তামোল খোৱাহি ।

লিলি ঃ বাইদেউ হোৱাবোৰ হৈ গ'ল, ধৰি নেথাকিবা।

কণটিলৌ ঃ ওলাই দেখিবা যাক, শত্ৰু নেভাবিবা তাক । ন' লিলি। (আটায়ে হাঁহে, আঁৰ কাপোৰ পৰে।)

-ঃঃসমাপ্ত ঃঃ-

প্ৰাক্তন ছাত্ৰ,
অসমীয়া বিভাগ

কবিতা



# বৰষুণ

সঞ্জীৱ ৰাজবংশী

টিপ টিপ বাৰিষাৰ বৰষুণ
তুমি যেতিয়া আহা ধৰালৈ
প্ৰকৃতিৰ হয় শ্যামল।

বৰষুণ মানুহৰ কাৰণে আটাইতকৈ প্ৰয়োজন
ইয়াৰ কাৰণে জীয়াই থাকে
খেতিয়ক আৰু গছ-গছনি।

বৰষুণ জীৱ জন্তু গছ গছনিৰ প্ৰাণ
বৰষুণ খেতিয়কৰ প্ৰাণ

বৰষুণ নহ'লে ধৰা হয় শুকান
এটুপি এটুপি বৰষুণ হ'ল ধৰাৰ প্ৰাণ
বৰষুণ মোৰ জীৱনৰ শুকুলা ৰাতিৰ নিৰ্জনতাৰ গান
বৰষুণ মোৰ প্ৰাণ।
বৰষুণ প্ৰকৃতিৰ প্ৰাণ
বৰষুণ মানুহৰ তৃষ্ণা নিবাৰক
বৰষুণে জীৱনৰ গতি দিয়ে
বৰষুণ মোৰ জীৱনৰ প্ৰথম
আনমনা বতাহ যাৰ
কোলাত উঠি যায়
মায়াময় জীৱন গতিত
বৰষুণ আহা ধৰালৈ আহা
তুমি আহা ...

একাদশ শ্ৰেণী



# অভিলাসী মন

নয়ংকা দাস

জাগ্ৰত মায়াৰ
মেৰপাকত মোৰ অভিলাস।
ডাৱৰৰ বুকুত মোৰ দাপোন
নিঃশব্দ হৈ পৰে।
অভিলাসী মন অভিলাসী মায়া
শত শত অশ্ৰুৰ
শত শত হেঁপাহেৰে
লিখো মই।
মোৰ কবিতাৰ শিৰোনাম।
সুৰোজৰ আভাৰ মাজেৰে
মোৰ উশাহৰ হমুনিয়াহ।
উজাগৰি ৰাতিৰ মায়াত
নগ্নতাক সাৱটি
ক'ত তৰাৰ উচুপনী.....
মায়াৰ বজাৰত
নিলাম হয় নাৰীৰ দেহ
অভিলাসী মনৰ
মুক্ত প্ৰকাশ....

একাদশ শ্ৰেণী

কবিতা



# সময়ৰ লেখ

**ৰজী বৰগোহাঁই**

হঠাৎ কেতিয়াবা এজাক বতাহে
দি যায় কিযে বতৰা।
চাৰিওফালে কেৱল নিস্তব্ধতা,
মন হৈ পৰে ব্যাকুলতা
কিয় এই নিস্তব্ধতা?
সোঁৱৰণিৰ বতাহ এজাক বৈ যায়
মনে মনে কিছু কথা কৈ যায়
কণমানি মনৰ হেঁপাইবোৰে
অন্তৰতে খুন্দিয়াই
ভাগৰতে টোপনি যায়।
সময় আহে, গুচি যায় অজানিতে....
বাগৰ সলায় প্ৰতিপলে
কাৰোৰে বাবে নৰয়।
অলপতে বহু কথা কৈ যায়।

---

স্নাতক দ্বিতীয় ষান্মসিক



# কুঁৱলী


**হলিমা বেগম**

কুঁৱলী
কিযে তোমাৰ নিৰ্মল
স্নিগ্ধ ৰূপ,
কোনোবা মায়াবিনী দেশৰ
দৃশ্য স্বৰূপ।
শীতৰ প্ৰতিটো ৰাতিপুৱা
তোমাক চাবলৈ,
আহো তোমাৰ ওচৰলৈ
তোমাৰ পৰশ পাবলৈ
যেতিয়া তুমি নামি আহা মৰ্তলৈ
সকলো কৰা সজীৱ
তোমাৰ বিনে শৰৎ
সকলো নিৰ্জীৱ

---

স্নাতক দ্বিতীয় ষান্মসিক

কবিতা



# বতাহ এটি মিঠা অনুভৱ

**বিনীতা দেৱী**

এজাক মলয়া বতাহ
খিৰিকিয়েদি সুমাই পৰিছে
হৃদয়ৰ এখিলা উকা পৃষ্ঠাত
হিমচেঁচা অনুভৱে হৃদয়কেই গ'লাই
বাৰে বাৰে হুঁহুৰাই
বাৰে বাৰে কন্দোৱাই
চকুলোৰ অশ্ৰুয়ে সৃষ্টি কৰে
আশা ভৰষাৰ বান
লুকা চুৰিকৈ চোৰা হয়
অনুভৱৰ উৎসকে
নিৰ্লজ্জৰ দৰে
আৰেলিৰ ৰামধেনু
গধুলিৰ জোন তৰা
যেন ইয়তেই উপলব্ধ
আঙুলিৰ ফাঁকেদি পাৰ হৈ যায়
ধৰি ৰাখি নোৱাৰো
মোৰ হাতৰ মুঠিত
চাবও নোৱাৰো দুচকুৰে
কেৱল অনুভৱ হয় হৃদয়ৰ
এটি গোপন কোণত।

---

দ্বাদশ শ্ৰেণী

# নানৰঙী ফাগুন

**ঝুমকি দে**

শীতে বিদায় লয়
লাহেকৈ ফাগুন হয়
জোৰকৈ বলা বতাহজাকেও
কাণে কাণে কৈ যায় ফাগুনৰে কথা।
তলসৰা পাতৰ হাঁহিৰ গুণ গুণনিত
ফাগুনে গছতে গাই ৰিব ৰিব মলয়াৰ গান।
উৰুঙা হৈও ফাগুন যে ৰংচঙীয়া।
বননিৰ ফাঁকে ফাঁকে ফুলিল।
জুইৰঙী শিমলু, পলাশ, মদাৰ।

---

স্নাতক চতুৰ্থ, ষান্মসিক





# ফাগুন

**কৰবী হাজং**

ফাগুন তুমি কেৱল এটি মাহেই নহয়
তুমি চঞ্চলা এজনী গাভৰু ছোৱালী
ফাগুন তুমিয়েই লৈ আহা
পলাশ, শিমলু আৰু ৰঙা মদাৰ

ফাগুন তুমিয়েই লৈ আঁহা চঞ্চল বতাহ
বাটৰ ধূলি নহা হ'লে হয়তো গছবোৰৰ
ডালত নতুন কুহিপাতৰ হাঁহি দেখা নাপালোহেঁতেন।

ফাগুন তুমিয়েই লৈ অহা
মানুহৰ মাজলৈ ৰঙৰ উৎসৱ
ফাগুন তুমিয়েই লৈ অহা চ'তৰ বৰদৈচিলা
ফাগুন তুমি নহা হ'লে
হয়তো বহাগী বাইয়ো নাহিলেহেঁতেন।

ফাগুন তুমিয়েই লৈ আঁহা কুলিৰ শুৱলা মাত।
ফাগুন তুমিয়েই লৈ আঁহা
ঢোল, পেপা, গগণা আৰু কপৌ ফুল।
ফাগুন তুমি আকৌ আহিবা
তোমাৰ চঞ্চলতাৰে মানুহৰ মন উৰুৱাই নিবলৈ।

---

স্নাতক দ্বিতীয় ষান্মাসিক

# অনুভৱ

**কৃষ্ণ ছেত্ৰী**


অনুভৱ কৰিব নোৱাৰোঁ
বাহিৰত কিমান বতাহ
হৃদয়ত ধুমুহাই সিঁচি দিয়া তিক্ততাখিনি
মচি মচি লাগিছে আমনি
নাই যেন কোনো ফালে পোহৰৰ ৰেখা।
কাৰোবাৰ সোণসেৰীয়া মাতত
সাৰ পাই উঠে মোৰ হিয়া
বুকুখন তেতিয়া
নাম নজনা কিবা এটাই স্পৰ্শ কৰি যায়।
তেতিয়া মাথো
চকুত ভাঁহি ৰয়
কবিতা কবিতা লগা এজোপা লহপহীয়া গছ।
অনুভৱ কৰোঁ
বুকুত ভাল পোৱাৰ এক উজ্বল শিপা
সঁচাকৈয়ে সেয়া জানো
তোমাৰ চিনাকি মাতষাৰি নহয় ?

---

স্নাতক চতুৰ্থ, ষান্মাসিক



কবিতা




# আহ্বান

সুশান্ত নেওগ

আঁহা আঁহা আজি নতুন পথত
জাগ্রত চেতনা লৈ,
অসমৰ বুকুত ফুলৰ পাপৰি
আমিও বুটলো গৈ ।
অসমীয়া,মিচিং, বড়ো, কছাৰী
সকলো ককাই ভাই,
জাতিৰ লগত যুঁজ কৰিবৰ
আমাৰ সময় নাই ।
গান্ধীজীয়ে কোৱা অহিংসা নীতিৰে
সকলোৰে চলিম আমি,
সকলোৰে মিলি গুথিম জেওৰা
দিম সোণ-ৰূপৰ কামি ।
শিক্ষাৰ বুকুত নাই ভেদাভেদ
সকলো আপোন ভাই,
নতুন পুৰণিৰ ভালখিনি আদৰি
যাওঁ আঁহা আগুৱাই ।
একেই পৃথিৱী একেখনি আকাশ
একে জোন বেলি তৰা
আঁহা আঁহা আজি নতুন সাজেৰে
গঢ়ো আমি নতুন ধৰা ।

---

একাদশ শ্ৰেণী



# আশা

মঞ্জু দেৱী

শুভ্ৰ প্ৰভাতৰ দৰে
আশাৰ ৰেঙণিবোৰে
ধুৱাই নিব মনৰ কলীয়া ডাৱৰ
আবৰি ধৰিব চৌদিশে
শাওনৰ মেঘমুক্ত আকাশ।।

সন্ধিয়াৰ নিৰ্মল মলয়াজাকে
উৰুৱাই আনিব গোপনে

স্মৃতিৰ মানসপটত ভাঁহি থকা
সুপ্ত নষ্টালজীয়া
পুনৰ সাৰ পাই উঠিব
জীৱনত হেৰাই যোৱা ঠিকনাবোৰ
বহু আকাংক্ষিত দিন যেন
আজি নিচেই সমাগম কিয়নো
ন সূৰুঘৰ কোমল আলোকে
পদাৰ্পণ কৰিছে নতুন পৃথিৱীত

---

দ্বিতীয় ষন্মাসিক

কবিতা



# LIFE IS CRICKET

*Priyanka Prasad*

In this great world, Earth is stadium
Where time is bowling
Body is the batsman
God is umpire and
God of death is the wicket keeper,
Heart is wicket.
Life is cricket
In this day night match
Players has to show good performance
and heart beat has to make runs
Till the end of the match.
Wicket out means breaking breath
LBW means heart attack
And run out means accident
Nobody is not out here
Life is cricket
Hit wicket means suicide
and stamp out means committing murder
Every one has their own run rate.
So life is cricket.

B.A. 4th Sem.



# BE HAPPY NOT PERFECT

*Manisha Wary*

There is no such thing as perfect
Where did the word come from?
The perfect husband, the perfect job.
The perfect house, the perfect marriage.

We are all human, living in a human world.
Most are nice, sincere, loving, even kind.
But perfect causes such unhappiness.

Perfect is unreal, untouchable.
Accept good, well done and wonderful
Do you best, be your best.
There is no such thing as perfect.
Be happy, Not perfect.

B.A. 4th Sem.

বিশেষ ৰচনা

# ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ

ৰবীন কুলি

"মানুহে মোৰ বিষয়ে কি কয় তালৈ মই ভ্ৰূক্ষেপ নকৰোঁ। মই চিন্তা কৰোঁ মোৰ ভুলবোৰৰ বিষয়ে।"- চক্ৰেটিছ। 'আপুনি মোক সমালোচনা কৰিব বিছাৰিছে নেকি, তেন্তে অনুগ্ৰহ কৰি মোৰ সৈতে আগতীয়াকৈ মুকলিভাৱে আলোচনা কৰিব, মোৰ সমালোচনাত আপোনাক সহায় কৰিবলৈ মই সদায় প্ৰস্তুত আছোঁ; কাৰণ মোৰ অবিহনে মোৰ সকলো দুৰ্বলতা আপুনি আঙুলিয়াই দিব নোৱাৰিবও পাৰে, যিহেতু মোৰ ভুলখিনি মই নিজে আপোনাতকৈ অলপ হ'লেও বেছিকৈ জানোঁ।

**প্ৰস্তাৱনা ঃ- ১**

যোৱা সংখ্যাৰ এইখন আলোচনীত একে শিৰোনামৰ এটি প্ৰবন্ধ লিখিছিলোঁ। স্বাভাৱিকভাৱেই কিছু সংখ্যক পাঠকে ভ্ৰান্তভাৱে এই ধাৰণা ল'লে যে মই আচলতে প্ৰবন্ধটো লিখিছিলোঁ নিজকে এজন ভাল ছাত্ৰ বুলি প্ৰতিপন্ন কৰিবলৈ। একে আষাৰে ক'বলৈ গ'লে ধাৰণাটো হাস্যৰসাত্মক। কাৰণ কোনোৱেই এটা প্ৰবন্ধৰে কেতিয়াও নিজৰ ভাৱমূৰ্তি প্ৰতিষ্ঠা বা প্ৰতিপন্ন কৰিব নোৱাৰে। নিজকে ভাল ছাত্ৰ বুলি প্ৰমাণ কৰিব নোৱাৰে। কৰিলেও ইয়াৰ স্থায়িত্ব অতি হ্ৰস্বম্যাদী হয়। আমি বহু কথা বহুতৰ পৰা বা সকলোৰে পৰা লুকুৱাই ৰাখিব পাৰোঁ, কিন্তু সময়ৰ পৰা একোৱেই লুকুৱাই ৰখা আমাৰ বাবে কোনো কালেই সম্ভৱ হ'ব নোৱাৰে। যিহেতু সময়ে আমাক প্ৰতিটো মুহূৰ্তত অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি থাকে। গৰুকীৰ বস্তু চুৰ কৰি হয়তো অলপ বুদ্ধিমত্তা খটুৱাই তাক লুকুৱাই ৰাখিব পাৰি, পঢ়া যেন কৰি নপঢ়াকৈ বহি থাকিব পাৰি, কিন্তু শেষত সময়ৰ আগত নিশ্চয়কৈ ধৰা দিব লগাত পৰে।

অৱশ্যে আন এচাম পাঠকে (যাৰ বেছি সংখ্যকেই শিক্ষাৰ্থী) প্ৰবন্ধটোৰ পৰা কম-বেছি পৰিমাণে উপকৃত হোৱা বুলি মোক বিভিন্ন মাধ্যমেৰে জনালে। তেওঁলোকে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে এই কথা জনালে যে প্ৰবন্ধটো পঢ়াৰ পিছত তেওঁলোকৰ মনলৈ অন্ততঃ এই ধাৰণা আহিছে যে- 'আমি ভাল ছাত্ৰ হ'বলৈ যত্ন কৰা উচিত।' প্ৰবন্ধটোৰ এটা নিহিত উদ্দেশ্য নিশ্চয়কৈ ইয়ো আছিল। প্ৰকৃতাৰ্থতে আমি সাধাৰণ লোকে সময়ৰ শৰ সময়ত নামাৰোঁ। এতেকে পশুৰ মাংসও খাবলৈ নাপাওঁ। কিন্তু সেয়ে হ'লেও আমি সময়ৰ শৰ সময়ত নামাৰোঁ বুলিও দাম্ভিকভাৱে ক'ব নোৱাৰোঁ। বহুত কাৰণত আমি নিশ্চিতভাৱে সময়ৰ শৰ সময়ত মাৰিব নোৱাৰোঁ বা মাৰিবলৈ সক্ষম নহওঁ। যাৰবাবে আমি সময়তকৈ বহু পিছপৰি ৰওঁ।

**প্ৰস্তাৱনা ঃ- ২**

সচাঁ অৰ্থত ক'বলৈ গ'লে মই সৰুৰে পৰা ভাল ছাত্ৰ হ'বলৈ যত্ন কৰিছিলোনে নাই সেই কথা জনা দূৰৰ কথা, এদিন ভাল ছাত্ৰ হ'ম বুলি মনতে ভাবিছিলোনে নাই সেইয়াও নাজানোঁ। কিন্তু কলেজীয়া জীৱনৰ শেষৰ দুটা মাহত মই যে ভাল ছাত্ৰ হ'ব নোৱাৰিলো সেই কথা ভাবি মই এক ধৰণৰ অস্বস্তিত ভূগিব আৰম্ভ কৰিছোঁ। মোৰ ওচৰত এটাই প্ৰশ্ন- মই ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ আৰু অতীত চুকে-কোনে লৰি ফুৰিলোঁ।



মোৰ ক'ত ভুল হৈ গ'ল, মই আচলতে কি কৰিব লাগিছিল, কি কৰিলোঁ? মই ভাবিছিলোনে এদিন ভাল ছাত্ৰ হ'ম বুলি, ভাল ছাত্ৰ মানেনো কি তাক বুজি পালোনে? বুজিবলৈ যত্ন কৰিছিলোনে? হয়তো কৰিছিলোঁ হয়তো কৰা নাছিলোঁ। এনেদৰে অতীতত ঘুৰি ফুৰি সেই বৰ্তমান মাহ দুটাও অতীতৰ সৈতে বিলিন কৰিলোঁ। এতেকে মোৰ যি ভাল ছাত্ৰ হোৱাৰ বাসনা, ই হয়তো হঠাতহে জাগি উঠিছিল।

**প্ৰস্তাৱনা ঃ- ৩**

তেতিয়ালৈকে অৱশ্যে আভাজনৰ ছাত্ৰ জীৱন শেষ হোৱা নাছিল। 'Later is better than never' বোলা হয়। তেতিয়াৰ পৰাও মই নিজকে ভাল ছাত্ৰ ৰূপত গঢ়ি তোলাৰ যত্ন কৰিব লাগিছিল বা কৰিব লাগে। হয়তো নিজেও ভাবিছিলোঁ। মই নিজে এই কথা আন্তৰিকতাৰে বিশ্বাস কৰো যে মানুহে বিচাৰিলে চৈধ্য দিনতে জীৱনৰ 'Turning Point' সৃষ্টি কৰিব পাৰে। এনে লাগিছিল যেন মই বহু কথাই বুজি পাইছোঁ অথচ মোৰ মনে মোক কৈছিল- 'তোমাৰ আনুষ্ঠানিক ছাত্ৰ জীৱন ইয়াতেই শেষ হৈছে।' মই প্ৰবোধ লভিছিলোঁ আমিতো আজীৱন ছাত্ৰ। সকলো বাধা নেওতি সঁচাকৈয়ে মোৰ খোজ University পাইছিলগৈ। কিন্তু কেৱল দুভৰি University পালেগৈ নহ'ব দুহাত দুবাহু সক্ষমো লাগিব। সঁচাকৈ যে মোৰ আনুষ্ঠানিক ছাত্ৰ জীৱনৰ বেলি মাৰ গ'ল; সময় চকুলোৰ ডাৱৰৰ আঁৰত ৰ'ল। সময়-সুযোগ পালে সেই বিষয়ে নিশ্চয়কৈ বহলাই কম। কিন্তু ইয়াত বিষয়টো ইমানতে সামৰিছোঁ।

**প্ৰস্তাৱনা ঃ- ৪**

দুৰ্ভাগ্যবশতঃ মই আজি এখন হাইস্কুলৰ এজন সহকাৰী শিক্ষক। কিন্তু এনে লাগে যেন মই এজন ছাত্ৰহে। কিছুমান কথা অকলে অকলে ভাবি মিচিকিয়াই হাঁহি থাকো- মই দেখোন ছাত্ৰসকলৰ সমনীয়াই। বয়স কম, গাৰবৰণ তেজাল। ছাত্ৰ হিচাপে নামভৰ্তি কৰিবও হয়তো পাৰিম। কিন্তু হাই দুঃসময় সেয়া জানো সম্ভৱ হয়? নাই, নাই সম্ভৱ নহয় বুলি জানিও মই নষ্টালজিক হৈ পৰোঁ। ভাবিবলৈ আৰম্ভ কৰোঁ আকৌ ছাত্ৰ হ'বলৈ পালে মই জীৱনৰ যিবোৰ ভুল কৰিলোঁ, সেইবোৰ আৰু পুনৰাবৃত্তি নকৰোঁ। মই প্ৰকৃততে ভাল ছাত্ৰ হ'ম। কিন্তু 'Life is a single chance' নহয়নে? এতেকে ভাবোঁ মোৰ ছাত্ৰ সকলোকে ভাল ছাত্ৰ হিচাপে গঢ়ি তোলো। তেওঁলোকৰ মাজৰ পৰা মোৰ দৰে কোনোৱেই যেন অতীতক লৈ এনে অৱস্থা সৃষ্টি নহয়। কিন্তু হাই দুঃসময় তেওঁলোকৰ এজনেও যেন বুজি নাপায়, বুজি পাবলৈ যত্ন নকৰে মই যেন বুজাবলৈ অসমৰ্থ হওঁ!

**প্ৰস্তাৱনা ঃ- ৫**

পৃথিৱীত ধনী মানুহৰ অভাৱ নাই। অভাৱ ভাল মানুহৰ। এতেকে ভাল মানুহ হ'বলৈ চেষ্টা কৰাটোহে প্ৰকৃত মানৱতাৰ পৰিচায়ক। ধনী মানুহ হ'বলৈ চেষ্টা কৰাটো নহয়। একেদৰে আজিৰ তাৰিখৰ বিশাল নম্বৰ পোৱা শিক্ষাৰ্থীৰ অভাৱ নাই; অভাৱ ভাল শিক্ষাৰ্থীৰ। আজিৰ তাৰিখত শিক্ষাৰ্থীসকলে নিগনিৰ নিচিনাকৈ দৌৰিছে। নম্বৰৰ পিচে পিচে কিন্তু কিয় দৌৰিছে?

সেই কথা নাজানোঁ। মাথো দৌৰিছোঁ। কিন্তু এই দৌৰৰ অৱসান ঘটাৰ সময় হ'ল। কাৰণ আজিৰ তাৰিখত চাকৰি দিয়া প্ৰতিষ্ঠানবোৰে নম্বৰৰ তালিকাখনক (Mark Sheet) অৱজ্ঞা কৰিব ধৰিছে। গুৰুত্ব দিছে প্ৰকৃত জ্ঞানৰ। সেই নীতি অতিকৈ উত্তম। কাৰণ তিনি ঘণ্টাৰ পৰীক্ষা এটাৰে শিক্ষাৰ্থী এজনৰ প্ৰকৃত মূল্যায়ন কেতিযাও সম্ভৱ নহয়। আন কথাত ক'বলৈ গ'লে নম্বৰ পাবলৈ অতি সহজ। আজি ভাল ছাত্ৰৰ আদৰ বাঢ়িছে। নম্বৰ পোৱা ছাত্ৰৰ নহয়। আজি ভাল ছাত্ৰৰ প্ৰয়োজন হৈছে, নম্বৰ পোৱা ছাত্ৰৰ নহয়। এতেকে নম্বৰ পাবলৈ যত্ন কৰাতকৈ ভাল ছাত্ৰ হ'বলৈ যত্ন কৰাই অতি উত্তম। যিহেতু ভাল ছাত্ৰৰ পিছে পিছে নম্বৰে দৌৰে। কিন্তু নম্বৰৰ পিছে পিছে ভাল ছাত্ৰই কেতিয়াও নদৌৰে।

**প্ৰস্তাৱনা ঃ- ৬**

স্বাভাৱিকভাৱে ভাল ছাত্ৰ হোৱাটো সহজ কথা নহয়। আন কথাত ক'বলৈ গ'লে ভাল ছাত্ৰ হ'ব নোৱাৰাৰ আঁৰত বহুতো কাৰণ থাকে। মোৰো ভাল ছাত্ৰ হ'ব নোৱাৰা বহু কাৰণ আছিল। আগৰ সংখ্যাত কিছু কাৰণ আলচ কৰিছিলো। এইবাৰ আকৌ দুটামান কাৰণ আলোচনা কৰিবলৈ লৈছোঁ।

**লক্ষ্মনৰেখা অতিক্ৰম ঃ-**

মোৰ পিতৃয়ে মোক সৰুৰে পৰাই দিছিল অপৰিসীম স্বাধীনতা। কোনো বিষয়তে বাধা দিয়া নাছিল। কিন্তু এটা কথা সদায় মনত ৰাখি আগুৱাই যোৱাৰ পৰামৰ্শ দিছিল- তোমাৰ যি মন যায় তাকেই কৰিবা, কিন্তু সকলো কামৰ এটা সীমা থাকে আৰু সেই সীমা কেতিয়াও অতিক্ৰম কৰি নাযাবা। অতিক্ৰম কৰিলে বুজি ল'বা তুমি আগলৈয়ো যাব নোৱাৰা পাছলৈয়ো ওভতিব নোৱাৰিবা। মোৰ ছাত্ৰ জীৱনত এনে বহু সীমাই যেন মই অতিক্ৰম কৰিলোঁ। এতেকেই নৰক যন্ত্ৰণা ভুগিছোঁ।

**এলাহ ঃ-**

এলেহুৱা মানুহৰ পৰা জানো কিবা আশা কৰিব পাৰি? এলাহ এটা পোক। যি পোকে জীৱন নামৰ শৰীৰটো সদায় অলপ অলপকৈ খাবলৈ আৰম্ভ কৰে। মই মোৰ গৰম বয়সত হয়তো বৰ এলেহুৱা আছিলোঁ। আৰু গৰম শৰীৰতো এলাহে খাবলৈ যেন বহু ভাল পাইছিল। মই মোৰ পাঠ্য-পুথি অধ্যয়নৰ অপ্ৰীতিৰ কথা যোৱা সংখ্যাত কৈছিলোঁ। মই পাঠ্য-পুথি পঢ়াত আছিলো অত্যন্ত এলেহুৱা। টোকা বহী প্ৰস্তুত কৰা দূৰৰ কথা প্ৰশ্ন উত্তৰবোৰ মাথো পৰীক্ষা হ'লতহে লিখিছিলোঁ। আন কথাত ক'বলৈ গ'লে ছাত্ৰ হিচাপে যিখিনি কৰ্তব্য সম্পাদন কৰিব লাগিছিল, সেইখিনিৰ প্ৰতি মোৰ আছিল ঘৃননীয় এলাহ। জানি নাজানি

দিনে দিনে এলাহ্ নামৰ পোকে মোৰ শৰীৰতো ভক্ষণ কৰিব আৰম্ভ কৰিছিল।

**পৰীক্ষাহলত হঠাৎ এজন দাৰ্শনিক ঃ**

যোৱাটো সংখ্যাৰ লিখনিত মই আৰু মোৰ পৰীক্ষাৰ বিষয়ে বিতংকৈ লিখিছিলোঁ। ইয়াত মাথো এটা কথাহে সংযোগ কৰিব বিচাৰিছোঁ, পৰীক্ষা হলত হঠাৎ মই এজন দাৰ্শনিক হৈ পৰিছিলোঁ। অৰ্থাৎ পৰীক্ষাৰে প্ৰশ্ন কাকতৰ উত্তৰ মই মোৰ মতেহে লিখিছিলোঁ। অথচ মোৰ প্ৰশ্নবোৰৰ উত্তৰ পাঠ্য-পুথিত কেনেকৈ, ক'ত দিয়া আছে সেয়া সদায় মনত থাকিছিল। এনে অল্প বিদ্যায়ো যেন মোৰ বাবে ভাল ছাত্ৰ হোৱাৰ এক হেঙাৰ আছিল।

**নিজৰ বাবে নহয় আনৰ বাবেহে যেন ঃ-**

আজি কালি মোৰ এনে লাগে যেন নিজৰ বাবে নহয় আনক দেখুৱাবৰ বাবেহে কিছুমান কাম কৰিছোঁ। কামবোৰ কৰি তৃপ্তি পাইছিলোঁ। এই কথা বুজি পাবলৈ মোৰ যেন আহৰিয়ে নাছিল। আনক দেখুৱাবলৈ কৰা কামে মোক উপকাৰ কৰা দূৰৰ কথা, বৰং জীৱনটো বহু পিছলৈহে ঠেলি দিলে। ছাত্ৰ জীৱনলৈ ওভতি চালে এনে লাগে যেন যিমানবোৰ কাম কৰিছিলোঁ তাৰে অধিকাংশই আছিল আনক দেখুৱাবলৈ কৰা।

**মোৰ দাম্ভিকতা ঃ**

সচৰাচতে কোৱা হয় অহংকাৰে ধ্বংস মাতি আনে আৰু এয়াই উজ্জ্বল সত্য। মই আছিলোঁ অত্যন্ত আত্মগৰ্বা। নিজকে যেন বহু কিবা কিবি বুলি ভাবিছিলোঁ। কিন্তু মোৰ নিজৰ বুলিবলৈ একোৱেই নাছিল। প্ৰকৃততে এইয়া সত্য যে নিজকলৈ নিজে কেতিয়াও গৰ্ব কৰিব নালাগে; যদিও কিবা থাকে, তেন্তে তাক লৈ আনে গৰ্ব নিশ্চয় কৰিব। সেই সাধাৰণ কথাটো মই বুজি নাপালোঁ; বুজিব নোৱৰিলোঁ। দাম্ভিক নহয় মই হ'ব লাগিছিল জ্ঞানৰ ভিক্ষাৰী।

**বুজিও যেন নুবুজিলোঁ ঃ**

ছাত্ৰ জীৱনত বহু বুজিও নুবুজা ঘটনা ঘটি গ'ল। সুন্দৰ হাতৰ আখৰ এটা প্ৰয়োজনীয় কলা। বুজি পাইছিলোঁ সন্দুৰ হাতৰ আখৰৰ গুৰুত্ব। কিন্তু কেতিয়াও যেন সুন্দৰ হাতৰ আখৰ লিখাৰ পুৰুষাৰ্থ নকৰিলোঁ। হয়তো কৰিছিলোঁ, নোৱাৰিলোঁ। সুন্দৰ আখৰৰ অজুহাতত ছাত্ৰ জীৱনত বহু কিছু কৰিব নোৱাৰিলো। হয়তো বহু সফলতাৰ পৰাও বঞ্চিত হ'লোঁ। হ'ব লগাত পৰিলোঁ। সুন্দৰ হাতৰ আখৰ দূৰৰ কথা আনে পঢ়িব পৰাকৈ হাতৰ আখৰ লিখিবও নাজানিলোঁ। অন্য অৰ্থত ক'বলৈ গ'ল মোৰ বৰ্ণমালাই বাৰুকৈ শিকা নহ'ল। হাঁই ছাত্ৰ জীৱন, মইনো আচলতে কি পঢ়িলোঁ। কি শিকিলো যিয়ে আখৰ লিখিবই নিশিকিলে ?

**বিশৃংখলা ঃ**

য'ত শৃংখলতা নাই তাত উন্নতিৰ জখলা নাই। জীৱনত উন্নতিৰ জখলা বগাবৰ বাবে যে এখন শৃংখলিত জীৱন শৈলীৰ প্ৰয়োজন তাৰ কোনো সন্দেহ নাই। আন কথাত ক'বলৈ গ'লে নিয়মানুবৰ্তিতা আৰু শৃংখলাবদ্ধতা সাফল্যৰ চাবি কাঠি, উন্নয়নৰ মূল মন্ত্ৰ। আন নালাগে শ্ৰেণী কোঠাত প্ৰশ্ন-উত্তৰ লিখাৰ অভ্যাস কেতিয়াও নকৰিলোঁ। যিসামান্য লিখিছিলোঁ তাকো লিখা হৈছিল "টুকুৰা-টুকুৰি কাগজত"। এবাৰ লিখাটো আৰু জীৱনত বিচাৰি পাবলৈ নাই। কেতিয়াও শিক্ষকে শ্ৰেণীকোঠাত কোৱা কথাবোৰ লিখি ৰাখিবলৈ নিশিকিলোঁ। হাঁই, কিতাপ পুথি নিৰ্দিষ্ট স্থানত নাৰাখি তাক বিচাৰিয়ে যেন ছাত্ৰ জীৱনৰ বহু সময় নষ্ট কৰিছিলোঁ।

**ভাবিলোঁ বহু কৰিলোঁ কাম ঃ**

ৰামায়ণত এটা কথা আছে- পৃথিৱীত তিনি ধৰণৰ মানুহ আছে- এক ধৰণৰ মানুহে কেৱল কয় একো নকৰে, এদল মানুহে কৈয়ো, কৰেও আৰু আনটো ধৰণৰ মানুহে কেৱল কৰে। মই আছিলো প্ৰথম প্ৰকাৰৰ মানুহ। ভাবিলোঁ বহু কৰিলোঁ কাম। হাঁয়, মই ছাত্ৰ আছিলোঁ। শিকিব লাগিছিল শিকাব নালাগিছিল।

**প্ৰশ্ন নুসুধিলো ঃ**

প্ৰশ্নই জীৱন, জীৱনেই প্ৰশ্ন। যিজনে প্ৰশ্ন কৰা নাই, তেওঁৰ জীয়াই থকা আৰু নথকাৰ মাজত একো অন্তৰায় নাই। কলেজীয়া জীৱন প্ৰশ্নৰ বানেৰে আৱৰি ৰাখিব লাগিছিল। প্ৰশ্নৰ নোম গজাব লাগিছিল, নগজালোঁ এডালো নোম। আজি বুজি উঠিছোঁ মানুহে আচলতে প্ৰতিটো যুগতে প্ৰশ্ন কৰিব লাগে।

**সুক্ষ্ম Determination ৰ অভাৱঃ**

আচলতে জীৱনৰ প্ৰতিটো মুহূৰ্তৰ বাবে কিছুমান সুক্ষ্ম determination থাকিব লাগে। প্ৰতিটো ক্লাছত দুই-তিনিটা গুৰুত্বপূৰ্ণ কথা মনত ৰাখিব লাগিবই। আজি এই কথা শিকিব লাগিবই ইত্যাদি। মুঠতে কলেজ যাব লাগে গ'লোঁ। কেনেবাকৈ যদি শিকিও গৈছোঁ, তেন্তে শিকি গ'লোঁ। কিন্তু একো যেন সুক্ষ্ম determination নাছিল। ভাল ছাত্ৰ, জ্ঞানী মানুহ হ'বলৈ determination ৰ বাহিৰে অন্য বিকল্প নিশ্চয় নাই। কাৰণ উন্নতিৰ কোনো চমু বাট নাই।

**সু-অভ্যাসৰ স্খলন ঃ**

হাই-স্কুলীয়া জীৱনত মোৰ বহু সু-অভ্যাস আছিল বুলি মই দাবী কৰিব পৰাকৈ বহু প্ৰমাণ আছে। হাই-স্কুলীয়া জীৱনতেই মই মদ, ভাং, তামোল-পাণ আদি যিকোনো নিচা জাতীয় বস্তু গোটেই জীৱনত স্পৰ্শ নকৰাৰ প্ৰতিশ্ৰুতি লৈছিলোঁ। যিবোৰ সময়ৰ কৃপাত আজিও ধৰি ৰাখিছোঁ। একেধৰে গঢ়ি তুলিছিলো বহু সু-অভ্যাস। যেনে মই কোনো সন্ধিয়াই নপঢ়াকৈ থাকিব নোৱাৰিছিলোঁ। যদি কিবা অসুবিধাতো নপঢ়াকৈ থাকো, তেন্তে এক সুৰত এক বিশেষ ধৰণৰ খজুয়তিৰ সৃষ্টি হৈছিল।

একেদৰে বিদ্যালয়ত প্ৰৱেশ কৰোতে; শিক্ষকৰ সৈতে বাৰ্তা হওঁতে ভগৱানৰ নাম স্মৰণ কৰিছিলোঁ। কিন্তু সময়ৰ সোঁতত বহু সু-অভ্যাস উঠি গৈছিল। কিন্তু মই যত্ন কৰিব লাগিছিল আৰু অধিক সু-অভ্যাস গঢ়ি তোলাৰ। আগে কৈছিলো কলেজীয়া জীৱনত বহু প্ৰতিশ্ৰুতি লৈছিলোঁ; কিন্তু প্ৰতিশ্ৰুতিবোৰত নাছিল একো দৃঢ়তা।

**মোৰ নতুন বিবাহ নীতি ঃ**

মোৰ ভাল ছাত্ৰ হ'ব নোৱাৰাৰ এটা অতি গুৰুত্বপূৰ্ণ কাৰণ আছিল মোৰ বিবাহ নীতি। মই হাইস্কুলীয়া জীৱনৰ পৰাই এটা কথা মন কৰি আহিছিলোঁ যে এজন প্ৰেয়সে বহু (একাধিক) প্ৰেয়সী বা এজনী প্ৰেয়সীয়ে বহু (একাধিক) প্ৰেয়সৰ সৈতে সম্পৰ্ক ৰাখে। বহু সময়ত তেওঁলোকে সীমা চৰাই যোৱা দেখা যায়। এতেকে চমু অৰ্থত ক'বলৈ গ'লে বহুতে হাইস্কুলীয়া জীৱনতে বান্ধু পাই যায়। সেয়ে নেকি হাইস্কুলীয়া বয়সৰ পৰাই মই নতুন বিবাহ নীতিৰ কথা ভাবিছিলোঁ। (অৱশ্যে এইয়া নতুন নে পুৰণি মোৰ এই কথা জ্ঞাত নহয়)। মোৰ এই নীতি মতে বহু প্ৰেয়স বা প্ৰেয়সী প্ৰথাতকৈ একক প্ৰেয়স বা প্ৰেয়সী প্ৰথা প্ৰৱৰ্তন কৰিব লাগে। আৰু এয়া কলেজীয়া জীৱনৰ পৰা প্ৰয়োগ কৰিব লাগে। যিহেতু যৌৱন কালত প্ৰেম এক চিৰন্তন মানসিক প্ৰয়োজনীয়তা বুলিব পাৰি। এতেকে সেই নীতিৰ প্ৰয়োজনীয়তা কলেজীয়া জীৱনত তীব্ৰ ভাৱে অনুভৱ কৰিছিলোঁ। প্ৰেমক যৌৱন কালৰ মানসিক প্ৰয়োজনীয়তা বোলাৰ যুক্তিযুক্ততা নিশ্চয়কৈ দিব লাগিব। সামান্য গৱেষণাতে এই কথা পোহৰলৈ আহিব যে যৌৱন কালত প্ৰেয়সী নাথাকিলে প্ৰায়বোৰ ডেকা-গাভৰুৱে নিজকে অকলশৰীয়া অনুভৱ কৰে। নিজকে অৱহেলিত অনুভৱ কৰে। আন কথাত মানসিক ৰোগী হৈ পৰে। এতেকে প্ৰেম প্ৰয়োজনীয় হৈ পৰে। কিন্তু সেই প্ৰেম বহুতৰ বাবে ধ্বংসৰ ধাৰক হৈ পৰে। বহু কম সংখ্যকৰ বাবেহে ই উন্নয়নৰ কাৰক হৈ উঠে। প্ৰেমৰ এনে পৰিণতিৰ বহু কাৰণ নিশ্চয়কৈ আছে। কিন্তু তাৰ এটা অতি গুৰুত্বপূৰ্ণ কাৰণ হ'ল বহু প্ৰেয়স-প্ৰেয়সী প্ৰথা। কিমানে কিমানৰ হৃদয় ভাঙে, কিমানে কিমানৰ জীৱন ধ্বংসৰ কাৰক হৈ পৰে তাৰ উদাহৰণৰ অভাৱ নাই। এতেকে মোৰে বোধেৰে একক প্ৰেয়স-প্ৰেয়সী প্ৰথা প্ৰৱৰ্তন হ'ব লাগে। প্ৰেয়স-প্ৰেয়সীৰ কথা দুখন পৰিয়ালেও জ্ঞাত হ'ব লাগে। এজনে আনজনৰ প্ৰকৃত প্ৰেৰণাত সাহসৰ উৎস হ'ব লাগে। কিন্তু মনত ৰাখিব লাগিব-

প্ৰেম মানেইটো নহয় মিলন
মিলন মানেইটো নহয় প্ৰেম..........

আৰু এটা কথা, সময়ে সকলো শিকায়। এতেকে মোৰ নীতি বিবাহৰ কথা সিমান গুৰুত্বপূৰ্ণ নহয়। অৰ্থাৎ প্ৰেয়স-প্ৰেয়সী হ'লেই যে বিবাহ হ'ব লাগিব তাত কোনো ধৰা-বন্ধা নিয়ম নহ'ব। কিন্তু বিবাহ যদি হৈ যায় তেন্তে ক'বলৈনো আছে কি?

পাঠকে হয়তো ভাবিছে এই কথা আকৌ মোৰ ভাল ছাত্ৰ হ'ব নোৱাৰাত কেনেকৈ ক্ৰিয়া কৰিলে। নিশ্চয়কৈ কৰিছে। যিহেতু এই নীতিৰ কথা অভাজনে ভাবিছিল। এতেকে প্ৰয়োগৰ যত্ন নিশ্চয়কৈ কৰিছিলোঁ।

অৱশ্যে এই নীতিৰ বহু দোষ-গুণ আছে। এইবোৰ ইয়াত আলোচনা কৰা হোৱা নাই।

**উপসংহাৰ ঃ**


ভাল আৰু বেয়া, ভুল আৰু শুদ্ধ, দোষ আৰু গুণ আদিৰ সমষ্টিয়ে জীৱন। স্বাভাৱিকতে সকলোৱে ভাল হ'ব নোৱাৰে। অন্য অৰ্থত জীৱনত কৰা সকলো কাম ভাল হ'ব নোৱাৰে। শুদ্ধখিনি নিধাৰন কৰিবলৈ অশুদ্ধ পথটো কেতিয়াবা আমি ভৰি দিওঁ। বেয়াখিনিয়েহে ভালখিনি নিৰ্ধাৰিণ কৰে। কিন্তু সকলোৰে এটা সীমা থাকে। সেই সীমা অতিক্ৰম কৰিলে বেয়া আৰু অধিকতম বেয়া হৈ পৰে। ভুলৰ শুদ্ধৰণিৰ আৰু আৱশ্যক নাথাকে। এতেকে ছক্ৰেটিছৰ নিয়ম মানি চলাই মানৱতাৰ ধৰ্ম হোৱা উচিত। তেওঁ কৈছিল- "মানুহে যদি সততে জীৱনতো পৰীক্ষা কৰি নাথাকে, তেন্তে জীৱনটো যাত্ৰা কৰাৰ যোগ্য নহয়।"

**সাৰাংশ ঃ**

জীৱনৰ সকলো কৰ্তব্য এনেকৈ সম্পাদন কৰিব লাগে যাতে অতীতৰ কোনো কামক লৈ ভৱিষ্যতে অনুশোচনাত ভুগিব নলাগে। কাৰণ জীৱনটো ধ্বংসৰ গৰাহলৈ ঠেলি দিবলৈ বেছি একো কৰিব নালাগে। এটা ভুল সিদ্ধান্তই যথেষ্ট।

প্ৰাক্তন ছাত্ৰ
অৰ্থনীতি বিজ্ঞান বিভাগ

ভ্ৰমণ




# পাচিঘাট ব'ডাকৰ সেউজীয়াৰ মাজত এদিন

**ডিপু হাজৰিকা**

২০১৭ চনৰ জানুৱাৰী মাহৰ ৭ তাৰিখ শনিবাৰে আমি চিলাপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান আৰু কলা দুয়োটা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে আমাৰ অধ্যক্ষসহ প্ৰায় ৩০-৩৫ জন মান শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে বনভোজ আৰু পৰিৱেশ অধ্যয়ন বিষয়ৰ অন্তৰ্গতভাৱে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰাৰ উদ্দেশ্যে আমাৰ মহাবিদ্যায়লৰ পৰা পুৱা প্ৰায় ৮.২০ বজাত গন্তব্যস্থান অৰুণাচল প্ৰদেশৰ 'ইষ্ট চিয়াং' জিলাৰ চিয়াং নদীৰ পাৰৰ 'পাচিঘাট ব'দাক' নামৰ পাহাৰীয়া অঞ্চলটিলৈ ৰাওনা হৈছিলোঁ।

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰায় ৫৫ জনীয়া ৬ টা গোটত ভাগ কৰি দিয়া হৈছিল। প্ৰতিটো গোটতে ৪ জনকৈ প্ৰবক্তাক 'গাইড' হিচাপে নিযুক্তি দিয়া হৈছিল।

আমি আছিলোঁ 'ক' গোটৰ । আমাৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিষয় আছিল 'ক্ষেত্ৰভিত্তিক স্থানৰ বিভিন্ন প্ৰকাৰৰ প্ৰদূষণ'—

(ক) প্ৰদূষণৰ কাৰণ

(খ) সমস্যা

(গ) ইয়াৰ পৰিণাম আৰু

(ঘ) সমাধানৰ উপায়

প্ৰদূষণৰ কাৰণ ঃ-

আমি অধ্যয়ন কৰা অৰুণাচল প্ৰদেশৰ 'ইষ্ট চিয়াং' জিলাৰ অন্তৰ্গত চিয়াং নদীৰ পাৰৰ পাচিঘাট ব'দাক নামৰ ঠাইখন প্ৰাকৃতিকভাৱে এখন অতি সুন্দৰ ঠাই। ইয়াৰ পূব আৰু পশ্চিম দুয়োকাষে ওখ পাহাৰেৰে আগুৰা। ইয়াৰ পশ্চিম দিশে অৱস্থিত পাহাৰখনৰ তলেৰে পাহাৰৰ গাতে লাগি বৈ গৈছে বিশাল চিয়াং নদী।

এই মনোমোহা ঠাইখনত হোৱা প্ৰদূষণৰ বিষয়ে আমি যেতিয়া অধ্যয়ন কৰিছিলোঁ, তেতিয়া মানৱসৃষ্ট কাৰকৰ দ্বাৰা পৰিৱেশৰ প্ৰায়কেইটা উপাদানেই প্ৰদূষণ হোৱা দেখা পাইছিলোঁ। ইয়াৰ ভিতৰত বায়ু, পানী, মাটি আৰু শব্দ প্ৰদূষণেই প্ৰধান।

আমি ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু বনভোজৰ স্থান হিচাপে বাচি লোৱা 'পাচিঘাট ব'ডাক' ঠাইখন পাহাৰীয়া আৰু নদীপৰীয়া হোৱাৰ বাবে ই এখন বিখ্যাত বনভোজ স্থলীলৈ ৰূপান্তৰ হৈছে। এই ঠাইখনত অৰুণাচল প্ৰদেশৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বনভোজ দলসমূহে বনভোজ খাবলৈ যায়।

আমাৰ জনসাধাৰণে প্ৰায়বোৰ কামতে বজাৰত সহজে উপলব্ধ অপচনশীল প্লাষ্টিকবোৰ ব্যৱহাৰ কৰাটো আমাৰ সকলোৰে জ্ঞাত। আমি অধ্যয়ন কৰিবলৈ যোৱা ঠাইখনো ব্যতিক্ৰম নাছিল । বনভোজ খাবলৈ যোৱা দলসমূহে নিজৰ লগত লৈ যোৱা খাদ্য সামগ্ৰী বা আন সামগ্ৰীসমূহ ভৰাই নিয়া প্লাষ্টিকৰ দ্বাৰা নিৰ্মিত সামগ্ৰীবোৰৰ পৰা বহু পৰিমাণে পৰিৱেশ প্ৰদূষিত হৈছিল। তেওঁলোকে নিজৰ লগত অনা পানীৰ বটল, ব্ৰেডৰ পেকেট, চিপচৰ পেকেট, চকলেটৰ বাকলি, মাছ-মাংস আদি ভৰাই নিয়া পলিথিন বেগ, লঘূ আহাৰ হিচাপে গ্ৰহণ কৰা ফলমূল ভৰাই দিয়া বেগ, শাক-পাচলি ভৰাই নিয়া বেগ আদি অপচনশীল প্লাষ্টিকেৰে নিৰ্মিত সামগ্ৰীবোৰ কিছুমান দলে মাটিত পেলাই থৈ যায়, আন কিছুমানে কাষতে থকা চিয়াং নদীত পেলাই থৈ যায়, আন কিছুমানে আকৌ এইবোৰ জ্বলাই দিয়ে। এই প্লাষ্টিকবোৰ মাটিত পেলোৱাৰ ফলত মাটি প্ৰদূষিত হয়, যিটো সকলো জীৱৰ লগতে পৰিৱেশৰ কাৰণে অতি ভয়ানক। কেইবিধমান নিৰ্দিষ্ট পচনশীল প্লাষ্টিকৰ বাহিৰে প্লাষ্টিকৰ এই সকলো সাধাৰণ সামগ্ৰী শ শ বছৰ মাটিত পোত গৈ থাকিলেও ইয়াৰ কোনো পৰিৱৰ্তন নহয়। অৰ্থাৎ এইবোৰ পঁচি নাযায় আৰু এইবোৰে মাটিৰ

লগতে গোটেই পৰিৱেশৰে যথেষ্ট প্ৰদূষণ কৰিছে। তদুপৰি, সেই স্থানত বিভিন্ন বনভোজ দলে সুৰাপান কৰি সুৰাৰ বটলবোৰ সেই ঠাইতে পেলাই থৈ যোৱা দেখা পাইছিলো। ইয়াৰে কিছুমান গ্লাচৰ বটল শিলত খুন্দিয়াই ভাঙি পেলাই দিয়াও প্ৰত্যক্ষ কৰিছিলোঁ। এই সুৰাৰ বটল নিৰ্মাণ কৰা টিন আৰু গ্লাচবোৰ সম্পূৰ্ণৰূপে অপচনশীল। এই গ্লাচ আৰু টিনবোৰেও যথেষ্ট মাটি প্ৰদূষিত কৰিছে।

আমি অধ্যয়ন কৰা ঠাইখনৰ বিভিন্ন ঠাইত আমি পানী প্ৰদূষণৰ বহুতো কাৰক দেখা পাইছিলো। এই ঠাইখন এখন বনভোজস্থলী হোৱা বাবে ইয়ালৈ অহা বনভোজ দলসমূহৰ কিছুমানে নদীত শাক-পাচলি, অৱশিষ্ট মাছ, মাংস, প্লাষ্টিকৰ কাঁহী আদি নদীত পেলাই দিয়ে। ফলত এই পেলনীয়া প্লাষ্টিকবোৰ নদীৰ বুকুৰেদি বৈ গৈ নদীৰ তলিভাগ লেতেৰা কৰি তোলে। আনহাতে আন জাবৰ জোথৰবোৰ নদীত পেলোৱাৰ ফলত এইবোৰ নদীৰ বুকুতে গেলি পঁচি নদীৰ পানী প্ৰদূষিত কৰে। তদুপৰি, নদীৰ কাষৰ মূল পথৰ ওপৰত নিৰ্মিয়মান পকী দলংখনত ব্যৱহৃত চিমেন্ট আদি বিভিন্ন ৰাসায়নিক পদাৰ্থৰ লগতে দলং নিৰ্মাণত ব্যৱহৃত যন্ত্ৰ পাতি সমূহৰ পৰা নিগৰি নিগৰি ওলোৱা ইন্ধনসমূহ, লোহা কাটোতে ওলোৱা সৰু সৰু লোহাৰ গুৰি আদি দলঙৰ তলত থকা জুৰিটোৰে বৈ গৈ চিয়াং নদীত পৰে। এই পদাৰ্থবোৰ চিয়াং নদীত পৰি চিয়াং নদীৰ পানী প্ৰদূষিত কৰিছে।

এনে কাৰকসমূহৰ দৰে আন বহুতো কাৰকৰ ফলত চিয়াং নদীৰ পানী প্ৰদূষিত হৈছে।

বায়ু প্ৰদূষণো আমি অধ্যয়ন কৰা ঠাইখনত সংঘটিত হোৱা প্ৰদূষণসমূহৰ ভিতৰত অন্যতম। উক্ত ঠাইখন প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ হোৱা বাবে ঠাইখনত বিভিন্ন ঠাইৰপৰা বহুতো বনভোজ দলে বনভোজ খাবলৈ যায়। বনভোজ খাবলৈ যাওঁতে তেওঁলোকে নিজৰ লগত লৈ যোৱা গাড়ী, মটৰ চাইকেল আদিত ইন্ধন হিচাপে ব্যৱহাৰ কৰা পেট্ৰল আৰু ডিজেলৰ দহনৰ ফলত যথেষ্ট পৰিমাণে ধোঁৱা নিৰ্গত হয়। এই ধোঁৱাত পৰিৱেশৰ বাবে অতি হানিকাৰক কাৰ্বন ডাই-অক্সাইড, কাৰ্বন মন'ক্সাইড, কম পৰিমাণে সীহৰ গুৰি আদি মিহলি হৈ বায়ু প্ৰদূষিত কৰে। দ্বিতীয়তে, বনভোজৰ কিছুমান দলে লগত অনা প্লাষ্টিকৰ সামগ্ৰীবোৰ ব্যৱহাৰৰ পাছত জ্বলাই দিয়ে। এই প্লাষ্টিকবোৰ জ্বলাই দিয়াৰ ফলত বিভিন্ন বিষাক্ত গেছ যেনে— কাৰ্বন ডাই অক্সাইড $(CO_2)$ কাৰ্বন মন'ক্সাইড $(CO_3)$ ছালফাৰ ডাই অক্সাইড $(SO_2)$ আদিযুক্ত ক'লা ধোঁৱা উৎপন্ন হয়। এই ধোঁৱা বায়ুৰ লগত মিহলি হৈ অধিক পৰিমাণে বায়ু প্ৰদূষিত কৰিছে। চিয়াং নদীৰ কাষৰ পকী পথৰ ওপৰত নিৰ্মাণ কৰি থকা পকী দলংখনত ব্যৱহৃত বিভিন্ন অত্যাধুনিক যন্ত্ৰ পাতিসমূহৰ পৰা নিৰ্গত হোৱা ধোঁৱা বায়ুত মিহলি হৈ উক্ত ঠাইৰ বায়ু প্ৰদূষিত কৰিছে।

নিৰ্বনীকৰণ হৈছে উক্ত ঠাইৰ প্ৰদূষণৰ প্ৰধান কাৰণ। উক্ত ঠাইখনত পকী দলং নিৰ্মাণৰ বাবে, ৰাস্তা বহল কৰিবৰ বাবে যথেষ্ট সংখ্যক গছ-গছনি কাটিব লগা হৈছে। এই গছ-গছনিসমূহ কটাৰ ফলত সেই ঠাইৰ জলয়বায়ু শুকান হৈ পৰিছে। যিটো বায়ু প্ৰদূষণৰে লক্ষণ। এইদৰে গছ-গছনি কটাৰ ফলত সৃষ্টি হোৱা আন এটা ভয়াবহ সমস্যা হ'ল—ভূমিস্খলন। যিটো আমি অধ্যয়ন কৰা ঠাইৰ মূল ৰাস্তাৰ কাষৰ পাহাৰত দেখা পাইছিলো।

শব্দ প্ৰদূষণো হৈছে আমি ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যোৱা অৰুণাচল প্ৰদেশৰ চিয়াং নদীৰ পাৰৰ পাচিঘাট ব'ডাক নামৰ ঠাইখনত হোৱা পৰিৱেশ প্ৰদূষণসমূহৰ ভিতৰত এটা অন্যতম প্ৰধান প্ৰদূষণ। উক্ত স্থানত নিৰ্মাণ কৰি থকা পকী দলঙত ব্যৱহৃত হোৱা যন্ত্ৰপাতিসমূহ যেনে— শিলৰ মাজত গাঁত খন্দা, পানী তোলা, লোহাৰ কটা আদি মেচিনসমূহে অধিক তীব্ৰ শব্দৰ সৃষ্টি কৰে। এই তীব্ৰ শব্দই উক্ত ঠাইত যথেষ্ট শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে। আনহাতে, উক্ত বনভোজস্থলীত বিভিন্ন ঠাইৰ পৰা অহা লোকসকলে বনভোজৰ আনন্দ বৃদ্ধি কৰিবলৈ নিজৰ লগত লৈ যোৱা 'ছাউণ্ড বক্স' উচ্চ শব্দ সৃষ্টিকাৰী জেনেৰেটৰ আদিৰ তীব্ৰ শব্দই সেই ঠাইত শব্দ প্ৰদূষণৰ সৃষ্টি কৰিছে।

আমি অধ্যয়ন কৰা ঠাইৰ প্ৰদূষণসমূহ প্ৰাথমিক পৰ্যায়তে আছে। সময় থাকোতেই প্ৰাথমিক পৰ্যায়ত এই প্ৰদূষণসমূহ যদি নিয়ন্ত্ৰণ কৰা নাযায়, তেন্তে ই অদূৰ ভৱিষ্যতে উক্ত ঠাইৰ মাটি, পানী, বায়ু, শব্দ আদি পৰিৱেশৰ আটাইকেইটা উপাদানেই প্ৰদূষিত হৈ মানুহৰ লগতে আন জীৱ-জন্তুসমূহৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিব।

মাটি প্ৰদূষণৰ ফলত মাটিত থকা জীৱসমূহ জীয়াই থকাটো কঠিন হৈ পৰিব। পৰিৱেশৰ বাবে অতি লাগতিয়াল কেঁচুৰ দৰে জীৱবোৰ একেবাৰে ধ্বংসও হৈ যাব পাৰে। ইয়াৰ লগতে মাটি প্ৰদূষণৰ ফলত প্ৰদূষিত মাটিত উদ্ভিদবোৰ ভালদৰে গজিব নোৱাৰে। আনহাতে যিবোৰ উদ্ভিদ গজে, সেইবোৰ ভালদৰে বৃদ্ধি হ'ব নোৱাৰে। এনেদৰে লাহে লাহে উদ্ভিদৰ সংখ্যা কমি আহি সেই ঠাইখন নিশ্চিতভাৱে এখন গছ-গছনিবিহীন শুকান ঠাইলৈ পৰিৱৰ্তিত হ'ব। বাৰিষা কালত প্ৰবল বৰষুণৰ ফলত এনে গছ-গছনিবিহীন ঠাই ভূমিস্খলনৰ ফলত নিশ্চিতভাৱে ধ্বংসৰ গৰাহলৈ গতি কৰিব।

পানী প্ৰদূষণৰ ফলতো যথেষ্ট সমস্যাৰ সৃষ্টি হ'ব পাৰে। প্লাষ্টিকজাত সামগ্ৰীবোৰ নদীত পেলোৱাৰ ফলত নদীৰ পানী প্ৰদূষিত হোৱাৰ লগতে নদীৰ তলিখন বাম হৈ পৰে। নদীৰ বুকু বাম হ'লে নদীয়ে নামনি অংশত নিজৰ গতিপথ সলনি কৰিবলৈ চেষ্টা কৰে। ফলত নদীৰ পানী উফন্দি উঠি নদীৰ দাঁতিকাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি কৰে। বানপানী হ'লে বানপীড়িত অঞ্চলৰ লোকসকলৰ লগতে উক্ত ঠাইৰ ঘৰচীয়া, বনৰীয়া পশু-পক্ষীৰ কেনে দুৰ্গতি হয় সেয়া আমাৰ সকলোৰে জ্ঞাত। ইয়াৰ লগতে বানপানী হ'লে ৰাস্তা, পদূলি, মথাউৰি, ৰেল-লাইন, দলং আদি নদীৰ তীব্ৰ সোঁতে উটুৱাই নি যাতায়ত বিচ্ছিন্ন কৰিব পাৰে। আনহাতে, প্লাষ্টিকজাত সামগ্ৰী, আন জাবৰ জোঁথৰ নদীত পেলোৱাৰ ফলত নদীৰ পানী প্ৰদূষিত হৈ নদীত থকা মাছ-কাছ আদি জীৱৰ মৃত্যু হ'ব পাৰে। এই জীৱবোৰে নদীৰ তলিত জমা হোৱা শেলাই জাতীয় উদ্ভিদবোৰৰ লগতে মানুহৰ দ্বাৰা নদীত পেলোৱা জাবৰ-জোঁথৰবোৰ খাই নদীৰ তলিখন পৰিস্কাৰ কৰে। এই জীৱবোৰ নাথাকিলে নদীৰ তলিখনত অত্যাধিক শেলাই, ভেঁকুৰ, জাবৰ-জোঁথৰ আদি জমা হৈ এই পানী সকলো ধৰণৰ ব্যৱহাৰৰ বাবে অনুপযোগী হৈ পৰিব।

মাটি, পানীৰ দৰে আমি ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা ঠাইৰ

পৰিৱেশৰ আন এটা প্ৰদূষণ হৈছে বায়ু প্ৰদূষণ । যি বৰ্তমান যুগত অতি ভয়াবহ বুলি প্ৰমাণিত হৈছে। আমি অধ্যয়ন কৰা ঠাইখনত বিভিন্ন ধৰণেৰে বায়ু প্ৰদূষিত হোৱা আমাৰ দৃষ্টিগোচৰ হৈছিল। ইয়াত বনভোজ তৈয়াৰ কৰোঁতে ওলোৱা জুইৰ ধোঁৱা, গাড়ী মটৰৰ ধোঁৱা, প্লাষ্টিক জ্বলোৱাৰ ফলত ওলোৱা ধোঁৱা, গছ-গছনি কটা আদিয়েই বায়ু প্ৰদূষণৰ মূল কাৰণ। বনভোজৰ দলসমূহে বনভোজ তৈয়াৰ কৰোতে জুই জ্বলোৱাৰ উপৰিও ব্যৱহৃত প্লাষ্টিকবোৰ বনভোজৰ শেষত জ্বলাই দিয়ে। এই প্লাষ্টিক জ্বলোৱা জুইৰ ধোঁৱাত আন আন হানিকাৰক পদাৰ্থৰ লগতে কাৰ্বন ডাই অক্সাইড, কাৰ্বন মন'ক্সাইড আদি বিষাক্ত থকাৰ বাবে এই ধোঁৱা ক'লা বৰণৰ হয়। এই ক'লা ধোঁৱাই বায়ুৰ অধিক প্ৰদূষণ সৃষ্টি কৰাৰ লগতে মানুহৰ চকুৰ যথেষ্ট ক্ষতিসাধন কৰে। এইবোৰে মানুহৰ চকুত জ্বলা পোৰা কৰে। এই জুইৰ পৰা যথেষ্ট দুৰ্গন্ধও নিৰ্গত হয়। এই দুৰ্গন্ধই মানুহৰ হাওঁফাওঁৰ বিভিন্ন ৰোগৰ কাৰণ হ'ব পাৰে। লগতে নিৰ্বনীকৰণৰ ফলতো বায়ু প্ৰদূষণৰ সৃষ্টি হৈছে। পাহাৰৰ গাত থকা পকী ৰাস্তা বহল কৰিবৰ বাবে ৰাস্তাৰ দাঁতিত থকা গছবোৰ কটাৰ ফলত ৰাস্তাৰ দাঁতিতে থকা পাহাৰটোৰ কোমল মাটিবোৰ শুকান হৈ পৰিছে আৰু এই কোমল মাটিবোৰ বৰষুণ দিলেই যিকোনো মুহূৰ্ততে বৃহৎ আকাৰে তললৈ খহি আহি ভয়ংকৰ দুৰ্ঘটনা ঘটাৰ সম্ভাৱনাই প্ৰবল। আনহাতে, বৰষুণহীন খৰাং বতৰত পাহাৰৰ শুকান মাটি অলপ অলপকৈ খহি আহি গোটেই পৰিৱেশটোৱেই ধূলিময় কৰিছে। এই ধূলিময় প্ৰদূষিত পৰিৱেশত বাস কৰিলে বা এনে পৰিৱেশৰ মাজেৰে যাত্ৰা কৰিলে মানুহৰ বিভিন্ন ধৰণৰ ৰোগে দেখা দিয়াটো নিশ্চিত।

শব্দ প্ৰদূষণো উক্ত স্থানত হোৱা পৰিৱেশৰ অন্যতম প্ৰদূষণ। বিভিন্ন ধৰণৰ উৎসৰ পৰা সৃষ্টি হোৱা এই শব্দ প্ৰদূষণ বাকী প্ৰদূষণতকৈ তুলনামূলকভাৱে কম শক্তিশালী যদিও পৰিৱেশ প্ৰদূষণৰ বাবে কোনোগুণে কম দায়ী নহয়।

এই শব্দ প্ৰদূষণ সৃষ্টিকাৰী ডাঙৰ ডাঙৰ 'ছাউণ্ড বক্স', ইয়াক বজাবৰ বাবে প্ৰয়োজনীয় বিদ্যুৎ উ ৎপাদনকাৰী উচ্চ শব্দ সৃষ্টি কৰা বৈদ্যুতিক জেনেৰেটৰসমূহ, আদি বজোৱাৰ ফলত ওচৰৰ গছবোৰত বাস কৰা চৰাই-চিৰিকটি আৰু আন সৰু-ডাঙৰ জীৱ-জন্তুসমূহ ভয়তে নিজ বাসস্থান এৰি আন নিৰ্জন ঠাইলৈ পলাই যাবলৈ বাধ্য হৈছে। যাৰ ফলত এই জীৱবোৰৰ অভাৱত ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য যথেষ্ট পৰিমাণে হ্ৰাস পাইছে। এই কথা আমি তাত গৈ নিজেই ভালদৰে উপলব্ধি কৰিছিলো। ইয়াৰোপৰি উচ্চ শব্দবোৰ দীৰ্ঘ সময় ধৰি কাণত পৰি থাকিলে আমাৰ কাণত ইয়াৰ কু-প্ৰভাৱ পৰে। এই শব্দবোৰ বেছিকৈ শুনি থাকিলে আমাৰ শ্ৰৱণ শক্তি হ্ৰাস পোৱাৰো সম্ভাৱনা থাকে।

আমি ক্ষেত্ৰ অধ্যয়ন কৰা ঠাইখনত সৃষ্টি হোৱা মাটি, পানী, বায়ু শব্দপ্ৰদূষণ সমূহ ৰোধ কৰিবলৈ চেষ্টা কৰিব লাগে। আমি বিভিন্ন ধৰণেৰে এইবোৰ সমাধান বা হ্ৰাসৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰো।

প্ৰথমতে আমি সেই ঠাইলৈ অহা লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ চেষ্টা কৰিব পাৰো। আমি বিভিন্ন দলত ভাগ হৈ বনভোজ খাবলৈ অহা দলসমূহৰ লগত বন্ধুসুলভ ভাষাৰে তেওঁলোকক য'তে-ত'তে প্লাষ্টিক, ব্ৰেড, চিপচ্, ফল-মূল, বিস্কুট, কণীৰ বাকলি, পলিথিনৰ বেগ, বটল আদি পেলাই নথৈ নিৰ্দিষ্ট এটা ঠাইত এই আবৰ্জনাবোৰ গোটাই লৈ সেইবোৰ পুতি পেলাবলৈ অনুৰোধ জনাব পাৰো। গান-বাজনাৰ 'ছাউণ্ড বক্স'বোৰৰ শব্দবোৰে যাতে আনক আমনি কৰিব নোৱাৰে; তাৰ বাবে এটা জোখত ৰাখি বজাবলৈ কিছুমান নীতি-নিয়ম কৰিব পাৰো।

এইবোৰৰ উপৰিও আমি নিজাববীয়াকৈ কিছুমান প্ৰচেষ্টা হাতত ল'ব পাৰো। এইবোৰৰ ভিতৰত আমি যোৱাৰ আগত সেই ঠাইখনত যিবোৰ প্লাষ্টিক, ফল-মূলৰ বাকলি, কণীৰ বাকলি আদি অ'ত-ত'ত সিঁচৰতি হৈ পৰি থাকে, সেইবোৰ আমি নিজে একে ঠাইত গোটাই ৰাখি পৰিৱেশটো চাফা কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে। আমি পৰাপক্ষত গাড়ী, মটৰ কমকৈ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। এনে কৰিলে আমাৰ যথেষ্ট ইন্ধন ৰাহি হোৱাৰ লগতে আমাৰ বায়ু প্ৰদূষণৰ মাত্ৰাও কম হয়। আমি নিজে ব্যৱহাৰ কৰা 'ছাউণ্ড বক্স'ত শব্দৰ তীব্ৰতা কম কৰিও যথেষ্ট শব্দ প্ৰদূষণ ৰোধ কৰিব পাৰোঁ। আমি পৰাপক্ষত এজোপাও গছ নকটাকৈ তাৰ ৰাস্তা ঘাট, দলং আদি সাজিবলৈ চেষ্টা কৰিব লাগে। এনে কৰিলে গছবোৰে মাটিৰ খহনীয়া হোৱাত যথেষ্ট বাধা প্ৰদান কৰি পাহাৰৰ মাটি ধৰি ৰখাত সহায় কৰিব।

আমি আমাৰ অলাগতিয়াল বটল, প্লাষ্টিক কাঁহী, পেলনীয়া খাদ্য সামগ্ৰী আদি নদীত পেলাই দিব নালাগে। এনে কৰিলে নদীৰ পানী দূষিত হয়। আমি এইবোৰ বস্তু নদীৰ পানীত পেলাই নিদি এক নিৰ্দিষ্ট ঠাইত গোটাই ৰাখি নদীৰ পানীৰ প্ৰদূষণ হ্ৰাস কৰিব পাৰোঁ। আনহাতে চিয়াং নদীৰ কাষৰ জুৰিৰ ওপৰত নিৰ্মাণ কৰি থকা পকী দলঙত ব্যৱহৃত যন্ত্ৰ পাতিবোৰৰ পৰা যাতে চিমেন্ট জাতীয় ৰাসায়নিক পদাৰ্থ জুৰিৰ পানীত মিহলি হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। লগতে তাত ব্যৱহৃত যন্ত্ৰ পাতিবোৰৰ পৰা ইন্ধন নিৰ্গত হ'লে লগে লগে সেই ইন্ধন নিৰ্গত হোৱা ৰাস্তা বন্ধ কৰিব লাগে। এনে নকৰিলে এই ইন্ধনবোৰ জুৰিৰ পানীত মিহলি হৈ বৈ গৈ চিয়াং নদীত পৰি চিয়াং নদীৰ পানীও প্ৰদূষিত কৰিব। একেদৰে চিমেন্ট জাতীয় ৰাসায়নিক পদাৰ্থবোৰেও নদীৰ পানী প্ৰদূষিত কৰি তাত থকা মাছ, কাছ আদিৰ মৃত্যু ঘটাব পাৰে।

আমি ক্ষেত্ৰ অধ্যয়ন কৰা অৰুণাচল প্ৰদেশৰ পাচিঘাট ব'ডাক নামৰ ঠাইখনৰ যি অপূৰ্ব প্ৰাকৃতিক পৰিৱেশ, সেয়া অটুট থাকক । যিবোৰ কাৰণৰ বাবে ঠাইডোখৰ প্ৰদূষিত হৈছে তাক ৰোধ কৰিবৰ বাবে আমি সকলোৱে যত্ন কৰিব লাগে । সুন্দৰ ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য সদায় অক্ষুণ্ণ হৈ থাকক তাকে কামনা কৰিছোঁ ।

*দ্বাদশ শ্ৰেণী*

সাক্ষাৎকাৰ

# অসাধাৰণ হৈও সাধাৰণ জীৱন যাপন কৰা বিজ্ঞানী
# উদ্ধৱ ভৰালীৰ সৈতে




অসমৰ লখিমপুৰ জিলাত জন্ম গ্ৰহণ কৰা উদ্ধৱ ভৰালীদেৱে ডালিম গুচোৱা যন্ত্ৰৰ বাবে নাচাৰ দ্বাৰা ‘The Create the Future design’ শীৰ্ষক প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি সমগ্ৰ ভাৰতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত তেওঁ উদ্ভাৱনী সংস্থাৰ দ্বাৰা ‘সৃষ্টি সন্মান’, বিজ্ঞান প্ৰযুক্তিবিদ্যা মন্ত্ৰণালয়ৰদ্বাৰা ‘Meritorious Invention Award’ আদি বঁটা লাভ কৰে । বৰ্তমানলৈকে তেওঁ ১৪৩ বিধ যন্ত্ৰ আৱিস্কাৰ কৰিছে । মানুহজন সঁচাই ব্যতিক্ৰম । এই প্ৰতিভাসম্পন্ন ব্যক্তিজনৰ সৈতে এটা শুভ দিনত চিলাপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক য়াচিংফা গগৈ, আলোচনী সম্পাদক মৰমী দিহিঙ্গীয়া আৰু ছাত্ৰী সোনমনি নাওহলীয়া মিলিত হৈছিল । সেই সময়ত তেওঁৰ সৈতে হোৱা কথোপকথন তলত দাঙি ধৰা হ’ল —

প্ৰশ্ন ঃ ছাৰ আপুনি প্ৰযুক্তিবিদ্যা বুলিলে কি বুজে?

উত্তৰ ঃ সাধাৰণ মানুহৰ সাধাৰণ জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগেই হৈছে প্ৰযুক্তিবিদ্যা। Applications of Common sence of common people.

প্ৰশ্ন ঃ সৰুৰে পৰা আপোনাৰ জীৱনৰ লক্ষ্য কি আছিল সেই বিষয়ে অলপ ক’ব নেকি ?

উত্তৰ ঃ সৰুতে আচলতে কোনেও জীৱনৰ লক্ষ্য স্থিৰ নকৰে । পৰিস্থিতিয়ে মানুহজনক লৈ যায়। কিন্তু, তাতে অদৃষ্ট বুলি কথাষাৰ সদায় থাকি যায়। বহুতে আচলতে কিবা কয় মই অমুক হ’ম, তমুক হম । আচলতে তেওঁ মানে Student (ছাত্ৰ) এটাই মেডিকেলৰ কথাই কিমান জানে, ইঞ্জিনিয়াৰৰ কথাই কিমান জানে বা normal officer এজনৰ কথাই কিমান জানে ? একোটো নাজানে। গতিকে এই প্ৰশ্নও ভুল, প্ৰশ্ন আৰু ইয়াৰ উত্তৰো সাংঘাটিক ভুল।

প্ৰশ্ন ঃ ছাৰ আপুনিও বিশ্বাস কৰে নেকি অদৃষ্ট জনক?

উত্তৰ ঃ হয়। মানে জীৱনটো কৰবাত যেন ফিক্স হৈ থাকে তেনে লাগে। সেই বস্তুটো ফিক্স হৈ কেনেবাকৈ মানুহক মন এটা দিয়ে। মনটো কিন্তু কোনেও বনাব পৰা নাই। মনটোৰ ভিতৰত কি আছে, মনটোৰ সৈতে চিনাকী হ’ব লাগিব। মোৰ নিজৰ মাজতে প্ৰশ্ন হয়, কাৰোবাৰ প্ৰতি কিবা এটা কৰাৰ মন এটা অদৃষ্টজনে দিয়ে নেকি ? যদি দিয়ে তেনেহ’লে সেই মানুহ সদায় একচেপশ্বনেল লাইনত যায়। নহ’লে ধুনীয়া চাকৰিৰ ধুনীয়া সপোন দেখে ।

তেনেকৈয়ে চলি যায় আৰু ময়ো তেনেকৈয়ে...

প্ৰশ্ন ঃ আপোনাৰ শৈশৱ কাল আৰু শৈক্ষিক জীৱনৰ বিষয়ে অলপ ক'ব নেকি?

উত্তৰ ঃ মই পঢ়াত বেয়া নাছিলোঁ । ভালেই আছিলোঁ । অংক মোৰ প্ৰিয় (Favourite) বিষয় আছিল। মই মোৰ সহপাঠীকো অংক পঢ়াইছিলোঁ। মই পঢ়োৱাই বেছি ভাল পাইছিলোঁ। মই অংক পঢ়াওঁতে দেখিছিলোঁ যে মোৰ লগত পঢ়ি ভাল পায়, মই পঢ়ালে বুজিও পায়। গতিকে মোৰ লগৰবোৰক মই অংক পঢ়াওঁ। মই গভৰ্ণমেণ্ট হাইছেকেণ্ডাৰী স্কুলত পঢ়িছিলোঁ।

প্ৰশ্ন ঃ ছাৰ আপুনি উদ্ভাৱনী ক্ষেত্ৰখনৰ প্ৰতি কেনেদৰে আকৃষ্ট হৈছিল?

উত্তৰ ঃ অভাৱেই আৱিস্কাৰৰ মূল। সেইটোকে লৈ সোমালোঁ যে সোমায়ে গলোঁ। আৰু এটা কথা-নিজকে সদায় প্ৰতিষ্ঠা কৰাৰ এটা হেঁপাহ আছিল। মই এইটো খুউব ভালদৰেই বুজি পাইছিলোঁ যে normali যিকোনো কামেই আমি নকৰোঁ কিয়, সেয়া দৰকাৰ হ'লে DC, MP, MLA যিয়েই নহওক তেনেকৈয়ে বহুতৰে মৃত্যু হয় । বৰ বিশেষ একো হৈ নেযায় । মোৰ সদায় মন এটা আছিল যে একচেপশ্বনেল কিবা এটা কৰিম। সেই বাবেই চাগে।

প্ৰশ্ন ঃ উদ্ভাৱনী ক্ষেত্ৰখনত কাম কৰি আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত অসমত সুস্থ পৰিৱেশ আছে বুলি আপুনি ভাবেনে? এই ক্ষেত্ৰখনত আগবাঢ়ি যাওঁতে আপুনি আৰ্থিক সমস্যাৰ সন্মুখীন হৈছিল নেকি? অসম চৰকাৰ আৰু ভাৰত চৰকাৰে এইক্ষেত্ৰত আপোনাক কেনেধৰণে সহযোগ আগবঢ়াইছে?

উত্তৰ ঃ নাই একেবাৰেই নাই। কোনে বুজিব ? কিন্তু তথাপি অসমতেই কাম কৰাৰ মন আছে মোৰ। অসমত নাই বুলি কলে কাৰ নাই বুজিচানে ? যিসকলৰ থাকিব লাগিছিল তেওঁলোকৰেই নাই। বাকীখিনি মানুহৰ আছে। আৰ্থিক সমস্যাৰ সন্মুখীন হওঁ। Definatly হওঁ ন ? কাৰণ আৱিস্কাৰৰ ক্ষেত্ৰত বহুতো বস্তুৰ দৰকাৰ হয় । চৰকাৰক মই চিনি নাপাওঁ, আমাৰ চৰকাৰে এই বিলাক চিনি নাপায়, এইবিলাক কথা নাজানে। জ্ঞানেই নাই।

প্ৰশ্ন ঃ ছাৰ আপুনি এতিয়ালৈকে কিমানবিধ যন্ত্ৰ আৱিস্কাৰ কৰিছে। আবিস্কাৰ কৰা যন্ত্ৰসমূহে জনসাধাৰণক কেনেদৰে প্ৰভাৱান্বিত কৰিব বুলি আপুনি ভাবে?

উত্তৰ ঃ১৪৩ বিধ। আৱিস্কাৰ কৰা যন্ত্ৰসমূহে নিশ্চয়কৈ জনসাধাৰণক প্ৰভাৱান্বিত কৰিছে। কাৰণ মোৰ নিজতকৈ ৯০% আনৰ তাগিদাতহে মই আৱিস্কাৰ কৰিছোঁ।

প্ৰশ্ন ঃ ছাৰ আপুনি আবিস্কাৰ কৰা যন্ত্ৰ পাতিবোৰৰ বাবে এখন বজাৰৰ কথা চিন্তা কৰিছে নেকি?

উত্তৰ ঃ নাই। মই এতিয়ালৈকে বজাৰৰ কথা চিন্তা কৰা নাই। Minimum যিখিনি দৰকাৰ হয় সিমান খিনিহে মই যোগাৰ কৰোঁ। পইচা ঘটাৰ ৰাস্তাত যোৱাই নাই। তথাপি যিখিনি চাহিদা পুৰাবৰ বাবে নিম্নতম(Minimum)যিখিনি সামগ্ৰী দৰকাৰ হয় সেইখিনিহে উৎপাদন কৰোঁ। Profit কৰিবলৈ একো নকৰোঁ।

প্ৰশ্ন ঃ আপুনি আবিস্কাৰ কৰা কিমানটা যন্ত্ৰৰ পেটেণ্ট আপোনাৰ নামত আছে?

উত্তৰ ঃ পেটেণ্ট মানে মই কৰিছোঁ গোটেইখিনি মোৰ নামতেই আছে।

প্ৰশ্ন ঃ ছাৰ অসমৰ প্ৰায়বোৰ বিশ্বাবিদ্যালয়ৰ লগত আপোনাৰ সঘন যোগাযোগ হৈ থাকে বুলি আমি জানোঁ। এই ক্ষেত্ৰত অসমৰ ল'ৰা-ছোৱালীয়ে হাতে কামে উদ্ভাৱনী ক্ষেত্ৰখনত আগবাঢ়ি যাবৰ বাবে কিবা পদক্ষেপ লৈছে নেকি?

উত্তৰ ঃ অসমৰ বুলিয়েই নকওঁ ভাৰতৰ বহুটো Industry, ITI আদিলৈ মই প্ৰায়ে যাব লাগে। আজিকালি ছাত্ৰ-ছাত্ৰীসকল অলপ বেলেগ হৈছে। সকলোৱে নিজে কিবা এটা কৰিব বিচাৰে। তাৰে ৮০ শতাংশ যেনিবা গ্লেমাৰৰ কাৰণে কৰিব বিচাৰে, ২০ শতাংশ আছে যি সমাজৰ কাৰণে কিবা এটা কৰিব বিচাৰে। এই দুটা বেলেগ কথা। যদি সমাজৰ কাৰণে কিবা কৰিব খোজে বা কৰি গৈছে, তেওঁহে কিন্তু সেই ঠাই ডুখৰ পায়গৈ। গ্লেমাৰৰ কাৰণে কৰিব বিচৰাখিনিয়ে নাপায়।

প্ৰশ্ন ঃ অসমৰ বাহিৰৰ বিভিন্ন সংস্থা নাইবা প্ৰতিষ্ঠানৰ পৰা আপোনালৈ বিভিন্ন সময়ত বিভিন্ন সুযোগ আহে বুলি (নিয়োগ সম্পৰ্কীয়) আমি শুনোঁ। আপুনি সেই সম্পৰ্কত কিবা ক'ব?

উত্তৰ ঃ আহিছে। মানে চাকৰি ইমানেই অফাৰ যে মই মানে চম্ভালিবই নোৱাৰোঁ। কিন্তু মই সেই বিলাকৰ পৰা আঁতৰি থাকোঁ। এই কাৰণে যে মই অসমৰ বাহিৰলৈ কেতিয়াও নেযাওঁ। যদিও অসমৰ বাহিৰৰ বা ভাৰতৰ বাহিৰৰ পৰা বহুত লোভনীয় অফাৰ আহে । কিন্তু মই অসমখন এৰি নাযাওঁ। বাহিৰৰটো বেলেগ কথা। তাতকৈও ডাঙৰ কথা যে মই লখিমপুৰত এটা মেচিন ডিজাইনিং ৰিচাৰ্চ চেণ্টাৰ খুলিছোঁ। লখিমপুৰত মই আৰু এটা খুলিলোঁহেতেন চেণ্টাৰ ফৰ ফিজিকেলি ডিজেবল পিপল (Centre for physically Disable people)ৰ কাৰণে । এই চেণ্টাৰ দুটা গোটেই ভাৰততে নাই। চৰকাৰী বা ব্যক্তিগত খণ্ড কতোৱে নাই। এই দুটা মই লক্ষিমপুৰত খুলিছোঁ। তাৰ মানে মই গোটেইখিনি লখিমপুৰলৈ অহাটো বিচাৰোঁ। আৰু লক্ষিমপুৰলৈ আহেও। সেইটোৱে মোৰ অহংকাৰ বুলিব পাৰা বা ফুটনি বুলিব পাৰা যি কোৱা । কিন্তু মই বিৰাট ভালপাঁও যে মোক বিচাৰি ইয়াত আহে। মই কাকো বিচাৰি যাব লগা হোৱা নাই।

প্ৰশ্ন ঃ NASA ৰদ্বাৰা যেতিয়া "The Create The Future Design" প্ৰতিযোগিতাত পুৰস্কাৰৰ বাবে আপোনাৰ নাম ঘোষণা কৰিছিল, তেতিয়া আপোনাৰ মনত কেনে প্ৰতিক্ৰিয়া হৈছিল?

উত্তৰ ঃ মই তিনিবাৰ জিকিছোঁ । মোৰ ভাল লাগে। এতিয়ালৈকে মই প্ৰতিবছৰেই সেই প্ৰতিযোগিতাত জিকিয়েই আহিছোঁ। আৰু গোটেই জীৱন মই এই প্ৰতিযোগিতাত জিকিয়েই থাকিম।

প্ৰশ্ন ঃ আপুনি বৰ্তমানলৈকে জাতীয় উদ্ভাৱনী সংস্থাৰ দ্বাৰা "সৃষ্টি সন্মান (২০০৭)", উদ্ভাৱনী ক্ষেত্ৰখনত কাম কৰাৰ বাবে "ৰাষ্ট্ৰপতি বঁটা (২০০৯)", বিজ্ঞান-প্ৰযুক্তি বিদ্যা মন্ত্ৰণালয়ৰ দ্বাৰা "Meritorious Invention Award" (২০১১) আদি লাভ কৰিছে। এনে পুৰস্কাৰসমূহে আপোনাক কেনেদৰে উৎসাহিত কৰিছে?

উত্তৰ ঃ ভাল লাগে। এইখিনি সকলো প্ৰতিযোগিতা দেই। কোনেও মোক ইচ্ছা কৰি এটাও বঁটা দিয়া নাই। এই সকলোবিলাক Scientific Competition । আৰু Competition বিলাকত মই জিকোঁ । মোৰ এইটোৱেই ভাল লাগে।

প্ৰশ্ন ঃ আপোনাৰ উপাৰ্জনৰ ১০ শতাংশ আপুনি এখন বৃদ্ধাশ্ৰম আৰু এখন অনাথ আশ্ৰমত দান কৰে বুলি আমি শুনিছোঁ। ছাৰ সেয়া এতিয়াও অব্যাহত আছে নেকি?

উত্তৰ ঃ ১০ শতাংশ নহয় ৭০ শতাংশ। এইটো ভুল হৈছে। দান নকৰোঁ মই নিজে খুলি লৈছোঁ। লক্ষিমপুৰতে আছে আৰু প্ৰতিখন জিলাতেই খোলাৰ মোৰ পৰিকল্পনা আছে। বৃদ্ধাশ্ৰম বুলি নহয় বিকলাঙ্গ মানুহৰ কাৰণে আশ্ৰম খুলিছোঁ। তেওঁলোকৰ ওপৰত Research (গৱেষণা) কৰা হয়। তেওঁলোকৰ যিখিনি যাৱতীয় সা-সামগ্ৰী মানে নিজে খাব পৰা, চলা-ফুৰা কৰিব পৰা, চাফা হ'ব পৰা ইত্যাদি বিলাক মইয়ে ডিজাইন কৰোঁ। বৃদ্ধ, শাৰীৰিক ভাৱে অক্ষম ১৯ গৰাকী বুঢ়ী মানুহক মাহে ৫০০ ৰ পৰা ১২০০ টকাকে পেঞ্চন দিওঁ, হাতছিগা মানুহখিনিক মাহে ২৫০০ কৈ পেঞ্চন দিওঁ। ২৫ টা পৰিয়াল পুহি ৰাখিছোঁ মোৰ নিজৰ উপাৰ্জনেৰে।

প্ৰশ্ন ঃ কি কি গুণৰ অধিকাৰী হ'লে এজন ছাত্ৰই উদ্ভাৱনী ক্ষেত্ৰখনত সফলতা লাভ কৰিব পৰিব বুলি আপুনি ভাবে?

উত্তৰ ঃ একো গুণেই নালাগে। কেৱল জী থকা মন এটা লাগে। মনবোৰ জী থকা নাই নহয়। জীৱিত মন এটা লৈ থকা যিকোনো মানুহেই অকল ছাত্ৰ-ছাত্ৰীসকলেই নহয়, সকলোৱে কিবা এটা কৰিব পাৰে।

প্ৰশ্ন ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে অলপ জনাব নেকি? আপোনাৰ হাতত বৃহত পৰিকল্পনা আছে নেকি?

উত্তৰ ঃ মোৰ ভৱিষ্যত পৰিকল্পনা হ'ল- ইঞ্জিনিয়াৰিং, Arts, Commerce, Science বা অৰ্ধশিক্ষিতৰ সকলো খিনিকে লৈ এখন আবিষ্কাৰৰ জগত খোলা। য'ত সকলোৱে জড়িত হয়।

প্ৰশ্ন ঃ পৃথিৱীৰ পাঁচটা শ্ৰেষ্ঠ আবিষ্কাৰৰ বিষয়ে ক'ব লগা হ'লে আপুনি কি কি পাঁচটা আবিষ্কাৰৰ কথা ক'ব?

উত্তৰ ঃ পৃথিৱীৰ কথা নাজানো মই । মোৰ কথা জানোঁ। মোৰ কথা ক'বলৈ গলে বিকলাঙ্গ মানুহৰ কাৰণে নিজে খাব পৰা, নিজে চাফ-চিকুন হ'ব পৰা যিখিনি বস্তু মই উলিয়াইছোঁ সেইখিনিয়ে মোৰ বাবে শ্ৰেষ্ঠ।

প্ৰশ্ন ঃ অন্য গ্ৰহত জীৱৰ বসবাস সম্পৰ্কত আপোনাৰ মতামত?

উত্তৰ ঃ ইমান ডাঙৰ Universe অত ক'ৰবাতটো কিবা আছেই। আৰু এটা কথা ইমান শূন্যৰ মাজত ক'ত কি আছে কোনে জানে ? বা থাকিলে নাথাকিলে আমাৰ কি আহে যায় ? আমাৰ যিখিনি আছে সেইখিনি লৈ থকাই ভাল। যদি আন গ্ৰহত প্ৰাণী আছে, তেন্তে প্ৰাণীবোৰ ভয়ংকৰ প্ৰাণী নে আমাৰ নিচিনা সুষম প্ৰাণী তাৰ কোনো প্ৰমাণ নাই। পৃথিৱীৰো বহু বছৰ হ'ল। ইমানদিনে যদি সেইসকল থাকিলেহেঁতেন তেন্তে এদিন আহি ওলালে হয়। সেইখিনি চিনেমা আৰু কাল্পনিক জগতলৈ থোৱা যাওক। বৰ্তমান পৃথিৱীৰ যিখিনি আছে সেইখিনি চোৱাতো ভাল।

প্ৰশ্ন ঃ সপোনৰ উদ্ধৱ ভড়ালীজনৰ বিষয়ে জনাব নেকি?

উত্তৰ ঃ সপোনৰ লগৰী একেবাৰে মই সাধাৰণ মানুহ। কিয়নো নাজানো মোক ইমান সন্মান কৰে। সেই কথা মই বুজি নাপাওঁ । মই কৰা কাম সকলোতকৈ উজু বুলি মই ভাবোঁ। মই ভাবো আটাইতকৈ উজু কাম এইটোৱেই যি মই কৰোঁ।

প্ৰশ্ন ঃ আপুনি যদি কিবা কাৰণত অকলশৰীয়াকৈ এটা দ্বীপত থাকিব লগা হয়, লগত যদি মাত্ৰ দুটা সামগ্ৰীহে আপোনাক নিবলৈ দিয়ে, আপুনি কি কি নিব?

উত্তৰ ঃ মই একো লৈ নাযাওঁ। সেই দ্বীপটোত থকা বস্তুৰ পৰা প্ৰয়োজনীয় বস্তুবোৰ মই বনাই লম।

প্ৰশ্ন ঃ নৱ-প্ৰজন্মলৈ আপোনাৰ বাৰ্তা -

উত্তৰ ঃ নৱ-প্ৰজন্মক Criticise কৰি থকাটো মই বেয়া পাওঁ। সকলো কথাতে নৱ-প্ৰজন্মৰ দুখ খুচৰি থকাটো মই বেয়া পাওঁ। এইটো মোৰ অপছন্দৰ কথা। ডাঙৰখিনিয়ে তেওঁলোকক কি দিছে আৰু তাৰ পাছত তেওঁলোকৰ ভুল ধৰি থাকে। নৱ-প্ৰজন্মৰ গ্লেমাৰটো অত্যাধিক বাঢ়ি গৈছে। তাৰ ভিতৰত পাঁচ শতাংশ কিন্তু মানুহৰ সংস্কাৰহীনতাৰ কাৰণে ধ্বংস হৈছে। সাধাৰণতে ভাৰতত ইমান জনসংখ্যা বেছি হৈ গ'ল সেই Population অৰ মাজত নিজকে Establish কৰাটো কঠিন হৈ পৰিল। গতিকে এই ক্ষেত্ৰত Big Challenge ও আছে। আমাৰ বয়স্কসকলৰ ভুলৰ বাবেহে এইটো অৱস্থা। তেওঁলোকৰ প্ৰতি এইটোৱেই আহ্বান যে আমাৰ ভুলখিনি তেওঁলোকে আঙুলিয়াই দিয়ক। আমি যি ভুল দেখুৱাইছো সেইখিনি তেওঁলোকে ধৰক। এইটোকে কামনা কৰোঁ । আনৰ কথা বেয়াকে পতাৰ প্ৰৱণতা আমি বাদ দিব লাগিব । মোৰ বেৰৰ কাষত কিবা বেয়াকে

পাতিলে মই শুনিমেই। গতিকে ভুলখিনি কোনে কৰিছে বয়স্কসকলে কৰিছে ? তেওঁলোকক আমি ভাল পৰিবেশত যদি ৰাখিলোহেতেন কিয় বেয়া হ'লহেঁতেন। Mobile টো উলিয়াইছিল কোনে ? নৱপ্ৰজন্মৰ কি ১৯ বছৰীয়া ল'ৰাটোৱে উলিয়াইছিল নেকি? ডাঙৰখিনিয়ে উলিয়াইছে ন ? গতিকে ভুল কৰিছে কোনে ? নিজে কৰি আনক ক'লে নহয়। গতিকে আমাৰ ভুলবোৰক ধৰক, যিখিনি ভুল দেখুৱাইছোঁ, সেইখিনি তেওঁলোকে Mainly Identify কৰক । কথাটো ওলোটা গাদীৰে কাটি আছে তেওঁলোকক (নৱপ্ৰজন্মক)।

প্ৰশ্ন ঃ অনাগত দিনৰ বাবে কিবা নতুনকৈ আঁচনি লৈছে নেকি?

উত্তৰ ঃ মোৰ জীৱিকাই সেইটো। গোটেই ভাৰততে একমাত্ৰ মইয়ে যাৰ নেকি আবিষ্কাৰেই মূল জীৱিকা। আৰু গোটেই Worldৰ পৰা কাম আহে ইয়ালৈ। Any Time Assignment ইয়াত পৰিয়ে থাকে। ইটো কৰা সিটো কৰাৰ। আজি মই কাৰোবাৰ লগত জড়িত হোৱাটো তেওঁলোকৰ বাবে সন্মানৰ কথা। এনে দিন আছিল য'ত মোক লেই লেই চেই চেই কৰিছিল কোনেও মোক নামানেই। জিকাবলৈ যে জীৱনত Interview লৈ ফুৰিছা সেইটো ডাঙৰ কথা নহয়, জিকিবলৈ চাবা জিকিবলৈ। জিকি বহুত ভাল লাগে। মই এতিয়াও জিকোঁ জিকি বহুত ভাল পাওঁ আৰু সদায় শিকিয়ে থাকিম। মই এনেকুৱা এটা Episode ভালপাওঁ য'ত মোক কোনোবাই অৱজ্ঞা কৰি যায় আৰু তাৰপাছত তেওঁ মোক আদৰিব লগা হয়। গতিকে মই জীৱনত বিচাৰো সেইটো। গতিকে অৱজ্ঞা কৰাটো মোৰ কাৰণে বেয়া নহয়। তুমি মোক অৱজ্ঞা কৰি মোক কাম এটাহে দিছা। যে তুমি মোক আদৰিব পৰা কিবা এটা কৰা।

প্ৰশ্ন ঃ ছাৰ আপুনি হাৰি পাইছে কেতিয়াবা?

উত্তৰ ঃ নাই। হৰাটো মোৰ কোনো কথাই নহয়। কোনো কাম আৰম্ভ কৰোঁ শেষ কৰো। অ' কামটো এৰি দিলেহে মানুহে হাৰে। পিছে ব্যক্তিগত জীৱনত মই বহুত বাৰ হাৰিছোঁ। কিন্তু কৰ্ম জীৱনত মই হৰা নাই। ব্যক্তিগত জীৱনত মই বহুতবাৰ হাৰিছোঁ, সকলো হেৰুৱাইছোঁ। এইটো কেতিয়াও মই Accept নকৰোঁ। মই Confidence থকা মানুহ।


প্ৰশ্ন ঃ ছাৰ আপোনাৰ সাফল্য জীৱনত পৰিয়ালৰ ভূমিকা?

উত্তৰ ঃ কোনেও কৰা নাই। এইবিলাক সকলো মিছা কথা। সেইবোৰ সাহিত্যৰ ক্ষেত্ৰত আহে। কোনোবাই কবিতা লিখে, কোনোবাই কিবা লিখিছে তাত পৰিয়াল আহিব । নাটক কৰিলে, গান গালে, চিনেমা কৰিলে সেইবোৰ বেলেগ কথা। মোৰ কামত ৰস নাই । তাত আৰু তুমি নাভাবিবা এইবোৰ কথা। সফল ব্যক্তিৰ আঁৰত সকলো আহি যায়। মই কৈছোঁ সফল ব্যক্তি এটা ছাটিৰ দৰে। ছাটিৰ তলত বৰষুণৰ পৰা হাত সাৰিবলৈ বা বাছিবলৈ সকলোৱে আহে। সফলতাৰ জীৱন মানে সফলতাৰ বাটত যেতিয়া যাব খুজিবা তেতিয়া সকলোৱে তোমাৰ কাষলৈ আহিব।



সাক্ষাৎকাৰ

# চিলাপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া হিতেশ টায়েৰ সৈতে অন্তৰংগ আলাপ



প্ৰশ্ন ঃ নমস্কাৰ গ্ৰহণ কৰিব । খুড়া আপুনি চিলাপথাৰ মহাবিদ্যালয়ত মুখ্য গাণনিক বিষয়া হিচাপে বহুবছৰ ধৰি কাম কৰি আহিছে । আৰম্ভণিৰ সময়ত মহাবিদ্যালখনৰ আৰ্থিক অৱস্থা কেনেকুৰা আছিল সেই বিষয়ে অলপ ক'ব নেকি ?

উত্তৰ ঃ চিথাপথাৰ মহাবিদ্যালয়খন স্থাপিত হৈছিল ১৯৭৯ চনত । মই মহাবিদ্যালয়ত গাণনিক বিষয়া হিচাপে যোগদান কৰিছিলোঁ ১৯৮৪ চনৰ ১৮ এপ্ৰিল তাৰিখে । মোৰ যোগদানৰ সময়ত মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থা বিশেষ টনকিয়াল নাছিল । অনা চৰকাৰী অনুষ্ঠান হোৱা হেতুকে বেংকৰ লেনদেন বিশেষ নাছিল । বিভিন্ন শিতানৰ খৰচ যেনে-Registration, Exam fees, Annual Sports, Contingency, Travelling allowance, শিক্ষক কৰ্মচাৰীৰ মজুৰী আদিবোৰ এটা বেংক একাউন্টৰ পৰাই কৰা হৈছিল । আকৌ কেতিয়াবা পইছা নহ'লে শিক্ষক-কৰ্মচাৰীক বেতন দিয়াই নহৈছিল । এনকৈয়ে সুখে-দুখে দিনবোৰ চলি আছিল ।

প্ৰশ্ন ঃ আপুনি শিক্ষা গ্ৰহণ ক'ত, কেনেদৰে কৰিছিল সেই সম্পৰ্কে অলপ জনাব নেকি ?

উত্তৰ ঃ মোৰ প্ৰাথমিক শিক্ষা কুলাজান প্ৰাথমিক স্কুলৰ পৰাই আৰম্ভ হৈছিল । হাইস্কুলৰ শিক্ষা গ্ৰহণ কৰিছিলোঁ এতিয়াৰ চিচি চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৬৭ চনত । ১৯৭৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সেই চনতেই ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ত নামভৰ্তি কৰি তাৰ পৰাই বাণিজ্যত স্নাতক ডিগ্ৰী হওঁ ।

প্ৰশ্ন ঃ গাণনিক বিষয়া হিচাপে কাম কৰি থাকোঁতে নিশ্চয়কৈ আপোনাৰ বহুতো তিতা-মিঠা অভিজ্ঞতা হৈছিল । অলপ আমাক ক'ব নেকি খুড়া ?

উত্তৰ ঃ অনা-চৰকাৰী অনুষ্ঠান হৈ থাকোঁতে তিতা-মিঠা অভিজ্ঞতাৰ পৰিমাণ অলপ বেছি আছিল । সময়মতে প্ৰাপ্য মজুৰিখিনিও দিব নোৱাৰিছিলোঁ । সহকৰ্মীসকলৰ বিয়া-সভাহ, পূজা-পাৰ্বন ইত্যাদিতমজুৰি দিবলৈ ফান্দ নোহোৱা হয় । তেতিয়া বেছি তিতা লাগি যায় । সময়ত অধ্যক্ষ মহোদয়ে যাৰ তাৰ পৰা ঋণ লৈ যোগাৰ কৰি দিছিল ।

প্ৰশ্ন ঃ আপোনাৰ চাকৰি জীৱনত নিশ্চয়কৈ ভাল লগা আৰু বেয়া লগা দুয়োটা অভিজ্ঞতাই হৈছে । আমাক ভাল লগা আৰু বেয়া

লগা অভিজ্ঞতা দুটাৰ বিষয়ে ক'ব নেকি ?

উত্তৰ ঃ চাকৰি কৰা দিনত ভাল লগা দিন বুলি ক'বলৈ গ'লে সেই দিনটোৰ কথাই ক'ব লাগিব যিদিনা আমাৰ মহাবিদ্যালয়খনি চৰকাৰী মজুৰীপ্ৰাপ্ত হ'ল । আনহাতে বেয়া লগা দিন বুলি ক'লে , মহাবিদ্যালয়খনি মজুৰীপ্ৰাপ্ত হ'বৰ সময়ত মহাবিদ্যালয় আৰু শিক্ষক-কৰ্মচাৰীৰ নথি-পত্ৰ থকা এটা টিনৰ বাকচ ভৰাই গুৱাহাটী পল্টন বজাৰৰ পৰা কাহিলিপাৰাৰ ডি. পি. আই. অফিচলৈ মূৰত তুলি খোজ কাঢ়ি সেই সময়ৰ অধ্যক্ষ মহোদয়ৰ লগত লৈ গৈছিলোঁ । সেইদিনা অসম বন্ধ আছিল ।

প্ৰশ্ন ঃ চিলাপথাৰ মহাবিদ্যালয়ত পূৰ্বতে পঢ়ি যোৱা আৰু বৰ্তমান পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ মাজত নিশ্চয়কৈ কিছু প্ৰভেদ আছে । সেই প্ৰভেদবোৰৰ বিষয়ে অলপ ক'ব নেকি ?

উত্তৰ ঃ পূৰ্বৰ ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট প্ৰভেদ দেখা যায় । পূৰ্বৰ ছাত্ৰ-ছাত্ৰীসকলে এতিয়া পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ দৰে ঘোটকা, ধুম-পান জাতীয় বস্তুবোৰ সেৱন কৰা প্ৰত্যক্ষ কৰা নাছিলোঁ । চাৰিত্ৰীক দিশত তেতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক-কৰ্মচাৰীক শ্ৰদ্ধা- ভক্তি কৰিছিল । অপ্ৰিয় হ'লেও ক'ব লাগিব-এতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰদ্ধা-ভক্তি, অমায়িক চৰিত্ৰ বাদ দি স্মাৰ্ট দেখুওৱাৰ প্ৰৱণতা দেখা যায়।

প্ৰশ্ন ঃ মহাবিদ্যালয়ৰ কোনবোৰ কথাই আপোনাক উৎসাহিত কৰে আৰু কোনবোৰ কথাই আপোনাক নিৰুৎসাহিত কৰে ?

উত্তৰ ঃ বৰ্তমান মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ তৎপৰতাত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ নিয়মানুৱৰ্তিতাই উচ্চ খাপলৈ গতি কৰা দেখি উৎসাহিত হওঁ । শিক্ষাৰ পৰিৱেশ, মহাবিদ্যালয়ৰ আন্তঃগাঁথনি দেখি ভাল লাগি যায় । শিক্ষক-কৰ্মচাৰীৰ কামৰ বোজা দেখি কেতিয়াবা নিৰুৎসাহিত হওঁ।

প্ৰশ্ন ঃ আপোনাৰ দৃষ্টিত ছাত্ৰ-ছাত্ৰীৰ আৰু শিক্ষকৰ সম্পৰ্ক কেনে হোৱা উচিত ?

উত্তৰ ঃ মোৰ মতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সম্পৰ্ক মধুৰ হোৱা উচিত। শিক্ষকৰ ওচৰত সহজ হ'লেহে ছাত্ৰ-ছাত্ৰীয়ে নিশিকা কথা শিকিবলৈ, নজনা কথা জানিবলৈ শিক্ষক্ষকৰ ওচৰ চাপিব পাৰিব।

প্ৰশ্ন ঃ যোৱা ২০১৬ চনৰ পৰা নতুনকৈ নামভৰ্তি কৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে যি বিনামূলীয়া নামভৰ্তিৰ সুবিধা প্ৰদান কৰিছে, সি ছাত্ৰ-ছাত্ৰীক কেনেদৰে উপকৃত কৰিব বুলি আপুনি ভাবে ?

উত্তৰ ঃ বিনামূলীয়া নামভৰ্তিৰ সুবিধাই বি. পি. এল. পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক বহুতো উপকাৰ কৰিব। কাৰণ বহুত মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে অৰ্থৰ অভাৱত নামভৰ্তি কৰিব নোৱাৰে। কিন্তু আচল প্ৰতিভাক অৰ্থৰ অভাৱে বাধা দিব নোৱাৰে।

প্ৰশ্ন ঃ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ প্ৰতি আপোনাৰ দৃষ্টিভংগী-

উত্তৰ ঃ বৰ্তমানৰ অধ্যক্ষৰ দৃষ্টিভংগী উচ্চ। সময়ৰ আগতেই কাম সমাধা কৰিব বিচাৰে । যাৰ বাবে কৰ্মচাৰীৰ ওপৰতো কামৰ বোজা বাঢ়ে । ই কিন্তু শুভ লক্ষণ বুলিয়েই মই অনুভৱ কৰোঁ।

প্ৰশ্ন ঃ অৱসৰ সময়খিনিক লৈ কাম কৰাৰ কিবা পৰিকল্পনা কৰিছে নেকি ?

উত্তৰ ঃ অৱসৰ শব্দটোৰ অৰ্থই জিৰণী । কিন্তু জিৰণীৰ প্ৰয়োজন নাই বুলিয়েই মই ভাবোঁ। দেহাই পাৰে মানে কিবা এটা কৰি যাব লাগে । বিশেষ পৰিকল্পনা নাই যদিও কাম কৰি যাম ।

প্ৰশ্ন ঃ ভৱিষ্যতৰ দিনত চিলাপথাৰ মহাবিদ্যালয়ক কি ৰূপত চাব বিচাৰে ?

উত্তৰ ঃ উন্নত আন্তঃগাঁথনি, শৈক্ষিক পৰিৱেশ আৰু শিক্ষক কৰ্মচাৰীৰ সহযোগীতাত ভৱিষ্যতৰ দিনত মহাবিদ্যালয়খনক মিনি ইউনিভাৰ্চিটিৰ ৰূপত চাব বিচাৰোঁ।

---

*সাক্ষাৎ গ্ৰহণ কৰিলে প্ৰাঞ্জল দাস*
*সহকাৰী অধ্যাপক*

# আমাৰ গাঁওবোৰৰ বিষয়ে যৎকিঞ্চিৎ

চিলাপথাৰ অসমৰ ধেমাজি জিলাত অৱস্থিত এখন ব্যৱসায়িক নগৰ । ধেমাজিৰ পাছতে চিলাপথাৰ নগৰখন ধেমাজি জিলাৰ প্ৰধান ঠাই। ই অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত। নগৰখন ব্ৰহ্মপুত্ৰৰ উত্তৰৰ দিশে ১৬কি. মি. আঁতৰত অৱস্থিত। নগৰখনৰ কেন্দ্ৰ পৰা অসম অৰুণাচল সীমান্তত অৱস্থিত লিকাবালি নগৰলৈ দূৰত্ব ৭ কি. মি.। গুৱাহাটীৰপৰা কলীয়া ভুমুৰা হৈ প্ৰায় ৫০০ কি. মি. বাট। ধেমাজি জিলা সদৰৰ পৰা নগৰখনলৈ দূৰত্ব প্ৰায় ৩৫ কি. মি.। জিলাখনৰ আন এখন প্ৰধান ঠাই জোনাই । চিলাপথাৰ জোনাই বিধান সভা সমষ্টিৰ অন্তৰ্গত। এই জোনাইলৈ চিলাপথাৰৰ পৰা দূৰত্ব ৭২ কি. মি.। চিলাপথাৰৰ মাজ-মজিয়াতে অৱস্থিত মহাবিদ্যালয়খনেই হৈছে চিলাপথাৰ মহাবিদ্যালয়। মহাবিদ্যালয়খনলৈ বৃহত্তৰ চিলাপথাৰ অঞ্চলটোৰ উপৰিও ধেমাজি জিলাৰ বিভিন্ন ঠাইৰপৰা ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ আহে। আমাৰ এই সমীক্ষাসূচক প্ৰবন্ধটোত মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীবোৰ যিসমূহ গাঁৰৰ পৰা আহিছে, সেই গাঁওসমূহৰ ভিতৰৰ ৭ খন গাঁৰৰ বিষয়ে এটা থূল মূল ধাৰণা দিবলৈ যত্ন কৰা হৈছে।

## দুই নং চিলা গাঁও

চিলা গাঁওখন ধেমাজি জিলাৰ চিচি বৰগাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত চিলাপথাৰ পঞ্চায়তৰ ১০ নং ৱাৰ্ডত অৱস্থিত। গাঁওখন চিলাপথাৰৰ নগৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ দূৰত্বত অৱস্থিত। চিলাপথাৰ নাম অনুসৰিয়েই এই গাঁওখনৰ নাম চিলাগাঁও হৈছে। বৰ্তমান ১০ নং ৱাৰ্ড পঞ্চায়তৰ তথ্য অনুসৰি এই গাঁওখনৰ জনসংখ্যা আনুমানিক ১৫০০-১৬০০ৰ ভিতৰত আছে। চিলা গাঁওখন অতি পুৰণি গাঁও। গাঁওখনত বিভিন্ন জাতি সম্প্ৰদায়ৰ লোক আছে। যেনে- সোনোৱাল কছাৰী, বড়ো কছাৰী, বঙালী, মিচিং আদি। ঘাইকৈ গাঁওখনত সোনোৱাল কছাৰী লোকসকলৰ সংখ্যা অধিক। চিলা গাঁওখনক সোনোৱাল কছাৰী গাঁও বুলিয়েই ক'ব পাৰি। কাৰণ বৰ্তমান ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণে থকা চিলাবালি গাঁৰৰ পৰা ঠেকেৰাগুৰি গাঁৰৰ ওচৰলৈকে এক বৃহৎ সোনোৱাল কছাৰী গাঁও আছিল বুলি জনা যায়। তিনিশ ঘৰমান মানুহ থকা এই গাঁওখন ১৯৫০ চনৰ ভূমিকম্পৰ ফলত ছেদেলি-ভেদেলি হৈ পৰে। উৰ্বৰা মাটি তল-ওপৰ হোৱাই নহয়, পাহাৰীয়া নদীয়ে গোটেই অঞ্চলটোক বালিৰ বলুকাত পৰিণত কৰিছিল। গছ-গছনি ঘৰ-দুৱাৰ নিঃশেষ হোৱাৰ উপৰিও ভূমিকম্পৰ পিছত হোৱা মহামাৰীৰ ভয়ত বহু মানুহ আন আন অঞ্চললৈ গুচি গৈছিল। আৰু পিছলৈ সেই ঠাইবোৰত অন্য সম্প্ৰদায়ৰ লোকে বসবাস কৰিবলৈ লোৱাৰ বাবে বৰ্তমানে সোনোৱাল কছাৰী গাঁও বুলি একেবাৰতে ক'ব নোৱাৰি।

১৯৫০ চনৰ আগৰে পৰা চিলা গাঁৰৰ মাজ মজিয়াত মালিনীথান নামে এখন থান আৰু থানৰ ওচৰা-ওচৰিকৈ এটা দুৰ্গা মন্দিৰ আছে। ২ নং চিলাগাঁৰৰ প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দক্ষিণ দিশত এই থানখন আৰু দুৰ্গা মন্দিৰটো অৱস্থিত। বিহু সংক্ৰান্তিত পূজা-পাতল কৰাৰ উপৰিও এই থানখনত প্ৰতি বৃহস্পতিবাৰে গাঁওৱাসীয়ে চাকি-বাতি জ্বলায়, দুৰ্গা মন্দিৰত প্ৰতি বছৰে দুৰ্গা পূজা পালন কৰা হয়। এই পূজাত ৰাইজৰ মংগল কামনাৰ্থে জীৱ-জন্তু আৰু ফল-মূলৰ বলি-বিধান দিয়া পৰিলক্ষিত হয়।

চিলাগাঁওখন বহু পুৰণি যদিও শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বৰ দেৰিকৈ পোহৰ পৰা যেন লাগে। এইখন গাঁৰৰ স্বৰ্গীয় ভৱানন্দ শাইকীয়াদেৱে বহুবোৰ সামাজিক কাম কৰাৰ কথা জনা । ১৯৩৬ চনত চিলাগাঁৰত স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয়খনৰ প্ৰথমজন শিক্ষাগুৰু আছিল স্বৰ্গীয় মতিলাল সোনোৱাল। এই গুৰুজনাৰ গাঁওখনলৈ শিক্ষাৰ অৱদান বহু আছিল।

চিলাগাঁৰৰ পুৰণি বাসিন্দাসকলে চিচিবৰ গাঁওৰ হাটত বেহা-বেপাৰ কৰিছিল। নিমখ, ধপাত, কেৰাচিন তেল আদি নিত্য নৈমিত্তিক বস্তুৰ বাহিৰে আজি-কালিৰ দৰে শাক-পাচলি আদিৰ বেপাৰ বজাৰত প্ৰচলনেই নাছিল। চিলা অঞ্চলৰ পৰা অকাজান হৈ চিচি বৰগাঁওলৈ খোজেৰে যোৱা ৰাস্তা পথ হাবিৰ মাজেৰেহে আছিল।

বৰ্তমানে চিলাগাঁওখন আগতকৈ উন্নত হ'ল। গাঁওখনৰ ৰাস্তা-পথ আদি পকী হ'ল। ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটো উন্নত আৰু যাতায়তৰ ব্যৱস্থা অতি সুবিধাজনক। গাঁওখনত বৰ্তমান বিদ্যালয়ৰ সংখ্যা প্ৰায় ছয় (৬) খন। বিদ্যালয় কেইখনৰ নাম-

১। অৰুণোদই জনজাতি মধ্য ইংৰাজী বিদ্যালয় (১৯৮৬),
২। অৰুণোদই জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় (১৯৯১),
৩। ১৮ নং প্ৰাথমিক বিদ্যালয় (১৯৩৬),
৪। অংগনবাড়ী বিদ্যালয়,
৫। চিলা জনজাতি মধ্য ইংৰাজী বিদ্যালয় আৰু
৬। চিলা জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়।

গাঁওখনৰ লোকসকল সহজ-সৰল প্ৰকৃতিৰ। তেওঁলোকৰ মাজত মিলা-প্ৰীতিৰ ভাব স্পষ্টকৈ দেখা যায়।গাঁওখনত উৎসৱ পাৰ্বন, পূজা-পাতল আদি হ'লে লোকসকলে মিলা-প্ৰীতিৰে আয়োজন কৰা দেখা যায়।গাঁওখনত কেইবাটাও চুবুৰী লগ লাগি চিলা গাঁওখন গঠিত হৈছে।চুক বা চুবুৰীৰ নামবোৰ হৈছে- সোণালী চুক, কৰদৈ চুক, নামচুক, টেপাৰী চুক আদি। গাঁওখনত চুক বা চুবুৰী অনুসৰি নামঘৰ আছে। সেই নামঘৰবোৰতে পৰম্পৰাগত ধৰ্মীয় নীতি-নিয়ম পালন কৰে।

গাঁওখনৰ প্ৰায়ভাগ লোকৰ আৰ্থিক অৱস্থা ভাল নহয়।প্ৰায়বোৰ লোকে দিন-হাজিৰা কৰি কোনোমতে চলি আছে। বৰ্তমানে প্ৰায় ৯০ শতাংশ লোক কৃষি নিৰ্ভৰশীল। আৰু ১০ শতাংশ লোকে চাকৰি কৰি আছে।গাঁওখনৰ প্ৰায়বোৰ যুবক মেট্ৰিক পাছ, হাইছেকেণ্ডেৰী পাছ কৰি ঘৰতে কৃষি কৰ্মত নিয়োগ হ'ব লগা হৈছে।কাৰণ সন্তানক উচ্চ শিক্ষা দিবলৈ তেওঁলোকৰ পিতৃ-মাতৃ আৰ্থিক ভাৱে অক্ষম।

শেষত ক'ব পাৰি যে গাঁওখন যদিও আৰ্থিকভাৱে পিছপৰা তথাপিও লোকসকলে পৰিশ্ৰম কৰি সুখ শান্তিৰে জীয়াই থাকিবলৈ চেষ্টা কৰিছে।

**মৌচুমী সোনোৱাল**
চতুৰ্থ ষান্মাসিক

□ □ □

# কুলামুৰা গাঁও

মোৰ গাঁওখনৰ নাম কুলামুৰা। এই গাঁওখন ধেমাজি জিলাৰ অন্তৰ্গত চিলাপথাৰ নগৰৰ পৰা দক্ষিণ দিশত তিনি কিলোমিটাৰ দূৰত্বত অৱস্থিত। গাঁওখনৰ ডাকঘৰ অকাজান, থানা চিলাপথাৰ । গাঁওখন জনসংখ্যাৰ ফালৰ পৰা বৃহত্তৰ বুলিব পাৰি।ইয়াত প্ৰায় দুশ ঘৰ মানুহে বসবাস কৰে।

এই গাঁওখন বিভিন্ন জাতি জনগোষ্ঠীৰ সংগমস্থল । ইয়াত প্ৰধানকৈ আহোম, মিচিং, চাহ জনগোষ্ঠী, বঙালী আদি জাতি জনগোষ্ঠীৰ বসতিস্থল। সেয়েহে এই গাঁওখন সংস্কৃতিৰ ফালৰ পৰা এখন চহকী গাঁও । ইয়াত বাস কৰা জাতি জনগোষ্ঠীসমূহে বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠান, ৰীতি-নীতি, নিয়ম-কানুন পালন কৰি এটা সমন্বয়ৰ সংস্কৃতি গঢ় দিয়াত গুৰুত্ব দিয়া দেখা যায় । এই সমন্বয়ৰ সংস্কৃতিয়ে জাতি-জনগোষ্ঠীসমূহক ঐক্য সংহতিৰে তথা সমিল-মিলেলে বসবাস কৰাত সহায় কৰিছে।

গাঁওখনৰ যোগাযোগৰ ব্যৱস্থা যিমান উন্নত হ'ব লাগিছিল সিমান উন্নত নহয়। এই গাঁওৰ দুই তৃতীয়াংশ ৰাস্তাই পকী। অৱশ্যে এতিয়াও এই গাঁৱত বাৰিষা বোকা পানী গচকি অহা যোৱা কৰিব লাগে।

এই গাঁওখনত নিম্ন পৰ্যায়ৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক বিদ্যালয়লৈ সকলো ধৰণৰ শিক্ষানুষ্ঠান আছে । তৎসত্বেও কিন্তু প্ৰাথমিক পৰ্যায়তে স্কুল এৰা বহুটো ল'ৰা-ছোৱালী ইয়াত আছে। এই গাঁওৰ প্ৰায় ৪০ শতাংশ লোকহে শিক্ষিত যেন অনুমান হয়।আকৌ এই গাঁওৰ সকলো জাতি জনগোষ্ঠীৰ লোক সমানে আগবঢ়া নহয়। ইয়াত স্নাতক ডিগ্ৰীধাৰী লোক ১৩ জন আৰু স্নাতকোত্তৰ ডিগ্ৰী ধাৰি লোক ৩ জন লোক আছে।

এই গাঁওৰ লোকসকলৰ প্ৰধান জীৱিকাৰ উপায় খেতি। তাৰ উপৰিও ইয়াত দিন হাজিৰা কৰা লোকো আছে।

এই গাঁওৰ প্ৰধান সমস্যা ঃ

১। গাঁওখনৰ প্ৰধান সমস্যা হৈছে বিশুদ্ধ খোৱা পানীৰ সু-ব্যৱস্থা নাই।

২। এই গাঁওৰ যাতায়ত ব্যৱস্থা এতিয়াও ভাল বুলি ক'ব নোৱাৰি।

৩। এই গাঁওৰ অধিক সংখ্যক লোক অ-শিক্ষিত।

৪। এই গাঁওৰ অধিক সংখ্যক লোক দৰিদ্ৰ সীমাৰেখাৰ তলৰ যদিও এই লোকসকলৰ বাবে থকা

বিভিন্ন চৰকাৰী আচনীসমূহ এই গাঁওত উপযুক্তভাৱে ৰূপায়ণ হোৱা নাই।

**ভৱিষ্যত দিনত এই গাঁওখন ঃ**

প্ৰতিখন সমাজতে সমস্যা থাকে। বাস্তৱ পৃথিৱীত ১০০% সমস্যাহীন সমাজৰ কল্পনা কৰাতো পৰ্বতৰ ওপৰত কাছ কণী বিছৰাৰ দৰে কথা। সেয়ে হ'লেও সমস্যাবোৰ কম কৰাৰ বহুতো উপায় আছে। অনাগত দিনত আমাৰ গাঁওখনে সকলো ধৰণৰ সমস্যাৰ লগত মোকাবিলা কৰি এখন আদৰ্শ গাঁও হিচাপে আগবাঢ়ি যাওক তাকে আশা কৰিছোঁ।

**টিংকু গগৈ**
স্নাতক দ্বিতীয় ষান্মাসিক

□ □ □

# আমগুৰি বালি গাঁও

অসমৰ বুকুৰেদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ পাৰে পাৰে বসতি লোৱা নৈ পৰীয়া মিছিং গাঁওসমূহৰ ভিতৰত আমগুৰি বালি গাঁওখনো এখন ৰাজহ গাঁও। ধেমাজি জিলাৰ চিচি বৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মধ্য চিচি টঙনী গাঁও পঞ্চায়তৰ দহ নং ৱাৰ্ডেই হৈছে আমগুৰি বালি গাঁও।

**গাঁওখনৰ ভৌগোলিক অৱস্থান ঃ**

গাঁওখনৰ উত্তৰে খেতি পথাৰ আৰু কলাবাৰী গাঁও, দক্ষিণে ব্ৰহ্মপুত্ৰ নদী, পূৰে মৰা বুঢ়ীসুঁতি আৰু নামঘৰীয়া গাঁও, পশ্চিমে ৰজাফুল

গাঁও, ডাম্বোক সীমা আৰক্ষী চকী আৰু বগীবিল দলং। মথাউৰিয়ে গাঁওখনক পূৰা-পশ্চিমাকৈ দুভাগ কৰিছে।

**আমগুৰি বালি গাঁও নামাকৰণ ঃ** ১৯৫০ চনৰ বৰ ভূইকম্পৰ পিছত ব্ৰহ্মপুত্ৰ নদীৰ প্ৰলয়ংকাৰী বানপানী আৰু গড়া খহনীয়াই নৈ পৰীয়া মিছিং গাঁওসমূহ ছিন্ন-ভিন্ন কৰিবলৈ ধৰিলে। প্ৰকৃতিৰ তাণ্ডৱত উপায়হীন হৈ আৰকেপ বালি আৰু মথুৰা বালিৰ ১৫-২০ টা মান পৰিয়ালে উত্তৰ-পশ্চিম দিশে অৱস্থিত খজুৰা বিল পাৰ হৈ বসতি স্থাপন কৰিবলৈ লয়। যি ঠাইত বসতি স্থাপন কৰিছিল সেই ঠাইখনৰ ওচৰত বৃহৎ বৃহৎ চাৰিজোপা আম গছ একেটা বৰ্গক্ষেত্ৰত স্তম্ভৰ দৰে থিয় হৈ আছিল। তদুপৰি ঠায়ে ঠায়ে কেইজোপামান আমগছো আছিল। সেই আমগছ বিলাকক আধাৰ কৰিয়েই গাঁওখনৰ নাম "আমগুৰি বালি গাঁও" হ'ল।

জনসংখ্যা ঃ গাঁওখনৰ বৰ্তমান জনসংখ্যা ৮০ টা পৰিয়ালত ৫৫২ জন লোক। গাঁৱৰ পৰা চাকৰি ও ব্যৱসায় সূত্ৰে ধেমাজি, চিলাপথাৰ, ডিব্ৰুগড়, লক্ষীমপুৰ, গুৱাহাটী আদিলৈ প্ৰবজন হৈছে।

জীৱিকা ঃ আমাৰ গাঁৱৰ প্ৰতি পৰিয়ালেই কৃষিজীৱি। ধান, মাহ, সৰিয়হ, নহৰু, আলু আদি খেতি কৰি জীৱন নিৰ্ব্বাহ কৰি আহিছে যদিও ধান খেতিয়েই প্ৰধান খেতি। বৰ্তমান কেইবাজনো উদ্যোগী যুবকে বৈজ্ঞানিক পদ্ধতিত খেতিৰ অনুপযোগী মাটিত ৰবি শস্যৰ খেতি কৰি যথেষ্ট লাভৱান হৈছে।

**শিক্ষা ঃ** গাঁওখনত প্ৰাথমিক বিদ্যালয় এখন আছে। ১৯০৫ চনত তাহানিৰ মথৰা বালি গাঁৱত স্থাপন কৰা প্ৰাথমিক বিদ্যালয়খনৰ নাম মথৰা চাপৰি প্ৰাথমিক বিদ্যালয়। গাঁওখনৰ উত্তৰ-পূৱ দিশৰ নামঘৰীয়া গাঁৱত মহাত্মা গান্ধী উচ্চ আৰু মধ্য বিদ্যালয় দুখন আছে। গাঁওখনৰ শতকৰা ৯০ জন লোকেই স্বাক্ষৰ। গাঁওখনত H.S উৰ্ত্তীৰ্ণ হোৱা সংখ্যা প্ৰতি পৰিয়ালত ৩/৪ জন মানকৈ আছে বুলি কলেও বঢ়াই কোৱা নহ'ব। তলত তাৰ তথ্য ডাঙি ধৰা হ'ল-

১। প্ৰৱেশিকা উৰ্ত্তীৰ্ণ ঃ ১২৬ জন।

২। প্ৰাক্ স্নাতক ঃ ৮০ জন।

৩। স্নাতক ঃ ৬০ জন।

৪। চৰকাৰী কৰ্মচাৰীৰ সংখ্যা ঃ ১৬ জন।

**স্বাস্থ্য ঃ** গাঁওখনৰ স্বাস্থ্য ব্যৱস্থা উন্নত বুলি ক'লে ভুল কোৱা হ'ব। যিহেতু ৯ কিঃ মিঃ দূৰত্বত দেউৰীঘাটত ৰাজ্যিক চিকিৎসালয় আৰু ৬ কিঃ মিঃ আঁতৰত মেছাকী টঙানী উপ স্বাস্থ্য কেন্দ্ৰখন অৱস্থিত। গাওঁখনৰ সকলো পুৰুষ মহিলাই স্বাস্থ্যৰ প্ৰতি সজাগ বুলি ক'ব পাৰি। প্ৰধান মন্ত্ৰীৰ "স্বচ্ছ ভাৰত" আঁচনিৰ অধীনত অনাময় আঁচনিৰ জৰিয়তে Toilet নিৰ্মাণ কৰি দিয়াত স্বাস্থ্যৰ কিছু উন্নত হৈছে।

**যাতায়ত আৰু যোগাযোগ ঃ** ২০০৩-০৪ চনলৈ গাঁওখনৰ যাতায়ত ব্যৱস্থা সুচল নাছিল। চিলাপথাৰ অথবা ধেমাজিলৈ যাবলৈ দেউৰীঘাট অথবা কুলাজানলৈ খোজ কাঢ়ি যাব লগা হৈছিল। উত্তৰ-পূৱ ৰেলৱেৰ বগীবিল দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগে লগে যাতায়ত ব্যৱস্থা সুচল হ'ল।

**ধৰ্ম আৰু সমাজ ব্যৱস্থা ঃ** গাঁওখনৰ সকলো লোকেই হিন্দু ধৰ্মাৱলম্বী বুলি ক'লেও বঢ়াই কোৱা নহ'ব। যিহেতু গাঁওখনত দুটা পৰিয়ালহে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক আছে। হিন্দু ধৰ্মৰ অংশ "কাল সংহতি" হিচাপে নিজা পৰম্পৰা ৰীতি-নীতিৰে পূজা অৰ্চনা কৰে। দবুৰ পূজা, গ্ৰহ পূজা, ওৰম, দদ্গাং, আলি আয়ে লৃগাং, পঃৰাগ উৎসৱ আদি লোকাচাৰ মতে পালন কৰি আহিছে।

আমাৰ গাঁওখনত থকা অপৃন বিলাক - কুটুম, পেগু, দলে, লেতুম, মিলি, দাৰ আদি। সেই সকলো বিলাক অপৃন মিলি এটি পৰিয়ালৰ দৰে উদাৰভাৱে সমাজ ব্যৱস্থাৰ মাজেৰে জীৱন নিৰ্বাহ কৰি আহিছে। গাঁওখনৰ অপায়-অমঙ্গল বিপদ-আপদ হ'লে গাঁৱৰ ৰাইজে সমূহীয়াভাৱে প্ৰতিকাৰৰ চেষ্টা কৰে। পূজা-পাৰ্বন, বিবাহ আদিতো এই সহযোগ দেখা যায়।

**চনিয়া কুটুম**

স্নাতক দ্বিতীয় ষান্মাসিক, বুৰঞ্জী বিভাগ

□ □ □

# গেলুৱা কেন্দুগুৰি গাঁও

ধেমাজি জিলাৰ চিলাপথাৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ নিলগত আমাৰ গেলুৱা কেন্দুগুৰি গাঁওখন অৱস্থিত। গাঁওখনৰ ঠিকনা এনেধৰণৰ-

গাঁও ঃ গেলুৱা কেন্দুগুৰি

ডাকঘৰ ঃ চিলাপথাৰ

ডাক সূচকাংক ঃ ৭৮৭০৫৯

জিলা ঃ ধেমাজি (অসম)

আমাৰ গাঁওখনত মূলতঃ আহোম সম্প্ৰদায়ৰ লোকে বাস কৰে। গাঁওখনত তিনিটা ধৰ্মীয় অনুষ্ঠান আছে। নামঘৰ দুটা আৰু আঞ্চলিক শিৱ মন্দিৰ এটা। তদুপৰি, গাঁওখনত দুখন চৰকাৰী বিদ্যালয় আছে। এখন প্ৰাথমিক বিদ্যালয় আৰু আনখন মাধ্যমিক বিদ্যালয়। এটা অংগনবাড়ী কেন্দ্ৰও আমাৰ গাঁৱত আছে।

আমাৰ গাঁওখনত যাতায়ত আগৰ তুলনাত ভাল হৈছে যদিও সেয়া যথেষ্ট বুলি ক'ব নোৱাৰি। বৰ্তমানেও গাঁওখনৰ সকলো পথ পকী হৈ উঠা নাই।

আমাৰ গাঁওত শিক্ষিতৰ হাৰ ৮০ শতাংশলৈ বৃদ্ধি হৈছে। গাঁওখনত পঢ়াৰ এটা সুস্থিৰ পৰিৱেশ আছে বুলি ক'ব পাৰি।

আমাৰ গাঁৱৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় কৃষি। অৱশ্যে দিন হাজিৰা কৰিও বহুলোকে জীৱিকা নিৰ্বাহ কৰে। চাকৰি কৰা লোকৰ সংখ্যা নাই বুলিলেও হয়। ব্যৱসায়ৰ ক্ষেত্ৰটো একেই কথা।

সাংস্কৃতিক ক্ষেত্ৰটো আমৰ গাঁওখন কোনোগুণে কম নহয়। ভাওনা, সবাহ, বিভিন্ন স্মৃতি দিৱস আদি আমাৰ গাঁৱত প্ৰায়ে পালন কৰি থকা হয়। তদুপৰি, গায়ন, বায়ন,বিহু, হুচৰি আদিৰ ক্ষেত্ৰটো আমাৰ গাঁওখন এখন আদৰ্শ গাঁও বুলি ক'ব পাৰি। গাঁওখনত বৰ্তমান গোলকীকৰণৰ প্ৰভাৱো লক্ষ্য কৰা যায়। সকলো মানুহ সমিলমিলেৰে থকাটো গাঁওখনৰ অন্যতম বৈশিষ্ট্য।

আমাৰ গাঁৱৰ প্ৰত্যেকৰে ঘৰতে চেনিটেৰী শৌচাগাৰ, পানীৰ সু-ব্যৱস্থা আছে। গাঁৱৰ আলি-পদূলি পৰিস্কাৰ-পৰিচ্ছন্ন। গাঁওখনত বৰ্ণ-বৈষম্যৰ কোনো স্থান নাই । অন্ধবিশ্বাস, কু-সংস্কাৰ নাই যদিও জৰা-ফুকা, বেজ-বেজালিৰ প্ৰভাৱ নুই কৰিব নোৱাৰি । চোৰাই-চিতাই সকাম পতা আজিও দেখা যায়। অৱশ্যে এনে কামবোৰ পূৰ্ব-পুৰুষক সন্মান জনাইয়ো কৰা হয়।

শেষত ইয়াকে ক'ব খোজো যে, মৰম চেনেহেৰে বান্ধ খাই থকা আমাৰ গাঁওখন এখন আদৰ্শ গাঁও । পৰৱৰ্তী দিনত গাঁওখন অধিক উন্নত ৰূপত চাব বিচাৰোঁ।

**সোনমনি নাওহলীয়া**

স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

□ □ □

# চেকাইমুখ গাঁও

ধেমাজি জিলাৰ চিলাপথাৰৰ পৰা প্ৰায় ১৭ ১৮ কিলো মিটাৰ দূৰত্বত আমাৰ চেকাইমুখ গাঁও অৱস্থিত । ডাকঘৰ ঃ বুঢ়িসুতি , পিন নং ঃ ৭৮৭১১০ , থানা ঃ চিলাপথাৰ , জিলা ঃ ধেমাজি (অসম)।

চেকাইমুখ গাঁওখনত মূলতঃ মিছিং জনজাতি লোকে বসবাস কৰে । গাঁওখনত ধৰ্মীয় অনুষ্ঠান বুলিবলৈ নামঘৰ এটা আৰু মুৰংঘৰ এটা আছে। আমাৰ গাঁৱত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকো আছে।

আমাৰ গাঁৱত শিক্ষানুষ্ঠানৰ ভিতৰত এখন প্ৰাথমিক বিদ্যালয়, এখন অংগনবাড়ী কেন্দ্ৰ আৰু এখন মিনি কেন্দ্ৰ আছে । গাঁৱৰ ওচৰতে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ো আছে । গাঁওখনত শিক্ষিত লোকৰ সংখ্যা ৮০ শতাংশ। গাঁওখনত শিক্ষিত নিবনুৱাৰ সংখ্যাও কম নহয়।

আমাৰ গাঁৱৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় কৃষি। গাঁওখন বুঢ়িসুঁতি নদীৰ পাৰত অৱস্থিত। বাৰিষা ব্ৰহ্মপুত্ৰৰ পানীয়ে গাঁওখন বুৰাই পেলায়। বানপানীয়ে খেতি অনিষ্ট কৰাৰ বাবে গাঁৱৰ লোকসকলে বহুত কষ্টত দিন পাৰ কৰিবলগীয়া হয়।

গাঁওখনৰ যোগাযোগ ব্যৱস্থা একেবাৰে বেয়া। বাৰিষা বাট পথ সম্পূৰ্ণ শোচনীয় হৈ পৰে। গাঁৱৰ মানুহে বেপাৰ-বাণিজ্যৰ বাবে বহুদূৰ বাটকুৰি বাই কুলাজান নাইবা চিলাপথাৰলৈ আহে।

সাংস্কৃতিক দিশত আমাৰ গাঁওখন সদায় এখোজ আগত। বিশেষকৈ আলি-আই-লৃগাং, পঃৰাগ, দঃবুৰ পূজা আৰু বিহু আমাৰ গাঁৱত প্ৰতি বছৰেই পালন কৰি আহিছে। মিছিং লোকসকলে অতীতৰ পৰা পূৰ্ব-পুৰুষক পূজা কৰে। এইক্ষেত্ৰত আমাৰ গাঁওখনো পিছপৰি থকা নাই।

অতি কম দিনৰ ভিতৰত আমাৰ গাঁওখন এই সমস্যাবোৰৰ পৰা হাত সাৰি এখন আদৰ্শ গাঁৱলৈ পৰিণত হ'ব বুলি আমৰ বিশ্বাস।

**নিতুমণি পেগু**

চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

□ □ □

# বৰপথাৰ গোহাঁই গাঁও

অসমৰ আৰু অৰুণাচল ৰাজ্যৰ সীমামূৰীয়া ঠাইখনেই হ'ল আমাৰ বৰপথাৰ গোহাঁই গাঁও। এই গাঁওখন ধেমাজি জিলাৰে অন্তৰ্গত। ইয়াৰ ডাকঘৰ মাদুৰিপথাৰ; আৰক্ষী চকী হ'ল চিলাপথাৰ। চিলাপথাৰৰ পৰা আমাৰ গাঁৱলৈ প্ৰায় ৩.৫০ কিলোমিটাৰ। গাঁওখনৰ মাজেৰে গৈছে দুটাকৈ পকী ৰাস্তা। ৰাস্তাটো ক্ৰমে অৰুণাচলৰ পৰা আহি ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথত সংযোজিত হৈছে। এই গাঁৱৰ যাতায়ত ব্যৱস্থা ভাল। এই গাঁওখনত হাজং আৰু আহোম আদি সম্প্ৰদায়ৰ লোকে বসবাস কৰে। আমাৰ গাঁওত প্ৰায় ১৯৫ ৰো অধিক ঘৰ আছে।

গাঁওখনৰ চাৰিসীমা ক্ৰমে পূবে খনামুখ, পশ্চিমে সৰুপাম হাজং গাঁও আৰু সৰুপাম জাজি গাঁও, উত্তৰে ভাৰতীয় সেনা বাহিনীৰ চাউনী আৰু দক্ষিণে মৰাণ গাঁও আৰু বাবুৰতি গাঁও আছে। ধেমাজি জিলাৰ পুৰণি গাঁওসমূহৰ ভিতৰত আমাৰ গাঁও এখন অন্যতম গাঁও। গাঁৱৰ বয়সীয়াল লোকসকলৰ মুখে মুখে শুনা মতে এই গাঁওখন প্ৰায় চীন যুদ্ধৰ আগে-পাচে প্ৰতিষ্ঠা হোৱা। শিক্ষাৰ ক্ষেত্ৰত গাঁওখন যথেষ্ট আগবঢ়া। আমাৰ গাঁৱৰ বাপু প্ৰাথমিক বিদ্যালয়খন মোৰ ঘৰৰ পৰা নিচেই ওচৰত । গাঁওখনৰ দক্ষিণে "লাকুৱা চুক প্ৰাথমিক বিদ্যালয় অৱস্থিত । ইয়াৰ দূৰত্ব মোৰ ঘৰৰ পৰা প্ৰায় ২ কিলোমিটাৰ। গাঁওখনৰ মাজতে আছে বৰপথাৰ নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়। ইয়াৰ দূৰত্ব মোৰ ঘৰৰ পৰা প্ৰায় ১.৫০ কিলোমিটাৰ। ইয়াৰ উপৰিও সৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে। ইয়াত গৰ্ভৱতী মহিলা আৰু কেচুৱাৰ চোৱা চিতা কৰা হয়। আমাৰ ঘৰৰ ওচৰতে এখন শ্ৰীশ্ৰী সেৱা আশ্ৰম আছে। ইয়াত অনাথ আৰু বিশেষ ভাৱে সক্ষম ল'ৰা-ছোৱালীক চোৱা-চিতা কৰা হয়। ইয়াৰ উপৰিও উচ্চ মাধ্যমিক বিদ্যালয় এখন আছিল। কিন্তু কিবা কাৰণত এই বিদ্যালয়খন কেইবছৰ মানতেই বন্ধ হৈ গ'ল।

মোৰ গাঁওৰ ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত চাৰিটা নামঘৰ আৰু এটি চ্যাওচেৰেং আৰু এটি যুৱসংঘ আছে। এই গাঁৱৰ উৎসৱ অনুষ্ঠানৰ

ভিতৰত বসন্ত উৎসৱ আৰু হাজং জনজাতি সকলৰ বিভিন্ন উৎসৱ যেনে- বাস্তো পূজা, বৰ্ত পূজা (মনসা দেৱীৰ পূজা), ন খোৱা, কাৰ্তিক পূজা, দৈল পূজা, ফো'কুৰা উৎসৱ আদি পালন কৰা হয়।

গাঁওখনৰ যোগাযোগ ব্যৱস্থা ক'বলৈ গ'লে ভাল। গাঁওৱ দলংবোৰ পকী । কিন্তু আমাৰ ঘৰৰ পৰা প্ৰায় খোজকাঢ়ি ২০ মিনিট মান বাট আহি ৰাষ্ট্ৰীয় ঘাই পথ যোৱা ৰাস্তাত গাড়ীৰ সুবিধা পোৱা যায়। খোৱা পানীৰ কাৰণে ঘৰে ঘৰে টিৱেলৰ ব্যৱস্থা আছে। এই পানীত কম-বেছি পৰিমাণে হ'লেও আইৰণ আছে। এই গাঁওখনত বানপানীৰ সমস্যা নাই।

গাঁৱৰ প্ৰায় ৯০ শতাংশ লোকেই কৃষিজীৱী। কৃষিয়েই জীয়াই থকাৰ পথ। অৱশ্যে বহু লোকে দিন হাজিৰাও কৰে। বহু সংখ্যক লোকেই চাকৰীও কৰে। ইয়াৰ উপৰিও দুই-এজন লোকে ব্যৱসায় কৰিও জীৱন নিৰ্বাহ কৰি আছে।

আমাৰ গাঁৱৰ শিক্ষিত হাৰ ক'বলৈ গ'লে ভালেই। কিয়নো বহু লোক B.A, M.A, B.Com, B.Sc. পাছ। ইয়াৰ উপৰিও অভিযান্ত্ৰিক মহাবিদ্যালয়ত পঢ়া ছাত্ৰও আছে।

গাঁওখনৰ দুটা প্ৰধান সমস্যা হ'ল - আইৰন মুক্ত চৰকাৰী খোৱা পানীৰ ব্যৱস্থা আৰু গাঁওখনত বৈদ্যুতিক ব্যৱস্থা ভাল হ'ব লাগে কিয়নো ল'ৰা-ছোৱালীৰ পঢ়াৰ সময়ত আৰু News চোৱাৰ সময়ত কাৰেণ্ট নাথাকে। ভৱিষ্যতে আমাৰ গাঁওখন সকলো দিশতে আগবাঢ়ি যোৱাটো বিচাৰোঁ। ইয়াৰ উপৰিও মই বিচাৰোঁ মোৰ গাঁওখন যাতে বাঁহ-বেতৰ পৰা শিল-বালি ইটাৰ হয়, গাঁৱৰ লোকসকলে সকলোৱে ভাই-ককাইৰ দৰে বসবাস কৰে, সকলোৱে সকলোৰে সুখ-দুখৰ সমভাগি হয়। আমাৰ গাঁওখনৰ নাম জিলাৰ ভিতৰত জিলিকি থকাটো বিচাৰোঁ।

**কৰবী হাজং**
স্নাতক দ্বিতীয় ষান্মাসিক,অসমীয়া বিভাগ

□ □ □

# গালী মেছাকী



আমাৰ গাঁওখনৰ নাম গালী মেছাকী। আমাৰ গাঁওখন ধেমাজি জিলাৰ জোনাই মহকোমাত অৱস্থিত। প্ৰায় ২০০ টা ঘৰ আৰু প্ৰায় ১২০০ জনসংখ্যাৰে গঠিত আমাৰ গালী মেছাকী গাঁওখন। ইয়াৰে অধিক সংখ্যকলোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। আমাৰ গাঁওখন মিচিং জনগোষ্ঠীৰে পৰিপূৰ্ণ। মাত্ৰ চাতিঘৰহে চাহ জনগোষ্ঠীৰ লোক আছে।

আমাৰ গাঁওখনৰ প্ৰধান উৎসৱ আলি-আই-লিগাং। আলি-আই-লিগাং প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰ দিনা আমাৰ গাঁওখনে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই দিনা গাৱৰ ডেকা-গাভৰু, বঢ়া-বুঢ়ী, সকলোৱে মুৰং ঘৰত একগোট হৈ গুমৰাগ নৃত্য পৰিৱেশন কৰে আৰু পুৰাং আপিন, নগিন-পৰ আপং খায়। এই দিনা খেতি কৰাৰ শুভাৰম্ভ কৰাৰ নিয়ম নীৰ্তিও (পৰম্পৰা) পালন কৰা হয়।

আমাৰ গাঁৱৰ প্ৰধান সমস্যা হ'ল বানপানীৰ সমস্যা। বাৰিষাত গাঁওখনত বানপানী নহ'লেও খেতি পথাৰত কেতিয়াবা বানপানীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰে। বিশেষকৈ আমাৰ গাঁওখনৰ লোকসকলে ধান খেতি কৰে। কেতিয়াবা বাৰিষাৰ বানপানীয়ে ধান খেতি উঠাই লৈ যায়। আৰু এটা প্ৰধান সমস্যা হ'ল নিবনুৱা সমস্যা। আমাৰ গাঁৱত বহুটো ডিগ্ৰীদাৰী লোক আছে যদিও চৰকাৰী চাকৰি কৰা লোকৰ সংখ্যা কম।

**তলত আমাৰ গাঁওখনৰ সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা হ'ল-**


| | | |
|---|---|---|
| ১। | আমাৰ গাঁওখনৰ নাম | ঃ গালী মেছাকী |
| ২। | ৰাজ্য | ঃ অসম |
| ৩। | জিলা | ঃ ধেমাজি |
| ৪। | মহকুমা | ঃ জোনাই |
| ৫। | পৰিয়াল বা ঘৰৰ সংখ্যা | ঃ প্ৰায় ২০০ ঘৰ |
| ৬। | জনসংখ্যা | ঃ প্ৰায় ১২০০ |
| ৭। | শিক্ষিত হাৰ | ঃ ৯০ শতাংশ |
| ৮। | স্বাক্ষৰতাৰ হাৰ | ঃ ৯৯ শতাংশ |
| ৯। | ডিগ্ৰীদাৰী লোকৰ সংখ্যা | ঃ প্ৰায় ১৫০ |
| ১০। | চৰকাৰী চাকৰি কৰা লোকৰ সংখ্যা | ঃ ৭ জন |
| ১১। | প্ৰধান বৃত্তি | ঃ কৃষি |
| ১২। | প্ৰধান খেতি | ঃ ধান |
| ১৩। | আমাৰ গাঁৱত থকা স্কুলখনৰ নাম | ঃ গালী মেছাকী এল.পি. স্কুল (স্থাপিত ঃ ১৯০১ চনত) |

**নিউটন পেগু**
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

□ □ □

গ্ৰন্থ সমীক্ষা

## কাৰপুনপুলি টায়ে




ৰীতা চৌধুৰীৰ 'পপীয়া তৰাৰ সাধু' উপন্যাসখন ভিন্ন ধাৰাৰ এখন বাস্তৱধৰ্মী উপন্যাস। উপন্যাসখনৰ শীৰ্ষকটোৱে উপন্যাসখনৰ কাহিনীৰ সামগ্ৰীক স্বৰূপটোক প্ৰতিনিধিত্ব কৰিছে। উপন্যাসখনত সমাজৰ তথাকথিত ভদ্ৰ মানুহৰ মুখাৰ আঁৰত লুকাই থকা ভণ্ডামী কিছুমান উদঙাই দেখুওৱা হৈছে। গ্লেমাৰসৰ্বস্ব এখন সমাজৰ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু সুবিধাবাদীৰ ফোপোলা স্বৰূপ অতি বাস্তৱিকভাৱে উপন্যাসখনত ফুটাই তুলিছে।

ৰীতা চৌধুৰীৰ 'পপীয়া তৰাৰ সাধু' উপন্যাসখনত নাৰীৰ প্ৰতিবাদী কণ্ঠ, নাৰী মানসিকতা, নাৰীৰ সৎ সাহস ইত্যাদিক সুন্দৰ ৰূপত উপস্থাপন কৰিছে। উপন্যাসৰ স্বাভাৱিক গতিৰে আগবঢ়া কাহিনীক্ৰমত সংবাদ জগতৰ ঘটনাক্ৰম সন্নিবিষ্ট হৈছে। মূল নায়িকা জেউতীৰ জীৱন কাহিনী আগবঢ়াই নিওঁতে সঘনাই সংবাদ জগতৰ কাৰ্য, সামাজিক, ৰাজনৈতিক, ন্যায়-অন্যায় সম্পৰ্কে সবিস্তাৰে ব্যাখ্যা কৰিছে।

সংবাদ জগতৰ সকলো ঘটনাই হৈছে 'পপীয়া তৰাৰ সাধু'। উপন্যাসখনৰো এয়াই প্ৰধান বিষয়। কাহিনীত বৰ্ণিত মূল চৰিত্ৰ জেউতি। যি গৰাকীয়ে অৰ্পণা বাইদেউক আদৰ্শ হিচাপে লৈ জগতত নিজকে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। তাই কলেজত পঢ়ি থকা দিনৰে পৰা উপন্যাসখনৰ কাহিনীৰ শুভাৰম্ভ। কলেজীয়া জীৱনৰে পৰা তাই সাহিত্য জগতৰ লগত জড়িত আছিল। সেই সময়তে তাই সুবিমল ফুকনক লগ পাইছিল আৰু ফুকনে তাইক গুৱাহাটীলৈ আহিলে দেখা কৰিবলৈ কলে। এদিন সুবিমল ফুকনক তাই দেখা কৰিবলৈ যায়। ফুকনে তাইক ইমানেই প্ৰাধান্য দিয়ে যে সংবাদ জগতত তাই নক্ষত্ৰ হ'বলৈ সপোন দেখিলে। যাৰ সপোনত তাই নিজৰ অস্তিত্ব পাহৰি গৈছিল। পৰ্দাৰ আঁৰত লুকাই থকা এচাম ভদ্ৰৰ মুখাপিন্ধা ব্যক্তিৰ সংগত থাকি তাইৰ বাবে ভাল-বেয়া বিচাৰ কৰাটো কঠিন হৈ পৰিল। কিয়নো মুখাপিন্ধা ভদ্ৰলোকসকল অৰ্থাৎ সুবিমল ফুকন, নবীন দুৱৰা, অলকা হাজৰীকা, প্ৰীতম, মনোৰমা বৰুৱা, উৎপল বৰুৱা ইত্যাদিয়ে তাইক ইমান আপোন দেখুৱাইছিল য'ত তাই অপূৰ্ব, শুভ্ৰ, ৰূপালী অৰ্থাৎ তাইৰ শুভাকাংক্ষীবোৰৰ কথা অবিশ্বাস কৰিবলৈ বাধ্য হৈ পৰিল। সময় বাগৰি যোৱাৰ পিছত মুখাপিন্ধা ভদ্ৰলোকসকলে তেওঁলোকৰ আচল ৰূপ তাইক দেখুৱাবলৈ আৰম্ভ কৰিলে। নক্ষত্ৰ হ'ব খোজা জেউতিক সকলোৱে পপীয়া তৰাৰ দৰে কৰি পেলাইছিল। তেওঁলোকে তাইৰ সৈতে নিজৰ শাৰীৰিক প্ৰয়োজন পূৰণ কৰিব বিচাৰিছিল। কিন্তু তাই ঘৰলৈ উভতি যাবও সাহস কৰা নাছিল। কিয়নো তাইক কমল আৰু মা-দেউতাকে সংবাদ জগতত প্ৰৱেশ কৰিবলৈ বাধা দিছিল। তাই সকলোকে প্ৰতিবাদ কৰি সংবাদ জগতত প্ৰৱেশ কৰিছিল। সেই কাৰণেই প্ৰতিষ্ঠা লাভ কৰিবলৈ নবীন দুৱৰাৰ দৰে নষ্ট চৰিত্ৰৰ লোক এজনকে সংগীৰূপে লৈ থাকিবলৈ বাধ্য হৈ পৰিছিল।



জেউতিৰ উপৰিও অন্য বহুতো যুৱতীক ভদ্ৰ মুখাপিন্ধা লোকসকলে ব্যৱহাৰ কৰিছিল। এই কথাও উপন্যাসখনত সন্নিবিষ্ট কৰিছে। উপন্যাসখনত উঠি অহা লেখিকা আৰু অভাৱগ্ৰস্ত যুৱতীসকলক মিছা সপোন দেখুৱাই কিদৰে মুখা পিন্ধা কিছুমান লোকে নিজৰ প্ৰয়োজন চৰিতাৰ্থ কৰাত হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে, সেয়া উপন্যাসখনত ঔপন্যাসিকে শক্তিশালী ৰূপত উপস্থাপন কৰিছে । এচাম শক্তিশালী লোকে নিজৰ শক্তিৰ বলত কিদৰে সঁচাক মিছা মিছাক সঁচা কৰিব পাৰে, তাকো দেখুৱাইছে। উপন্যাসখনত জেউতিয়ে মুখ্য চৰিত্ৰ। যদিও তাইৰ জীৱনৰ উত্থান পতনৰ সংগ্ৰামখন ঔপন্যাসিকে সংবেদনশীলভাৱে উপস্থাপন কৰিছে। নিজকে প্ৰতিষ্ঠা কৰাৰ খাতিৰত জেউতিয়ে নিজৰ পৰিয়াল আৰু শুভাকাংক্ষীৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লগীয়া হৈছে। কিন্তু এই সংগ্ৰামত নিজৰ অস্তিত্ব হেৰুৱাই তাই শেষ পৰ্যন্ত প্ৰকৃত সত্যৰ বাবে যুঁজি আছিল । কিন্তু শেষ মুহূৰ্তত তাই সেই মুখা পিন্ধা ভদ্ৰ লোকৰ পৰ্দা খুলিব পাৰিছিল। তৎসত্বেও কিন্তু তাই নবাৰুণৰ অনুৰোধ মৰ্মে সত্যক কেতিয়াও মানুহৰ আগত প্ৰকাশ নকৰিলে। কিয়নো নবাৰুণ অৰ্পণাৰ স্বামী আছিল। অৰ্পণা তাইৰ আদৰ্শ আছিল । অৰ্পণা আৰু নবাৰুণৰ পুত্ৰৰ কাৰণে নবাৰুণে তাইৰ পৰা ভিক্ষা খুজিছিল। জেউতিয়ে মুখ নুখুলাৰ আঁৰত নবাৰুণে পুত্ৰৰ চিকিৎসাৰ কাৰণে এক মোটা পৰিমাণৰ ধন সুবিমল ফুকনৰ পৰা লাভ কৰিছিল। শেষত গুৰু দক্ষিণা হিচাপে নবাৰুণৰ অনুৰোধক ৰক্ষা কৰি তাই ভদ্ৰ লোকৰ মুখা নুখুলিলে।

তথ্যৰ অধিক্যই উপন্যাসখনক বহুসময়ত কাহিনীক ব্যাঘাত জন্মোৱা দেখা যায় । উপন্যাসখনত কেৱল মাত্ৰ পাঠক তৃপ্ত কাহিনী এটাই সন্নিবিষ্ট হোৱা নাই ।ইয়াত মুখা পিন্ধা ভদ্ৰ লোকসকলৰ প্ৰকৃত স্বৰূপ দেখা যায়। লগতে সত্যৰ পথত আগবঢ়া লোকৰ কথাও উপন্যাসখনত সুন্দৰভাৱে প্ৰতিফলিত হৈছে ।যাৰ ফলস্বৰূপে সংবাদ মাধ্যমত দুয়োধৰণৰ ব্যক্তি থাকে সেয়াও প্ৰমাণিত হৈছে।

থূলমূলকৈ ক'বলৈ গ'লে ৰীতা চৌধুৰীৰ 'পপীয়া তৰাৰ সাধু' উপন্যাসখনত সংবাদ জগতৰ কিছুসংখ্যক অসৎ ব্যক্তিয়ে নিজৰ শক্তি ব্যৱহাৰ কৰি কিদৰে এচাম দুৰ্বল শ্ৰেণীৰ লোকক নিজৰ প্ৰয়োজনৰ কাৰণে ব্যৱহাৰ কৰে, তাক স্পষ্ট ৰূপত দাঙি ধৰিছে । সংবাদ মাধ্যমৰ লগত জড়িত বহুসংখ্যক লোকে মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ শাৰীৰিক প্ৰয়োজন পূৰণ কৰে এই সকলো কথা উপন্যাসখনত সবিস্তাৰে বৰ্ণিত হৈছে। সমাজত দুৰ্বল শ্ৰেণীৰ লোকসকলে নিজক প্ৰতিষ্ঠা কৰিবলৈ কিমান সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয় তাৰ বাস্তৱধৰ্মী বৰ্ণনা উপন্যাসখনৰ অন্যতম গুৰুত্বপুৰ্ণ বিষয়।

---

## অসম চৰকাৰৰ বিনামূলীয়া নামভৰ্তিৰ সন্দৰ্ভত

# ছাত্ৰ- ছাত্ৰীৰ মতামত

অসম চৰকাৰে যোৱা ২০১৬ চনৰপৰা উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম ষান্মাসিকৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে নতুনকৈ নামভৰ্তি কৰিছে, তেওঁলোকৰ অভিভাৱকৰ বাৰ্ষিক আয় যদি এক লাখতকৈ কম, তেন্তে তেওঁলোকৰ নামভৰ্তি মাচুল সম্পূৰ্ণভাৱে বিনামূলীয়া কৰাৰ ব্যৱস্থা কৰিছে। চলিত ২০১৭বৰ্ষটো এই ধাৰা অব্যাহত ৰাখিছে ।অৱশ্যে যোৱা ২০১৬ বৰ্ষত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণভাৱে বিনামূলীয়া নামভৰ্তিৰ সুবিধা লাভ কৰিছিল, তেওঁলোকে চলিত বৰ্ষত ইউনিয়ন মাচুল দিবলগা হৈছে। অন্যহাতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১৬ বৰ্ষত স্নাতক তৃতীয় আৰু পঞ্চম ষান্মাসিকত অধ্যয়ন কৰি আছিল, তেওঁলোকে এই সুবিধা পোৱা নাছিল। গতিকে গোটেই বিষয়টোত এটা মিশ্ৰিত প্ৰতিক্ৰিয়া দেখা গৈছে। সেয়া যিয়েই নহওক অসমৰ শৈক্ষিক ক্ষেত্ৰখনত ই এটা বলিষ্ঠ পদক্ষেপ, সেয়া ধ্ৰুৱপ। বিষয়টো সন্দৰ্ভত চিলাপথাৰ মহাবিদ্যালয়ত অধ্যয়নৰত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া তলত উল্লেখ কৰা হ'ল —




শিক্ষা হ'ল সংবিধান স্বীকৃত মৌলিক অধিকাৰ। এই অধিকাৰ সকলোৰে বাবে। জাতি, ধৰ্ম, ভিন্ন ভাষা-ভাষী, উচ্চ-নীচ বুলি কোনো কথা নাই। বৰ্তমান যুগটো হ'ল বিজ্ঞানৰ যুগ। এই যুগত সকলো ক্ষেত্ৰলৈয়ে দ্ৰুত পৰিবৰ্তন অহা পৰিলক্ষিত হৈছে। যাৰবাবে দুখীয়া লোকে নিজৰ সন্তানক উপযুক্ত নাগৰিকৰূপে গঢ়ি তোলাত সমস্যাই দেখা দিছে। বস্তুৰ মূল্য দ্ৰুত হাৰত বৃদ্ধি হৈ অহাৰ পৰিপ্ৰেক্ষিতত আৰ্থিকভাৱে দুৰ্বল পিতৃ-মাতৃয়ে সন্তানক নামভৰ্তিৰ পৰা আৰম্ভ কৰি কিতাপ পত্ৰও যোগান দিব নোৱাৰে।

গাঁৱে-ভূঞে প্ৰায়ে শুনিবলৈ পোৱা যায় যে, যিসকল অভিভাৱকৰ বছেৰেকীয়া আয় কম তেওঁলোকে সন্তানক যেনে-তেনে মেট্ৰিকতো পাছ কৰোৱাৰ ওপৰতহে গুৰুত্ব দিয়ে। কিছুমান পিতৃ-মাতৃয়ে আকৌ ছোৱালী পঢ়ুৱাৰ ক্ষেত্ৰত কোনো গুৰুত্বই নিদিয়ে। আনৰ ঘৰত গৈ ভাতহে ৰান্ধিবগৈ যেতিয়া কিয় পঢ়া-শুনা কৰিব লাগে? তাতে ইমান অভাৱ। কিন্তু কেৱল মেট্ৰিক পাছ কৰিলে বা পঢ়া-শুনা নকৰিলে জানো আজিৰ তাৰিখত সমাজত কিবা অস্তিত্ব আছে ?

এই সকলো চিন্তা দূৰ কৰি শেহতীয়াকৈ অসম চৰকাৰখনৰ

আশাসুধীয়া প্ৰচেষ্টাত যোৱা ২০১৬-১৭ শিক্ষাবৰ্ষৰ পৰা নতুনকৈ নামভৰ্তি কৰা যিসকল অভিভাৱকৰ বাৰ্ষিক আয় এক লাখতকৈ কম তেওঁলোকৰ সন্তানে সম্পূৰ্ণ বিনামূলীয়াকৈ নামভতৰ্তিৰ সুবিধা লাভ কৰিছে। অৱশ্যে, যোৱা শৈক্ষিক বৰ্ষত এই সুবিধা কেৱল উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে লাভ কৰিছে।

এই আঁচনি কাৰ্যকৰী হোৱাত অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰী আৰু পিতৃ-মাতৃৰ মুখলৈ হাঁহি ঘূৰি আহিল। নিজৰ সন্তানক কলেজত পঢ়োৱাবলৈ পাই তেওঁলোক অতিকৈ আনন্দিত। ফলস্বৰূপে স্কুল-কলেজত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আগতকৈ বাঢ়িছে।

সেয়ে হ'লেও এই বছৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ফলাফল চৰকাৰী মাধ্যমৰ বিদ্যালয়বোৰৰ সন্তুষজনক নহয়। এইসমূহ ছাত্ৰ-ছাত্ৰীৰ সৰহ সংখ্যকেই বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা পাইছিল। গতিকে বহুতৰে মনত প্ৰশ্ন হৈছে এনে হোৱাৰ মূলতে বিনামূলীয়া নামভৰ্তি নহয়তু ? এটা কথা সঁচা যে যোৱা শৈক্ষিক বছৰৰ পৰা বহু ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা পোৱাৰ বাবেহে পঢ়িছিল। পঢ়িলৈ কিবা এটা কৰাৰ উদ্দেশ্য বহুতৰে নাই। ফলাফল যি কাৰণৰ বাবেই বেয়া নহওক কিয় সেই প্ৰভাৱ যে বিদ্যালয় বা মহাবিদ্যালয়খনত পৰিছে সেয়া ধ্ৰুৱপ। এইক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰীসকলেও কথাবোৰ বুজি ভালদৰে পঢ়ি চৰকাৰৰ উদ্দেশ্যক সফল কৰিব লাগে। চৰকাৰেও উচ্চতৰ মাধ্যমিক আৰু স্নাতক প্ৰতিটো শ্ৰেণীৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া নামভৰ্তিৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*— স্নাতক চতুৰ্থ ষান্মাসিকৰ কেইগৰাকীমান ছাত্ৰ ছাত্ৰী*

□ □ □

২০১৬বৰ্ষত শেহতীয়াকৈ আগবঢ়োৱা বিনামূলীয়া নামভৰ্তি প্ৰযোজ্য হ'ল সেইসকলৰ বাবেহে যিসকলে ২০১৬ চনত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু স্নাতক প্ৰথম ষান্মাসিকত নামভৰ্তি কৰিছিল। বাকিখিনি অৰ্থাৎ আগতে পঢ়ি থকা ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰা নাই। অৱশ্যে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰী-ছাত্ৰীয়েও এই সুবিধা লাভ কৰিছে যদিও খউব কম মাচুলৰহে ৰেহাই তেওঁলোকে পাইছে। সেইখিনি ৰেহাই নোপোৱা হ'লেও অসুবিধা নাছিল বুলি বহু ছাত্ৰ-ছাত্ৰীয়ে আলোচনা কৰা শুনোঁ।

চৰকাৰে মাচুল ৰেহাইৰ সুবিধা দিছিলেই যেতিয়া দৰিদ্ৰ সীমাৰেখাৰ সকলোকে দিয়া উচিত আছিল বুলি মনে ধৰে। কিন্তু আমি কিয় এই সুবিধাৰ পৰা বঞ্চিত হ'লো ? বহু ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া নামভৰ্তিৰ সুবিধা পাম বুলি ভাবি পঢ়াৰ কথা ভাবিছিল যদিও সেয়া সপোনেই হৈ থাকিল। কোনোৱে আকৌ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিল যদিও দ্বিতীয় বৰ্ষত পইচাৰ অসুবিধাৰ বাবে আধাতে পঢ়া সামৰিব লগা হৈছে। কোনোৱে নামভৰ্তি কৰিও ফৰ্ম-ফিলাপ কৰাৰ অসুবিধাৰ বাবে পঢ়া এৰিছে।

অসম চৰকাৰৰ এই সুবিধা কোনেও বেয়া বুলি কোৱা নাই। সকলোৱে প্ৰশংসা কৰিছে। কিন্তু ই সমালোচনাৰো উৰ্দ্ধত নহয়। কিয়নো এই সুবিধা সকলোৱে পোৱা নাই। শেষত চৰকাৰলৈ এটাই অনুৰোধ যে চৰকাৰে যি আঁচনিয়েই নলওক কিয় সেয়া সকলোৱে গ্ৰহণযোগ্য হোৱাকৈ কৰিলে আমি অধিক সুখী হ'ম।

**—মৰমী দিহিঙ্গীয়া**

স্নাতক চতুৰ্থ ষান্মাসিক

□ □ □

অসম চৰকাৰে শেহতীয়াকৈ কৰা বিনামূলীয়া নামভৰ্তিয়ে মোৰ দৰে বহুতো ছাত্ৰ-ছাত্ৰীক বহুত উপকাৰ কৰিছে। বহুতো ছাত্ৰ-ছাত্ৰীৰ পঢ়িবলৈ বহুত ইচ্ছা থকা সত্বেও, পঢ়াত ভাল হ'লেও টকাৰ অভাৱৰ বাবে পঢ়িব নোৱাৰে। কিন্তু চৰকাৰে শেহতীয়াকৈ যি পদক্ষেপ লৈছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। আমিও এই সুবিধা ভালদৰে গ্ৰহণ কৰি ভালদৰে পঢ়া-শুনা কৰিব লাগে।

**— নীৰৱ দাস**

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



# REPORT FROM GENERAL SECRETARY

At these very beginning of my report writing I would like to convey my profound sense of gratefulness to the principal, vice principal, the members of the teaching staff and non teaching staff and all the students of Silapathar college. Along with this ,I would like to convey my thanks and sincere gratitude to those great persons who had established Silapathar college with their hard labour and sacrifice.

Secondly, I would like to like to give my heartiest thanks to all the all who elected me as a general secretary in the session I have successfully completed the terms with flying colours. And I am very thankful to these students and teacher who give their support.

At last not the least , I cannot say how much successful I have been as general secretary ,but I made efforts to serve my fellow members and general students. I wish best of luck to the new union who will get the opportunity to serve this college and I strongly hope that they will complete those whose left in complete. I offer my congratulation and gratitude to my advisors sir who helped in every step and every work.

Hoping bright future of our Silapathar College and Silapathar College Students' Union, I conclude.


***John Pegu***

General Secretary

Silapathar College Students' Union - 2016-2017



# গুৰু ক্ৰীড়া সম্পাদক প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে চিলাপথাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা শিক্ষাৰ জ্যোতি বিলোৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে মোৰ অতি মৰমৰ সহপাঠী বন্ধু বৰ্গৰ লগতে মোৰ চেনেহৰ দাদা-বাইদেউ আৰু ভাইটি-ভণ্টীসকললৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

২০১৬-১৭ বৰ্ষৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক পদৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচক মণ্ডলীয়ে মোক গুৰু ক্ৰীড় সম্পাদক হিচাপে যোগ্য বুলি ক্ৰীড় বিভাগত সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ ঋণী হৈ ৰম।

২০১৬-১৭ বৰ্ষৰ গুৰু ক্ৰীড়া সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচতে মোৰ উপদেষ্টা হিচাপে শ্ৰদ্ধাৰ দিনেশ পেগু চাৰৰ সৈতে কাম কৰিবলৈ সুযোগ লাভ কৰিলোঁ।

আমাৰ বিদ্যালয় ক্ৰীড় সপ্তাহ আৰম্ভণিৰ আগত ফিল্ড এণ্ড ট্ৰেক বনোৱাৰ বাবে শ্ৰদ্ধাৰ দিনেশ পেগু ছাৰ, নবীন কাৰ্দং ছাৰ, মোৰ সহপাঠী পুলক মৰাং আৰু মাধুয্য কুম্বাংৰ সহযোগ পাওঁ। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে যি পাৰদৰ্শিতা দেখুৱালে তাৰ বাবে আমি গৌৰৱান্বিত। ছাত্ৰ-ছাত্ৰীসকলে উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰিলে জিলা তথা ৰাজ্যিক পৰ্যায়ত নিজৰ পাৰদৰ্শিতা দেখুওৱাব পাৰিব। মোৰ ভৱিষৎ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতি এটা অনুৰোধ থাকিব যে, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত প্ৰশিক্ষণ দি উন্নত মানদণ্ডৰ খেল দেখুৱাৰ চেষ্টা কৰিব লাগে।

মোৰ কাৰ্য কালত সকলো সময়তে সকলো প্ৰকাৰৰ সদায় সহযোগিতা তথা সু-পৰামৰ্শৰে উৎসাহিত কৰা বিভাগীয় উপদেষ্টা দিনেশ ছাৰৰ লগতে জ্ঞানৰ জ্যোতি বিলোৱা সকলৰ ওচৰত চিৰঋণী হৈ ৰলোঁ।

শেষত বিদ্যালয় সৰ্বাগীণ উন্নতি কামনা কৰি চমু প্ৰতিবেদন সামৰিলোঁ।

**মৌচম পাইত**

গুৰু ক্ৰীড়া সম্পাদক

চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৬-১৭ বৰ্ষ



# MINOR GAMES SECRETARY'S REPORT

What we now need is a teacher of Physical Education, If rightly guided by an experienced teacher I hope, many of our students also will be able to show commendable performance in national and international competition. I cordially hope that our college authority will take needful step to introduce physical education department in our college and appoint a qualified professor in coming days.

At the very begining of my report, I would like to express my deep sense at gratituade to senior and junior friends who elected me as Minor Games Secretary of Silapathar College, Silapathar and they gave me a chanch to serve the College.

I would also like to extend my heartfelt thanks to all the players who participating in the various competition held on the occasion of Annual College Week.

During the College Week. I conducted the valley ball, Badminton and Kabadi competitions. Everything event smoothly. But what I realized while conducting the competitions is that many of our players had to be deprived of participating in other event because of holding many events parallels. At the same time, it is also true that it is not possible to complete all com-petitions in a big college like ours where enrollment goes up more than one thousand within a stipulated schedule of time if not held simultaneously. How ever, in our College, students showed great interest in the games and sport. Many of them are enthusiastic and make individual efforts to learn art of playing games. But their Zeal and interest are not properly funded.

I must gesture my gratitude to all members of both teaching and not teaching staff for their valuable advice and non-teaching staff for their valuable advice and co-operation they unhesitationgly extended to me during my term of office. Last but not least, I would like to thank my respected professor-in-charge who guided me through out the tournament and helped me to conduct it at a higher standard.

With best wishes for the all round progress of the College in near future.

***Suniya Taye***
Minor Games Secretary
2017-2018



# REPORT FROM GENERAL SPORTS SECRETARY

At the very beginning of my report writing I would like to convey my profound sense of gratefulness to the Principal, Vice-Principal, the members of the teaching staff and the students of Silapathar College. Along with this I would like to convey my thanks and sincere gratitude to those great persons who had established Silapathar College with their hard labour and sacrifies.

I would like to extend my heartiest thanks to all who had elected me as a General Sports, secretary, in the session 2016-17. During my session I have successfully completed the terms with flying colours.

During my tenure, I organized competition in the Annual College Week 2016-17. Many of the students were participated in the college week. And I would like to thanks the professor incharge Sri Nabin Chandra Kardong for his active support and also all the members of the student union of the College for their Coperation in every field.

Hoping bright future of our Silapathar College and Silapathar College Students Union.

With regards–

***Ridip Pegu***
General Sports Secretary
2016-17



# CULTURAL SECRETARY'S REPORT

At the very beginning of my report writing, I would like to take the opportunity to thank the Principal ,Vice-Principal, all teaching and non-teaching staff, Members of students' Union and students of Silapathar College.

Secondly, I would like to give my heartiest thanks to the all who had selected me as a Cultural Secretary in Session 2016-17. During my time I organized many competition namely Anunitom, Oino:tom, Bihu Geet, Borgeet, Hindi songs, Bhupendra sangeet, Single Dance etc. In the Annual College Week 2016-14. The participation and performance courage me as well as other students.

At last not the least, I would like to thank the professor in-charge Mrs. Tultul Phukan, for her active support and also all the members of the student union of the college for their co-operation in every field.

I wish success for each and every one for a bright future, I conclude.

***Geeta Chungkrang***
Cultural Secretary
Silapathar College Students' Union - 2016-2017



# তৰ্ক শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত চিলাপথাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ চিৰ নমস্য শিক্ষা গুৰু তথা কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মই ২০১৬-১৭শিক্ষাবৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক শাখাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'লোঁ। ছাত্ৰ একতা সভাৰ তৰ্ক শাখাৰ সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰি২০১৬-২০১৭ বৰ্ষৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই মোৰ চিৰ নমস্য শিক্ষাগুৰু 'বুৰঞ্জী' বিভাগৰ শ্ৰীযুত শিৱনাথ পাইত ছাৰক তত্ত্বাৱধায়ক হিচাপে বাছি লওঁ। তেখেতে বহু ব্যস্ততাৰ মাজতো মোৰ বিভাগৰ কাৰ্যসমূহ যেনেদৰে সূচাৰুৰূপে পৰিচালনা কৰি গৈছিল তাৰ বাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে মোক বিশেষভাৱে দিহা পৰামৰ্শ আগবঢ়োৱা ৰাজু পেগু চাৰ, জয়ৰাম ঝা চাৰ, লীলাৰাম নেৱাৰ ছাৰ, গৌতম ছাৰ তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত সহায় কৰা দাদা-বাইদেউ, সহপাঠী বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ তৰ্ক শাখাৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ তলত উল্লেখ কৰা হ'ল।

**কুইজ প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ দিজিত ফুকন, মইনা চেতিয়া, সুভম পাল

দ্বিতীয় স্থান ঃ টংকেশ্বৰ পেগু, নিউটন পেগু, টিংকু গগৈ

তৃতীয় স্থান ঃ বাবলু উপাধ্যায়, দীপক ৰাৰী, লক্ষ্মণ ভট্টৰাই

**তৰ্ক প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ কৃষ্ণ বৰগোহাঁই

দ্বিতীয় স্থান ঃ ঘনকান্ত দলে, মৰমী দিহিঙীয়া

তৃতীয় স্থান ঃ নিউটন পেগু

জয়তু চিলাপথাৰ মহাবিদ্যালয়

জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

**সোনমনি নাওহলীয়া**

সম্পাদিকা, তৰ্ক বিভাগ



# REPORT FROM LITERARY SECRETARY

At first let me take this opportunity to thank the principal. Vice-Principal, all the teaching and non-teaching staff, members of students' union and all the students of Silapathar College.

Secondly, I would like to give my heartiest thanks to the all who selected me as a literary secretary in the session 2016-2017. In my session I have successfully completed all the literary activities.

During my tenure, I organised many completions namely newspaper reading, poem recitation, essay and poem writing, art (drawing) competitions. Memory test etc. in Annual College week 2016-2017. Apart from this many students participated in the competitions.

Last but not the least, I would like to thank the professor in-charge Dr. Abdul Mutalib for his active support and also all the members of the students union of the college for their co-operation in every field.

I wish success for each and everyone for a bright future.

Long live Silapathar College!

Long live Silapathar College Students' Union!!

***Manisha Wary***
Literary Secretary
Silapathar College Students' Union - 2016-2017



# GIRLS' COMMON ROOM SECRETARY REPORT

At the very beginning of my report writing I would like to convey my profound sense of gratefulness to the Principal, Vice-Principal, the members of the teaching staff and non-teaching staff and all the students of Silapathar College. Along with this I would like to convey my thanks and sincere gratitude to those great persons who had established Silapathar College with their hard labour and sacrifices.

Secondly, I would like to give my heartiest thanks to the all who had selected me as a GIRLS COMMON ROOM secretary in the session 2016-17 like bygone years in my term in office of GIRLS COMMON ROOM secretary also, the Annual College week was held and a host of competitions exhibited their attitude in various events. Their participation and performance encouraged me as well as other students. In fact, it is a great pleasure to see students taking active part in every field.

At last not the least, I cannot say how much successful I have been as GIRLS COMMON ROOM secretary, but I made efforts to serve my fellow members and general students. I wish best of luck to the new union who will get the opportunity to serve this college and I strongly hope that they will completely those which left incomplete.

I offer my congratulation and gratitude to my advisors mainly who helped in every step and every work.

Hoping bright future of my Silapathar College and Silapathar College Students' Union, I conclude.

***Purabi Nath***

Girls' Common Room Secretary

Silapathar College Students' Union - 2016-2017



# ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক প্ৰতিবেদন

জয়-জয়তে চিলাপথাৰ মহাবিদ্যালয়ৰ যিসকল চিৰ নমস্য ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত চিলাপথাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে, সেই সকলক মই বিশেষ ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয় তথা চিৰ সন্মানিত শিক্ষাগুৰুসকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদটিত মই মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলৰ কৃপাত মনোনীত হওঁ। মোক এই পদটিত মনোনীত কৰি মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে তাৰ বাবে সকলো শিক্ষাগুৰুলৈ মোৰ ধ্যনবাদ থাকিল।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তত্বাৱধায়ক হিচাপে মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰী মুকেশ দলে ছাৰক বাছি লওঁ। তেখেতে বিভিন্ন সময়ত মোক বিভিন্ন ধৰণে সহায় কৰে। বিশেষকৈ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত তেখেতে দেহে-কেহে লাগি মোক যিখিনি মহায় কৰিলে তাৰ বাবে তেখেতৰ ওচৰত চিৰ ঋণী হৈ ৰ'ম। লগতে মোক সকলো সময়তে সহায় সহযোগিতা কৰা মোৰ বন্ধু শ্ৰী সঞ্জয় ৰাইকালৈ অশেষ ধন্যবাদ থাকিল।

বিগত বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। মোৰ বিভাগৰ খেলসমূহ আছিল কেৰম, চেছ আদি। যথেষ্ট সংখ্যক ছাত্ৰই খেল সমূহত অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত যোগদান কৰা সমূহ ছাত্ৰলৈ মোৰ ধন্যবাদ থাকিল। আনহাতে যিসকল প্ৰতিযোগীয়ে মোৰ বিভাগৰ খেলসমূহ অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হ'ল তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

মই যি উদ্দেশ্য আগত ৰাখি ২০১৬-১৭ বৰ্ষত ছাত্ৰ জিৰণী কোঠাৰ দায়িত্ব পালনৰ প্ৰতিশ্ৰুতি দিছিলোঁ, সেই প্ৰতিশ্ৰুতি মতে হয়তো কাৰ্য সম্পাদন কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই দুঃখিত।

শেষত অজানিত হৈ ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে চিলাপথাৰ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মৰিছোঁ।

ধন্যবাদ

।। জয়তু চিলাপথাৰ মহাবিদ্যালয়।।

।। জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**চন্দ্ৰ কুমাৰ দাস**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৬-১৭ বৰ্ষ